# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৫/০৩/২০২৩ বুধবাৰ

**আজি ইংৰাজী ১৫-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৪১, সন্মানীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী অতুল বৰা, ( কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছিলো যে চিৰাং জিলাত soil testing laboratory ৰ বাবে ইতিমধ্যে ঘৰ এটা নিৰ্মাণ হৈছে। কিন্তু laboratory টো কেতিয়ালৈ কাৰ্য্যকৰী হ'ব।

ইয়াৰ উত্তৰত দিয়া হৈছে যে PPP mode ত চলোৱা হ'ব বুলি আৰু soil test laboratory টো ৬ মাহৰ মূৰত functional হ'ব কোৱা হৈছে।

উত্তৰ (খ) ত ৪৪৮৪৭ টা household farmers ক soil health card প্ৰদান কৰা হ'ব বুলি কোৱা হৈছে। কিন্তু আজিলৈকে চিৰাং জিলাত এখনো soil health card দিয়া হোৱা নাই। এই কাৰ্ডসমূহ কেতিয়ালৈ দিয়া হ'ব। soil testing কৰিব পাৰিলে কৃষিৰ উৎপাদন বা কেনেকৈ মাটিখিনি যত্ন ল'ব লাগে, ইয়াৰ ফলত কৃষক সকলে নিশ্চয় লাভান্বিত হ'ব। সেই কাৰণে মই আহ্বান জনাইছো যে অতি সোনকালে যাতে soil testing laboratory টো functioning হয় আৰু PPP mode ত কোৱা হৈছে, কাৰ দ্বাৰা কেনেকৈ কৰা হ'ব, সেইখিনি যাতে মন্ত্ৰী মহোদয়ে জনাই দিয়ে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ঃ

**শ্ৰী অতুল বৰা (কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী ডাঙৰীয়াক মই আশ্বাস দিব খোজো যে soil testing laboratory চিৰাঙত নিৰ্মাণৰত অৱস্থাত আছে। সেইটো ৬ মাহৰ ভিতৰতে functional হ'ব আৰু ৰাজ্যখনৰ ২৬ টা ঠাইত এনেধৰণৰ soil testing laboratory নিৰ্মাণ কৰিছোঁ। মাননীয় মুখমন্ত্ৰীয়ে বঙাইগাঁও, ওদালগুৰি, গোলাঘাট, দৰং, মৰিগাঁও, কৰিমগঞ্জ মুঠ ৬ টা soil testing formally মুকলি কৰিছে আৰু বাকীখিনিও মুকলি কৰা হ'ব। আমি ভাবিছো যে বিভাগে চলোৱাতকৈ PPP mode দিয়া হ'ব। গতিকে মই আশ্বাস দিছো যে ৬ মাহৰ ভিতৰতে সম্পূৰ্ণ হ'ব আৰু বাকী কামখিনি নিশ্চয় তাৰ পিছতে কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত প্ৰশ্ন নং ৪২, সন্মানীয় সদস্য শ্ৰী আফতাৰ উদ্দিন মোল্লা।

**শ্ৰী অতুল বৰা (কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আফতাৰ উদ্দিন মোল্লা, (জলেশ্বৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো, ভেটেনাৰী বিষয়ৰ ওপৰত। মই কৈছিলো যে সমষ্টিটোত কেইখন পশু চিকিৎসালয় আছে আৰু

তাত নিয়োজিত কিমান চিকিৎসকে কাম কৰি আছে।

মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে যে ২ খন পশু চিকিৎসালয় আছে আৰু ২ জন চিকিৎসকে কাম কৰি আছে। কিন্তু চিৰাখুটি পশু চিকিৎসালয়ত এজনো চিকিৎসক নাই। এইটো উত্তৰত কেনেকৈ দিছে মই ক'ব নোৱাৰো। যদি দিছে তেখেতে কাম কৰি আছে নে কাগজত আছে মই নাজানো।

লগতে প্ৰশ্ন (খ) ত পুঁজি আৱন্টন দিছে নে নাই আৰু ২০১৬ চনৰ পৰা বৰ্তমানলৈ কিমান পুঁজি আৱন্টন দিছে। উত্তৰত নাই বুলি কৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে তাত building structure ৰ ( half down কাম) অৱস্থা একেবাৰে বেয়া হৈ আছে। সেই কামটো ২০১৩ চনত আৰম্ভ হৈছিল আৰু ২০২১ চনলৈকে কামটো চলি আছে। ২০২১ চনত incomplete bill এখন submit কৰা হৈছে। মই ২০১৬ চনৰ পৰা বিচাৰিছো, ২০১৬ চনৰ পিছতো কাম চলি আছে। ২০১৯ চনত কামটো withdraw কৰিছে, ২০২১ চনত incomplete bill ঠিকাদাৰ জনক দিয়া হৈছে। কিন্তু এই কামখিনি এতিয়ালৈ কৰা হোৱা নাই। মই নিজে বিভাগৰ সঞ্চালয়ক জনক বহুবাৰ লগ ধৰিছিলো, কিন্তু কোনো ধৰণৰ সদ্ উত্তৰ পোৱা নাই বা কামটো কৰাৰ কাৰণে কোনেও সদিচ্ছা কৰা নাই। এনেকুৱা পিছপৰা অঞ্চলত য'ত ১০০ শতাংশ কৃষিজীৱি মানুহ, সেই মানুহখিনি পশুধনৰ চিকিৎসা পাবলৈ সক্ষম নহয়। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে builing বিলাকৰ কাম অতি সোনকালে সম্পূৰ্ণ কৰি তাত চিকিৎসকৰ ব্যৱস্থা কৰে যেন।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা (কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলেশ্বৰ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰী আফতাৰ উদ্দিন মোল্লা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় আমাৰ দৃষ্টিগোচৰ কৰিছে। মই সদনত জনাবলৈ পাই ভাল পাম যে কিছুদিনৰ আগতে ১৬১ জন চিকিৎসক নিযুক্তি দিয়া হৈছে APSC য়ে select কৰাৰ পিছত। আৰু ৰাজ্যত যিমান পশু চিকিৎসক এতিয়া নিযুক্তি নোপোৱাকৈ আছে, তাৰে তথ্য সংগ্ৰহ কৰি আমি গম পালো প্ৰায় ৬০০ আছে। সেই ৬০০ পশু চিকিৎসক নিযুক্তি দিয়াৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ মৰ্মে আমি ব্যৱস্থা লৈছো। চিকিৎসকৰ সংখ্যা কম আছিল আৰু মই জনাত মাননীয় সদস্য গৰাকীয়ে ২ জন চিকিৎসক দিয়াৰ কথা কৈছে যে এজন চিকিৎসক তাত দেখা নাই। সেই গতিকে এই বিষয়টো অনুসন্ধান কৰিম আৰু চিৰাখুটী ৰাজ্যিক পশু চিকিৎসালয় পুনৰ নিৰ্মাণৰ কাম আমি গড়কাপ্তানী বিভাগৰ জৰিয়তে আৰম্ভ কৰিছিলো আৰু এই কামৰ বাবে ইতিমধ্যে ৬৬.২৮ লাখ টকা আৱন্টন দিয়া হৈছে। বিষয়টো আপুনি দৃষ্টিগোচৰ কৰিছে, আমি অনুসন্ধান কৰিম আৰু অতি সোনকালে কামটো শেষ কৰিবলৈ ব্যৱস্থা কৰিম। হয়, ৰাজ্যখনত বহু চিকিৎসালয় আছে, Dispensary, Sub-Centre আছে, ইয়াৰ কাম আমি RIDF ৰ জৰিয়তে কৰিছিলো, তাৰে কিছু ঠাইত কাম আধাৰুৱা হৈ ৰৈ গ'ল আৰু সেইখিনি সম্পূৰ্ণ কৰিবৰ কাৰণে আৰু infrastructure development ৰ কাৰণে আমি বহুখিনি ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিকল্পনা হাতত লৈছো।

**শ্ৰী আফতাৰ উদ্দিন মোল্লা (জলেশ্বৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এটা সময় নিৰ্ধাৰিত কৰি দিয়ক যে ইমান দিনত কাম আৰম্ভ হ'ব।

**শ্ৰী অতুল বৰা, (কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পশু চিকিৎসালয় বিভাগটো এটা পুৰণি বিভাগ। ১৯০৬ চনতে পশু চিকিৎসা বিভাগ আমাৰ ৰাজ্যখনত

হৈছিল। কিন্তু বিভিন্ন কাৰণত এটা সময়ত এই বিভাগৰ বিৰুদ্ধে বহু দুৰ্নীতি হৈছিল আৰু দুৰ্নীতিৰ অভিযোগো আহিছিল। এই বিভাগটো আমি শক্তিশালী কৰিবৰ কাৰণে, বিভাগটো গতিশীল কৰিবৰ কাৰণে আমি নতুন চিকিৎসা আৰু VFA নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো। আপুনি যিটো সময়ৰ কথা কৈছে, সময়টো দি দিম, আকৌ আপুনি পিছৰ অধিবেশনত ক'ব যে কামটো হোৱা নাই আপুনি কথা দিছিল। গতিকে আমি সময় নিদিও, যিমান শীঘ্ৰে পাৰি কৰি দিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৩, সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী অতুল বৰা (কৃষি, মন্ত্ৰী,পশুপালন ও পশু চিকিৎসা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল বিভিন্ন বীজ কৃষি বিভাগৰ পৰা কৃষক সকলক দিয়া হয়। ইয়াৰ quality কেনেকুৱা, কেনেকুৱা ধৰণৰ বীজ দিয়ে। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে এইখিনি certified কৰি উন্নতমানৰ বীজ দিয়া হয়। কিন্তু আমি লক্ষ্য কৰিছো যে কৃষক সকলে এই বীজ বিলাক বহুত সময়ত ব্যৱহাৰ নকৰে উন্নতমানৰ নোহোৱাৰ কাৰণে। যেতিয়া বীজৰ পৰা উৎপাদন বেছি নহয়, ultimately তেখেতসকলে এইটো বেলেগ কামত ব্যৱহাৰ কৰে বজাৰত গৈ বিক্ৰী কৰি দিয়ে বা বেলেগ কামত ব্যৱহাৰ কৰে। বজাৰৰ পৰা কিনি আনিহে তেখেতসকলে বীজ ব্যৱহাৰ কৰে। hybrid বুলি লিখা থাকে, কিন্তু খেতি কৰাৰ পিছত দেখা যায় যে hybrid নহয়, যিমান হ'ব লাগে, বিঘাত ২৫, ৩০ মোন, সেইটো গৈ ১০,১২, ১৫ মোন প্ৰতি বিঘাত যেতিয়া হয়, ultimately সেইখিনি ব্যৱহাৰ নকৰে। যদিও certified বুলি লিখা আছে, তাতে tag ও লগোৱা থাকে যে কোম্পানীৰ পৰা আহিছে, সকলো ঠিকে আছে, কিন্তু এই বীজ বিলাকৰ সাধাৰণতে এনেকুৱা সমস্যা ওলায় যে কৃষকসকলে ব্যৱহাৰ নকৰে, পেলাই দিয়ে বা বিক্ৰী কৰে আৰু সময়মতে বীজখিনি নাহে। আজিও মই ৰাতিপুৱা খবৰ লৈছো মোৰ বৰপেটা জিলাৰ বিভিন্ন ব্লক কিছুমান বীজ এতিয়াহে গৈ পাইছে, যেনেকৈ মাকৈ। মাকৈ বছৰত দুইবাৰ খেতি কৰে। আজি মই খবৰ লৈছো যে বৰপেটা জিলাৰ কিছুমান ব্লকত কিছুমান বীজ এতিয়া গৈ পাইছে । যেনেকৈ মাকৈ, এতিয়া মাকৈ কাটিব হৈছে পোন্ধৰ দিনৰ ভিতৰত কিন্তু মাকৈৰ বীজ এতিয়াহে গৈ পাইছে । এতিয়া হয়তো ক'ব যে গৰম চিজ্‌নৰ কাৰণে। কিন্তু বৰপেটা বা বিভিন্ন অঞ্চলত গৰমৰ দিনত মাকৈৰ খেতি কৰে ? হাইব্ৰীড ধানৰ বীজ গৈ পাইছে কিন্তু এতিয়ালৈকে বিতৰণ কৰা নাই । কিন্তু মানুহে খেতি কৰিব আৰম্ভ কৰিলেই। গতিকে সময়মতে বীজ গৈ নাপায় আৰু পতান ওলোৱা বীজ গৈছে আৰু উন্নতমানৰ নহয় । দ্বিতীয়তে মই যিটো সাৰৰ কথা কৈছো যে ইউৰিয়াৰ যিটো সমস্যা গোটেই অসমতে আছেই। কিন্তু বৰপেটা জিলাত এইটো এটা চিণ্ডিকেট চলাইছে। ইউৰিয়াৰ যিটো এলোকেশ্যন দিয়ে, মাৰ্কেটিং ব'ৰ্ডে দিয়া হৈছে এতিয়া আৰু কিছুমান হলচেলাৰে দিয়া হৈছে কিন্তু ৰিটেইলাৰ বিলাকে যদি বিশ বস্তা পাবলগীয়া আছে তেতিয়াহ'লে ৫০ বেগ দিম বুলি কয় তাৰ বিনিময়ত এশ বা দুশ টকা দিব লাগে । কেইটামান বিষয়াই বৰপেটা জিলাত পইছা কালেক্সন কৰি এই কাম কৰি আছে আৰু এই গোটেইখিনি কৃষকৰ ওপৰত গৈ আছে । যেতিয়া ২০ বেগৰ ঠাইত ৫০ বেগ দি আছে আৰু প্ৰতিটো বেগতে ১০০, ২০০ টকাকৈ লৈ আছে। আৰু ৰিটেইলাৰ খিনিয়ে কৃষকৰ পৰা এই পইছাখিনি উঠায় । ইউৰিয়াৰ লগত কোম্পানীয়ে অতিৰিক্ত ভাবে নেন' ইউৰিয়া ইমান দিয়ে য'ত ২৬০ টকাৰ ইউৰিয়াটো ৫০০, ৭০০, ১০০০ টকাকৈ প্ৰতি বেগত লয় কৃষকৰ পৰা । সেয়েহে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে গোটেই অসমত এটা তদন্ত কৰিব লাগে এই ইউৰিয়াৰ নামত যিটো বেমেজালি হৈ আছে, বীজৰ নামত

বেমেজালি হৈ আছে আৰু সময় মতে কিয় নাযায় তাৰ কাৰণে এটা তদন্ত কৰিব লাগে । আৰু যি বিলাক এফ টি এছ আছে ঘটিছে ... আমাৰ হাতত বিজ্ঞানী ও আছে কিন্তু জলবায়ু পৰ্য্যবেক্ষণ নকৰাকৈ সময় পাৰ হৈ যোৱাৰ পিছত বীজ দিয়া হয় । যিহেতু বৃহৎ ক্ষতি হ'ব মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই ইয়াৰে সঠিক উত্তৰ বিচাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই কেইটামান কথা কৈছে তাৰ ভিতৰত মই আপোনালোকক সদনত জনাবলৈ পালে মই সুখী হম যে আমি যিবিলাক বীজ দিওঁ আমাৰ দুটা এজেঞ্চীয়ে দিয়ে এটা হৈছে Assam Seed Corporation আৰু National Seed Corporation আৰু আমি প্ৰয়োজনীয়তা খিনি জিলা সমূহৰ পৰা লওঁ। কাৰণ এতিয়া সাংঘাটিক ধৰণে জলবায়ুৰ পৰিৰৰ্তন হৈছে। যোৱাবাৰ মাৰ্চ মাহতে বানপানী আহিল। গতিকে তেনেকুৱা পৰিস্থিতিৰ বাবে সালসলনি কৰিছো আৰু যিমান পাৰো আমি সময়মতে যাতে বীজ বিলাক দিব পাৰো তাৰ চেষ্টা কৰিছো আৰু সেইমতে দিছো । যোৱা বছৰ মই দৃঢ়তাৰে দাবী কৰিব পাৰো যে সময়মতে বীজ পাইছে। এতিয়া ডাঙৰ কথা হৈছে যে চীড কৰপোৰেশ্যন এজেঞ্চী আছে যিটো আষ্টা বুলি কোৱা হয়, এতিয়া নামটো সলনি হৈ আষ্টা হৈছে আৰু তাত স্পষ্ট লিখা থাকে কিন্তু কথা হৈছে চিড্ বিলাক যেতিয়া লয় সময়মতে তেওঁলোকে খেতিপথাৰত নপৰে । কাৰণ গোৱালপাৰাত তেনেকুৱা ধৰণৰ অভিযোগ পাইছিলো তাত আমি তদন্ত কৰিলো আৰু ৰাজ্য খনৰ বিভিন্ন ঠাইত যেতিয়া বাতৰিত এই কথাটো সম্প্ৰচাৰ হয় তেতিয়াই ল'গে ল'গে মই তদন্ত কৰিব দিওঁ আৰু তদন্তৰ পিছত গম পাইছো যে সময়মতে কৰা নাই । যোৱাবছৰ তেওঁলোকে চিলঙনীত ডেমষ্ট্ৰেশ্যনৰ কাৰণে দিয়া হৈছিল, সেইখিনি দিয়াৰ পিছত নোলাল । সেই কথাখিনি মই যোৱা সদনতো কৈছো । তথাপি তেখেতে যিখিনি পৰামৰ্শ দিছে এইখিনিৰ প্ৰতি গুৰুত্ব দিম । এতিয়া কথা হ'ল যে ষ্টীম লাইন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লৈছে। মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া সংবাদ মাধ্যমত সবিষ্টাৰে কথাবোৰ প্ৰকাশ কৰিছিল তেতিয়া এই কোম্পানী বিলাকৰ লগতো আলোচনা কৰিছিল । কোম্পানী বিলাকক যথেষ্ট তাগিদা দিয়া হৈছিল। তাৰ পিছত আমি গোটেই কথা খিনি এছ অ পি কৰি এগ্ৰিকালচাৰ মাৰ্কেটিং ব'ৰ্ডক এই খিনি চোৱাচিতা কৰিবলৈ দিছো । কিন্তু আজি সদনক মই জনাবলৈ পালে ভাল পাম যে ইউৰিয়াৰ পৰিৱৰ্তে নেন' ইউৰিয়া যদি ব্যৱহাৰ কৰিব পাৰে । তাত যদি কিবা তেনেকুৱা হৈছে গোটেইখিনি নিশ্চিত ভাবে আমি চাম। আমি অনুসন্ধান কৰি আহিম। গতিকে মই ভৱিষ্যতৰ দিনত সকলো সন্মানীয় বিধায়কে সহযোগিতা কৰিব যাতে বীজ বিলাক যাওঁতে আপোনালোকে জিলা কাৰ্য্যালয় বিলাকত যাতে খবৰ ৰাখে আৰু প্ৰকৃত খেতিয়কে যাতে পায় এইটো দৃষ্টিগোচৰ দিব ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ চাৰ সৰু কথা এটা ক'বলৈ থাকি গ'ল ।

**মাননীয় অধ্যক্ষ** ঃ নালাগে, আপোনাৰ ক'বলগীয়া খিনি লিখি দিয়ক।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ চাৰ আমাৰ এগ্ৰিকালচাৰ ডিপাৰ্টমেন্টৰ যিবিলাক বিজ্ঞানী বহি আছে আৰু ফিল্ড ট্ৰায়েল চেন্টাৰ বিলাক জহি খহি গৈছে অসমৰ বিভিন্ন ঠাইত । ক্লাইমেট এছেজ কৰক আৰু সময়মতে বীজ বিলাক দিয়াৰ কাৰণে এইটো নিশ্চিত কৰক যাতে কৃষক সকলে লাভৱান হয় ।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কথাখিনি ঠিকেই কৈছে। আমি কৃষি

বিশ্ববিদ্যালয়ক নিশ্চয় কম যাতে তেওঁলোকে এই কাম খিনি কৰে । কিন্তু আমাৰ অসমৰ বিভিন্ন ঠাইত যেনে- বটদ্ৰৱা আদিত আমাৰ বীজ ফাৰ্ম খনকে কিছু লোকে বেদখল কৰি লৈছে। গতিকে আমি প্ৰথমে ৰাজ্যখনৰ যিবিলাক অঞ্চলত এনেধৰণৰ বেদখল সেইখিনি দখলমুক্ত কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আগবাঢ়ি যাব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য আব্দুল ৰশিদ মণ্ডল ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননয়ী অধ্যক্ষ ডাঙৰীয়া প্ৰশ্নৰউত্তৰ চি ত এটা কথা উল্লেখ কৰিছে যে অসমত যিখিনি ইউৰিয়া সাৰ অনুমোদন কৰা হয় তাৰে প্ৰায় ৪০ শতাংশ আসাম ষ্টেট এগ্ৰিকালচাৰ মাৰ্কেটিং ব'ৰ্ডৰ জৰিয়তে ৰিটেইলাৰৰ দ্বাৰা কৃষক সকলে লাভ কৰে আৰু ৬০ শতাংশ কোম্পানীয়ে প্ৰত্যক্ষ ভাবে তেখেত সকলৰ এজেন্টৰ দ্বাৰা কৃষক সকলৰ মাজত বিতৰণ কৰি দিয়ে আৰু এই ব্যৱস্থাটো এচ অ' পি ত স্বীকৃতি দিয়া হৈছে ।

এতিয়া মই সন্দেহ কৰিছো যে- এই এচ অ' পি বা চৰকাৰৰ ভুল নীতিৰ বাবে মাননীয় বিধায়ক ৰফিকুল ইছলাম ডাঙৰীয়াই দুৰ্নীতিৰ যি অভিযোগ আনিছে সেইটো সম্ভৱ হৈছে বুলি ভাৰো । গতিকে চৰকাৰৰ ভুল নীতিৰ বাবে এই দুৰ্নীতিটো হ'বলৈ পালে ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি কিয় চৰকাৰৰ ভুল নীতি হোৱা বুলি কৈছে ? আপুনি এইবিলাক কথা নকৈ মন্ত্ৰী ডাঙৰীয়াক পোনপটীয়া ভাবে আপোনাৰ প্ৰশ্নটো সোধক আৰু এই ক্ষেত্ৰত আপুনি কি পৰামৰ্শ দিব বিচাৰে সেইটো কওঁক ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ আপোনালোকে কোম্পানীৰ সলনি আসাম ষ্টেট এগ্ৰিকালচাৰ মাৰ্কেটিং ব'ৰ্ডৰ জৰিয়তে ৰিটেইলাৰৰ দ্বাৰা সাৰ সমূহ বিতৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক ।

মই জনাত গোৱালপাৰা জিলাত প্ৰায় ১৩ জন এনেকুৱা কোম্পানীৰ দ্বাৰা নিযুক্ত ডিলাৰ আছে । আনহাতে আসাম ষ্টেট এগ্ৰিকালচাৰ মাৰ্কেটিং ব'ৰ্ডৰ ২৭০ জন ৰিটেইলাৰ আছে । কিন্তু পৰিতাপৰ কথাটো হ'ল এই যে এই ২৭০ জন ৰিটেইলাৰে যিখিনি সাৰ পায় তাতকৈ বহুগুনে বেছি সাৰ এই কোম্পানীৰ ডিলাৰ ১৩ জনে পায় । যিহেতুকে আধাৰৰ লিংকত বিক্ৰীহোৱাটো দেখুৱাব লাগে সেয়েহে নথি-পত্ৰ সমূহ বৈধ কৰাৰ খাতিৰত এই ডিলাৰ সকলে ৰাতি দহ বজাৰ পিছত অধিক মুনাফা লৈ কলা বজাৰত সাৰ সমূহ বিক্ৰী কৰি দিয়ে । গতিকে মই বিচাৰো এই বিষয়টো তদন্ত কৰিব লাগে আৰু এচ অ' পিৰ দ্বাৰা কোম্পানীৰ ঠিকাদাৰ সকলক যি অধিকাৰ দিয়া হৈছে সেই অধিকাৰ বাতিল কৰিব লাগে । গোটেই সাৰ বিতৰণ প্ৰক্ৰিয়াটো আসাম ষ্টেট এগ্ৰিকালচাৰ মাৰ্কেটিং ব'ৰ্ডৰ ৰিটেইলাৰৰ দ্বাৰা কৃষক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

**মানননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা সময়চোৱাত সাৰ বিতৰণক লৈ সংবাদ মাধ্যমত যি বাতৰি সম্প্ৰচাৰ হৈছে আৰু সদনত যি আলোচনা হৈছে এই গোটেই বিলাক দিশ পুংখানুপুংখ ভাবে আলোচনা কৰি বৰ্তমানৰ এই এছ অ' পি খন বনোৱা হৈছে আৰু তেনেকুৱা কোনো অভিযোগ আমি পোৱা নাই । তথাপি মাননীয় সদস্যজনে সদনৰ মজিয়াত যিহেতু কথাখিনি জনাইছে, আমি নিশ্চয় বিষয়টো চাম আৰু প্ৰয়োজন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিম ।

মই পুনৰ জনাব বিচাৰিম যে নেন' ইউৰিয়া ব্যৱহাৰ কৰিলে এনেধৰণ অভিযোগ আহিবই নোৱাৰে যিহেতুকে আগৰ ইউৰিয়া আৰু বৰ্তমানৰ নেন' ইউৰিয়াৰ গুগগত মান সমপৰ্য্যায়ৰ ।

**মানননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪৪ । শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ)

**শ্ৰী অতুল বৰা, (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মোঃ আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিদেশী সমস্যা এটা অত্যন্ত জটিল আৰু পুৰণি সমস্যা হিচাপে বিবেচিত হৈ আহিছে আৰু আমি দেখিছো যে আইনগতভাৱে অসম চুক্তি পাঁচ নং দফাত যিখিনি fix কৰা হৈছিল অসম চুক্তিৰ জৰিয়তে আৰু সেইখিনি 1971, 24th March টো fix কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে যিটো "CAA" আনিলে কেৰৰ জৰিয়তে CAA লৈ অনা হ'ল। আমি দেখিছো যে CAA ৰ জৰিয়তে যিটো fix কৰিলে বিদেশী নাগৰিকত্ব পোৱাৰ যিটো ভিত্তি বছৰ ঠিক কৰিলে ২০১৪ চনৰ ৩১ ডিচেম্বৰ। এই দুটা বিষয় যে অসম চুক্তিৰ বৈধতাটো আছে. অসম চুক্তিৰ heart বুলি কোৱা পাঁচ নং দফা যিটো বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ প্ৰক্ৰিয়া এই বস্তুটো এতিয়া আছে নে CAA টো আছে? আমাৰ ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে AASU, State Government, Central Government and other organisation আছিল। গোটেইখিনি মিলি যিটো ত্ৰিপাক্ষিক আলোচনা হ'ল, সেই আলোচনাৰ জৰিয়তে যিটো ভিত্তি বছৰ হ'ল Parliament ত পাছ কৰা হ'ল Citizenship Act 1955 section-6 amendment কৰা হ'ল 6-A insert কৰা হ'ল গোটেই ভাৰতবৰ্ষত parliament য়ে আইন প্ৰণয়ন কৰিলে, presently ভাৰতবৰ্ষৰ দুখন আইনৰ মাজত এতিয়া এটা contradict হৈ আছে। এই contradict টোৰ বিষয়ে আমাৰ অসমৰ যিটো বিদেশী সমস্যা, এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে এই CAA ৰ ক্ষেত্ৰত আৰু অসম চুক্তিৰ ক্ষেত্ৰত কোনটো সঠিক হিচাপত লৈছে বা CAA যদি আমাৰ গোটেই অসম চুক্তিৰ বিৰোধী হৈ গৈছে citizenship amendment Act 1955 ৰ section 6A contradict হৈছে এই মূহুৰ্তত আমাৰ ৰাজ্য চৰকাৰৰ কৰণীয় কি আৰু ৰাজ্য চৰকাৰে এইটো বিষয় লৈ যদিও CAA টো এটা central বিষয়, কিন্তু অসম চুক্তি amendment কৰি citizenship Act 1955 টো amend কৰা হৈছে। সেইটোতো Central Act. সেইটো Parliament ত পাছ হৈছে। দুটা parliament ত contradict Act ৰ ভিতৰত কোনটো prevail কৰিব আৰু কোনটোত আমি অসমৰ চৰকাৰে লগ দিম, অসম চুক্তিক লগ দিম নে কাক লগ দিম সেইটো স্পষ্ট কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত যি বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত গণ আন্দোলন হৈছিল, গণ আন্দোলনৰ ফলত অসম চুক্তি হৈছিল আৰু এই অসম চুক্তিখন ৰূপায়ণৰ কাৰণে ইতিমধ্যে বহুতখিনি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন কমিটি কৰি দিছে য'ত চুক্তি স্বাক্ষৰকাৰী সদৌ অসম ছাত্ৰ সন্থাৰ চাৰি গৰাকীকৈ সভাপতি, সম্পাদক আৰু উপদেষ্টা তেওঁলোকে এই কমিটিৰ সদস্য। আমি এই বিষয়টো আলোচনা কৰি আছো অনাগত দিনত আমি নিশ্চয় সঠিক বাটেৰে আগবাঢ়ি যাব পাৰিম আৰু Citizenship Act তেখেতে নিজেই কৈছে সন্মানীয় সদস্য গৰাকীয়ে এইটো এটা কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা এখন আইন, কেন্দ্ৰীয় চৰকাৰৰ বিষয়। সেই বিষয়খিনিও আমি আলোচনা কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

**মোঃ আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন ইয়াত আছিল যে আমাৰ অসম চৰকাৰখন ultimately ভাৰতৰ ভিতৰতে। এই বিষয়লৈ অসম চৰকাৰে

কি ব্যৱস্থা ল'ব, আমাৰ অসমৰ যিটো sentiment বিদেশী বহিষ্কাৰৰ চিনাক্তকৰণৰ যিটো প্ৰক্ৰিয়া আৰু এটা কথা হ'ল বিদেশীৰ কাৰণে red carpet পাৰি দিয়া totaly contradict বিষয়। এই বিষয়ে অসম চৰকাৰ অস্পষ্ট। অসম চৰকাৰে CAA ৰ favour কৰি আছে নে অসম চুক্তিক বৈধতাৰ নাকচ কৰি আছে। কোনটো কৰিব সেইটো স্পষ্ট কৰিব লাগে। লগতে আৰু এটা কথা ক'ব বিচাৰিছো, ৬ নং দফা বলবৎ কৰিবৰ কাৰণে high level committee বনোৱা হ'ল। High level committee ৰ ৰিপোৰ্ট submit কৰা হ'ল দিল্লীলৈ, Home Deparment য়ে accept নকৰিলে। State Government য়ে সেইটো receive কৰিলে। Receive কৰা পিছলৈকে আজিলৈকে সেই ৬ নং দফা আৰু ভাৰতৰ সংবিধানৰ প্ৰায় ৪৪ টা ধাৰা ব্যাহত হৈছে আমাৰ সেই ৬ নং দফাৰ জৰিয়তে। এই যিখিনি ভাৰতৰ সংবিধানৰ যি ৪৪ টা ধাৰা আৰু আমাৰ ৬ নং দফাৰ যিটো recommendation, এই recommendation ৰ ক্ষেত্ৰত অসম চৰকাৰে বি ব্যৱস্থা লৈছে স্পষ্ট জনাব লাগে।

**শ্ৰী অতুল বৰা, (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত সদৌ অসম ছাত্ৰ সন্থাৰ লগত আলোচনা কৰিবৰ কাৰণে এখন কমিটি কৰি দিছিল য'ত অসম মন্ত্ৰীসভাৰ সন্মানীয়া সদস্যা শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী আছে, সন্মানীয় মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াও আছে। ৬ নং দফাৰ সম্পৰ্কত আমি বিস্তৃতভাৱে আলোচনা কৰিছো আৰু সদৌ অসম ছাত্ৰসন্থাৰ পৰা আমি পৰামৰ্শ বিচাৰিছিলো। আজি কিছুদিনৰ আগতে দিছে। আমি খুব কম দিনৰ ভিতৰতে পুনৰ এক বৈঠকত মিলিত হৈ এই বিষয়ে এটা সিদ্ধান্ত ল'ম আৰু নাগৰিকত্ব সংশোধনী আইন এই সম্পৰ্কত মই কৈছো যিহেতু নাগৰিকত্ব সংশোধনী আইন ভাৰত চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা হৈছে সেয়েহে সেই বিষয়ে ৰাজ্য চৰকাৰে মতমত দিয়াৰ কৰ্তৃত্ব নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, IMDT Act বাতিলৰ কাৰণে ২০০৫ চনত মাননীয় শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই কেছ কৰিছিল। এই কেছৰ যিটো verdict আহিছিল, তাতে clearly কোৱা হৈছিল যে Immigrants Expulsion Act 1950. এই Act কাৰ্য্যকৰী কৰিবৰ কাৰণে। প্ৰথম কথাটো হ'ল যে আজিলৈকে এই Act খন কাৰ্য্যকৰী কৰা নাই। দ্বিতীয়তে, CAA is become a political issue. আপোনলোকৰ হিন্দু বেংগলীসকল ভোটাৰ হ'ল। যিকেইজনে আপোনালোকক ভোট দিয়ে। এইটো এটা আপোনালোকে issue হিচাপে ব্যৱহাৰ কৰে। Election আহিলে কিবা CAA ৰ কথা আহে। কথাটো হৈছে CAA খনৰ দ্বাৰা এজন মানুহৰো লাভ নহ'ল। আমি বাংলাদেশলৈ গৈছিলো আৰু Act খন আমি চালো। আপোনালোকে যিমান clause লগাইছে, এই Act খনেদি কি কৰিলে? আমাৰ মাজত এটা বিভেদ সৃষ্টি কৰিলে। সেইটো কাৰণে মই ভাৱো, আজি ২০১৪ চনৰ পিছতে কিবা incident নহ'ব নেকি? ২০১৫, ২০১৬, ২০১৭, ২০১৮ আৰু ২০১৯ incident হৈছে এই Act খন কাৰ কাৰণে হৈছে, মানুহৰ কাৰণে হোৱা নাই। সেইটো কাৰণে আজি আধাৰ কাৰ্ডত ২৯ লাখ মানুহৰ নাম নাই। বেছিভাগ হিন্দু বেংগলীসকলৰ। এই লোক সকলে treatment কৰিব যাব পৰা নাই। এই লোকসকলে পেঞ্চন নাপায়। এইটো লৈ আপোনালোকে একো নকৰে। সেই কাৰণে মই ভাৱো, সেই কাৰণে চৰকাৰে এইটো clear কৰক। যিকেইটা ভোট দিয়ে, সেই issue কেইটা আপোনালোকে resolve নকৰে। সেইখিনি resolve কৰিবৰ

কাৰণে মই চৰকাৰক অনুৰোধ জনাম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি কাকো আক্ৰমণ নকৰাকৈ মই আলোচনাৰ সামৰণি মাৰিব বিচাৰিছিলো। দেশ স্বাধীন হোৱাৰ পিছত দীৰ্ঘদিন ধৰি আমাৰ ৰাজ্যখনত কংগ্ৰেছ দল ক্ষমতাত আছিল। দিল্লীতো আছিল আৰু সেই সময়তে বিদেশী অনুপ্ৰৱেশৰ কাৰণে ৰাস্তা খুলি দিয়া হৈছিল বাংলাদেশৰ পৰা। যাৰ কাৰণে অসম আন্দোলন হ'ল, যাৰ কাৰণে ৮৫৫ জন ৰাজ্যখনত শ্বহীদ হ'ল আৰু আপোনালোকে জানে যে, IMDT Act ৰ কথা কৈছে। কাৰণ IMDT Act খন অসম চুক্তি ৰূপায়ণৰ main barrier আছিল আৰু সেই IMDT Act খন মহামান্য আদালতে বাতিলৰ হুকুম দিয়াৰ পিছত এটা নতুন ৰাজনৈতিক দলৰ জন্ম হ'ল এই কথাখিনি আপোনালোকে জানে। গতিকে এই কথাখিনি আমি সকলোৱে বুজি পাঁও আৰু আমি ৰাজনৈতিক স্বাৰ্থত  আমি কোনো ধৰণৰ কাম কৰা নাই। আমাৰ মূল লক্ষ্য হৈছে এখন বিদেশীমুক্ত অসম আৰু ৰাজ্যখনৰ সৰ্বাংগীন বিকাশ। গতিকে ভৰিষ্যত অসম চুক্তি ৰূপায়ণৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Explulsion Act য'ত Supreme Court য়ে কৈছে। এতিয়া কাৰ্য্যকৰী হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিলে। যিখিনি প্ৰশ্নৰ উত্তৰ হৈ গ'ল। প্ৰশ্ন নং ৪৪ শ্ৰীপ্ৰদীপ হাজৰিকা।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ, যিটো উত্তৰ পাব লাগে, আমি উত্তৰ নাপাঁও। Act কেইখন অনা হয়, বিল কেইখন আইনত পৰিণত হয়। কিন্তু বিলকেইখন পৰিণত হোৱাৰ পাছতো যিটো পৰিবেশ সৃষ্টি হয় অসমত এই কথাটো চৰকাৰে গম পায়। এইটো এটা political issue. ভোটৰ কাৰণে ৰাজনীতি নকৰিব। এই সমস্যাবোৰ সমাধান কৰি অসমত যাতে এটা পৰিৱেশ সৃষ্টি হয়।

................(সদনত হুলস্থূল).............

**মাননীয় অধ্যক্ষ ঃ** আপুনি raise কৰিলে হ'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চৰকাৰৰ ফালৰ পৰা যিটো উত্তৰ পাব লাগে পোৱা নাই।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** সদনৰ ভিতৰত সকলো dicission দিব নোৱাৰে। Please Please, পৰৱৰ্তী প্ৰশ্ন আছে। এইটো debate নহয়। মই action ললে বেয়া পাব। This is not a debate এইটো প্ৰশ্ন শিতান। আপুনি ন'টিছ দিয়ক। Silent Please.

এতিয়া প্ৰশ্ন নং-৪৫। মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি ধৰণে উত্তৰ দিব লাগিছিল, আমি সেই ধৰণে উত্তৰটো নাপাওঁ। আচলতে বিভেদকামী এক্ট এটা অনা হ'ল আৰু বিলসমূহ শেষত গৈ আইনত পৰিণত হয়। আইনত পৰিণত হোৱাৰ পিছত যিটো পৰিৱেশৰ সৃষ্টি হয়, সেই পৰিৱেশটো চৰকাৰে গম পায়। নিৰ্বাচনৰ সময়ত এইটো পলিটিকেল ইচ্ছ্যু কৰি লোৱা হয়। ভোটৰ কাৰণে ৰাজনীতি কৰিব নলাগে। এই সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে.........interruption.........

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো উত্থাপন কৰিলে। ........interruption.........মন্ত্ৰীয়ে উত্তৰ

দিলে। সদনৰ ভিতৰত সকলো সিদ্ধান্ত ল'ব নোৱাৰি। মই আপোনাক ৰিকুৱেষ্ট কৰিছো। next question আছে। এইটো ডিবেট নহয়। আপুনি কিয় কৈ আছে? মই কিবা action ল'লে আপোনালোকে বেয়া পাব। এইটো ডিবেট নহয়, এইটো প্ৰশ্নকালীন ঘণ্টা। ..........interruption.........

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত এটা special discussion লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি নোটিচ দিয়ক। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক .........interruption.........

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী পৰিবহন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আগতেও মই উত্থাপন কৰিছিলো। এতিয়া প্ৰশ্নৰ যিটো উত্তৰ দিছে, সেই উত্তৰটো মই পাইছো। প্ৰশ্ন (ক) ৰ যিটো উত্তৰ দিছে, সেইটো পাই মই আচৰিত হৈছো। মই আচৰিত হৈছো কাৰণ বাছ আস্থানৰ কাৰণে যিখিনি মাটি আছে, সেই মাটিখিনি ১৯৯৬ চনৰ সময়তে দিয়া মাটি আৰু এ.এচ.টি.চি. এ আৰ্কিটেকৰ দ্বাৰা পৰ্তুগীজ আৰ্হিৰ এটা ঘৰ তাত বনাইছিল। তাত গ্ৰাউণ্ড ফ্ল'ৰ আৰু ফাৰ্ষ্ট ফ্ল'ৰ আছে। ইয়াৰ উত্তৰত দিয়া হৈছে যে ২০০৩ চনত এই মাটিখিনি ৰিজৰ্ট বনাবাৰ বাবে লীজত দিয়া হৈছে। কিন্তু এই মাটিখিনিত এ.এচ.টি.চি. ৰ এটা ষ্টেশ্যন আছে আৰু পৰ্তুগীজ আৰ্হিৰ এটা ঘৰ আছে আৰু তাত অন্য কোনো ঘৰ নাছিল। কিন্তু ইয়াৰ উত্তৰত দিয়া হৈছে যে উক্ত ৰিজৰ্টত নিগমৰ এটা টিকেট কাউণ্টাৰ স্থাপন কৰা হয়। আপনোলোকে নিজৰ মাটিখিনি নাইকিয়া কৰি ৰিজৰ্টৰ এটা ৰুম লৈ এটা কাউণ্টাৰ খুলিছে বুলি ইয়াত উত্তৰটো দিছে। এইটো একেবাৰে ভুল কথা। কাৰণ তাত এ.এচ.টি.চি. ৰ এটা নতুন বাছ আস্থান নিৰ্মাণ কৰা হৈছে আৰু তাত ৰিজৰ্টৰ এটা ৰুম লৈ এটা কাউণ্টাৰ খুলি বহি থকাৰ কথাটো একেবাৰে ভুল কথা। দ্বিতীয়তে, ইয়াত নিৰ্মাণ কৰিবৰ কাৰণে চুক্তি অনুসৰি পৌৰ নিগমে ২৫ লাখ টকা অনুদান দিয়ে আৰু এই কথাটো সঁচা নেকি? শেষত মই এটা কথা জনিব বিচাৰিছো যে উত্তৰত কোৱা হৈছে যে ২০২১ চনত তাত উচ্ছেদৰ এটা জাননী দিছিল। তাৰ বাবে আদালতৰ দ্বাৰস্থ হয় আৰু বিষয়টো বিবেচনাধীন হৈ আছে। মই জনাত এই কেচটো ভালকৈ attend কৰা নাই। বিভাগসমূহে কেচসমূহ ভালকৈ attend নকৰাৰ কাৰণে বহু কেচ নষ্ট হৈছে। সেই কাৰণে এই কথাখিনি মই ভালকৈ জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী পৰিবহন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই সঁচা কথা কৈছে যে ইয়াত এটা ৰিজৰ্ট চলি আছে। ২০০৩ চনত এ. এচ. টি. চি. এ এই অঞ্চলৰ লগত চুক্তি কৰি এই ৰিজৰ্টৰ কাম আৰম্ভ কৰিছিল আৰু চুক্তিৰ ভিতৰতে এই বিল্ডিংসমূহ সোমাই আছে। ২০০৩ চনত এ. এচ. টি. চি. এ গোটেই সম্পত্তিখিনি ৰিজৰ্টৰ নামত দিলে। তেওঁলোকক কোৱা হ'ল যে ২৫ লাখ টকা খৰচ কৰি তেওঁলোকে বিল্ডিংটো সাজক আৰু মুঠ বিনিয়োগৰ পাঁচ হাজাৰ টকাকৈ মাহিলি দি থাকিব আৰু তিনি বছৰৰ পিছে পিছে দহ শতাংশ কৈ ভাড়া বৃদ্ধি হ'ব। এই ক্ষেত্ৰত আপুনি আগতেও প্ৰশ্ন উত্থাপন কৰিছে। আমাৰ চৰকাৰ অহাৰ পিছত এই গোটেই কথাখিনি চালি-জাৰি চাই উচ্ছেদৰ নেটিচ দিয়া হ'ল। উচ্ছেদৰ নেটিচ দিয়াৰ পিছত স্বাভাৱিকভাৱে যিজনে ২০০৩ চনত বুজাবুজিৰ চুক্তিৰ জৰিয়তে

এই ৰিজ'ৰ্টখন বনালে তেওঁ কোৰ্টলৈকে গ'ল। আপুনি যিটো কথা উথ্থাপন কৰিছে যে কোৰ্টত এই ¡ÂøûÊÂöÂùíßÁpersuation হোৱা নাই। এইটো মই ব্যক্তিগতভাৱে চাম যাতে আমাৰ পক্ষত আমি ভাৰ্ডিক্টটো আনিব পাৰো। ধন্যবাদ।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বাছ আস্থানটো অতি পূৰণা আৰু অতি গুৰুত্বপূৰ্ণ স্থানত আছে। দুখন জিলা য'ত সংযোগ হৈছে, সেই স্থানতে বাছ আস্থানটো আছে আৰু দুয়োখন জিলাৰ মানুহে তাৰ পৰা অহা যোৱা কৰে। এতিয়া ফ'ৰ লেণ্ড নতুনকৈ তাৰ কাষতে হৈছে আৰু আমি নিজেও সেই বাছ আস্থানত অহা-যোৱা কৰো। ৰাইজসকলে অতি অসুবিধাত ভুগি আছে কাৰণ কোনেও প্ৰাইভেট ৰিজ'ৰ্টত গৈ টিকট কাটিবলৈ নাযায়। সেইকাৰণে ৰাইজৰ এই অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই বাছ আস্থানটো খোলাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী পৰিবহন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাছ আস্থানটো যে একেবাৰে গুৰুত্বপূৰ্ণ এইটো সঁচা কথা। এইটো বিশ বছৰ আগৰ বুজা-বুজি চুক্তিৰ দ্বাৰা চলি আছে। আমাৰ চৰকাৰ অহাৰ পিছত আপুনি যি ধৰণে বিচাৰিছিল সেই ধৰণেই উচ্ছেদ কৰিবৰ বাবে চেষ্টা চলাইছিলো। কিন্তু বিষয়টো যিহেতু মহামান্য কোৰ্টৰ ওচৰলৈ গৈছে, সেয়েহে কোৰ্টৰ ভাৰ্ডিক্টটোৰ বাবে অপেক্ষা কৰিব লাগিব আৰু কোৰ্টৰ ভাৰ্ডিক্ট অহাৰ পিছত যদি আমি কিবা কৰিব পাৰো নিশ্চয়ভাৱে আমি চেষ্টা চলাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং-৪৬। মাননীয় সদস্য বিনোদ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী কৃষি ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ তেওঁ অনুপস্থিত। এতিয়া প্ৰশ্ন নং-৪৭। মাননীয় সদস্য আব্দুল ৰহিম আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী কৃষি ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো আৰু এটা ডাঙৰ তথ্য উত্তৰৰ জৰিয়তে আহিছে , এই কথাখিনি আপোনালোকে জনা উচিত। কাৰণ মই প্ৰশ্ন সুধিছিলো যে অসম চৰকাৰৰ গৰু খুঁটি প্ৰকল্পত এই বিত্তীয় বৰ্ষত কিমান টকা ধাৰ্য্য কৰিছে আৰু পাঁচ কোটি টকা ধাৰ্য্য কৰা হৈছে। সৰ্বমুঠ এতিয়ালৈকে তাত মোকলাই দিছে ৯,৫২,৫৩,৩৪৮ টকা আৰু এই প্ৰকল্পৰ দ্বাৰা চৰকাৰে পাইছে ১,১১,৫০,২৪৮ টকা। আমি আটাইয়ে জানো যে কৃষি প্ৰকল্পত গাইজনীৰ বাহিৰে যাৰ হয়তো গাখীৰ দিওঁতে সময় লাগিব পাৰে, কিন্তু বাকী কৃষি প্ৰকল্পত খাদ্য শস্য উৎপাদন কৰবিৰ বাবে এনেকুৱা নহয় যে দুই চাৰি বছৰ হাল বাওঁতে বা মাটিখিনি ঠিক কৰোতে লাগে আৰু তাৰ পিছত উৎপাদন হ'ব। যোৱাবাৰ ৯.৫০ কোটি টকা ব্যয় কৰি মাত্ৰ ১ কোটি ১১ লাখ টকা পাইছে। কোটি কোটি টকা ৰাজহ খৰচ কৰি আমাৰ অসমৰ কি লাভ হৈছে? আমি দেখিছো পদ্ম হাজৰিকাদেৱৰ অধ্যক্ষতাত, তেওঁক কেবিনেট মৰ্য্যদা দিয়া হৈছে, তেওঁ এ চি ৰুম লৈছে, এচকোৰ্ট দি অহা-যোৱা কৰিছে। আমি ভাল পাইছো। কিন্তু ইয়াৰ দ্বাৰা অসমৰ কি লাভ হৈছে। এই প্ৰকল্পটো চলাই ৰাখি চৰকাৰে কোটি কোটি টকাৰ শ্ৰাদ্ধ পাতিব নে চৰকাৰৰ হাতত লাভ অহাৰ কিবা পৰিকল্পনা আছে নেকি? সেই কথাটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী কৃষি ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ বিচাৰিছো যে যেতিয়া চৰকাৰে কিবা এটা ভাল কাম কৰিবলৈ যায়, তেতিয়াই এনেধৰণৰ কথাবোৰ আমাৰ বিৰোধী দলৰ সদস্যসকলে উত্থাপন কৰে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন যে আমাৰ ৰাজ্যখন গৰুখুঁটিৰ কৃষি প্ৰকল্পটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ dream project আছিল আৰু সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াক তাৰ কমিটিৰ Chairman হিচাপে নিয়োগ কৰা হৈছে। ই খুব সুন্দৰ ভাৱে function কৰি আছে। গছপুলি এটা ৰুলেই তাৰ পৰা ফল পোৱা নাযায়। ইয়াৰ কাৰণে সময় লাগিব, প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু চৰকাৰে সেইমতে প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। আপোনালোকে জানে যে অসম চৰকাৰে NDDB ৰ লগত বুজাবুজি কৰি ৰাজ্যখনত দৈনন্দিন ১০ লাখ লিটাৰ গাখীৰ যাতে উৎপাদন কৰিব পৰা যায়, তাৰ কাৰণে বহুখিনি ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। আমাৰ বিভাগৰ তৰফৰ পৰা তাত ধন আৱণ্টন দি যি গীৰ গাই ক্ৰয় কৰা হৈছিল তাৰ তথ্য সবিস্তাৰে আমি ইয়াত দাখিল কৰিছো। আমি ৩০০ গীৰ গাই আনিছিলো কিন্তু গৰুখিনি উন্নত জাতৰ নহয় আৰু আমি আশা কৰা ধৰণে গাখীৰ নাপাম বুলি আমাক চিকিৎসকসকলে কোৱাৰ পিছত কিছু গৰু ঘূৰাই দিয়া হৈছে আৰু সেইখিনিৰ দায়িত্ব NDDB য়ে বহন কৰিছে। NDDB য়ে risk লৈ আনিছিল আৰু NDDB য়েই বহন কৰিছে ....interruptions....

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া)ঃ** অধ্যক্ষ **মহো**দয়, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি আছে যদিও এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** আগতে, মন্ত্ৰীয়ে উত্তৰটো দি লওঁক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, বৰ্তমান আমাৰ তাত কি কি আছে, কিমান গৰু আছে, বিষয়া কিমান জড়িত হৈ আছে, কিমান কাম কৰা লোক নিয়োজিত হৈ আছে, এই গোটেই তথ্যখিনি আমি বিতংভাৱে সদনৰ মজিয়াত দাখিল কৰিছো। ...interruptions....তাত কেৱল গৰু পালনেই হোৱা নাই। অন্যান্য খেতিও হৈ আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে ধন্যবাদ। Second supplementary.

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (বৰপেটা)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ভাল কাম এটা হাতত লোৱা বুলি কৈছে আৰু ভাল কামত আমিও চৰকাৰক সমৰ্থন দিম। কিন্তু, ইয়াত তথ্যই কথা কৈ আছে। এবছৰত ৯.৫০ কোটি টকা খৰচ কৰি পাইছে মাত্ৰ ১ কোটি ১১ লাখ টকা। ...interruptions. .. construction **ত** কিমান খৰচ হৈছে ইয়াত সকলো আছে। মোৰ প্ৰশ্নটো হ'ল- গৰুখুঁটিত যিখিনি মানুহক উচ্ছেদ কৰা হৈছিল তাৰে এজনো বিদেশী নোলাল। এই কৃষি কৰ্মত জড়িত থকা মানুহখিনিয়ে অসমৰ জি.ডি.পি.ত এক উল্লেখনীয় অৰিহণা যোগায়। এই যিখিনি মানুহক উচ্ছেদ কৰা হ'ল সেইখিনি মানুহে হাজাৰ হাজাৰ কুইণ্টল ধান, খাদ্য শস্য, সৰিয়হ ইত্যাদি উৎপাদন কৰিছিল। অসমক অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়োৱাৰ বাবে তেওঁলোকে বৃহৎ ভাৱে সমৰ্থন কৰিছিল। কিন্তু, এই সৰু মানুহখিনিক উচ্ছেদ কৰি দিয়াৰ পিছত ৯.৫০ কোটিৰ পৰা গৈ ১.১১ কোটি টকাহে পালে। গতিকে, মই ক'ব বিচাৰিছো যে যদি তাত এজনো বিদেশী নোলাল তেন্তে গৰুখুঁটিৰ পৰা উচ্ছেদ কৰা পৰিয়ালসমূহক এই প্ৰকল্পটো চৰকাৰে চমজাই দিব নোৱাৰে নেকি? ইয়াৰ উত্তৰ মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী, কৃষি ইত্যাদি)**মাননীয় অধ্যক্ষ মহোদয়, কথাটো আচলতে কৰ'বাত। ইতিমধ্যে

সু-পৰিকল্পিতভাৱে আমাৰ বিভিন্ন বিভাগে তাত কাম কৰি আছে। আমি নিশ্চিত যে ইয়াৰ পৰা অসমৰ ৰাইজ আৰু অসমৰ কৃষক উপকৃত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। পদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা (চতিয়া)ঃ** অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্যগৰাকীক ভুল তথ্যৰে বিপথে পৰিচালনা নকৰিবলৈ অনুৰোধ কৰিছো। তেখেতে ৯ কোটি ধাৰ্য কৰাৰ কথা কৈছে। মই Press Meet পাতি ৯ কোটি টকাৰ ৫ কোটি টকা যে জমা আছে তাৰ তথ্য বেংকৰ একাউণ্ট নম্বৰসহ দি দিছো। এই সমালোচনাবোৰ এটা সম্প্ৰদায়ৰ কেইজনমান বিধায়কে পৰিকল্পিত ভাৱে আক্ৰমণ কৰি আছে.....interruptions....

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৪৮- শ্বেৰমান আলী আহমেদ।

Silence please. No debates please. Question No. 47 is over. Now Question No. 48. Please সকলো বহক.......interruptions....

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া)ঃ** অধ্যক্ষ মহোদয়, মোক গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ বুলি escort-pilot, security দিয়া নাই। ২০০৭ চনত কংগ্ৰেছ চৰকাৰেই মোক security দিছিল .....interruptions....

**মাননীয় অধ্যক্ষঃ** Please সকলো বহক। ইয়াত আৰু বিতৰ্ক নহ'ব.....interruptions....

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়ক.......interruptions....

**শ্ৰীভৰত নৰহ, (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, সংসদীয় পৰিক্ৰমা মন্ত্ৰী অথবা কৃষি মন্ত্ৰীয়ে উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা নক'লে নহ'ব। গৰুখুঁটি প্ৰকল্পৰ ওপৰত বিতৰ্কটো বেলেগ কথা । কিন্তু মাননীয় সদস্য গৰাকীয়ে যি escort-pilot, security ৰ কথা কৈছে, সেই সন্দৰ্ভত কওঁ যে পদ্ম হাজৰিকা ডাঙৰীয়াক ২০০৭ চনত তেতিয়াৰ চৰকাৰে দিছিল। কিয় দিছিল সকলোৱে জানে, কিন্তু এই গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ হোৱাৰ বাবে তেখেতে escort-pilot, security পোৱা নাই। তেখেতৰ ওপৰত আক্ৰমণ হৈছিল আৰু সেই কাৰণে তেতিয়াৰ কংগ্ৰেছ চৰকাৰে তেওঁক security দিছিল। মাননীয় সদস্য গৰাকীক মই কথাখিনি জনাই থলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ.....interruptions....

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, বহুত আক্ৰমণ হোৱা মানুহৰ কিন্তু security প্ৰত্যাহাৰ কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** হ'ব আৰু বিতৰ্কত যাব নালাগে।

এতিয়া প্ৰশ্ন নং ৪৮- শ্বেৰমান আলী আহমেদ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অলপ আগতে উত্তৰ দিওঁতে এযাৰ ভাল কথা কৈছে যে চৰকাৰৰ উদ্দেশ্য এই ৰাজ্যখনক ভাৰতৰ ৫ নং স্থানলৈ উন্নীত কৰা। কিন্তু, সেই উদ্দেশ্য, সেই কথাবোৰ আমি এনেই মুখেৰে কৈ থাকিলে নহ'ব।

আমাৰ আন্তৰিকতা লাগিব ....interruptions....

**মাননীয় অধ্যক্ষঃ** আপোনাৰ supplementary টো সোধক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নৰ উত্তৰ দিলে যে Sub-Divisional Agricultural Office, Alopaty ত এতিয়া আৰু repairing কৰিব পৰা নাযায়। অথচ এই বিভাগৰ ইঞ্জিনীয়াৰে এবছৰ আগত repairing ৰ কাৰণে ১৫ লাখ টকাৰ estimate দিছিল ।যদি repairing কৰিব পৰা নাযায় তেন্তে কিয় estimate দিছিল? কৃষি বিভাগৰ ইমান টকাৰ অভাৱ নেকি যে এটা নতুনকৈ Sub-Divisional Agricultural Office নিৰ্মাণ কৰিব নোৱাৰে? কাৰণ তাত দৰমহা দিওঁতে প্ৰতি মাহত কেইবালাখ টকা খৰচ হৈ আছে, কিন্তু তেওঁলোকৰ service ৰাইজে নাপায়। তেওঁলোক বৰপেটা টাউনত থাকে।

দ্বিতীয়তে, মই জানো Knowledge Centre বোৰ ADO wise কৰে। ইয়াত ক'লে যে availability of departmental land থাকিলেহে হ'ব। What is this Sir? সকলোতে কৃষি বিভাগৰ বিভাগীয় মাটি নাই। Department should approach us. We are the public representative. If there is no land, we will arrange the land, if there is higher agricultural production, Knowledge Centre should be there.

তৃতীয়তে, অসম কেনেকৈ পাঁচ নম্বৰত যাব? আজি মন্দিয়াত Godown ৰ পৰা মানুহে বীজ সাৰ আদি ৪০ কিঃমিঃ দূৰত লৈ যাব লাগে। ৫ খন নদীৰ geographical terrain is difficult. গতিকে মন্ত্ৰী মহোদয়, মোৰ প্ৰশ্ন কৰাৰ উদ্দেশ্য আছে তেখেতে এই মানুহখিনিক অন্তত godown লৈ, ঠিকাদাৰে এতিয়া ৫০ কিঃমি দূৰৈত দিয়ে সেইটো যাতে ঠাইত দিয়ে। তেতিয়া cost of production কমি যাব। ৩ নং, আমাৰ যিটো potato production ৰ কথা কৈছে, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে, সেইবোৰতো বিষয়া সকলেহে দিছে। মই তাৰ প্ৰতিনিধি, ২০১৬ চনত আমি হিচাপ কৰো যে প্ৰতি বিঘাত কিমান কুইন্টল, we get result.30 lakh metricton আলু produce হৈছিলে। কিন্তু কম দাম হোৱা কাৰণে মইয়ো অলপ কথাটো raise কৰিলো আৰু চৰকাৰে কি কৰিলে তেতিয়া Marketing Board ক দিলে যে তোমালোকে কিনা। মাত্ৰ ৫ কোটি টকা দিলে। দিনত প্ৰায় ১০০০ ট্ৰাক আলু আহিব লাগে কিন্তু আহে মাত্ৰ ১০ বা ১৫ ট্ৰাক। তেওঁলোকৰ ইমান capacity নাই। গতিকে প্ৰায় ২৯ লাখ মেক্ৰিকটন আলু পচি গ'ল। ছাৰ, কথাটো হ'ল তেতিয়াই ৰিপোৰ্ট দিছিলে যে আমাৰ storage facility নাই। গতিকে পিছৰ বছৰ সমূহত ভাল ব্যৱস্থা ল'ব লাগিছিল কিন্তু নললে। এইবছৰো ৪ লাখ মেক্ৰিকটন তাত গৈছে। তেখেতে কৈছে যে এইবোৰ কম দিন থাকে। These are all wrong reply. আমি সেইকাৰণে কৈছো যে আন্তৰিকতা লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি supplymentary টো কৰক। পাছত মন্ত্ৰী ডাঙৰীয়াক আপুনি suggestion টো দি দিব। কি initiative লোৱাটো আপুনি বিচাৰে?

**শ্ৰী শ্বেৰমান আলী, (বাঘবৰ) ঃ** ছাৰ, এতিয়া এই ৪ লাখ মেক্ৰিকটন আলু আমাৰ কৃষকে বিভিন্ন cold storage ত ৰাখে। বিষয়াই ক'লে নহ'ব নহয় যে এইবিলাক ৰাখিব নোৱাৰি। গতিকে মই বিচাৰিছো আমাৰ মন্ত্ৰী মহোদয়ে আন্তৰিকতাৰ সৈতে কামত লাগক, তেতিয়াহে অসমখন ৫ খন উন্নত ৰাজ্যৰ ভিতৰত হ'ব। ২০১৬ চনতে দুটা cold storage ৰ কথা কোৱা হৈছিলে কিন্তু এতিয়ালৈকে নাই হোৱা। চতুৰ্থতে, প্ৰতিটো producer য়ে যাতে লোকচানৰ সন্মুখীন হ'বলগীয়া

নহয়, তাৰকাৰণে Food Processing Ministry, Government of India ত sub-sidy ৰ ব্যৱস্থা আছে। গতিকে আমাৰ কৃষকসকলক সেই ব্যৱস্থাটো কৰি দিব পাৰে যাতে কৃষকসকলে লোকচান ভৰিবলগীয়া নহয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কেইটামান কথা কৈছে। তেখেতে কথাখিনি এনেদৰে উত্থাপন কৰিছে যেন আমি আন্তৰিকতাবিহীনভাৱে কামখিনি কৰি আছো আৰু বিষয়াৰ ওপৰত নিৰ্ভৰ কৰি আছো। কিন্তু আমি বিষয়াৰ ওপৰত নিৰ্ভৰ কৰি চলা নাই। আমি জানো যে Agriculture is a Science. গতিকে নিজেও জানি বুজি লৈ পেলাই বিভাগটো গতিশীল কৰিব কাৰণে, কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। মই অনুভৱ কৰিছো কাৰণ মই Horticulture বিভাগৰ Director ৰ পৰা জানিছো যে শ্বেৰমান আলী ডাঙৰীয়া তেখেতৰ ওচৰলৈ গৈছিল। তেখেতে কৈছিল যে ইয়াত cold storage কৰিব পৰা কিবা ব্যৱস্থা আছে নেকি? আমাৰ HMNES যি আঁচনি আছে তাত ৫০ শতাংশ sub-sidy ৰে cold storage কৰিব পৰা ব্যৱস্থা আছে। তেখেতে লগত দুজন ব্যৱসায়ীকো লৈ গৈছিল আৰু বুজাইও দিছিল Director য়ে কেনেকৈ কামখিনি হ'ব লাগে, কিদৰে ৫০ শতাংশ subsidy পাব। ৫ কোটি টকাৰ হ'ব, বহুত ডাঙৰ নহয়, সৰু হ'ব কিন্তু কিবা ৰহস্যজনক কাৰণত সেইটো পাছত হৈ নুঠিল। বিধায়কো নাহিল আৰু সেই ব্যৱসায়ীয়ো নাহিল। এতিয়া দলগাওঁত আমাৰ এটা cold storage আছে। আজি কেইমাহ মানৰ আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ছয়গাওঁত এটা cold storage স্থাপন কৰিছিল। গতিকে এনেধৰণে cold storage ঠাই বিশেষে হৈছে। আমি গুৰুত্ব দিছো cold ৰোধ কৰিব কাৰণে আৰু তেখেতে যি জাতৰ খেতি তাত কৰা বুলি কৈছে, সেই জাতৰ খেতি বেছিকৈ তাত production হয়, তাত বেছিদিন ৰাখিব পাৰে বুলি কৈছে এই কথাটো সত্য নহয়। দেখা গৈছে যে পোপৰাজাতৰ যিটো আলু এইটো অতি ডাঙৰ হয় আৰু কম সময়তে বজাৰৰ বাবে বিক্ৰীৰ বাবে নিব পাৰি। কিন্তু দুমাহতকৈ বেছিদিন storage ত ৰাখিব মোৱাৰি। অত্যন্ত ডাঙৰ ডাঙৰ হৈ production হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আপোনালোকে জানে যে MSP আজি credit দিছে আৰু অন্য মাষ্টাৰ্ড আৰু কি কি দিব পাৰি ইতিমধ্যে পৰিকল্পনা কৰিছে আৰু কম অতি কম দিনৰ ভিতৰক আমি এইখিনি কৰিব পাৰিম। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশমৰ্মে যোৱাকালিও আমাৰ এখন মিটিং হৈছিলে। তাত Revenue Minister যোগেন মহন ডাঙৰীয়া উপস্থিত আছিল আৰু নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীয়ো আছিল। মাননীয় গৃহ মন্ত্ৰীয়ে Co-operation বিভাগৰ জৰিয়তে কেতবোৰ নিৰ্দেশ দিছে যে প্ৰত্যেক ঠাইতে তেনেধৰণৰ godown যাতে প্ৰতিখন পঞ্চায়তত হয় আৰু তাৰবাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে প্ৰতিখন পঞ্চায়তত ৭ বিঘাকৈ মাটি ৰাখিবৰ কাৰণে যোৱাকালি আমি আলোচনা কৰিছো। এইখিনি হ'লে তাত তেনেধৰণৰ Industry য়ো হ'ব আৰু বিভিন্ন ধৰণৰ কাম কৰিব পৰা যাব। কৃষিৰ ক্ষেত্ৰখনলৈ এক যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ আমি চেষ্টা কৰিছো আৰু য'ত production বাঢ়িছে, আজি সন্মানীয় গৰাকীৰ সমষ্টিত production বাঢ়িছে কিন্তু তাত অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ প্ৰয়োগ কৰিছে। যাৰফলত মহামান্য উচ্চতম ন্যায়ালয়ে -----হুলস্থুল----------------ভৱিষ্যতে যাতে কৃষকৰ স্বাৰ্থ পূৰণ হয় আৰু তেওঁলোক উপকৃত হয় তাৰবাবে আমি চেষ্টা কৰিম।

**শ্ৰী শ্বেৰমান আলী, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ specific তিনিটা কথা, তেখেতে আন্তৰিকতাৰে কাম কৰা নাই বুলি কোৱাৰ কাৰণে দুখ পাইছে। যদি আন্তৰিকতা থাকিলেহেতেন ২০১৬ চনতে এই ৰিপোৰ্ট দিলেহেতেন। এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰিছো যে আলোপতি Sub Divisional Agriculture Office টো যাতে অতি সোনকালে নিৰ্মাণ কৰক। -------হুলস্থুল----------------

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Sub Divisional Agriculture Office হ'ব বুলি আশ্বাস দিব নোৱাৰো কিন্তু তাত যিটো knowledge centre হ'ব ------- হুলস্থুল--

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। Question No -49. শ্ৰী অমিয় কুমাৰ ভূঞা।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, খেতিয়কসকলে অত্যাধিক ৰাসায়নিক সাৰ প্ৰয়োগ কৰা বুলি যিটো কৈছে, হয় এই কথাখিনি উঠাই লওক বা নহয় আমাক এটা enquiry কৰি আমাক এটা ৰিপোৰ্ট দিয়ক। কাৰণ ইয়াত সকলোকে in general কৰি দিয়া হ'ল। সকলো খেতিয়কে অত্যাধিক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰে বুলি ক'লে, মিনিমাম ব্যৱহাৰতো কৰিবই লাগিব। সেই কথাটোৰ কিবা তথ্য আছে যদি দিয়ক নহ'লে কথাটো উঠাই লওক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,তেখেতে কথাটো ঠিকেই চিন্তা কৰিছে যে এইটো হ'লে আমাৰ খেতিয়কৰ লোকচান হ'ব পাৰে। কিছুদিন আগতে আমাৰ মহামান্য আদালতে এটা নিৰ্দেশ দিছিল আৰু সেইমতে Chief Secretary Level ত এখন মিটিং হ'ল। ইয়াৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। -----হুলস্থুল-----------

**শ্ৰী অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় অসম চুক্তি ৰূপায়ণৰ মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে অসম চুক্তিৰ কিমান সংখ্যক দফা ৰূপায়ণ কৰা হৈছে ১০০ শতাংশ? মই যিটো উত্তৰ পাইছো সেইটো যথাযত নহয়। মই ভাৱো এতিয়ালৈকে বহু দফা ১০০ শতাংশ ৰূপায়ণ কৰা হৈছে। গতিকে বিষয়াসকলে মন্ত্ৰী মহোদয়ক mislead কৰিছে। পৰৱৰ্তী সময়ত এই বিষয়ে মই মন্ত্ৰী মহোদয়ক ব্যক্তিগতভাৱে লগ ধৰি জানিব বিচাৰিম। লগতে মই জানিব বিচাৰিছিলো যে স্বহীদ পৰিয়াল, গুলীবিদ্ধ আৰু নিৰ্যাতিত সকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কি কৰা হৈছে। যিসকলৰ চৰকাৰীভাৱে নিযুক্তি পোৱাৰ সুবিধা নাই বা তেওঁলোকৰ উপযুক্ত প্ৰাৰ্থী নাই, বাকী সকলক কিবা আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা হ'ব নেকি? এই ক্ষেত্ৰতো কোনো যথাযথ উত্তৰ পোৱা নাই। গতিকে অধ্যক্ষ মহোদয়ৰ যোগেদি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিম যে যিসকলৰ উপযুক্ত প্ৰাৰ্থী নাই তেওঁলোকক আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ২। যোৱা ১০ মাৰ্চ, ২০২৩ তাৰিখত বহা কাৰ্য্য উপদেষ্টা

সমিতিৰ বৈঠকৰ সিদ্ধান্তমৰ্মে নিম্নোক্ত মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰাৰ লগতে বাকী মঞ্জুৰী সমূহ ক্ৰমে আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই হিচাপে আমি আজি মঞ্জুৰী দুটাৰ ভিতৰত প্ৰথমে মঞ্জুৰী নং-৪৮, কৃষি- ইয়াৰ ওপৰত আমি আলোচনা কৰিবলৈ লৈছো।

কোৰেশ্বন আৱাৰ অভাৰ । এতিয়া কাৰ্য্যসূচী নং - ২ , যোৱা ১০ মাৰ্চ , ২০২৩ তাৰিখত বহা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকৰ সিদ্ধান্তমৰ্মে নিম্নোক্ত মঞ্জুৰি দুটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰাৰ লগতে বাকী মঞ্জুৰীসমূহ আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিলে। সেই হিচাপে আজি মঞ্জুৰী দুটাৰ ভিতৰত প্ৰথমে মঞ্জুৰী নং- ৪৮ - কৃষি ইয়াৰ ওপৰত আমি আলোচনা কৰিবলৈ লৈছিলো সেই কাৰণে কৃষিৰ ওপৰত আমাৰ দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ কাট মোশ্যনৰ এটা প্ৰস্তাৱ আছে। কাট মোশ্যনৰ প্ৰস্তাৱটো মই উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, মই এটা আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো । আজি বাতৰি কাকতত ওলাইছে যে তিনিদিন আগতে মেট্ৰিকৰ প্ৰশ্নকাকত লিক হৈছিল। এই কথাটো সদনত আলোচনাৰ বাবে সময় দিব বুলি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয়, আমি নোটিছ দিম । মঞ্জুৰী নং- ৪৮ দাবীৰ নাম- কৃষি।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয় , আমাৰ মাননীয় লিডাৰে যিটো কৈছে মেট্ৰিকৰ প্ৰশ্ন কাকত লীক এইটো আলোচনা হ'ব লাগে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, মেট্ৰিকৰ পেপাৰ লীকৰ ওপৰত চৰকাৰৰ পৰা ষ্টেটমেন্ট লাগে। ক্লিয়েৰ কৰিব লাগে চৰকাৰে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় এল ও পিয়ে সেইটোৱে উত্থাপন কৰিলে মই ৰেচপঞ্চ কৰিছো।. অলৰেডী মই নোটিচ দিয়া হ'ব বুলি ক'লো , আমি আলোচনা কৰি সিদ্ধান্ত ল'ম , এতিয়া আপুনি ..... বহক .. বহক। এতিয়া মই মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৩ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং -৪৮ কৃষি ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১২৮.২২ লাখ টকা মঞ্জুৰ কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই প্ৰস্তাৱ উত্থাপন কৰিলে । তেখেতৰ প্ৰস্তাৱটো মাননীয় দেবব্ৰত শইকীয়াৰ লগতে অন্যান্যসকলৰ এটা কাট মোশ্যন আছে মই উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীৰকিবুল হুছেইন,(চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ মঞ্জুৰীৰ সৈতে পৰিপুৰক দাবীসমূহৰ তালিকা ৯২ ৰ পৰা ৯৫ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক । অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰী ১২৮.২২ লাখ টকা ১০০ টকা হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ এটা কাট মোশ্যন আছে ।

**শ্ৰীআমিনুল ইছলাম, (ধিং, জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়িনী দলৰ দলপতি হাফিজ বচিৰ আহমেদ ডাঙৰীয়া প্ৰমুখ্যে আমি বাকী স্বাক্ষৰ কৰাসকলে প্ৰস্তাৱ কৰো যে, ২০২২-২৩ চনৰ মঞ্জুৰীৰ সৈতে পৰিপুৰক দাবীসমূহৰ তালিকা ৯২ ৰ পৰা ৯৫ পৃষ্ঠাত থকা কৃষি

শিতানৰ ৪৮ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক । অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰী ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ মঞ্জুৰীৰ সৈতে পৰিপুৰক দাবীসমূহৰ তালিকা ৯২ ৰ পৰা ৯৫ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক । অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰী ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া অখিল গগৈ

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ মঞ্জুৰীৰ সৈতে পৰিপুৰক দাবীসমূহৰ তালিকা ৯২ ৰ পৰা ৯৫ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১২৮.২২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক । অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰী ১২৮.২২ লাখ টকা ১০০ টকা হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া আমি প্ৰস্তাৱটো আলোচনাৰ বাবে লৈছো। প্ৰথমতে শ্ৰীভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই কাট মোশ্যনৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িলো। প্ৰথমতে মই অসম চৰকাৰৰ কৃষি মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে, আমাৰ কৃষকসকলৰ বাবে আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে পানী । আমাৰ কৃষকৰ এটা সমস্যা হ'ল যে,প্ৰতিবছৰে বানপানী হয় আৰু আনটো হ'ল জলসিঞ্চন । ইৰিগেশ্যনৰ বাবে আমি গভীৰ নলীনাদ বহুৱাইছো কিন্তু বহু নলীনাদ এটা সময়ত শুকাই যায়। এতিয়া আমি দেখিছো বহু ঠাইত চোলাৰ পাম্পৰ সহায়ত খেতি পথাৰত পানীৰ ব্যৱস্থা কৰা হৈছে । কিন্তু এক বছৰৰ পিছতেই এই পাম্পবিলাক অচল হৈ যায় । মই নিজেই এজন খেতিয়ক হিচাপে অনুভৱ কৰো যে আমাৰ ব্ৰহ্মপুত্ৰ নদীখনত যথেষ্ঠ পানী আছে । ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি আমি আমাৰ খেতিয়কসকলক দিব পাৰো , তাৰ বাবে আমাক এটা দীঘলীয়া পৰিকল্পনা লাগিব। কিন্তু এইটো এক বছৰ বা দুই বছৰত হোৱা কাম নহয়। অতি ব্যয় বহুল এটা কাম । ব্ৰহ্মপুত্ৰ পৰা চেনেল কাটি যদি আমি পানী খেতি পথাৰত দিব পাৰো মই ভাবো আমি যিমান প্ৰডাকশ্যন হোৱাটো বিচাৰিম সেইমতে আমি পাবলৈ সক্ষম হ'ম। দ্বিতীয়তে, আজি এটা কথা ভাল লাগিছে মেনিওৰ ব্যৱহাৰ কৰাৰ কথা ওলাইছে। আমিনুল ইছলাম ডাঙৰীয়াই কিছুমান কথা কৈছে তাৰ লগত মই এটা কথা সংযোজন কৰিব খুজিছো আমাৰ অসমৰ প্ৰত্যেকটো পৰিয়ালক আমি চৰকাৰৰ ফালৰ পৰাই দিয়ক বা আমি নিজেও এটা সংকল্প ল'ব লাগে যে প্ৰতিঘৰ মানুহৰ ঘৰত এটা 'অৰ্গেনিক কিট ' হ'ব লাগে । এই অৰ্গেনিক কিটবিলাক যদি আমি আৰম্ভ কৰো তেন্তে দেখিব যে লাহে লাহে চিকিমৰ নিচিনা আমাৰ ৰাজ্যখনো এখন জৈৱিক কৃষি উৎপাদনকাৰী ৰাজ্য হ'ব। লাহে লাহে আমি এইটো কৰিব পাৰিম অলপ সময় লাগিব। মহামান্য ৰাজপালৰ ভাষণত যিটো খেতিয়কৰ ইনকাম দুগুন কৰাৰ কথা উল্লেখ কৰিছে আমি মুখেৰেহে কৈ আছো কিন্তু এতিয়াও হোৱা নাই । ইয়াৰ বটলনেক হৈছে - আমি খাদ্যহিচাপে যিটো চাউল ব্যৱহাৰ কৰিছো এইটো যদি আমি বীজলৈ ৰূপান্তৰিত কৰো আমাৰ যিটো ৰাইচ ইনষ্টিটিউট এইটো ইন্টাৰনেশ্যনেল ৰাইচ ইনষ্টিটিউটলৈ নিবলৈ যিটো স্বীকৃতি দিলে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো । লাবন্য নামৰ এটা আমাৰ চাউল

আছে , ইয়াৰ বিভিন্ন প্ৰকাৰৰ উ পাদান আছে- ডাইবেটিক ফ্ৰেণ্ডলী, পটাছিয়াম, কেলছিয়াম , আইৰন সমৃদ্ধ চাউল যিটো কৰ্মাচিয়েলী তেওঁলোকে আমাক এৰি দিব কিন্তু আমি যদি এইটো ব্ৰেণ্ডিং কৰিব পাৰো , চাউল হিচাপে নাখাই এটা মেডিচিনেল ভ্যেলু থকা চাউল হিচাপে প্ৰক্ষেপ কৰিব পাৰো তেতিয়া হ'লে ৩০ টকা কে.জিৰ ঠাইত বা ৫০ টকা কিলোৰ ঠাইত মানুহে ২০০ টকাকৈ হয়তো কিনিব। আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়া ইয়াত আছে , এই দিশেৰে আমি আগবাঢ়ি যাব লাগে। ইয়াৰ লগতে আমি দেখিছো- তামোল, পান , বিলাহী ইত্যাদি বহু শাক-পাছলি আমাৰ বিভিন্ন ঠাইত উৎপাদন হৈছে । এইবিলাক দীঘলীয়াকৈ ৰাখিবলৈ কোল্ড ষ্ট'ৰেজৰ কথা কোৱা হৈছে । এই কোল্ড ষ্ট'ৰেজ আমাক বহু বেছি লাগে । ইৰ্ম্পটেন্ট এটা কথা হৈছে আমাক এখন এগ্ৰিকালচাৰ মাৰ্কেট লাগে । এতিয়া আমি দেখিছো- এতিয়া বহু উঠি অহা প্ৰজন্মৰ খেতিয়কে বিভিন্ন অঞ্চলত ড্ৰেগন ফুড বা বড়োলেণ্ডতে হওঁক অমিতাৰ খেতি কৰিছে । বহু উৎপাদন হৈছে কিন্তু বিক্ৰী কৰিবলৈ এখন বজাৰ নাই । গতিকে আমি এগ্ৰিকালছাৰ মাৰ্কেট জিলাই জিলাই বা সমষ্টিয়ে সমষ্টিয়ে যদি সৃষ্টি কৰিব পাৰো তেতিয়া আমাৰ উঠি অহা খেতিয়কসকলে উৎসাহিত হ'ব আৰু উৎপাদন বিক্ৰী কৰিবলৈ সক্ষম হ'ব । ধানৰ সমস্যাটো মোটামোটি সমাধান হৈছে - আমাৰ কৃষকে দাম পাইছে। কুইন্টলত ২০৪০ টকা কৈ পাইছে কিন্তু কৃষকসকলে আৰু অধিক দাম পোৱা উচিত কাৰণ খেতিৰ যিটো কষ্ট- মেনিওৰ হওক, বীজৰে হওক, ডিজেলৰে হওক , হাজিৰাই হওক সকলোৰে কষ্ট বাঢ়িছে । আজি ডিজেলৰ দামেই কওক বহুত বাঢ়ি গৈছে। দুই হাজাৰ ৪০ টকাত কিন্তু আমাৰ কৃষকে কেতিয়াও নিজকে চাপোৰ্ট কৰিব নোৱাৰে তাৰ কাৰণে তেওঁলোকৰ যিসকলে পিউৰলি ধান খেতি কৰি আছে, গাঁৱৰ মাজত তেওঁলোক কিন্তু স্বাৱলম্বী হ'ব পৰা নাই। চাহৰ বিষয়ে ক'ব বিচাৰিছো। কাৰণ চাহ খেতিৰ লগত আমাৰ প্ৰায় আঢ়ৈ লাখ ল'ৰা-ছোৱালী গোটেই অসমৰ কোকৰাঝাৰৰ পৰা শদিয়ালৈ জড়িত হৈ আছে। ইয়াৰ লগত তেওঁলোকক আমি কি কি কৰিব পাৰো, চাহৰ মাজত আজি সাঁচি খেতি হওঁক, তাত অৰকিড হওঁক, জালুক হওঁক এইখিনি আমি কৰিব পাৰো আৰু চাহৰ ক্ষেত্ৰত মই আগতেও বিভিন্ন সয়মত কৈছো আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কেইটামান পৰামৰ্শ দিছো। আমাৰ চাহৰ এটা branding লাগে, অসমৰ চাহ খিনি অসমত সোমাই বাহিৰৰ চাহ যাতে সোমাব নোৱাৰে তাৰ কাৰণে অসমত packaging কৰিবৰ কাৰণে যি ডাঙৰ ডাঙৰ কোম্পানী আছে টাটা বা অন্য বিলাকত ইয়াত একোটা একোটা packaging উদ্যোগ খুলিব লাগে। পেকেজিং উদ্যোগ খুলিবৰ কাৰণে তেওঁলোকক incentive দিব লাগে। পাণ্ডুৰ যিটো ঘাট সেইটো আন্তঃৰাষ্ট্ৰীয় লেভেললৈ লৈ যাব লাগে আৰু ইয়াৰ পৰা যিবিলাক আমাৰ এক্সপোৰ্ট হ'ল, সেই এক্সপোৰ্ট কৰিলে তেওঁলোকক আমি এটা incentive দিব লাগে যে তোমালোকে পাণ্ডুঘাটটো ব্যৱহাৰ কৰা পাণ্ডুঘাটটো ব্যৱহাৰ কৰিলে আমি এইখিনি সুবিধা দিম। কিন্তু সেইখিনি কৰিবলৈ যাওঁতে চৰকাৰৰ যিখিনি ৰাজহ খৰচ হ'ব তাৰ পৰিবৰ্তে আমি যি কৰ পাম, সেই কৰৰ বিনিময়ত আমাৰ মাজলৈ ঘুৰি আহিব। চাহৰ এক্সপোৰ্টৰ কাৰণে বা আমাৰ অন্যান্য শাক-পাচলি এক্সপোৰ্টৰ কাৰণে আজি যেনেকৈ আমি নেমু টেঙা এক্সপোৰ্ট কৰিছো, আমি বিভিন্ন সামগ্ৰী এক্সপোৰ্ট কৰিব লৈছো, এই গোটেই পাণ্ডু ঘাটতে কৰা সম্ভৱ। ইয়াৰ লগতে এটা কথা কৈছো আজি মাছৰ বজাৰ খন, মই ইয়াত কথা কবলৈ অহাৰ আগতে গোগোলত চাইছিলো যে মাছত আমাৰ self sufficient আহিছে, গাখীৰত আমাৰ অহা নাই। কিন্তু গাখীৰতো আমাৰ self sufficiency আহিব। কণীৰ কিন্তু আমাৰ এখন ডাঙৰ বজাৰ আছে। তাত মই চাইছিলো তাত আমাক ৫০ কোটি কণী লাগে, কিন্তু ৬০ কোটিৰ প্ৰয়োজন আছে। গতিকে কণী

উৎপাদনৰ ক্ষেত্ৰত আমাৰ ল'ৰা-ছোৱালীখিনিক আমি উদগনি যোগাব লাগে এতিয়া বৰ্তমান সময়ত চৰকাৰে দিছে ৩৫ শতাংশ subsidy আমাক দিছে। মই ইয়াতে আহ্বান কৰিছো সকলোকে যাতে এই বস্তুতো আমি সদস্যই যদি আগবঢ়াই লৈ যাওঁ তেতিয়া কণী উৎপাদনৰ ক্ষেত্ৰতো আমাৰ অসম খন self sufficient হ'ব পাৰে আৰু self sufficient হোৱাটোৱে আমাৰ target হ'ব নালাগে, self sufficiency অহাৰ লগে লগে অসম খনক আমি কেনেকৈ ভাৰতৰ ৫ ৰাজ্যৰ ভিতৰত কৰিবলৈ গৈ আছো। সেইটো কৰিবলে হ'লে আমাৰ অৰ্থনৈতিক বিপ্লৱৰ সূচনা হ'ব লাগে, কৃষি বিপ্লৱৰ কথা হৈছে, অৰ্থনৈতিক বিপ্লৱ হ'বলৈ হ'লে তেতিয়া এই প্ৰডাকচন বিলাক আমি অসমৰ পৰা ৰপ্তানি কৰিব পাৰিব লাগিব। বহিঃৰাজ্যলৈ যেনেকৈ আজি চাহ খিনি গৈছে সেই চাহৰ লগতে এই বস্তুখিনি যদি আমি পঠিয়াব পাৰো তেতিয়া অৰ্থনৈতিক ভাৱে আমি সৱল হ'ব পাৰিম। কিন্তু ইয়াৰ লগতে হাতী মানুহৰ সংঘাতৰ কথা কব লাগিব, কেৰ্কেটুৰাৰ কথা ক'ব লাগিব, বান্দৰৰৰ কথা কব লাগিব। আমাৰ সন্মানীয় বিধায়ক এজনে সেইদিনা কৈছে যে প্ৰকৃতিপ্ৰেমী সকলে চিন্তা কৰিব লাগিব বান্দৰ আৰু কেৰ্কেটুৰা থাকিব নে মানৱ প্ৰজাতি থাকিব। এইটো কি হৈছে আমাৰ তিতাবৰ সমষ্ঠিত মই বিভিন্ন সময়ত মাননীয় মুখ্যমন্ত্ৰী, কৃষি মন্ত্ৰীৰ লগত কথা পাতিছো আমাৰ তিতাবৰত প্ৰত্যেক বছৰে একোখন একোখন পথাৰ ধান খেতি নোহোৱা হৈছে। কিয়নো প্ৰত্যেক বছৰে হাতী আহি উপদ্ৰৱ কৰিছে। তিতাবৰৰ চাউল আপোনালোকে জানে বিখ্যাত। টিতাবৰত ধান খেতি ভাল হয়। কিন্তু এই হাতীৰ যিটো সংঘাত, যাৰ বাবে কৃষকে যে খেতি কৰিবলৈ বাদ দিছে ইয়াৰ কাৰণে মই বিধান সভাত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে ধানৰ উৎপাদন যে বঢ়োৱাৰ কথা যেনেকৈ ভাৱিছো খেতিয়কে বেছি পইচা পোৱাৰ কথা আমি যেনেকৈ ভাৱিছো ঠিক তেনেকৈ হাতীক যদি আমি কিবাকৈ কন্ট্ৰোল নকৰো, মই ইতিমধ্যে আলোচনা কৰিছো আমাৰ চি চি এম ডাঙৰীয়াৰ লগত যে এটা ডাঙৰ দ খাৱৈ বনাই হাতী যি ৭০, ৮০ টা আছে, সেইখিনি দ খাৱৈত যদি ৬ মাহৰ বাবে এৰেষ্ট কৰি থৈ দিব পাৰো, থৈ খাদ্য যদি আমি যোগান ধৰিব পাৰো ৬ মাহ যদি হাতী খিনি বন্ধ হয় তেতিয়া ধানত উপদ্ৰপ নহ'ব। ৬ মাহৰ মূৰত আমি গেট খুলি হাতী খিনিক উলিয়াই দি অন্তত মানুহখিনি শান্তিৰে ধান খেতি কৰিব পাৰিব। মই বিভিন্ন হাতী ধৰা মানুহক লগ পাইছিলো, মোক কলে যে এই কথাটো আপুনি উলিয়াওঁক হাতী খিনি ধৰিব পাৰিলে আমাৰ এই কাম খিনি হ'ব লগতে আমাৰ উন্নতিৰ কাৰণে গাৱৰ ৰাস্তাবিলাক ভাল হোৱাতো অতি জৰুৰী। কাৰণ গাঁৱৰ ভিতৰৰ পৰা যেতিয়া বজাৰলৈ বস্তুবোৰ মানুহে উলিয়াই আনে তেতিয়া এই ভঙা ৰাস্তাৰে আহোতে তেওঁলোক যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। গতিকে যাতায়তৰ ব্যৱস্থাটো ভাল হোৱাতো অতি প্ৰয়োজনীয় হৈ গৈছে। গাঁও সমূহৰ যি ৰাস্তা ভাঙি চিঙি গৈছে। ৰাস্তাখিনি ভাল হোৱাতো দৰকাৰ। মই বান্দৰ আৰু কেৰ্কেটুৰাৰ কথা কৈছিলো। বান্দৰ আৰু কেৰ্কেটুৰা এই দুবিধ forest schedule 2 ত পৰে। কিন্তু আজি আমি বান্দৰ খিনি differentiate কৰিব লগা হৈছে। কাজিৰঙাত যিখিনি বান্দৰ আছে সেইখিনি বান্দৰ আৰু ঘৰচীয়া বান্দৰৰ মাজত পাৰ্থক্য আছে। কাজিৰঙাৰ বান্দৰ যদি মাৰে আইনমতে লগে লগে ২ বছৰ জেল হ'ব আৰু হাতী, বাঘ, ভালুক আদি মাৰিলে ১০ বছৰ জেল হয়। গতিকে আমি এই বান্দৰ খিনিক declassify কৰিব লৈ deschedule কৰিব পাৰো। তেতিয়া হয়তো কিবা এটা ৰাস্তা ওলাব। কেৰ্কেটুৰাৰ ক্ষেত্ৰত যদি চৰকাৰে কিবা ব্যৱস্থা নকৰে তেতিয়া মানুহৰ ঘৰত তামোল নাৰিকল আদি একো এতিয়া নাই। আমি এতিয়া ঘৰতো নাৰিকল তামোল আদিৰ খেতি কৰিবলৈ বাদ দিলো। কৰবাৰ পৰা এজাক বান্দৰ আহে কেৰ্কেটুৰা আহে। এইক্ষেত্ৰত সকলোৱে ভাৱি কিবা এটা উপায় যদি আমি নকৰো

কিন্তু কৃষি খণ্ডখন অনগ্রসৰ হোৱাতকৈ অনগ্ৰহ হোৱাতো খুব স্বাভাৱিক হব। গতিকে হাতি মানুহ আৰু বান্দৰৰ যিখিনি আমাৰ সংঘাত সেই খিনি নাইকীয়া কৰিব লাগে আৰু লগতে মই এটা কথা কৈ যাওঁ আমাৰ বিভাগ বিলাকৰ মাজত যিটো সমন্বয় লাগে, আজি Agriculture ৰ লগত ইৰিগেচনৰ সম্বন্ধ কেনেকৈ ৰাখো সেইটো চাব লাগিব, বাকী ১ লাখ লিটাৰ গাখীৰ উৎপাদন কৰিবলৈ গলে গৰু লাগিব, গৰুক খুৱাবলৈ মাকৈ লাগিব। গতিকে মাকৈ হোৱাৰ প্ৰচুৰ সম্ভৱনা আছে। কাৰ্বিআংলঙৰ পৰা আৰম্ভ কৰি অসমৰ বিভিন্ন ঠাইত মাকৈ খেতি কৰিব পাৰো। এই মাকৈ খেতি খিনি কেনেকৈ কৰিম সেইটো কৃষি বিভাগৰ লগত ভেটেনাৰীৰ লগত কথা পাতিব লাগিব। ধান খেতি কৰিবলৈ ক'ত আমি ৱাটাৰ পাম্প বহুৱাম, কি কৰিম এই কথাখিনি যদি কৃষি বিভাগক নোসোধাকৈ যদি ইৰিগেচন বিভাগে বহাই দিয়ে তেতিয়াহলে কি হয় সদায় আমাৰ এই বস্তুটো coordination টো নাই। কিন্তু মন্ত্ৰী মহোদয়ক এই কথাটো কবলৈ পাই ভাল পাইছো যে আমাৰ বিভাগৰ মাজত যি coordination থাকিব লাগে এইটো আপোনালোকে আনক আৰু যিবিলাক কামত কেইবাটাও Department related হৈ থাকে, আটাইকেইজন Officer য়ে বহক, বহি এটা সুন্দৰ ভাৱে Project তৈয়াৰ কৰি যদি কাম কৰে তেতিয়া হলে নিশ্চয়কৈ আগুৱাই যাব পাৰিম। এইখিনিকে কলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য পদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি বিধান সভাৰ মজিয়াত বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধীতা কৰিছো আমি কৃষি বিভাগত কৰ্তন কৰাতকৈ অধিক পুঁজি যোগান দিয়াৰহে প্ৰয়োজন আছে। কৃষি প্ৰধান ৰাজ্য খনক আমি কৃষি কৰ্মৰ জৰিয়তে যদি আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালী নকৰো আৰু নিবনুৱা সকলক যদি কৃষি কৰ্মৰ প্ৰতি আকৃষ্ট নকৰো আৰু বিজ্ঞান সন্মত ভাৱে কৃষি কৰ্ম কৰাৰ ক্ষেত্ৰত চৰকাৰে সঠিক পৰিকল্পনা লৈ যদি আগনাবাঢ়ে তেতিয়া মুখ্য মন্ত্ৰী ডাঙৰীয়াই যি দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসম খন গঢ় দিয়াৰ সংকল্প লৈছে ই কেতিয়াও বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিব। সেই কাৰণে আমি এইটো নকওঁ যে কৃষি বিভাগে সকলো কাম ভাল কৰিছে। ইয়াত সংস্কাৰ হ'ব লগা বহুত কথা হয়তো আছে। কাৰণ চৰকাৰে আঁচনি খিনি বহন কৰে, মন্ত্ৰী ডাঙৰীয়াই আঁচনিখিনি কাৰ্য্যকাৰী কৰাৰ ক্ষেত্ৰত যি সকল বিষয়া কৰ্মচাৰী চৰকাৰ আৰু জনসাধৰণৰ মাজৰ সাক্ষী স্বৰূপ বিষয়া কৰ্মচাৰী, বিষয়া কৰ্মচাৰী সকলোৱে যদি নিষ্ঠাৰে দায়িত্ব পালন নকৰে তেতিয়া হলে আঁচনি বিলাক সফল হোৱাতো সম্ভৱ নহয় আৰু আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালী হোৱাতো সম্ভৱ নহয় আৰু নিবনুৱা সকলক আমি স্বনিৰ্ভশীল কৰাৰ ক্ষেত্ৰত যি পৰিকল্পনা কৰা হৈছে ইয়াক হয়তো বাস্তৱত ৰূপায়িত কৰিব পৰা নাযাব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী ডাঙৰীয়াই আঁচনিখিনি কাৰ্য্যকাৰী কৰাৰ ক্ষেত্ৰত যি সকল বিষয়া-কৰ্মচাৰী চৰকাৰ আৰু জনসাধৰণৰ মাজত নিষ্ঠাৰে দায়িত্ব পালন নকৰে, তেতিয়া হ'লে আঁচনি বিলাক সঁফল হোৱাটো সম্ভৱ নহয়। আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালী হোৱাটো সম্ভৱ নহয়। নিবনুৱা সকলক আমি স্ব-নিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত যি পৰিকল্পনা কৰা হৈছে, ইয়াক হয়টো বাস্তৱত ৰূপায়িত কৰিব পৰা নাযাব। সেই কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে, আমাৰ তৃণমূল পৰ্য্যায়ৰ পৰা গাওঁ অঞ্চললৈ যিবিলাক কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী আছে, একাংশ বিষয়া-কৰ্মচাৰী নিষ্ঠা আৰু সৎতাৰে কাম কৰাটো অলপ অভাৱ দেখা গৈছে। তেওঁলোকক কেনেকৈ কামত লগাব পাৰি, সেই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই যাতে এক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰে। মই

মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম তেখেতে প্ৰতিটো জিলাতে এৰাতি থাকি আহক। তেখেতে গ্ৰাম সেৱকৰ পৰা আৰম্ভ কৰি ADO, জিলা বিষয়া সকলোৰে লগতে দীঘলীয়া সময় আলোচনা কৰক। সকলো জিলাতে কথাটো বেলেগ বেলেগ কোন জিলাত কি খেতি কৰিব লাগিবকি উৎপাদন কৰিব লাগিব তাত কি সমস্যা আছে, সাৰ বিলাকৰ কি সমস্যা আছে। এই কথাবিলাক যদি বিতং ভাবে আলোচনা কৰে নিশ্চয় কৃষি বিভাগক মই ভাবো পৰিৱৰ্তন যথেষ্ঠ আহিছে। মই নকওঁ কৃষি বিভাগটো আগৰ নিচিনা হৈ আছে। আগতকৈ যথেষ্ঠ পৰিৱৰ্তন হৈছে। আৰু পৰিৱৰ্তন কৰিবলৈ মন্ত্ৰী ডাঙৰীয়াই জিলা ভিত্তিক নিজে উপস্থিত থাকি যদি এক পদক্ষেপ লৈ নিশ্চয় আমাৰ যুৱ শক্তি কৃষি কৰ্মলৈ আকৰ্ষিত কৰিব পাৰিম। নহ'লে বহিঃ ৰাজ্যত গৈ হাবাথুৰি খোৱাৰ এটা অৱস্থা এই বিলাক দূৰ কৰিবৰ বাবে নিজৰ ঘৰতে থাকি পৰিয়ালৰ লগত থাকি নিজৰ মাটি ব্যৱহাৰ কৰি বজাৰখন দখল কৰিবলৈ সঠিক পৰিকল্পনা প্ৰস্তুত কৰি আগবাঢ়িবৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। লগতে বীজ উৎপাদনক লৈ যিবিলাক কথা হৈ আছে, হয় কিছু সংখ্যক সঁচা। ভাল বীজ সকলো বিলাক অহা নাই। কিছু বীজ লৈ কৃষক ভুক্তভোগী। বীজ উৎপাদন আমাৰ কৃষি বিজ্ঞানী বিলাক আছে, আমাৰ বীজ উৎপাদন কেন্দ্ৰ আছে, বীজ উৎপাদন কেন্দ্ৰত আমি বীজ উৎপাদন কৰিবলৈ যেনেধৰণে পৰিকল্পনা মন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিছে কাৰ্য্যকাৰী ব্যৱস্থাটো ক্ষীপ্ৰ গতিৰে হোৱাটো পৰিলক্ষিত হোৱা দেখা নাই। বীজ উৎপাদনৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰী ডাঙৰীয়াই অধিক গুৰুত্ব দিব লাগে। নহলে বীজ উৎপাদনৰ ক্ষেত্ৰত যিবিলাক কথা বতৰা আহি আছে, সেই কথাবিলাক নোহোৱা হ'ব। তামিলনাডুই বাহিৰৰ বীজ নলয়, আমি কিয় ইমান বীজ উৎপাদন কেন্দ্ৰ আছে, বৈজ্ঞানিক আছে, বিষয়া-কৰ্মচাৰী আছে বীজ উৎপাদনত আমি বীজ উৎপাদন কৰিবলৈ এক শক্তিশালী পদক্ষেপ ল'বৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো। এই ক্ষেত্ৰত জলসিঞ্চন আৰু কৃষি ক্ষেত্ৰত মাজত এটা সমন্বয়ৰ অতিকৈ প্ৰয়োজন। গৰুখুটি প্ৰকল্পত উৎপাদন ভবামতে হোৱা নাই, তাত ভালদৰে মাটি চহোৱাৰ পিছত আৰু ভাল বীজ দিয়াৰ পিছতো। তাত সৌৰ শক্তি চালিত জলসিঞ্চন প্ৰকল্প ১০০ টা কৰা হৈছে। জলসিঞ্চন প্ৰকল্পৰ পানী কেতিয়া ওলাব যেতিয়া ৰ'দ ওলাব। সেই কাৰণে তাত জলসিঞ্চন প্ৰকল্পটো ভালদৰে চলোৱাৰ বাবে সৌৰ শক্তি চালিত বিদ্যুৎৰ লগতে জলবিদ্যুৎ প্ৰয়োজন আছে। মোৰ আগতে মাননীয় সদস্য শ্ৰী ভাস্কৰ ডাঙৰীয়াই কৈছে বজাৰৰ ক্ষেত্ৰটো আমাৰ কৃষি বিক্ৰী কেন্দ্ৰৰ পৰা তেওঁলোকে অধ্যায়ণ কৰি বজাৰ সমূহ কৰাৰ প্ৰয়োজন আছে। আমি এতিয়া যি বিলাক উৎপাদন কৰিছো সেই বিলাকৰ আমি উচিত বজাৰ মূল্য পোৱা নাই। আমি এতিয়া আলু ৬ পৰা ৭ টকা বেছিব লগীয়া হৈছে। কবি আমি ৭ টা কেজি বেছি লগীয়া হৈছে। আমি কষ্ট যিমান কৰা যায় সেই হিচাবে আমি বজাৰ মূল্য পোৱা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা পদক্ষেপ লৈছে, ধানৰ মূল্য দিয়াৰ ক্ষেত্ৰত এটা ভাল পদক্ষেপ লৈছে, বহু মাটি চন পৰি আছিল যে ধান ক্ৰয়ৰ বাবে যিটো ব্যৱস্থা কৰিছে যাৰ কাৰণে ধান খেতি কৰি মানুহ উপকৃত হৈছে। আমাৰ শাক-পাচলি খেতি কৰি আমাৰ বানপানীত গৰুখুটিত ২ বাৰকৈ উটোৱাই নিছে। যিখিনি এতিয়া বিক্ৰী কৰি থকা হৈছে ৬ পৰা ৭ টা প্ৰতি কেজিত আমি কেনেকৈ লাভালাভ কৰিব পাৰিম। বীজ বিলাক সময় মতে ADO বিলাকে যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ খাদ্য সামগ্ৰী কোটি কোটি টকা বাহিৰৰ পৰা আহি আছে, এই পইচা কেইটা নিজৰ হাতত থাকিবলৈ কৃষি বিভাগে মই ভাবো যে আৰু অধ্যায়ণ কৰক। আমাৰ যুৱক/যুৱতী স্ব-নিৰ্ভৰশীল কৰাত এটা ৰাস্তা আছে সেইটো হ'ল কৃষিকৰ্ম। আমি ৰাস্তাত আন্দোলন কৰি লাভ নাই, যেতিয়ালৈ আমি কৃষি প্ৰধান ৰাজ্যখনত উৎপাদনমুখীত যাত্ৰা আমি শক্তিশালী কৰিব নোৱাৰো তেতিয়া এইটো কেতিয়াও

সম্ভৱ নহয়। স্ব-নিৰ্ভৰশীল নাৰী, আত্ম নিৰ্ভৰশীল অসম কিমানটা গোটক আমি হাঁহ, কুকুৰা তেখেত সকলক পোহাৰ ক্ষেত্ৰত কিমান সফল হৈছে। আগৰ চৰকাৰৰ দিনত কৃষি ক্ষেত্ৰত গুৰুত্ব অলপ কম আছিল কিন্তু এতিয়া বহুখিনি বাঢ়িছে। এই ক্ষেত্ৰত যুৱ প্ৰজন্মৰ মাজত কৃষিৰ বিষয়ে সঁজাগতাৰ বহুত প্ৰয়োজনীয়তা আছে। ৰাসয়নিক সাৰ ব্যৱহাৰৰ ক্ষেত্ৰত কৃষি বিভাগে কৃষক সকলৰ মাজত এটা সঁজাগতাৰ কৰিব লাগে নহ'লে ইয়াৰ ফলত মানুহৰ স্বাস্থ্যৰ অৱনতি ঘটিব। আমাৰ বিৰোধী বিধায়ক সকলেও ৰাজ্যখনত গ্ৰাম্য অৰ্থনৈতিক তনকীয়াল হ'লে বেয়া পাব নালাগে। সাংবাদিক সকলকো মই আহ্বান জনাইছো নীতিবাচক কথা থাকিব কিন্তু আমাৰ ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থত কিছু কথা আমি এৰাই চলিতে ৰাজ্যখনৰ বাবে ভাল হ'ব। সকলো কথা সাম্প্ৰদায়িক দৃষ্টিৰে নল'বলৈ একাংশ বিধায়কক আহ্বান জনাইছো। গুৰুখুটি প্ৰকল্পৰ কথা কৈছে, এটা ভুল ৰাৰ্তা যাব নালাগে। গুৰুখুটি প্ৰকল্পৰ কথা যেতিয়া কৈছে ৯ কোটি টকা খৰচ কৰি দিয়া হ'ল, মই এই তথ্য লৈ আহিছো। এতিয়া ৯ কোটি টকাৰ ৪ কোটি ৬২ লাখ টকা জমা আছে। যিটো ৫ কোটি টকা দিয়া বুলি কোৱা তাৰো ৩ কোটি টকা জমা আছে। সৰ্বমুঠ ৮ কোটি ৬২ লাখ টকা জমা আছে। এইটো এটা ভুল ৰাৰ্তা লৈ গৈছে, পদ্ম হাজৰিকাই এছ কোৰ্ট লৈ পেলাই এনেকুৱা তেনেকুৱা কৰিছে। ২০০৭ চনত কনোৱা বিধায়কৰ হৈছে নেকি যে, বিধায়কে AK-47 ৰ গুলি আৰু গ্ৰেনেডৰ আঘাত লৈ আজি বিধান সভাত আছে নেকি? আজি মই বিধান সভাত আছো। যদি এনেকৈ ঠাট্টা কৰা হয়, তুলুঙা মন্তব্য কৰা হয় আমি অলপ মনত বেজাৰ পাওঁ। এই ধৰণৰ কথা হ'ব নালাগে। মই এছকোৰ্ট নালাগে বুলি কলেও জোৰকৈ হলেও গুচি যায়। মই ধন্যবাদ জনাম প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাম তেখেতে এই কথাৰ উপলব্ধি কৰি কংগ্ৰেছ চৰকাৰৰ দিনত তেওঁ মোক আগে পিছে বেচিকৈ নিৰাপত্তা ব্যৱস্থা কৰিছিল। চৰকাৰ এখন গতানুগতিক প্ৰকৃয়া। ২০১৬ চনত আমাৰ চৰকাৰ হৈছে, আমাৰ চৰকাৰেও দিছে, মানুহক আক্ৰমণ কৰিব লাগে বুলিয়ে এনেকুৱা আক্ৰমণ কৰাটো উচিত নহয়। গুৰুখুটি প্ৰকল্পৰ ইছলাম ধৰ্মালম্বী মানুহক বে-দখল কৰিছে, উচ্ছেদ হোৱাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব অৰ্পন কৰিছে। মই যিহেতু কণ্যাকাৰৰ জৰিয়তে নিবনুৱা সকলক সংগঠিত কৰি এটা কৃষিকৰ্ম কৰিছো।পবিত্ৰ বিধান সভাত মই বুকুত হাত দি ক'ব পাৰো, গুৰুখুটি প্ৰকল্পৰ এক পইচাও কোনোবাই যদি প্ৰমাণ কৰে মই বিধায়ক পদ ৰাজনৈতিক সন্যাস ল'ম। এনেকুৱা ধৰণৰ আক্ৰমণ নকৰিবলৈ মই আহ্বান জনাইছো। আমাৰ তেজত সেইটো নাই। তেনেকুৱা ঘৰৰ পৰা আমি অহা নাই। আমাৰ উঠি অহা যুৱক-যুৱতীক সংঘটিত ৰূপত কৃষি বিপ্লৱ কৰিবলৈ যিখিনি কৰিছো যথেষ্টখিনি অসুবিধাৰ সন্মুখীন হৈছো। ৩৪২ জন ল'ৰা-ছোৱালী তাত আছে। তেখেত সকলক কেনেকৈ দৰমহা দিয়া হৈছে, আন্তঃগাঠনি কিমান বনোৱা হৈছে, তাত কেনেকৈ বহুটো প্ৰণালী খেতি কৰা হৈছে। ১০ খন টেক্ট্ৰৰ লোৱা হৈছে, গো-শালা বনোৱা হৈছে, ৫ টা কেম্প বনোৱা হৈছে। তাত যি ল'ৰাই পুলিচ নোহোৱাকৈ যাবলৈ সাহস নকৰে এতিয়া ৰাতি থাকি তাত কৃষি কৰ্ম কৰিছে। তাত বিভিন্ন ভাবুকিৰ সন্মুখীন হৈছে। কিন্তু এতিয়া পৰিবেশ ভাল, এতিয়া তেওঁলোকে চিন্তা কৰিব নালাগে। তাৰ সংখ্যালঘু মানুহে সমৰ্থন কৰিবলৈ ওলাই আহিছে। তাৰ পৰা যাবলৈ তেওঁলোকে বিচাৰিছে, চৰকাৰক সহযোগিতা কৰিবলৈ আহিছে। এতিয়া তাত কোনো সাম্প্ৰদায়িকতাৰ কথা নাই। ভালকৈ বুজাবুজিত কাম চলি আছে। গতিকে কৃষি বিভাগে গোটেই অসমতে ফাৰ্ম কৰিবলৈ ওলাইছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব অৰ্পণ কৰিছে, এই ফাৰ্মখিনি কৰাৰ ক্ষেত্ৰটো আপোনালোকে তেনে দৃষ্টিৰে নল'ব। লক্ষ্য হৈছে দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমখন কৰাৰ। তাৰ কাৰণে কৃষি কাৰ্য্যক বাদ দি কৃষি উৎপাদনমুখী যাত্ৰাটোক বাদ দি ফাৰ্মক

বাদ দি এইটো সম্ভৱ নহয়। সেই কাৰণে এই যে আমি গৰুখুটি কণ্যাকা আমি গঢ়িছো। অসমত এতিয়া ইতিমধ্যে ৪০ খন ফাৰ্ম সাজু হৈছে, তাতো তেনেধৰণে মানসিকতাৰে নলবৰ কাৰণে মই অনুৰোধ জনাইছো। কাৰণ আমাৰ greater interest কথা আছে। আমাৰ নিবনুৱা যুৱক-যুৱতী সকলক স্বনিৰ্ভৰশীল কৰিবলৈ কৃষি কৰ্ম, ফাৰ্মিং আমি কৰিব লাগিব, উৎপাদন আমি কৰিব লাগিব। লাখ লাখ কণী আহি আছে, সেই বিলাক আমি উৎপাদন কৰি বজাৰত উলিয়াব লাগিব, গাহৰিৰ মাংস উলিয়াব লাগিব, ছাগলীৰ মাংস উলিয়াব লাগিব। এই কথাখিনিতআপোনালোকে সহযোগিতা কৰিব, কেৱল আপোনালোকে সমালোচনাৰ নামত সমালোচনা নকৰিবলৈ মই আহ্বান জনাইছো, আৰু এটা কথা মই স্পষ্ট কৰিব বিচাৰিছো। আমাৰ আচলতে কৃষি মন্ত্ৰী ডাঙৰীয়াই কথাটো দাঙি ধৰোতে অকনমান স্পষ্ট ন'হল যে গৰুখুটিৰ প্ৰকল্পলৈ আমি ৯৮ জনী নীলগাই আনিছিলো। সেইটো ভেটেনেৰী বিভাগে ভেগুৰ দি **৯৮** জনী নীলগাই কোটেশ্যন কল কৰি আনিছে। এবাৰতে **২৫** জনী নীলগাই দিছে আৰু এন ডি টি ভি য়ে যিখিনি গৰু দিছিল তাৰে **৫৮** জনী গৰুৰ যেতিয়া মৃত্যু হৈছিল, বাবে বাৰে তেওঁলোকক জনাই থকা হৈছিল আৰু সেইটো প্ৰমান হোৱাৰ পিছত তেওঁলোকে গৰুখিনি লৈ গৈছে। এতিয়া তাত এক পইচাও পেমেন্ট গৰুখুটিৰ প্ৰকল্পৰ পৰা হোৱা নাই। সেইটোলৈ চিন্তা কৰিব লগা নাই। কিন্তু ভুল মেচেজ এটা যে গৰুখুটিৰ প্ৰকল্পত গৰু আনি গোটেইখিনি মৰিল নেকি? আজি তাৰ পৰা আমাৰ যি **৯৮** জনী আৰু **২৫** জনীৰ পৰা এতিয়া প্ৰায় **৩০০** গৰু তাত জমা আছে। এন ডি টি ভি ৰ গৰু এতিয়া তাত এজনীও নাই, আৰু এক পইচাও আমি পেমেন্ট কৰা নাই, গতিকে ভুল বাৰ্তা মানুহক নিদিবলৈ বিশেষকৈ বিৰোধী পক্ষৰ যিসকল বিধায়কে এই বিলাক কথা উলিয়াইছে, তেখেত সকলক আহ্বান জনাইছো, যে greater interest ত আমাৰ নিবনুৱা সকলৰ স্বাৰ্থত গ্ৰাম্য অৰ্থনীতিৰ স্বাৰ্থত এই বিলাক নকৰিবলৈ আহ্বান জনাইছো। মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য মজিবুৰ ৰহমান।

**শ্ৰীমজিবুৰ ৰহমান, (দলগাঁও)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মোক দুষাৰ কথা ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়,অসম এখন কৃষি প্ৰধান অঞ্চল এই অসমৰ পৰা ৮০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ এই অসম ৰাজ্যক আগুৱাই লৈ যাব হলে, য'ত শতকৰা ৮০ জন কৃষিৰ লগত জড়িত সেই কৃষক সকলক যদি গুৰুত্ব দিয়া হয়, তেতিয়া হলে মই ভাবো যে আমাৰ এই অসমক অৰ্থনৈতিক ভাবে আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সুবিধা হ'ব। আজি অৰ্থনৈতিক ভাবে যিবিলাক ৰাজ্য আগুৱাই গৈছে বা সবল হৈছে, তাৰ ভিতৰত যদি দেখা যায়, পাঞ্জাৱ, হাৰিয়ানা এই ৰাজ্যবোৰ কৃষিৰ ক্ষেত্ৰত বহুত আগুৱাই গৈছে। ইয়াৰ মুল কাৰণ হৈছে সেই ৰাজ্য সমুহত যি সকল কৃষি বিষয়া আছে বা চৰকাৰ আছে, কৃষক সকলৰ যিবোৰ সমস্যা সেই সমস্যাবোৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। কৃষক সকলক যিখিনি সা-সুবিধা লাগে, কৃষি কাৰ্য্য কৰিবলৈ যি বৈজ্ঞানিক পদ্ধতিত যি সাৰ, পেষ্টিছাইদচ বা গুটি যি সমূহ প্ৰয়োজন আছে, সেই বিলাক ৰাজ সাহাৰ্য্য দিয়ে। সেই তুলনাত আমাৰ অসমত কৃষক সকলৰ যি সমস্যা আছে এই সমস্যাবোৰ আমি অনুভৱ কৰিব পৰা নাই। যাৰ কাৰণে আমি কৃষিক্ষেত্ৰত বহু পিছুৱাই গৈছো। বিশেষকৈ মই দলগাওঁ সমষ্টিৰ পৰা আহিছো। দৰং জিলাৰ ৮০ শতাংশ নহয় প্ৰায় ৯০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। আৰু দৰং জিলাত কৃষিৰ ক্ষেত্ৰত যথেষ্ট উপযোগী ঠাই বুলি ক'ব লাগিব। সেই ঠাইৰ পৰা যথেষ্ট ধান উৎপাদন হয়, মৰাপাট উৎপন্ন হয়, শস্যজাত সামগ্ৰী উৎপাদন হয়। বিশেষকৈ শাক পাচলিৰ ক্ষেত্ৰত দৰং জিলাই যথেষ্ট ভুমিকা পালন কৰি

আহিছে। দৰং জিলাৰ বিশেষকৈ আমাৰ দলগাওঁ সমষ্টিৰ পৰা আপোনালোকে জানি ভাল পাব যে দলগাওঁ সমষ্টিত কৃষি ক্ষেত্ৰত এটা জাগৰণ আহিছে। বিশেষকৈ দলগাঁও সমষ্টিত দুখন বজাৰ আছে, এখন বেছিমাৰী শাক পাচলিৰ দৈনিক বজাৰ, আৰু এখন বালুগাওঁ বজাৰ। এই দয়োখন বজাৰৰ পৰা অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে শাক পাচলি, চবজি আমি ৰপ্তানি কৰো। আমি খাৰুপেটীয়া বজাৰৰ পৰা শাক পাচলি লণ্ডন আদিকে ধৰি বাহিৰলৈ যোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ কাৰণে আমি মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো, আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু যিটো হাৰত চবজি বাহিৰলৈ পঠোৱা হৈ আছে এইখিনি পৰ্য্যাপ্ত নহয়। দুই এজন বেপাৰীৰ বস্তুহে কিনা হৈ আছে। য'ত উৎপাদন হয় হাজাৰ হাজাৰ কুইন্টল, য'ত উৎপাদন হৈ আছে হাজাৰ হাজাৰ মেট্ৰিকটন। কিন্তু আমি বাহিৰলৈ কিছু কুইন্টলহে পঠাই আছো। কেতিয়াবা কেতিয়াবা আমাৰ এই বজাৰত উৎপাদিত সামগ্ৰী সমূহ বিক্ৰী কৰাৰ কাৰণে উপযুক্ত বজাৰ নোপোৱাৰ কাৰণে আৰু এই সামগ্ৰী সমূহৰ ওপৰত এম এচ পি নথকাৰ কাৰণে খেতিয়কসকলে কেতিয়াবা কেতিয়াবা হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে। বিশেষকৈ এই বছৰটোত **২০২২- ২০২৩** চনত খেতিয়ক সকলৰ যিটো অৱস্থা হৈছিল, অতি দুখ লগা। আমাৰ বেছিমাৰি বজাৰত প্ৰত্যেকদিনাই প্ৰায় **৫০** ট্ৰাকমান চবজি বাহিৰলৈ যায়, আৰু খাৰুপেটীয়া বজাৰৰ পৰা **৫০** ৰ পৰা **১০০** খন ট্ৰাক চবজি বাহিৰলৈ যায়। এই মালখিনি উৎপাদন কৰোতে কৃষক সকলে বহু কষ্ট কৰিব লাগে। উৎপাদন কৰোতে যিখিনি খৰচ হয়, এই খৰচখিনি কিন্তু বিক্ৰী কৰাৰ সময়ত যিটো দেখা যায় তেখেত সকলৰ নিজৰ গাঠিৰ যিখিনি খৰচ হয়, সেই মুলধনটো উঠি নাহে। ইয়াৰ মুল কাৰণ হৈছে, যে উপযুক্ত বজাৰ নাই। লগতে এম এচ পি নথকাৰ কাৰণে কৃষকসকলে এনেকুৱা জমৰ যাতনা ভুগিব লগা হৈছে। বিযেশকৈ এম এচ পি নথকাৰ কাৰণে কৃষক সকলে বহু কষ্ট ভুগিব লগা হৈছে। কৃষকৰ উৎপাদিত সামগ্ৰী যেতিয়া ঠেলাত ভৰাই বা ৰিস্কাত ভৰাই বজাৰলৈ লৈ আহে আৰু বজাৰত বিক্ৰী কৰিব নোৱাৰে , কাৰণ বজাৰত কিনোতা নাথাকে, বজাৰ নাথাকে, এই সামগ্ৰী সমূহ পানীৰ দৰত বজাৰত পেলাই থৈ আহিব লগা হৈছে। গতিকে মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম যে আপোনালোকে এটা ব্যৱস্থা কৰক যেনেকৈ ধানৰ ওপৰত এম এচ পি দিছে, এইবাৰ চৰকাৰে ধান ক্ৰয় কৰিছে, যথেষ্ট ভাল লাগিছে, আপোনালোকে মৰাপাট ক্ৰয় কৰিছে ভাল কথা। কিন্তু উৎপাদিত যিবিলাক সামগ্ৰী আছে, যিখিনি শাক চবজি আছে, বিশেষকৈ বিলাহী আছে, আলু আছে , বেঙেনা আছে, আৰু এনেধৰণৰ বহু শাক চবজি আছে। এইবিলাকতো যদি আপোনালোকে এম এচ পি দি দিয়ে তেতিয়া কৃষক সকল উপকৃত হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা যে আমাৰ দৰং জিলাত কৃষক সকলক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বা উপাৰ্জন বঢ়োৱাৰ ক্ষেত্ৰত যিখিনি চৰকাৰৰ পৰা সা সুবিধা পাব লাগে সেইখিনি সময়মতে নাপায়। যেনেকৈ আৰু কিছুমান কাম হয় আমি দেখা পাইচো, যিসকল বিষয়া আছে, বিষয়া সকলক দোষ দিও লাভ নাই,এইটো প্ৰকৃততে আমাৰ চৰকাৰৰ দোষ বুলি ক'ব লাগিব। আমাৰ দৰং জিলাত এই কৃষক সকলক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আৰু কৃষি উৎপাদন বঢ়োৱাৰ ক্ষেত্ৰত যিখিনি চৰকাৰৰ পৰা সা-সুবিধা পাব লাগে, সেইখিনি সময়মতে নাপায় গৈ আৰু কিছুমান কাম যিবোৰ আমি দেখিবলৈ পাইছো আমাৰ যিসকল বিষয়া আছে, বিষয়া সকলক দোষ দিওঁ লাভ নাই, আমাৰ চৰকাৰখনৰ দোষ বুলিয়েই ক'ব লাগিব। চৰকাৰখনৰ দোষ বুলি এই কাৰণেই ক'ব লাগিব যে সময়মতে আমাৰ যিখিনি লাগতীয়াল বীজ, লাগতীয়াল সাৰ বা যিখিনি প্ৰয়োজনীয় সামগ্ৰী সেইখিনি আমাৰ অফিচত, আমাৰ কৃষক সকলৰ ওচৰত সময়মতে গৈ নাপায় গৈ। যিবিলাক

সামগ্ৰীৰ আমাৰ প্ৰয়োজন নাই তেনেকুৱা সামগ্ৰী আমাৰ জিলাত দিয়া দেখিবলৈ পোৱা যায়। যিদৰে আমাৰ মচুৰ দাইল, মটৰ মাহ আদি কিছুমান সামগ্ৰী আছে যিবিলাক আমাৰ দৰং জিলাত উৎপাদন কৰাৰ কাৰণে উপযোগী নহয় আৰু সামগ্ৰী সমূহ সময়মতে নোপোৱাৰ বাবে কৃষকে খেতি কৰিব নোৱাৰে। আমাৰ দৰং জিলাত সৰিয়হ, মৰাপাট, হাইব্ৰীদ ধানৰ বীজৰ প্ৰয়োজন আছে। ঠাই বুজি বীজ বিলাক চাপ্লাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ চৰকাৰে বীজ যেতিয়া ক্ৰয় কৰিছে বা বীজ যেতিয়া চাপ্লাই দিছে, গোটেই অসমৰ গোটেই জিলা সমূহৰ বাবে একে দিছে। সকলো জিলাতে একে ধৰণৰ খেতি নকৰে। ধানৰ খেতি উজনি অসমত বেছিকৈ কৰে, তাত মৰাপাটৰ খেতি নকৰে। তাত ধান চাপ্লাই দিব লাগিব। তাত সৰিয়হ চাপ্লাই দি লাভ নাই। আমাৰ দৰং জিলাত মৰাপাটৰ বীজ দিব লাগিব বা আমি অন্যান্য যি খেতি কৰো, সেই বীজ সমূহ দিব লাগিব। কিন্তু সেইখিনি সময়মতে গৈ নাপায়। আমাৰ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই আজি সদনত assured কৰিব লাগে যে কৃষক সকলক যদি আপুনি আগুৱাই লৈ যাব খুজিছে, যদি কৃষি বিপ্লৱ আনিব খুজিছে, তেতিয়াহ'লে কৃষক সকলক আমি যিখিনি সামগ্ৰী দিওঁ সেহখিনি সময়মতে কৃষক সকলৰ ওচৰত দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আজি আমাৰ কৃষক সকলে জি ডি পি ৰ ক্ষেত্ৰত আমাৰ দেশখনক বহুত আগুৱাই লৈ যাব। আমাৰ কৃষক সকলে যিখিনি পাবলগীয়া সামগ্ৰী সেইখিনি চৰকাৰে গোটেইখিনি দিব নোৱাৰে। সেইটো আমি বুজি পাওঁ। যিহেতু আমাৰ অসমৰ ৮০ শতাংশ জনসাধাৰণেই কৃষিৰ ওপৰত ভৰষা কৰে, গতিকে বাজেটত আমাৰ যি পইচা ধৰা হয়, আজি কৰ্তন প্ৰস্তাৱ আনিছে, ১০০ টকা বা ২০০ টকাৰ কৰ্তন প্ৰস্তাৱ আনিছে। আচলতে মেইন ফেক্টটো হৈছে যে কৃষি ক্ষেত্ৰত আমাৰ বাজেট বৃদ্ধি কৰিব লাগিব। তেতিয়াহে আমাৰ অসমখন আগুৱাই যাব পাৰিব। নহ'লে অসমখন কেতিয়াও প্ৰথম পাঁচখন শ্ৰেষ্ঠ ৰাজ্যত স্থান লাভ কৰিব কৰিব নোৱাৰিব। আমাৰ এইটো পৰম্পৰা যে কৰ্তন প্ৰস্তাৱ আনিব লাগে। কৃষি ক্ষেত্ৰখনত যদি আমাৰ বাজেট বৃদ্ধি কৰে, তেতিয়াহ'লে আমাৰ ৰাজ্যখনৰ কৃষি ক্ষেত্ৰখন আগুৱাই যাব আৰু আমাৰ কৃষক সকল আগুৱাই যাব পাৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, কেইটামান গুৰুত্বপূৰ্ণ কথা মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰাব বিচাৰিছো। দৰং জিলাত আজিৰ পৰা প্ৰায় ডেৰ -দুবছৰ মান আগতে খাৰুপেটীয়া মাৰ্কেটিং বোৰ্ডৰ ওচৰত এখন cold storage স্থাপন কৰা হৈছিল। ইয়াৰ আনুমানিক মূল্য আছিল প্ৰায় ২৫ কোটি টকা। এই ৰাজহ কিন্তু আমাৰ চৰকাৰী ৰাজহ বা ৰাইজৰ ৰাজহ। ৰাইজৰ টকাৰে ২৫ কোটি টকা খৰছ কৰি এখন cold storage স্থাপন কৰা হৈছে। কিন্তু সেই cold storage খন আজিলৈকে খোলা নহ'ল। কোনো কৃষকে ইয়াত কোনো ধৰণৰ বস্তু ৰাখিব পৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে আপুনি এই বিষয়টো আজি এই সদনৰ মজিয়াত ৰাইজৰ স্বাৰ্থত, কৃষকৰ স্বাৰ্থত এচুৰেঞ্চ দিব লাগিব যে সেইখন cold storage কেতিয়া আৰম্ভ কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া, আপোনালোকৰ দলৰ আৰু তিনি গৰাকী সদস্যই ইয়াত বক্তব্য উত্থাপন কৰিবৰ বাবে নাম দিছে আৰু আপোনালোকৰ দলৰ আৰু ১৫ মিনিট সময় বাকী আছে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যি ঠাইত এই cold storage টো কৰিছে সেইটো মঙ্গলদৈ সমষ্টিৰ মাকেটিং বোৰ্ডৰ চৌহদত কৰিছে। বেছিমাৰী আৰু খাৰুপেটীয়া শাক-পাচলিৰ বজাৰখন অসমৰ ভিতৰত এখন ডাঙৰ বজাৰ বুলি ক'ব লাগিব। সেই বজাৰত যদি মিনি cold storage স্থাপন কৰে, তেতিয়াহ'লে মই ভাবো কৃষক সকল উপকৃত হ'ব। মোৰ

দৰং জিলাত ১৪ টা distributor আছে। সাৰ, এম.ও.পি.বি, এন.এচ.পি আদি বিভিন্ন প্ৰকাৰৰ যিবিলাক সাৰ আছে, এই সাৰ বিলাক distribution কৰাৰ কাৰণে ১৪ টা distributor আছে আৰু তাৰ ভিতৰত ৩৮৬ আই.ডি দিয়া হৈছে। এই আই.ডি এগ্ৰিকালচাৰ ডাইৰেক্টৰ অফিচৰ পৰা দিয়া হৈছে। ইয়াৰ ভিতৰত গোটেইখিনি কাৰ্য্যক্ষম হৈ আছিল। গোটেইখিনি কৃষকে সাৰ লাভ কৰি আছিল। কিন্তু হঠাৎ ১৮৯ আই.ডি ডিএক্টিভেট কৰি দিয়া হৈছে আৰু ইয়াৰ কাৰণ দেখুওৱা হৈছে যে আপোনাৰ জিলাৰ যিখন কমিটি আছে সেই কমিটিৰ বাইপাচ কৰি এগ্ৰিকালচাৰ ডাইৰেক্টৰ অফিচৰ পৰা এই আই. ডি খিনি ইচ্ছু কৰাৰ কাৰণে ডিএক্টিভেট কৰা হৈছে। এই ভুলবোৰ আমাৰ অফিচাৰ সকলে বা আমি কৰিছো কৃষক সকলে কৰা নাই। কিন্তু যমৰ যাতনা আমাৰ কৃষক সকলে ভূগিব লগীয়া হৈছে। আজি বহুদিনৰ পৰা যিসকল কৃষকৰ এই ১৮৯ আই.ডি ডিএক্টিভেট হৈ থকাৰ কাৰণে বহু কৃষকে আজি সাৰ পোৱা নাই। আজি মাননীয় মন্ত্ৰী মহোদয় সদনত উপস্থিত আছে তেখেতক মই অনুৰোধ কৰিছো যে আপুনি এই ডিএক্টিভেট হৈ থকা ১৮৯ আই.ডি কম দিনৰ ভিতৰত এক্টিভ কৰি দিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু কিছুমান কথা নক'লে নহ'ব। আমাৰ জিলাৰ যিসকল বিষয়া আছে বা চাব ডিভিজনৰ যিসকল বিষয়া আছে, তেখেত সকলৰ লগত মোৰ যথেষ্ট ভাল সম্পৰ্ক। কিন্তু ৰাইজৰ স্বাৰ্থত কিছু কথা ক'বই লাগিব। এই আই.ডি বিলাক দিওঁতে অলপ পইচা ইফাল-সিফাল কৰা দেখা পোৱা হৈছে বুলি মোক অভিযোগ কৰে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আপোনাৰ এই বিভাগটো নিকা কৰিব লাগিব। যদি আপুনি অসমখনৰ কৃষক সকলক আগুৱাই লৈ যাব খুজিছে, অসমখন জি ডি পি ৰ ক্ষেত্ৰত আগুৱাই লৈ যাব খুজিছে, তেতিয়াহ'লে আপুনি আপোনাৰ তলত যিখিনি কৰ্মচাৰী আছে, যিসকল বিষয়া আছে তেখেত সকলৰ ওপৰত অলপ নজৰ ৰাখিব লাগিব। এই আই.ডি ৰ নামত কেলেংকাৰী হোৱা দেখা পোৱা যায়। বিশেষকৈ সাৰৰ কথাটো কোৱা হৈছে। আজিৰ পৰা কিছুদিন আগত সাৰৰ নাটনি আছিল। এতিয়া যদিও সাৰ দিছে, কিন্তু যথেষ্ট পৰিমাণে পোৱা নাই। আজি এক বিঘা মাটিত খেতি কৰিবলৈ হ'লে ইউৰিয়া, ডি.এ. পি মিলি প্ৰায় ২০ ৰ পৰা ২৫ কেজি লাগে আৰু এনেকুৱা হাজাৰ হাজাৰ কৃষক দৰং জিলাত আছে কিন্তু কিমানখিনি চাপ্লাই দিয়া হৈছে। যিখিনি চাপ্লাই দিয়া হৈছে সেইখিনি চাফিচিয়েণ্ট নহয়। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যদি কৃষিৰ ক্ষেত্ৰত আপোনালোকে এটা আলোড়ন আনিব খুজিছে, এটা ৰিভ'লিউশ্যন আনিব খুজিছে, তেতিয়াহ'লে যিখিনি প্ৰয়োজনীয় সেই প্ৰয়োজনীয় বস্তুখিনি চাপ্লাই দিয়াৰ ক্ষেত্ৰত আপোনালোকে কৃপনালি নকৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বহলাই নকওঁ। মই মন্ত্ৰী মহোদয়ক এটা কথাই অনুৰোধ কৰিম যে দৰং জিলাৰ দুখন মাৰ্কেট বেছিমাৰী আৰু খাৰুপেটীয়া বালুগাওঁ বজাৰ এই বজাৰ দুখনৰ ওপৰত অকনমান নজৰ দিয়ক। এই বজাৰ দুখনে অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈ, মাত্ৰ ধুবুৰীৰ পৰা শদিয়ালৈকে নহয় অসমৰ পৰা শাক-পাচলি লণ্ডনলৈকে গৈ আছে, থাইলেণ্ডলৈকে পঠাই আছে। মই অনুৰোধ কৰিম আপুনি যদি এক্সপোৰ্ট ইমপোৰ্টৰ ক্ষেত্ৰত গুৰুত্ব বেছিকৈ দিয়ে, তেতিয়াহ'লে মই ভাবো অসমক পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আনিব খুজিছে , কৃষি ৰিভ'লিউশ্যন হ'লে কৃষিৰ সামগ্ৰী যদি বৃদ্ধি কৰিব পাৰি, উপযুক্ত বজাৰ যদি পায় তেতিয়াহ'লে অসমৰ জি ডি পি আৰু অসমখন পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰলৈ তেতিয়াহে আমি লৈ যাব পাৰিম। গতিকে যি খন ৰাজ্যৰ শতকৰা ৮০ জন ব্যক্তি কৃষিৰ ওপৰত নিৰ্ভৰশীল গতিকে সেই ৰাজ্যৰ কৃষক সকলৰ অভাৱ-অভিযোগ, কৃষক সকলৰ যিখিনি প্ৰয়োজনীয় সামগ্ৰী সেইখিনি

সামগ্ৰী আমি দিবৰ কাৰণে চেষ্টা কৰিব লাগিব। কৃষি ক্ষেত্ৰত বাজেট বৃদ্ধি কৰিব লাগে এই কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপোনালোকৰ দলৰ ১০ মিনিট সময় থাকিল। তিনিগৰাকী ব্যক্তিৰ বক্তব্য থাকি গ'ল। এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ বিষয়টো আলোচনা কৰিবলৈ হ'লে অসমৰ প্ৰায় ৮০ শতাংশ লোক কৃষিৰ লগত জড়িত আৰু অসমৰ অৰ্থনীতিৰ প্ৰায় ৩০ শতাংশ কৃষি য়ে দখল কৰি আছে। অৰ্থাৎ যিমান সংখ্যক জনসাধাৰণে কৃষিৰ লগত জড়িত হৈ আছে, সেই পৰ্য্যায়ত অৰ্থনীতিত আজিও কৃষি বহুতখিনি পিছ পৰি আছে। সেয়েহে অসমৰ দৰে এখন ৰাজ্য, যিখন ৰাজ্য পৰম্পৰাগতভাৱে কৃষিৰ লগত জড়িত হৈ আহিছে এনে এখন ৰাজ্যৰ সামগ্ৰিক বিকাশৰ বাবে কৃষি ক্ষেত্ৰৰ ব্যাপক উন্নয়ণৰ প্ৰয়োজন আছে আৰু ইয়াৰ বাবে আহি থকা দিন বিলাকত কৃষি ক্ষেত্ৰত অধিক বাজেট এলোকেশ্যনৰ প্ৰয়োজন আছে। সেয়েহে মই এনে বিষয়ত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে, বাজেট ১০০ টকা কমাব বিচাৰিছে সেই কথা মই বিৰোধিতা কৰিছো আৰু মোৰ আগৰ বক্তা জনে যদিও তেখেতে cut motion আনিছে, প্ৰকৃততে তেখেতে কৃষিৰ ক্ষেত্ৰত অধিক পইচা দিয়াটো বিচাৰিছে, এই কথা মই আমি সকলো বিশ্বাস কৰো, যে কৃষিক অধিক শক্তিশালী কৰিব লাগে আৰু কৃষিক প্ৰগতিশীল কৰি লৈ যাবৰ বাবে আহি থকা দিন বিলাকত জলসিঞ্চনৰ দৰে বিভাগসমূহৰ লগত কৃষিৰ অধিক সমন্নয় সৃষ্টি কৰিব লাগে। কাৰণ জলসিঞ্চন বিভাগটো সম্পূৰ্ণ কৃষিৰ কাৰণে এটা বিভাগ। কিন্তু এই বিভাগটো বিভিন্ন সময়ত কৃষি বিভাগৰ লগত অধিক সমন্বয় নথকাৰ বাবে কৃষিসকলে জলসিঞ্চন আৰু বিশেষকৈ খুদ্ৰ জলসিঞ্চনৰ পৰা যিবিলাক সুবিধা পাব লাগে আৰু কৃষি বিভাগৰ পৰা যিবিলাক সুবিধা পাব লাগে, প্ৰায় একে বিলাকে হয়। যোৱা বছৰটো কৃষি বিভাগে প্ৰায় ১২ হাজাৰ solar pump অসমৰ কৃষক সকলক আগবঢ়াইছিল। প্ৰায় ৮৫০০ ডিজেল পাম্প আৰু প্ৰায় ২৭১৫ টা বিদ্যুৎ চালিত পাম্প কৃষকসকলৰ বাবে আগবঢ়াইছিল। আমি পূৰ্বৰ পৰাই পৰম্পৰাগতভাৱে দেখি আহিছিলো গাঁও অঞ্চলৰ খেতি বতৰৰ ওপৰত নিৰ্ভৰশীল। লাহে লাহে আমাৰ খেতিৰ প্ৰক্ৰিয়াটো, ধাৰণাটো কিছু সলনি হৈছে। আজি কালি মেচিনৰ ব্যৱহাৰ বাঢ়ি গৈছে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমগ্ৰ গ্ৰামীন বিকাশ আঁচনিৰ জৰিয়তে ২৫ হাজাৰ গাঁৱত টেক্টৰ দিয়াৰ ফলত কৃষিত আজি কালি মানুহ ব্যৱহাৰকৈ যন্ত্ৰ ব্যৱহাৰ বাঢ়ি গৈছে। ইয়াৰ ফলত কৃষি অৰ্থনীতিৰ উন্নতি হৈছে আৰু per capita কৃষিৰ সমগ্ৰী সমূহত বিগত সময়চোৱাত স্থিৰ হৈ আছে। কিন্তু তাৰ পৰিবৰ্তে আমাৰ কিছুমান বস্তুৰ consumption বাঢ়িছে। যেনে আগতে আমাৰ মানুহে ফলমুল কমকৈ খাইছিল। এতিয়া ফলমুল বেছি খোৱা হৈছে। কণী, গাখীৰ, মাছ, মাংস আদিসমূহ বেছিকৈ খোৱা হৈছে আৰু যিবিলাক process food এইবিলাকো বেছিকৈ খোৱা হৈছে। গতিকে এইবিলাকৰ প্ৰতি লক্ষ্য ৰাখি আমি আহি থকা দিন বিলাকত কৃষিৰ পদ্ধতি, কৃষিৰ প্ৰকাৰ আমি সলনি কৰিব লাগিব। বিশেষকৈ কেইটামান দিশত যদি আমি চাওঁ, সৰিয়হ ক্ষেত্ৰত অসমে ১.৮৫ লাখ মেট্ৰিকটন সৰিয়হ বছৰত উৎপাদন কৰে। কিন্তু এইটো মুল উৎপাদনৰ মাত্ৰ ২০ শতাংশহে। গতিকে সৰিয়হ উৎপাদনৰ ক্ষেত্ৰত আমি অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন আৰু কৃষক সকলক উৎসাহিত কৰাৰ প্ৰয়োজন যাতে সৰিয়হৰ ক্ষেত্ৰত আগবাঢ়িব পৰা যায় আৰু অসমৰ চৰকাৰে এই ক্ষেত্ৰত অভিলাসী আঁচনি গ্ৰহণ ৪ বছৰৰ ভিতৰত ৬ লাখ মেট্ৰিকটন সৰিয়হ উৎপাদনৰ এটা লক্ষ্য স্থিৰ কৰি লৈছে। ৬ লাখ মেট্ৰিকটন সৰিয়হ যদি অসমত উৎপাদন কৰিব পৰা হয়, তেতিয়া হলে অসম মিঠাতেলৰ ক্ষেত্ৰৰ যথেষ্টখিনি স্বাৱলম্বী হ'ব পাৰিব।

আৰু আন এটা গুৰুত্বপূৰ্ণ খেতি হ'ল মাকৈ। আমাৰ এজন পূৰ্ব বক্তাই মাকৈৰ কথা কৈ গৈছে। অসমত ৪১ হেক্টৰ ভূমিত মাকৈ খেতি কৰা হয় আৰু ১.৫০ লাখ মেট্ৰিকটন মাকৈ উৎপাদন কৰা হয়। আমাৰ অসমত যি ১.৬০ কোটি পশুধন আছে, এই পশুধনৰ খাদ্য হিচাপেও মাকৈ খেতিৰ যথেষ্ট গুৰু ত্ব আছে। গতিকে মাকৈ খেতিত আগন্তুক দিনত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। অসম চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে আৰু চাৰি বছৰত মাকৈৰ উৎপাদন বৰ্তমান যি ৪১ হাজাৰ হেক্টৰ ভূমিত মাকৈ খেতি কৰা হৈছে, এই পৰিমাণ ২.৭০ লাখ হেক্টৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে আৰু যাৰ জৰিয়তে প্ৰায় ৭ লাখ মেট্ৰিকটন মাকৈ উৎপাদন কৰা হ'ব। মাকৈ জৰিয়তে কেৱল পশুধনৰ খাদ্য হিচাপে কাম হয় সেইটো নহয়, আহি থকা দিন বিলাকত জৈৱ-বৈচিত্ৰ সুৰক্ষাৰ কাৰণে আমাৰ যি বায়ু ফুৱেলৰ কথা আহি আছে, বায়ু ফুৱেলৰ ক্ষেত্ৰতো মাকৈ জৰিয়তে ইথানৰ উৎপাদন কৰিব পৰা হয়।

বীজ সমুহ যোগানৰ ক্ষেত্ৰত আমি সদায় বাহিৰৰ ওপৰত নিৰ্ভৰশীল হৈ আহিব লগীয়া হৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম আহি থকা দিন বিলাক অসমত যিকেইখন seed farm আছে, এই seed farm কেইখন অধিক শক্তিশালী কৰিব লাগে। মোৰ সৰুপথাৰ সমষ্টিত ফলনগানিত এখন seed farm আছে, এই seed farm খন বিগত বহুদিন ধৰি পৰিতক্ত অৱস্থাত আছে। এই seed farm খনত প্ৰায় ৩৫০ বিঘা মাটি পৰিত্যক্ত অৱস্থাত আছে, গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এই farm খন যাতে আগবঢ়াই লৈ যায়।

মই আৰু এটা কথা সংযোগ কৰিব বিচাৰিছো যে মিলেট খেতি, আমাৰ মিলেট মিছন হিচাপে এই বছৰটো ধাৰ্য কৰা হৈছে আৰু ২০০ কোটি টকা মিলেট আগন্তুক সময়চোৱাত খৰছ কৰা হ'ব। মিলেট খেতিৰ জৰিয়তে আমাৰ অৰ্থনীতি শক্তিশালী হ'ব। আমি এটা কথা জানিব পাৰিছো যে মিলেটৰ সম্পৰ্কত আমাৰ সম্যক জ্ঞান বহুতৰে কম আছে আৰু মন্ত্ৰী মহোদয়ে খুব সম্ভৱ কালিলৈ সকলোকে জনোৱা মতে দুপৰীয়াৰ আহাৰ মিলেটৰ জৰিয়তে দিব। যাৰ জৰিয়তে বিষয়টোৰ ওপৰত আৰু কিছু কথা জানিব পাৰিম।

ইয়াৰ লগতে মই এটা কথা কৈ সামৰিব খুজিছো ফুলৰ ক্ষেত্ৰত আজি অসমত প্ৰত্যেক বছৰে ১৩৫ কোটি টকাৰ ফুল আমদানি হয়। কিন্তু অসমে উৎপাদন কৰে মাত্ৰ ১৫ কোটি টকাৰ ফুল। এই ক্ষেত্ৰত পুষ্প মিছন অসমত আৰম্ভ কৰিছে। এই পুষ্প মিছনৰ জৰিয়তে আহি থকা দিনত নিবনুৱা সকলক স্বাৱলম্বী কৰাৰ লগতে অসমৰ অৰ্থনীতি শক্তিশালী হ'ব বুলি মই আশা কৰিছো আৰু আশা কৰিছো মোৰ পূৰ্ব বক্তাজনে যেনেকৈ কৰ্তন প্ৰস্তাৱত তেখেতৰ বক্তব্য ৰাখি মুকলিকৈ বাজেট বৃদ্ধি কৰাৰ প্ৰতি সমৰ্থন জনালে বাকী অকল বিৰোধী দলৰ সদস্যইও তেখেতসকলৰ সমৰ্থন আগবঢ়াই এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব আৰু মই এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় সভাপতি মহোদয়, আজি কৃষি বিভাগত যি কৰ্তন প্ৰস্তাৱ অনা হৈছে আমাৰ দলৰ তৰফৰ পৰা, এই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই দুআষাৰ ক'ব বিচাৰিছো।

মাননীয় সভাপতি মহোদয়, কৃষি বিভাগৰ ওপৰত বিভিন্ন বক্তাই বহুত ধৰণৰ তথ্যসহ বহুখিনি উদাহৰণ সহ ভাল ভাল পৰামৰ্শ দিছে। মই তেখেতসকলে কোৱা কথাবিলাক repeat কৰিব খোজা নাই। দুই এটা কথাহে মই উল্লেখ কৰিব বিচাৰিছো। কৃষিৰ ক্ষেত্ৰত near about 70% ,80% আমাৰ মানুহ জড়িত হৈ থাকে। Agricuture economy আমাৰ বিৰাট ডাঙৰ এটা economy। যিটো সদায় enhance কৰিব লাগে আৰু বাজেটত টকা বেছি দিব লাগে। যদিও

পৰম্পৰাগতভাৱে এই কৰ্তন প্ৰস্তাৱ আনিব লাগে আৰু আমি ইয়াৰ বিৰোধিতা কৰি কৃষি বিভাগৰ কথাটো উপস্থাপন কৰো। মই বিচাৰো যে কৃষি বিভাগক বেছি টকা চৰকাৰে দিব লাগে বা বেছি আঁচনি দিব লাগে। .

মাননীয় সভাপতি মহোদয়, কৃষিৰ ক্ষেত্ৰখনত কাম কৰিবলৈ হলে আমি প্ৰথমতে কৃষি ভূমি আমাৰ কিমান আছে, সেইটো চাব লাগিব। কাৰণ চৰকাৰেও গুৰুত্ব দিছে, কেন্দ্ৰীয় চৰকাৰে কৈ আছে যে কৃষিক গুৰুত্ব দিব লাগে। আমি দেখিছো যে ২০১৫-১৬ চনৰ মাজত আমাৰ কৃষি ভূমি আছিল ২৮ লাখ হেক্টৰ আৰু ২০১৯-২০ চনলৈ গৈ ২৬ লাখ হেক্টৰলৈ পৰিণত হ'ল। তাৰ মানে ক'ব গ'লে আমি প্ৰায় ২ লাখ হেক্টৰ ভূমি হেৰুৱাইছো। বিভিন্ন কাৰণত আমি কৃষি ভূমি হেৰুৱাইছো, খহনীয়া হৈছে, ৰাস্তা ঘাট পদুলি নিৰ্মাণ হৈছে বা কিছুমান উদ্যোগ স্থাপন হৈছে যাৰ ফলত কৃষি ভূমি আমি হেৰুৱাই গৈ আছো। আমাৰ চৰকাৰে ক্ষেত্ৰত গুৰুত্ব দিব লাগে যে কৃষি ভূমি সংৰক্ষণ কৰিব পাৰো আৰু যিখিনি প্ৰাকৃতিক ভাৱে ক্ষতি হ'ল, হ'ল আৰু আমি যাতে আগন্তুক দিনত কৃষি ভূমি সংৰক্ষণ কৰিব পাৰো, সেই ক্ষেত্ৰত কৃষি বিভাগে বিশেষভাৱে land for agricuture যিকোনো আইন আনি কৃষি সংৰক্ষণৰ ব্যৱস্থাটো কৃষি বিভাগে ল'ব লাগে। আমি দেখিছো যে কিছুমান কৃষি ভূমি convert কৰি লৈ মানুহক বিক্ৰী কৰা হয় বা মানুহে কিনি লয়। তাতে affidavit ত লিখা থাকে যে কৃষি কাৰ্য্যৰ কাৰণে কৃষি ভূমিটো কিনা হৈছে কিন্তু পৰৱৰ্তী সময়ত সেই কৃষি ভূমিবোৰ কিন্তু কৃষিৰ কাৰণে ব্যৱহাৰ নহয় অন্য কামতহে ব্যৱহাৰ হয়। সেই কাৰণে এইক্ষেত্ৰত বিভাগে বিশেষভাৱে গুৰুত্ব দিব লাগে। কৃষিৰ যিটো গুণগত মানদণ্ড এইটো দিনক দিনে কমিবলৈ ধৰিছে। মোৰ সমষ্টিতে কব গ'লে যিমান কৃষি ভূমি আছিল, এতিয়া সেই কৃষি ভূমি বিলাকত বেছিভাগ অঞ্চল দেখিছো ইটা ভাটা বা এনেকুৱা ধৰণৰ ব্যৱসায় কৰি আছে। কাৰণ এই ইটাৰ ভাটা হোৱাৰ লগে লগে কৃষিৰ যি গুণগত মানদণ্ড সেইটো বহুত হাজাৰ বছৰলৈকে ই নাইকিয়া হৈ যাব। এইক্ষেত্ৰত চৰকাৰে এইটো চাব লাগে যে কৃষিৰ যিটো গুণগত মানদণ্ড ঠিকে থাকে। আমি যাতে কৃষি ভূমিটো বিভিন্ন ধৰণৰ উৎপাদন কৰি আমাৰ অৰ্থনৈতিক আমি উন্নয়ন কৰিব পাৰো। এই বিষয়ে আমাৰ এটা পৰামৰ্শ থাকিল যে, কৃষিভূমি যাতে কোনো কাৰণতে গুণগত মানদণ্ড কমি নাযায় সেইক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগে। কৃষি বিভাগে বহু ধৰণৰ আঁচনি লৈছে। আমি যেতিয়া সোধো, কৃষি বিভাগে কি কি কাম কৰি আছে, তেতিয়া বহুত দীঘলীয়া আঁচনি আছে। বিভিন্ন ধৰণৰ আঁচনিত কৃষি বিভাগে ঘোষণা কৰে, কেন্দ্ৰীয় চৰকাৰৰ আঁচনি, ৰাজ্য চৰকাৰৰ আঁচনি। কিন্তু ফিল্ডত আমি দেখিবলৈ পাঁও যে যিখিনি আঁচনি প্ৰকৃততে কৃষকৰ মাজত সঠিকভাৱে ৰূপায়ণ হ'ব লাগে, কাৰ্য্যক্ৰম হ'ব লাগে, সেইখিনি হৈ উঠা নাই। ইয়াৰ মূলতে আমি চৰকাৰক দোষাৰোপ কৰিব বিচৰা নাই। কিন্তু কৃষি বিভাগটো এনেকুৱা এটা বিভাগ, যিটো বিভাগক আমাৰ কৰ্মকৰ্তা, চাকৰিয়াল বা যিসকলে আঁচনিবোৰ পৰিচালনা কৰে কৰ্মচাৰীৰ এই সংখ্যাটো বঢ়োৱাতো দূৰৰে কথা বৰ্তমান যিখিনি আছে, বহুত vacancy এতিয়াও আছে। কৃষি বিভাগে এইটো চাব লাগে যে, কৃষি বিভাগটো যদি ভালকৈ চলাব লাগে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ প্ৰত্যেকখন আঁচনি যদি সফল ৰূপায়ণ কৰিব লাগে, যদি ৰাইজে ইয়াৰ সুযোগ সুবিধাসমূহ পাব লাগে তেতিয়া vacancy খিনি fillup কৰিব লাগে। মই অসমৰ ভিত্তিত ক'ব নাযাঁও, মোৰ সমষ্টিৰ যিটো agriculture ৰ sub-division আছে, মই যদি তাৰ উদাহৰণ দিও, তেতিয়া ইয়াৰ যিটো তথ্য পাব অতি দুখ লগা। মোৰ সমষ্টিত যিটো sub-division আছে, তাতে SDO আছে, তাত ADO ৭ জন লাগে, মাত্ৰ ৪ জন আছে। Junior দুজন লাগে, তাতে এটা vacant হৈ আছে। Assistant

Agriculture Inspector ১৩ জন থাকিব লাগে, মাত্ৰ ৮ জন আছে। Agriculture Extension Assistant যিটো BLEW বুলি কৈছিলো, এইটোতো অতি বেয়া। 54 জন থাকিব লাগে, মাত্ৰ ৪ জন আছে, ৫০ জনেই খালী আছে। Driver খালী আছে, Gr-IV ১২ টা পদ আছে তাৰে ৭ টা আছে । এনেকুৰা ধৰণৰ দীঘলীয়া এখন তালিকা মোৰ হাতত আছে। বকো Agriculture sub-division ত ১০২ থাকিব লাগে মাত্ৰ ৩১ টা পদহে এতিয়া position ত আছে। এইটো হৈছে এটা sub-division ৰ ছবি। যিটো অতি দুখলগা। আমাৰ যিখিনি circle মোৰ ADO circle ৪ টা আছে কিন্তু ADO circle ত এতিয়া এই সংখ্যা অতি কম একেবাৰে নগণ্য বুলি ক'ব লাগিব। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো যে চৰকাৰী আঁচনিখিনি ভালকৈ কৰিবলৈ হ'লে খালী পদখিনি যদি সোনকালে পূৰণ নকৰে, তেতিয়া এই আঁচনিবোৰৰ সফল ৰূপায়ণ নহ'ব। আমাৰ যিটো paddy procurement যিটো পদ্ধতি খুৱ ভাল, আমি চাইছো যে চৰকাৰে ১০ লাখ মেট্ৰিকটন ক্ৰয় কৰাৰ কাৰণে এটা প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু এই প্ৰক্ৰিয়াত ধান কৃষক সকলে বিক্ৰী কৰিবলৈ ধৰিছে বা কিনি আছে কিন্তু তাতে কিছু সমস্যা এটা আহিছে। যেতিয়া আমি ফিল্ডলৈ যাঁও তেতিয়া  সোধো যে তোমালোকে ধানটো বিক্ৰী কৰিলা নে নাই। তোমালোকেতো MSP টো বেছি পাবা। তোমালোকৰ যদি মধ্যভোগীয়ে ধানটো কিনে, তোমালোকৰ সেই পইচাইদি নহ'ব। তেতিয়া আমি কিছু গম পাওঁ যে, ধান procurement ত সময়ত যিটো Agriculture Marketing Board  য়ে যিটো test কৰে, ৭০ শতাংশৰ ওপৰত যদি moisure থাকে, তেতিয়াহ'লে Agriculture Marketing Board  য়ে নলয়। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে, moisure quantity কিমান আছে, কিমান নাই কৃষকে সেইটো চাব নোৱাৰিব. কাৰণ আমাৰ যিটো humidity সদায় বেছি। আমাৰ ধানবোৰ অলপ অলপ জেকা লাগি থাকে। কেতিয়াবা কেতিয়াবা অলপ দাগো লাগে। এইক্ষেত্ৰত এই ধানখিনি যেতিয়া paddy procurement center ৰলৈ আনিব লাগে moisure test টো কৰা হয়, 70% পোৱাৰ লগে লগে কৃষকক ধান ঘূৰাই দিয়ে। কৃষকক যেতিয়া ধানখিনি ঘূৰাই দিয়ে, তেতিয়া কৃষকৰ মনটো ভাঙি যায় যে ধান paddy procurement ত লৈ গ'লো ধানখিনি চৰকাৰে নল'লে। সেই মানুহ যেতিয়া উভতি গুচি গ'ল, সেই paddy procurement ত পুনৰ ধান অনা মানুহজনৰ আগ্ৰহ বা ইচ্ছাটো নাথাকে। এই যিটো প্ৰচেচ কৰিছে ১৭ শতাংশ বেছি হ'লে ধানখিনি গ্ৰহণযোগ্য নহয়, তেতিয়া সেই ধানখিনি কৃ ষকে যদি নলয় তেনে ধৰণৰ হৈ থাকে, চৰকাৰে যিটো terget লৈছে যে ১০ লাখ মেট্ৰিকটন ল'ব, তেতিয়াহ'লে এই terget টো কেতিয়াও fulfill নহ'ব। সেই কাৰণে paddy procurement center ত কিছু নিয়ম অকনমান সলনি কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে, আমাৰ যিটো paddy procruement center কৰিছে, সেইবিলাক বহুত দূৰত। মোৰ সমষ্টি য'ত পি.পি.চি টো আছে ২৫ ৰ পৰা ৩০ কিলোমিটাৰ দূৰত। সেই ইমান দূৰলৈ ৰাইজে ধান কেতিয়াও transportation কৰি আনিব নোৱাৰে। আমাৰ কৃষকসকল হৈছে সৰু সৰু কৃষক। তেওঁলোকৰ transportation charge ৰ খৰচৰ এটা কথা আছে। আমাৰ পঞ্চায়ত লেভেলত যিটো আমাৰ ধান সংগ্ৰহ চেণ্টাৰ এটা কৰিব লাগে। যাতে আমাৰ কৃষক ৰাইজে খুৱ সহজতে তেওঁলোকে ধানটো জমা দিব পাৰে। এইখিনি কথা অৱগত কৰালো। ইয়াত ইউৰিয়াৰ কথাটো আহিছে। ইউৰিয়াৰ বিষয়টো হৈছে যে ইউৰিয়াৰ লগত neno urea টো লগ কৰি দিছে। ইউৰিয়াটো কৃষকে ল'ব, কিন্তু নেনো ইউৰিয়াটো জানে যে, ফাৰ্টেলিটিটো বঢ়াবৰ কাৰণে মাটিৰ মানদণ্ড উন্নত ৰখাৰ কাৰণে

neno urea টো দিব লাগে। কিন্তু ইউৰিয়াৰ দাম ২৬৬, neno urea ৰ দাম ২৪০ টকা। এজন কৃষকে ২৬৬ টকাৰে ইউৰিয়া কিনিব আৰু লগে লগে neno urea ২৪০ টকাৰে কিনিব। সেইটো কৃষক এজনৰ কাৰণে সম্ভৱ নহয়। এতিয়া taking কৰি দিছে যে ইউৰিয়া ললে neno urea লবই লাগিব। এইটোৰ কাৰণে কৃষকৰ অসুবিধা হৈছে। সেই কাৰণে neno urea যিটো taking ত দিছে এই ব্যৱস্থাটো গুচাব লাগে। হয়তো কোম্পেনীবিলাকে তেওঁলোকৰ বিক্ৰীৰ কাৰণে ইউৰিয়া যিহেতু কৃষকে কিনিব, neno urea টো বিক্ৰী কৰাৰ কাৰণে ব্যৱস্থাটো কৰিছে কিন্তু এই ব্যৱস্থাটো কৃষকৰ কাৰণে ভাল হোৱা নাই। এইটো ক্ষতিকাৰক হৈছে মাননীয় উপাধ্যক্ষ মহোদয়, দুটা কথা মই ক'ব বিচাৰিছো যে বকোৰ টোপামাৰি অঞ্চলত বেছি জলকীয়া খেতি উৎপাদন হয়। য'ত বাহিৰৰ ৰাজ্যবিলাকলৈয়ো ৰপ্তানি হয়। মই মাননীয় মন্ত্ৰী মহোদয়ক আগতেও বহুবাৰ অনুৰোধ কৰিছো যে আমাৰ যিবিলাক coal storage বনাই আছে, coal storage বিলাকৰ কথাটো এনেকুৱা need base হ'ব লাগে। ক'ৰবাত কোনোবা এজনে কৈছে কাৰণে বনাইছে, তেনেকুৱা নহয়, প্ৰকৃত survey কৰি য'ত যেনেকৈ coal storage ৰ প্ৰয়োজন আছে, coal storage বিলাক বনাব লাগে। টোপামাৰি অঞ্চলত জলকীয়াৰ খেতি ইমান হয়, কিন্তু তাত মানুহে জলকীয়া শুকুৱাবৰ কাৰণে traditional পদ্ধতি ব্যৱহাৰ কৰি আছে। তেওঁলোক ঘৰৰ চালৰ ওপৰত জলকীয়া শুকুৱাই থাকে আৰু বৰষুণ দিয়াৰ কাৰণে এই জলকীয়াসমূহ নষ্ট হৈ যায়। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে টোপামাৰি অঞ্চলত ইমান বেছি জলকীয়া হয় জলকীয়া শুকুৱাবৰ কাৰণে তাক storage ৰ কাৰণে তাক ৰপ্তানিৰ কাৰণে যাতে বিভাগে এটা গ্ৰহণ কৰে। এইখিনি কথা আজি কৰ্তন প্ৰস্তাৱত কৈছো যদিও চৰকাৰৰ যিখিনি সুবিধা ল'ব লাগে, ভাল কৰিব লাগে সেইখিনিহে আমি জনালো। এইখিনি কথা কৈ মই ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই কওঁক। তেখেত অনুপস্থিত। জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই নকওঁ বুলি কৈছে। এতিয়া কৃষ্ণেন্দু পাল ডাঙৰীয়াই কওঁক।

**শ্ৰী কৃষ্ণেন্দু পাল, (পাথাৰকান্দি)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিষয়ে কর্তন প্রস্তাবে আমাকে বলার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। কৃষি হল মানব সভ্যতা উত্থানের মূল চাবিকাঠি। কৃষক বাঁচলেই দেশ বাঁচবে। আজ ব্যখ্যা করা প্রয়োজন যে আমাদের সমগ্র দেশের সঙ্গে তুলনা করলে আসামে আমাদের ঘরোয়া যে ইনকাম, কৃষিক্ষেত্র বা তার আনুসাঙ্গিক থেকে প্রায় ২০ শতাংশ আয় আসে। এবং আজকের দিনে আমরা দেখতে পেয়েছি যে সমগ্র ভারতবর্ষের অন্যান্য রাজ্যে কৃষি কাজ থেকে বেড়িয়ে এসে অন্যান্য উদ্দ্যোগীর ক্ষেত্রে বা সার্ভিস সেক্টরের ক্ষেত্রে অন্যরা মনোনিবেশ করছেন। কিন্তু আসামের ক্ষেত্রে এখনও ৭০শতাংশের উপরে কৃষি কাজের দিকে আমরা এগিয়ে যাচ্ছি।

আজ আমাদের মাননীয় প্রধান মন্ত্রী নরেন্দ্র দামোপ্রকাশ মোদীজি কৃষি ক্ষেত্রে যে গুরুত্ব দিয়েছেন 'এক ভারত, শ্রেষ্ঠ ভারত' দেখতে হলে কৃষি ক্ষেত্রে আমাদের অনেক দূর এগিয়ে যেতে হবে। সেইদিকে লক্ষ্য রেখে আমাদের মাননীয় মুখ্যমন্ত্রী সর্বকালের শ্রেষ্ঠ মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয় যে উদ্দ্যোগ নিয়েছেন, আমাদরে মাননীয় মন্ত্রী অতুল বরা মহাশয়কে যে নির্দেশ দিয়েছেন তার মধ্যে যে মিশনগুলি হাতে নেওয়া হয়েছে যেমন, আসাম মিলেট মিশন।

আমাদের পূর্ব পুরুষদের প্রধান খাদ্য ছিল বাজরা।দেরিতে হলেও সম্পূর্ণ বিশ্ব স্বীকার করেছে যে বাজরাতে প্রচুর পরিমান ক্যালসিয়াম, আয়রন আছে এবং দুধের তুলনায় ৩গুন পরিমান ক্যালসিয়াম জিংক বাজরাতে আছে। কম গ্লাইসেমিক সূচক প্রোটিন এবং ফাইবারের ভালো মাত্রা

গ্লুটেন মুক্ত। তাই বাজরা চাষে আমরা যদি আরো বেশি মনোনিবেশ করি তাহলে আরো পুষ্টিকর খাদ্য উৎপাদন করতে পারব। বিশেষ করে আমাদের মাননীয় মন্ত্রী মহোদয়, ২০২২-২৩ সিএসএস এবং এসওপিডি স্কিমগুলো যেভাবে এনেছেন তা যাতে সঠিক ভাবে বাস্তবায়িত হয়।তেল উৎপাদনের ক্ষেত্রে,বিশেষ করে edible oil অন্যান্য রাজ্য থেকে আমরা এনে থাকি। তারজন্য master বা palm oil যাতে নিজেরা আমরা উৎপাদন করতে পারি তার জন্য যে মিশন হাতে নেওয়া হয়েছে National Mission on edible oils and oil palm, তারজন্য বিশেষ করে ধন্যবাদ জানাই মাননীয় মন্ত্রী মহোদয়কে। কৃষি কাজ আরো এগিয়ে যেতে আমাদের সব থেকে বেশি প্রয়োজন হল পানীয় জল। তাই ইরিকেশন ফেসিলিটিস আরো বেশি প্রয়োজন। আমর প্রশ্ন হল আমার পাথারকান্দি সমষ্টিতে গত বছর আমরা যেগুলো পেয়েছিলাম সাবমার্সিবল পাম্প তার মধ্যে অনেকটা ডিফল্ট আছে। কারন আমার এখানে যে লেয়ার আছে সেখান থেকে পানীয় জল ২২০ মিটার অবদি যাওয়ার পরও পানীয় জল পাওয়া যায়নি। তার জন্য বিশেষ ভাবে চিন্তা ধারা করতে হবে যাতে আমরা কৃষি ক্ষেত্রে পানীয় জলের ব্যবস্থা করতে পারি। আমদের মাননীয় মুখ্যমন্ত্রী মহোদয় একটা আশা প্রকাশ করেছিলেন যাতে আমরা প্রত্যেকজন বিধায়ক নিজের সমষ্টিতে মাল্টি পারপাস কো-অপারেটিভ সোসাইটি বানাতে পারি। এবং আমি আমার পাথারকান্দি সমষ্টিতে মাল্টি পারপাস কো-অপারেটিভ সোসাইটি বানিয়েছি। যার উদ্দ্যোগে এগ্রিকালচার কো-অপারেটিভ সোসাইটির জন্য প্রায় ২০০ বিঘা মাটি নিয়েছিলাম। আমি আমাদের মাননীয় বিধায়ক পদ্ম হাজারিকা মহাশয়ের সঙ্গে আলোচনা করেছি এবং উনিও বলেছেন উনি নিজে যাবেন এবং অনেক পরামর্শ দেবেন, যে কি ভাবে আমরা আরো এই এগ্রিকালচার কো-অপারেটিভ সোসাইটিকে এগিয়ে নিতে পারি। তাই বিশেষ করে প্রত্যেকটি কো-অপারেটিভ সোসাইটিতে প্রথম দফায় যে ২৫ লক্ষ টাকা করে ধার্য করা হয়েছে তার জন্য মাননীয় মুখ্যমন্ত্রী মহোদয়কে আমি ধন্যবাদ জানাই। আজ অনেকে অনেক কথা বলেছেন। আসামে ফুলের চাষ অনেক কম হয়। আসামে বছরে প্রায় ১লক্ষ ৩৫ কোটি টাকার অধিক ফুলের বিজনেস হয়ে থাকে। কিন্তু আমরা আমাদের আসামে উৎপাদিত ফুল বিজনেসের শেয়ার ১৫ থেকে ১৮ কোটি টাকা হয়। বাকি ফুল আমরা অন্যান্য রাজ্য থেকে ইমপোর্ট করি। তাই আমাদের মাননীয় মন্ত্রী যে আসাম হর্টিকালচার মিশন শুরু করেছেন তার জন্য বিশেষ করে ধন্যবাদ জানাই। আগামী দিনে ফুলের ক্ষেত্রে ফুল চাষ অনেক এগিয়ে যাবে। আমদের অন্যান্য রাজ্য থেকে ইমপোর্ট করতে হবে না। আর আমি যে জেলায় থাকি,বিশেষত আমরা বাংলাদেশের সঙ্গে কানেকটেড্ এবং এখানে অনেক ধরনের এক্সপোর্ট হয়ে থাকে। যেমন আদা, কমলা, সাই ট্রাস এগুলো এক্সপোর্ট হয়ে থাকে। এইবার লক্ষীপুর থেকে আনারস এক্সপোর্ট হয়েছে দুবাই। আমরা যাতে এক্সপোর্টের ক্ষেত্রে আরো এগিয়ে যেতে পারি তারজন্য আমি মন্ত্রী মহোদয়কে এক্সপোর্টের ক্ষেত্রে বিশেষ কিছু ফেসিলিটির প্রয়োজন আছে তাই আপনাকে অনুরোধ করছি। করিমগঞ্জ জেলায় ডিস্ট্রিক্ট এগ্রিকালচার অফিসার নেই, ইনচার্জ আছেন। তাই অতি সত্বর যাতে ডিস্ট্রিক্ট এগ্রিকালচার অফিসার আমরা পাই তার জন্য অনুরোধ করছি। আর আজকের এই কাট মোশন যারা এনেছেন ওনাদের অনুরোধ করব কৃষি ক্ষেত্রে এগিয়ে যেতে হলে সব থেকে বেশি প্রয়োজন হল বাজেট।যে এডিশন্যাল এমাউন্টের জন্য যে প্রস্তাব এনেছেন আমি মনে করি আরো বেশি পয়সার প্রয়োজন হবে। কারন আসাম কৃষি ক্ষেত্রে আরো বেশি শক্তিশালী হতে হবে। তাই আপনারা যে কাট মোশন প্রস্তাব এনেছেন এটা উইথড্রো করেন ওই অনুরোধ রেখে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য ছামছুল হুদা ডাঙৰীয়াই কওঁক। আপোনালোকৰ দলৰ তিনিজন সদস্যই ক'বলগীয়া আছে আৰু দহ মিনিট সময় আছে।

**শ্ৰী ছামছুল হুদা, (পূব বিলাসীপাৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ বাকীখিনি সদস্য প্ৰায় নায়েই। আজিৰ বাজেটৰ কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে কিছুমান যুক্তি আগবঢ়াই আছো। আমাৰ অসম চৰকাৰ আৰু ভাৰত চৰকাৰে বিগত দিনত কৃষকসকলৰ কাৰণে কিছুমান যোজনা দিছিল। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, ৰাষ্ট্ৰীয় তৈল বীজ, খেজুৰৰ অভিযান, স্ব-নিৰ্ব্বাহ কৃষি ৰাষ্ট্ৰীয় অভিযান, নেশ্যনেল মিশ্যন ফৰ এগ্ৰিকালচাৰেল যোজনা, নেশ্যনেল ই গভৰ্ণৰ এগ্ৰিকালচাৰেল যোজনা, প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা, পৰম্পৰাগত কৃষি বিকাশ যোজনা, অনুসূচীত জাতি উপ আচঁনি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, মিশ্যন অৰ্গেনিক ভেল্যু চেল, নেশ্যনেল আয়ুষ মিশ্যন আদি যোজনা আমাৰ কৃষক সকলৰ বাবে দিছিল বুলি আমি কিতাপত লিপিবদ্ধ হৈ থকা দেখিবলৈ পাইছো। মই অসমৰ বাকী জিলাসমূহৰ কথা নাজানো। কিন্তু ধুবুৰী জিলাত যিসকল কৃষক আছে, তেওঁলোকে এই যোজনাসমূহৰ খবৰ নাপায়। এই যোজনাসমূহ যে কৃষক সকলৰ বাবে হয় আৰু কৃষকসকলৰ উন্নয়নৰ স্বাৰ্থত লোৱা হৈছে সেইবোৰ আমাৰ কৃষকসকলে গম নাপায়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এনেকৈ যোজনা দি যদি কাগজে-কলমে লিপিবদ্ধ কৰি ৰাখে আৰু আমি যদি এনেকৈ বাজেট ধৰিয়েই থাকো তেনেহ'লে আমাৰ কৃষকসকলৰ উন্নয়ন কেনেকৈ হ'ব? আমাৰ কৃষকসকলৰ উন্নয়ন কৰিবৰ হ'লে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ যোগেৰে ইয়াৰ অন্তৰ্নিহিত যিবোৰ কাম কাজ কৰিব লাগে সেইবোৰৰ ক্ষেত্ৰত সজাগতা আনি কৃষকসকলক জনাব লাগিব। আমাৰ খাদ্য সুৰক্ষা আঁচনিৰ বিষয়ে মানুহবোৰে জানে, যিহেতু চাউল পায়। কিন্তু, বীজ যোজনা বা স্ব-নিৰ্মাণ ৰাষ্ট্ৰীয় কৃষি অভিযান ইত্যাদি আঁচনিৰ কথা আমাৰ কৃষকসকলে বুজি নাপায়। কৃষি মন্ত্ৰী মহোদয় বা কৃষকৰ লগত জড়িত বিষয়া বা অন্যান্য মানুহখিনিয়ে হে বুজি পায়। মোৰ বোধেৰে বহুত লোক আছে, যিসকলে এই আঁচনিবোৰৰ কথাও নাজানে। আমি কৃষি প্ৰধান অঞ্চলৰ মানুহ। মই নিজেই কৃষকৰ ল'ৰা। কৃষিৰ যদি উন্নয়ন নহয়, তেন্তে কৃষি প্ৰধান ৰাজ্যখন কিদৰে উন্নয়ন হ'ব? গতিকে মই কৃষি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে কৃষকৰ উন্নয়ন কৰাৰ বাবে বাজেট নিৰ্ধাৰণ কৰিব লাগে। এনেই বাজেট নিৰ্ধাৰণ কৰি কাগজে কলমে ৰাখি কৃষকসকলক যাতে আমাৰ ফাঁকি দিয়া নহয় তাৰ বাবে মন্ত্ৰী মহোদয় তথা বিভাগে চেষ্টা কৰিব লাগে। আপুনি যিহেতু অভিজ্ঞ মানুহ, গতিকে আপুনি আপোনাৰ বিভাগটোৰ নিশ্চয় উন্নয়ন কৰিব। আমাৰ প্ৰধানমন্ত্ৰী মহোদয়ৰ "Har khet mein paani" নামৰ আঁচনিৰ যোগেৰে আমাৰ অসমত ৭,৬৬৩ খন ট্ৰেক্টৰ আৰু ৯,৭০৮ খন shallow tubewell ২০২০-২১ চনত দিয়া হৈছিল। ৬,৫২১ খন ট্ৰেক্টৰ দিয়াৰ পৰিৱৰ্তে ৩,৫৪০ খন দিছিল, ২৫,০২৮ খন পাৱাৰ টিলাৰ দিয়া হৈছিল। গতিকে মই মন্ত্ৰী মহোদয়ক আহ্বান জনাওঁ যে বিভিন্ন ৰাজ্যৰ লগতে ধুবুৰী জিলাৰো অলপ খবৰ ৰাখিব লাগে। মোৰ বোধেৰে যিবোৰ বিতৰণ কৰা হৈছিল, সেই বিতৰণৰ অংশ হিচাপে ধুবুৰী জিলাত কোনো ধৰণৰ পাৱাৰ টিলাৰ, ট্ৰেক্টৰ, shallow machine কৃষকে পোৱা নাই। গতিকে, আপুনি ধুবুৰী জিলাৰ ক্ষেত্ৰত অলপ নজৰ ৰাখিব। উপাধ্যক্ষ মহোদয়, কৃষি বিভাগত এতিয়া কৰ্মচাৰী যেন নাইয়েই তেনেকুৱা এটা অৱস্থা হৈছে। ধুবুৰী জিলাত ১৫ জন কৃষি উন্নয়ন বিষয়াৰ পদ আছে। কিন্তু, তাত মাত্ৰ দুজনহে বিষয়া আছে। এই দুইজনেৰে ১৫ জনৰ কাম চলে নেকি, আপুনিয়েই চিন্তা কৰক। ঠিক তেনেদৰে, বৰপেটাতো ১৬ টা ADO ৰ পদ আছে কিন্তু ৫ জন ADO এতিয়া তাত আছে। কৃষি বিষয়াৰ অবিহনে কৃষি বিভাগটো কেনেকৈ চলিব? গোটেই অসমত AEA

পদত মোৰ বোধেৰে ১০% আছে। সেয়েহে এই খালী পদ সমূহত লোক নিয়োগ কৰি অসমৰ কাম-কাজ সমূহ যাতে সুচাৰুৰূপে কৰিব পৰা যায় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। এই ছেগতে মই আৰু এটা কথা ক'ব বিচাৰিছো যে আমাৰ বিলাসীপাৰা মহকুমাত গোটেই এছিয়াৰ ভিতৰত জলকীয়া উৎপাদন বেছি হয়। এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ো অৱগত আৰু তেওঁ তাত এখন ভাল বজাৰো কৰি দিছে। ইয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, দেখা গৈছে যে ইমান জলকীয়া উৎপাদনৰ ক্ষেত্ৰত তাত যিখন বজাৰ বহে, সেই বজাৰত কিছুমান মধ্যভোগীলোকে নিয়ন্ত্ৰণ কৰে। কৃষকে ৫ টকাৰ পৰা ৮ টকাকৈ জলকীয়া কেজি হিচাপে পায়, কিন্তু মধ্যভোগীয়ে ৬০ ৰ পৰা ৭০ টকালৈ কেজি হিচাপে বিক্ৰী কৰে। গতিকে, মন্ত্ৰী মহোদয়ে তাত ভাল এটা processৰে চৰকাৰী মূল্য নিৰ্ধাৰণ কৰি যাতে বজাৰ নিয়ন্ত্ৰণ কৰে আৰু জলকীয়া বিক্ৰী কৰি কৃষকে যাতে উচিত মূল্য পায়, তাৰ বাবে অনুৰোধ জনাইছো। যি কি নহওঁক, সময় কম। আজি এইখিনি কৈয়ে ...interruptions. .

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকৰ দলৰ এক মিনিট সময় আছে, আপুনি শেষ কৰি দিলে ভাল হ'ব।

**শ্ৰী ছামছুল হুদা, (পূৰ বিলাসীপাৰা)ঃ** মই এইখিনি কৈয়েই মোৰ বক্তব্য সামৰিছো। বাকীখিনি আমাৰ বিধায়িনী দলৰ দলপতিয়ে ক'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এ.আই.ইউ.ডি.এফ. দলৰ আৰু ১ মিনিট ২০ ছেকেণ্ড সময় আছে আৰু দুগৰাকী বক্তা বাকী আছে। এতিয়া মাননীয় সদস্য শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, (দেৰগাওঁ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কেইটামান বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ অসমৰ প্ৰায় ৭০-৮০% লোক কৃষিজীৱি। তেখেতেসকলে এই কৃষিৰ জৰিয়তে নিজৰ জীৱিকা উপাৰ্জন কৰি আছে। আজিৰ পৰা প্ৰায় ২০ বছৰ আগত অসমৰ মানুহে, মোৰ দেউতা, মইও কৃষক পৰিয়ালৰ, দেউতাহঁতে কেৱল এটা খেতি, ধান খেতি কৰি ৬ মাহ মাটিখিনি চন পেলাই থৈ দিয়ে। তাৰ পিছত জাৰকালি বাৰীতে এবিঘা মান বা অলপ মাটিত শাক-পাচলিৰ খেতি কৰে। এতিয়া, বৰ্তমান পৰ্যায়ত মানুহৰ সেই ধাৰণা সলনি হৈছে। জনসংখ্যা বৃদ্ধিৰ ফলত মানুহৰ কৃষিৰ প্ৰতি আগৰ যিটো আগ্ৰহ তাতকৈ বেছি হৈছে। একেডৰা মাটিতে দুটা বা তিনিটা খেতি নকৰিলে আগবাঢ়ি যাব নোৱাৰে। জীৱিকা নিৰ্বাহত অসুবিধা হয়। সেই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি কৃষক ৰাইজ আগবাঢ়ি গৈছে। এই ক্ষেত্ৰত অসমৰ গতিশীল মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত কৃষি বিভাগে যুগান্তকাৰী কিছু সিদ্ধান্ত লৈ কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন নিজে যাতে স্বাৱলম্বী হ'ব পাৰে, তাৰ কাৰণে কিছু আন্তৰিক প্ৰচেষ্টা লৈছে। বিশেষভাৱে, কৃষিৰ পৰা অসমৰ আয় হয় প্ৰায় ২০%, (Hon'ble Chairman Shri Ramendra Narayan Kalita in the Chair) এই ২০%ক কেনেকৈ আগবঢ়াব পাৰি, তাৰ কাৰণে প্ৰথম প্ৰচেষ্টাটো হ'ল যে নাঙলেৰে হাল বাই খেতি কৰা পুৰণিকলীয়া ব্যৱস্থাটো পৰিৱৰ্তন কৰি উদ্যোগীকৰণ কৰা হৈছে যাতে আমি এখন কৃষকৰ গাওঁত ট্ৰেক্টৰেৰে হাল বোৱা, ৰিপাৰৰে ধান চপোৱা ইত্যাদি আটাইখিনি কাম যাতে যন্ত্ৰৰে কৰি আগবাঢ়ি যাব পাৰো। উৎপাদন বৃদ্ধি কৰিব পাৰো, জৈৱিক সাৰ ব্যৱহাৰ কৰিব পাৰো। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰকে ধৰি যান্ত্ৰিকীকৰণৰ যিটো ব্যৱস্থা, সেই ব্যৱস্থাটোত আগভাগ লৈছে। দ্বিতীয়তে, আমি আত্ম নিৰ্ভৰ ভাৰত, কেন্দ্ৰীয় চৰকাৰৰ যিটো আঁচনি, এই আত্ম নিৰ্ভৰ ভাৰতৰ নিচিনাকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ে আত্ম নিৰ্ভৰ অসম এই আটাইখিনি ব্যৱস্থাৰ জৰিয়তে যাতে আমি আগবাঢ়ি যাব পাৰো, তাৰকাৰণে এই গোটেই ব্যৱস্থাবিলাক কৰা হৈছে আৰু আমি কৃষি বিভাগত যথেষ্টখিনি সংস্কাৰ কৰি ইয়াক আগবঢ়াই নিয়াৰ যিটো প্ৰচেষ্টা কৃষি মন্ত্ৰী ডাঙৰীয়াই লৈছে, তাৰবাবে আমি আন্তৰিক ধন্যবাদ জনাইছো। আগতে আমাৰ যি ধান খেতিৰে ব্যৱস্থা আছিল, এতিয়া কৃষি বিভাগৰ জৰিয়তে ধান খেতিৰ উপৰিও আমি যাতে বেলেগ খেতি কৰিব পাৰো, Horticulture ৰ ক্ষেত্ৰতে হওঁক বা Floriculture য়ে হওক, এনেধৰণে আমি বিভিন্ন ক্ষেত্ৰত নিৰনুৱা যুৱক সকলক জড়িত কৰিবলৈ আগবাঢ়িছো। এই ক্ষেত্ৰত এটা যুগান্তকাৰী, যিটোক আমি নিৰৱ বিপ্লৱ বুলি কওঁ সেইটো আমি নিৰনুৱা যুৱক-যুৱতীসকলক কৰা দেখিছো। মোৰ সমষ্টিতে বহুখিনি নিৰনুৱা যুৱক-যুৱতী আছে, তেওঁলোকে কেইবাটাও FPC খুলি ১০০ -২০০ বিঘা মাটি ছমাহৰ বাবে লিজত লৈ এটা খেতি কৰিছে। ধান খেতি কৰাৰ পাছত যিসকল কৃষকে আন খেতি নকৰি সেই মাটিখিনি পেলাই থৈ দিয়ে তাত Horticulture যেনে- ফুলকবি, বন্ধাকবি, নেমুটেঙা আদিখেতি কৰি যথেষ্ট লাভবান হৈছে। এই ক্ষেত্ৰত মোৰ সমষ্টিৰ কেইবাজনো নিৰনুৱা যুৱক-যুৱতী সিদ্ধাৰ্থ দেউৰীৰ নেতৃত্বত প্ৰায় ২০০ বিঘা মাটিত কৃষি বিভাগৰ জৰিয়তে এই আটাইখিনি সুবিধা লৈ এনেধৰণে আগবাঢ়ি গৈছে। আমি আশা কৰিছো, এনেধৰণৰ প্ৰচেষ্টাত নিৰনুৱা যুৱক-যুৱতী সকল আগবাঢ়ি অহাটো অসমৰ কাৰণে ভাল লক্ষণ। আমি আশা কৰো এই পদ্ধতিৰে তেখেতসকলক আগুৱাই লৈ যাবলৈ সক্ষম হ'ম কৃষিৰ জৰিয়তে।

ঠিক সেইদৰে, কৃষি বিভাগৰ আন এটা অসুবিধা আহি পৰিছে সেইটো হৈছে জনসংখ্যা বৃদ্ধি, যাৰফলত কৃষি ভূমি কমি গৈছে। ইয়ো আন এটা কাৰণ। সেইকাৰণে একেডৰা মাটিতে দুই তিনিটা খেতি কৰিবলৈ হ'লে আমাক irrigation লাগিব। মাটিৰ তলত থকা পানীৰ ব্যৱস্থাটো লাগিব, বীজ উৎপাদনত আগবাঢ়িব লাগিব। এনেধৰণৰ যিখিনি অসুবিধা আছে সেইখিনি দূৰ কৰিবৰ কাৰণে ইতিমধ্যে কৃষি বিভাগে বহুখিনি RKVY, NFSM ইত্যাদি বহুখিনি আঁচনি গ্ৰহণ কৰিছে। আগতে মানুহৰ বাৰীত সাধাৰণতে মধুৰী, আম, কঁঠাল আদি থাকে কিন্তু আজি মানুহে অকল নিজে খোৱাৰ বাবে নহয়, commercial ভিত্তিত খেতি কৰিব পৰাকৈ আমাৰ মানুহখিনিক কৃষি বিভাগে আগবঢ়াই লৈ গৈছে যাৰ জৰিয়তে নেমুটেঙা বা ফলমূল ইতিমধ্যে যথেষ্ট সংখ্যক উৎপাদন হৈছে আৰু অসমৰ মানুহৰ যিটো খাদ্যাভ্যাস সেইটো কিছু সলনি হৈছে। আগতে ফলমূল পালেহে খায়। কিন্তু এতিয়া দিনে কিবা এটা ফলমূল যাতে খাব পাৰে সেই অভ্যাসটো গঢ় লৈ উঠিছে একমাত্ৰ কৃষি বিভাগৰ আন্তৰিক প্ৰচেষ্টাৰ বাবে।

প্ৰতিটো সমষ্টিতে কৃষিৰ ক্ষেত্ৰত FPC ৰ জৰিয়তে যাতে কৃষি কাৰ্য্য আগবাঢ়ি যায়, তাৰবাবে বহু খিনি বস্তু যান্ত্ৰিকীকৰণৰ জৰিয়তে যেনে harvester,পঞ্চায়ত পৰ্য্যায়ত mini rice mill এনেধৰণৰ কিছু বস্তু দিছে। ইয়াৰ জৰিয়তে আমাৰ ডেকা ল'ৰাখিনিয়ে বৰ্তমান পৰ্য্যায়ত কৃষি কৰ্মত নামিছে, তেওঁলোকৰ কাৰণে যথেষ্ট সুবিধা হৈছে। যাৰকাৰণে আমি কৃষিৰ ক্ষেত্ৰত, মোৰ সমষ্টিৰ উত্তৰ পশ্চিম যোৰহাট অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ কাষৰ কোকিলামুখৰ পৰা ৰঙামাটি লৈকে প্ৰায় ৪০ কি মি ব্ৰহ্মপুত্ৰৰ পাৰৰ অঞ্চলত ধানৰ উৎপাদনৰ উপৰিও ডিচেম্বৰৰ পৰা মাৰ্চ মাহলৈকে যিমানখিনি শাক-পাঁচলি উৎপাদন হয়- বন্ধাকবি, ফুলকবি, বেঙেনা, মূলা ইত্যাদি যিমানখিনি উৎপাদন হয় সেইখিনি যোৰহাট, গোলাঘাট, ডেৰগাওঁ আদিৰ বজাৰ সেই সামগ্ৰীৰে ভৰি পৰে। গতিকে এই অঞ্চল সমূহত এই সুবিধাখিনি দি কৃষিবিভাগে আগবঢ়াই লৈ গৈছে। ইয়াৰ লগতে আত্ম সহায়ক গোট বিলাককো কৃষিৰ ক্ষেত্ৰত জড়িত কৰি যাতে transporta-

tion ত এই সামগ্ৰীসমূহ অনা নিয়াৰ সুবিধা হয়, তাৰবাবে মিনি ট্ৰাক চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। তাৰবাবে প্ৰায় ১০০০ মিনি ট্ৰাক অসমত দিছে APART ৰ অধীনত। APART ৰ অধীনত এনেধৰণে ভাড়া লৈ বস্তু লৈ কাম কৰিব পৰাকৈ খেতিত যাতে সুবিধা হয়, তাৰকাৰণে কিছু বস্তু যেনে-Mini Combine Harvester বা Paddy Transplanter ভাড়ালৈ লৈ খেতিয়কসকল উপকৃত হৈছে। আগতে যিসকলে খেতি কৰিছিল তেতিয়াৰ দিনত নাঙল আৰু মৈ টোৰ বাহিৰে কোনো বস্তুয়ে ব্যৱহাৰ হোৱা নাছিল। এতিয়া এই সমূহৰ প্ৰচাৰ আৰু প্ৰসাৰে কৃষি বিভাগটোক আগবঢ়াই লৈ গৈছে। ইয়াত কিছু কিছু reform ৰ প্ৰয়োজন আছে। আজি প্ৰশ্নোত্তৰ কালত মন্ত্ৰী মহোদয়ে কৈছে যে বীজৰ সম্পৰ্কত বৰ্তমান বহুত নতুন SOP তৈয়াৰ কৰি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত কৃষি বিভাগে বীজ বিতৰণ খুব সুন্দৰকৈ কৰিছে। ভালধৰণে বীজ বিতৰণৰ সুবিধাটো হৈছে কিন্তু আমাৰ দুই এক অসাধু বিষয়াৰ কাৰণে হয়তো কৰবাত কিছু বেমেজালিৰ সৃষ্টি হৈছে। সেইখিনি অলপ শুদ্ধভাৱে যদি আগবঢ়াই লৈ যায়, আমি নিশ্চিতভাৱে যথা সময়ত খেতিৰ উপযুক্ত সময়ত সেই seed খিনি পাম আৰু সেইমতেই আমি খেতি কৰিবলৈ সুবিধাটো পাম। লগে লগে যদি তাত জৈৱিক সাৰ ব্যৱহাৰ কৰে তাৰবাবে কৃষি বিভাগে জৈৱিক সাৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বহু প্ৰচেষ্টা ইতিমধ্যে আমাৰ চৰকাৰে হাতত লৈছে। যাৰ জৰিয়তে Pestiside আৰু সাৰ যাতে খুব ক'ম পৰিমাণে সাৰ ব্যৱহাৰ কৰে আৰু এই ক্ষেত্ৰত আসাম এগ্ৰিকালচাৰ ইউনিৰ্ভাচিটিয়ে এনেধৰণৰ কেইবাটাও পেটেন্ট ইতিমধ্যে লাভ কৰিছে যাৰ জৰিয়তে আমি সেইখিনি জৈৱিক সাৰ বা কেঁচুসাৰ ব্যৱহাৰ কৰি আমাৰ কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰো । এনেধৰণৰ জৈৱিক সাৰ উৎপাদন কৰি সেইবিলাক খেতি পথাৰতব্যৱহাৰ কৰিছে । সেইদৰে খেতিৰ ক্ষেত্ৰত আমাৰ আন এটা বহু প্ৰয়োজনীয় বস্তু হ'ল ইৰিগেশ্যন । বানপানীয়ে খেতি নষ্ট কৰে কিন্তু খৰালিত আকৌ পানীৰ প্ৰয়োজন হয় গতিকে কৃষিবিভাগৰ লগত ইৰিগেশ্যনৰ সম্পৰ্ক থাকিব লাগিব। সেই অনুসাৰে আমাৰ খেতিৰ পথাৰত আমি চোলাৰ পাম্পচেট , ডিজেল পাম্পচেট আৰু ইলেক্ট্ৰিকেল পাম্পচেট ইত্যাদি আমি কৃষি বিভাগৰ জৰিয়তে পাইছো। চোলাৰ পাম্পচেটত ৫৫ শতাংশ ৰেহাই আছিল। ইলেক্ট্ৰিকেল আৰু চোলাৰ পাম্পচেটত ৭৫ শতাংশ ৰেহাই আছে । এতিয়ালৈ আমি যিখিনি জানিছো আমাৰ এই সময়ত ১২ হাজাৰমান চোলাৰ পাম্প ইতিমধ্যে চৰকাৰে দিছে । ২৭০০ মান ইলেকট্ৰিকেল আৰু ডিজেল পাম্পচেট দিছে যাৰ জৰিয়তে আমি নিয়মিত ভাবে পথাৰত যাতে পানী পাওঁ তাৰ ব্যৱস্থা কৰিছে। এনেধৰণে আমাৰ খেতি আগবঢ়াই নিছে । ইয়াৰ লগত কিন্তু এটা কথা ক'ব লাগিব কেন্দ্ৰীয় চৰকাৰে নেশ্যনেল মিছন চইলৰ ক্ষেত্ৰত অসমে যোগ দি চইল টেষ্টিং চেন্টাৰ , আৰ আই ডি এফৰ অধীনত নলেজ চেন্টাৰ ইত্যাদি কৰি যাতে আমাৰ কৃষি কৰ্ম যাতে আগবঢ়াই নিব পাৰো তাৰ ব্যৱস্থা ইতিমধ্যে কৰিছে। যোৱাবাৰ জলবায়ু পৰিৱৰ্ত্তন আৰু বানপানীৰ বাবে কৃষি উৎপাদনত আমি যথেষ্ঠ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিলো । সেই সময়ত প্ৰায় ২ লাখ ৭২ হাজাৰ হেক্টৰ মাটিত খেতি নষ্ট হৈছিল। তাৰ পিছত আমাৰ চৰকাৰে কমিউনিটি নাৰ্চাৰী যোগেদি এই নষ্ট হোৱা মাটি খিনিত বীজ যোগান ধৰি খেতিয়কক উপকৃত কৰিছিল। আমাৰ প্ৰায় ২ লাখ ৭২ হাজাৰ কৃষক উপকৃত হৈছিল। এই তাৎক্ষনিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিব পৰাটো আমাৰ চৰকাৰৰ সাফল্য । ইয়াত মই ভাবো অকল ধান খেতিয়ে নহয় তাৰ বিকল্প হিচাপে আমি হৰ্টিকালছাৰ, ফ্ল'ৰিকালছাৰ ইত্যাদি আমি নিবনুৱা যুৱকসকলক জড়িত কৰিব পাৰো । তাৰ বাবে আচাম মিলেট মিশ্যন, আসাম ফ্লৰি কালচাৰ মিশ্যন আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। গতিকে এনে ধৰণেৰে যাতে আমি আগবাঢ়ি যাব পাৰো আমাৰ চৰকাৰে চিন্তাৰ্চৰ্চা কৰিছে

। এইখিনি কৈ মই বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱটো বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ...... শ্ৰীসুশান্ত বৰগোঁহাই ।

**শ্ৰীসুশান্ত বৰগোঁহাই, (থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুটামান কথা আগবঢ়াব খুজিছো । কৃষি হ'ল এটা সমন্বয়ৰ প্ৰতীক আৰু আমাৰ অৰ্থনীতিৰ এটা আশা। কৃষি বিপ্লৱৰ কথা যদি আমি কওঁ তেন্তে আমি চাব লাগিব প্ৰায় চাৰি হাজাৰ শতিকাৰ পৰাই যেতিয়া প্ৰথমে কৃষি আৰম্ভ কৰিছিলে তেতিয়াৰ পৰাই কৃষি উন্নতিৰ কাৰণে কিবা নহয় কিবা প্ৰকাৰে মানুহে চেষ্টা কৰি আছে । এটা সময়ৰ পৰা গৰুৰে হাল বাই আমি স্বনিৰ্ভৰ্শীল অৰ্থনীতি আৰু স্বনিৰ্ভৰ্শীল জাতি হিচাপে প্ৰতিষ্ঠিত হৈছিলো। আৰু আজি যিহেতু অসমৰ পপুলেশ্যন প্ৰায় চাৰে তিনিকোটি সেই কাৰণে আমি এতিয়া বিজ্ঞান প্ৰযুক্তিৰে খেতি কৰা আৰম্ভ কৰিছো। আমাৰ এটা সৌভাগ্য যে আজি আমাৰ ব্ৰহ্মপুত্ৰ উপত্যকাই হ'ল পৃথিৱীৰ অন্যতম উৰ্ব্বৰ উপত্যকা য'ত আমি বহু অঞ্চলত সাৰ নিদিয়াকৈও বহু ভাল খেতি কৰিব পাৰো । দেখা যায় যে বতৰেও আমাক কিছু সময়ত লগ দিয়ে কেতিয়াবা খৰাং হোৱাৰ সময়তো আমাক লগ দিয়ে । কেতিয়াবা খৰাং হোৱাৰ সময়তো আমি যেনেধৰনে সহায় পাব লাগে সেই সহায় কিছু অঞ্চলত পাওঁ আৰু বহু অঞ্চলত চৰকাৰীভাবে দিয়া আঁচনিবিলাক যেনেকৈ যাব লাগে কিন্তু গৈ নাপায় গৈ তেতিয়া আমাৰ অসুবিধা হয় । এটা সময়ত ৰাজনৈতিকভাবে প্ৰভাৱ খটুৱাৰ বাবে য'ত জলসিঞ্চনৰ প্ৰয়োজন আছে তাত জলসিঞ্চন নাই । য'ত নালাগে তাত জলস্ঞ্চিনৰ ব্যৱস্থা আছে । তাৰ বাবেও খেতিয়কসকলে অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে । কিন্তু তথাপিও দেখা গৈছে যে, আজি কৃষি বিভাগে বহু নতুন নতুন মেকানিজিম চিষ্টেমৰ জৰিয়তে সুবিধা কৰি দিয়া বাবে ধান উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ আন ৰাজ্যসমূহৰ মাজত অসমে ধান উৎপাদনকাৰী ৰাজ্য হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে । এটা কথা আপোনালোকে চাব যে কৃষি সমন্বয়ৰ প্ৰতীক, যি সময়ত অসমত চাওলুং চুকাফাৰ পদাৰ্পন হৈছিলে তাৰ আগতে কৃষি বিপ্লৱ হিচাপে নাছিল হয়তো খাবলৈ কৃষি কৰ্ম কৰিছিলে । সৰু সৰু জাতি জনগোষ্ঠীয়ে নিজৰ নিজৰ নিজৰ পৰিয়ালৰ বাবে খেতি কৰিছিল আৰু সেই সময়ত কোনো বিজ্ঞান প্ৰযুক্তিও নাছিল কিন্তু চাওলুং চুকাফাৰ পদাৰ্পন হোৱাৰ পিচত বৈজ্ঞানিকভাবে শালিখেতি কৰা আৰম্ভ কৰিলে। য'ত পানী ধৰি ৰখাৰ ব্যৱস্থা কৰিলে। খেতিত পানী ধৰি ৰাখিবলৈ আমি যিবিলাক পথাৰত আলি দিওঁ সেই আলিবিলাক দিয়াৰ বাবে নতুনত্ব আনিলে, ভাল ধৰনে নতুনকৈ উৎপাদন আৰম্ভ কৰিলে , ভড়ালৰ ব্যৱস্থা কৰিলে, এই বিলাক আজি অসমৰ বাহিৰে বহু অঞ্চলত দেখা পোৱা নাযায় । কিন্তু এতিয়া কথাটো হ'ল যে আমি কৃষি কৰ্ম কৰিবলৈ যাওঁতে যথেষ্ঠ খৰচৰ সন্মুখীন হ'ব লগা হৈছে । আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক একোখনকৈ কৃষি কৰ্মৰ বাবে সমবায় খুলিব দিছিল । সেই অঞ্চলৰ যুৱক আৰু মহিলা সকলক লগত লৈ আমি যাতে সেই সমবায়ৰ যোগেদি আমাৰ সেই অঞ্চলবিলাকক আগবঢ়াই লৈ যাব পাৰো অৰ্থনৈতিক স্বচ্ছলতা আনি দিব পাৰো । আৰু অৰ্থনৈতিকভাবে আগবঢ়াই নিব পাৰো। এই সমবায়বিলাক কৰাৰ সময়ত আমি কৃষিৰ লগত ইমান জড়িত হোৱা নাছিলো বাবে অনুভব কৰা নাছিলো কিন্তু এতিয়া দেখিছো যে কৃষি কৰ্ম কৰিবলৈ যাওঁতে অৰ্থৰ যথেষ্ঠ প্ৰয়োজন হয়। এই খৰছ যদি নিজৰ গাঁঠিৰ ধন ভাঙি কৰিবলগীয়া হয় তেন্তে বহুতো দুখীয়া খেতিয়কৰ বাবে সেইটো সম্ভৱ নহয় । যিহেতু মেকানিজিম বা মেকানাইজড বস্তুবিলাকত যথেষ্ঠ খৰচ হয় । সেই কাৰণে আমাক কৃষি বিভাগে চৰকাৰীভাৱে তেওঁলোকক সহায় কৰিব লাগে কিন্তু আমাৰ মাননীয় কৃষি

মন্ত্ৰী অতুল বৰা দেবে কৃষি বিভাগে লোৱাৰ পিচত যথেষ্ঠভাৱে আজি পাৱাৰ টিলাৰ হওঁক বা ধান দোৱা মেচিনেই হওক আজি বহুখিনি বস্তু আহিছে কিন্তু এতিয়াও যিবিলাক সৰু সৰু কৃষক আছে সেইসকলে কিন্তু আজিও সেই সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা যায় । বছৰত দুটা খেতি কৰিবলৈ যথেষ্ট অৰ্থৰ প্ৰয়োজন আৰু এই অৰ্থৰ অভাবত আমাৰ খেতিয়কসকলে ভুগি থকা আমি দেখিবলৈ পাইছো। এতিয়া আমি ধানৰ ক্ষেত্ৰত যথেষ্ঠ উদ্‌গনি জনাবলৈ সক্ষম হৈছো কাৰণ ধানৰ এম এচ পিটো পাইছে ২০৪০ টকাকৈ । যোৱাবাৰ আছিলে ১৯৫০ কিন্তু এইবাৰ আমি প্ৰথম সৰিয়হ খেতি কৰিলো। আমাক কৃষি বিভাগৰ বিষয়াসকলে কৈছিলে যে সৰিয়হৰ খেতি কৰিলে ৫ হাজাৰ টকাকৈ প্ৰতি কুইন্টলত পাব কিন্তু এতিয়া প্ৰায় ৭০ বিঘা মাটিৰ সৰিয়হ খেতি কৰি বিক্ৰী কৰোতে এতিয়া আমি পাইছো তিনি হাজাৰ পাছশ টকা । হঠাতে যদি দাম বিলাক এনেধৰণে কমি যায় তেতিয়াহ'লে আমাৰ খেতিয়কসকলৰ বহু ক্ষেত্ৰত অসুবিধা হয়, নিৰুৎসাহ হয় । আমাৰ মাননীয় মন্ত্ৰী মহোদয় সদনত আছে । আমি এটা কথা চাব লাগিব যে কৃষি বিভাগে দিয়া যিবিলাক চোলাৰ পাম্প বা পাৱাৰ টিলাৰ আছে সেইবিলাক ইঞ্জিনিয়াৰে ধুনীয়াকৈ লগাই দিয়ে কিন্তু যিয়ে চাপ্লাই কৰে তেওঁলোকে নিম্নমানৰ বস্তু চাপ্লাই কৰে । কেতিয়াবা যদি লীক বা বেয়া হয় বা কেতিয়াবা যদি চাৰ্ভিচিঙ কৰিব লাগে তেনেহ'লে তাৰ কিন্তু ব্যৱস্থা নাই। কাৰণ তেওঁলোকে বস্তুটো দি গুচি যায় । গতিকে এই ক্ষেত্ৰত যদি আপোনালোকে একাউন্টিব্লিটি কৰে ভাল হয় , এই ক্ষেত্ৰত মোৰ এটা অনুৰোধ যে একাউন্টিব্লিটিৰ ক্ষেত্ৰত যদি আপোনালোকে ব্যৱস্থা কৰিব পাৰে যাতে চাপ্লাই কৰা বস্তুবোৰ যাতে উন্নত মানদণ্ডৰ হয় । কাৰণ মেইনটেনেন্স ৰ কাৰণে ইঞ্জিনিয়াৰেও সেই চাপ্লায়াৰসকলক ফোন কৰিবলৈ ভয় খায় বুলি কয়, অসুবিধা হয় বুলি কয় । এইবিলাকৰ কাৰণে কেতিয়াবা কেতিয়াবা কিন্তু বিভাগটোত কাম কৰিবলৈ অসুবিধা হৈ যায় । গতিকে এইখিনি মন্ত্ৰী মহোদয়ে চালে ভাল হয় , এই খিনি কৈ মই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী নুৰুল হুদা।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই কিছু কথা ক'ব ওলাইছো। কৃষি বিভাগটো গুৰুত্ব পূৰ্ণ বিভাগ আৰু কৃষক সকলেই অসমৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণ কৰি আছে। অসমত ৪৭ লাখ কৃষি পৰিয়াল আছে। এই পৰিয়াল সমূহ কৃষি কাৰ্যত নিয়োজিত হৈ থাকে। তেওঁলোকে কৃষি কাৰ্য্যত নিয়োজিতৰ বাবে আমাৰ বিভাগৰ পৰা যি সকল গ্ৰামসেৱক নিযুক্তি দিয়া বা গ্ৰামসেৱক আছে এই গ্ৰামসেৱক সকলে কৃষক সকলক আধুনিক পদ্ধতিৰে কৃষি কেনেকৈ কৰিব সেইবিলাক প্ৰশিক্ষণ দিয়ে, বীজ বিতাৰণ কৰে বিভিন্ন কাম এই গ্ৰাম সেৱকে কৰে। কিন্তু দুখৰ বিষয় অসমত ২৮৮৪ টা কৃষি উন্নয়ন পৰ্য্যায়ৰ পদ আছে, কৃষি সম্প্ৰসাৰণ সহায়কৰ পদ আছে আৰু তাৰে মাত্ৰ ১১০০ কৃষি উন্নয়ন সহায়ক গ্ৰামসেৱক নিয়োজিত হৈ আছে বাকী ১৮০০ পদেই খালী হৈ আছে। এই যে গ্ৰামসেৱক সকলৰ পদ খালী হৈ আছে, এতিয়া গাঁৱত কৃষকক কেনেকৈ প্ৰশিক্ষণ দিব? উন্নত পদ্ধতিত কৃষি কেনেকৈ হ'ব? গতিকে এই পদখিনি পূৰণ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা ল'ব? ADO Assistant বা SDO কে আদি কৰি Director লৈকে এই কৃষি বিভাগত বহু পদ খালী হৈ আছে। এনেকুৱাও হৈছে, যিটো Gradation লিষ্ট চালো, তাত দেখা যায় ২০২৪ চনৰ পিছত ৬০ শতাংশ কৰ্মচাৰীয়ে অৱসৰ ল'ব। তাৰ পিছত এই বিভাগটো কেনেকৈ পৰিচালিত হ'ব? গতিকে চৰকাৰে যদি এই খালী পদ বিলাক পূৰণ নকৰে কেনেকৈ আমাৰ কৃষি ক্ষেত্ৰ আগবাঢ়ি যাব? কেনেকৈ কৃষিক আপুনি অৰ্থনৈতিক বুনিয়াদ হিচাপে স্বীকৃতি দিব? গতিকে এই পৰিস্থিতি অনতি পলমে পূৰণ কৰাৰ কাৰণে চৰকাৰে

ব্যৱস্থা কৰিব লাগে। এটা ডাঙৰ সমস্যা হৈছে, কৰ্মচাৰী বিষয়াৰ attached কৰাৰ যি প্ৰক্ৰিয়া, লক্ষিমপুৰত এটা পদ আছে attached কৰি আনি গুৱাহাটীত বহাই থৈছে। তেনেকৈ ৩০ শতাংশ কৰ্মচাৰী attached হৈ গুৱাহাটীৰ ওচৰে পাজৰে আছে, তেওঁলোকৰ সুবিধাৰ কাৰণে। কিন্তু য'ত তেওঁৰ পদটো, যিটো কৃষি সম্প্ৰসাৰণ কেন্দ্ৰত পদটো আছিল সেই পদটো খালী হৈ আছে আৰু তেওঁ গুৱাহাটীত আনি বহুৱাই থৈ দিয়া হৈছে। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম attached প্ৰক্ৰিয়াটো বন্ধ কৰিব লাগে। যাৰ য'ত পদ আছে সেই কৰ্মচাৰী জনে তাত গৈ কাম কৰিব লাগে। তেওঁক বাধ্য কৰাব লাগিব। এই প্ৰক্ৰিয়া যদি বন্ধ নহয় তেতিয়াহ'লে কৃষি ক্ষেত্ৰত আমি আগবাঢ়ি যাব নোৱাৰিম। আজি যিটো ADO Circle সেইবিলাকত office নাই, এখন godown নাই, চৰকাৰে বীজ দিয়ে বা সাৰ দিয়ে, কৃষক সকলক সহায় কৰাৰ কাৰণে কিবা পঠিয়াব, অফিচ নাই, godown নাই চৰকাৰৰ। ক'ত ৰাখিব, কেনেকৈ বিতৰণ কৰিব? গতিকে প্ৰত্যেক ADO Circle ত এখন ADO কাৰ্য্যালয় আৰু godown বনাব লাগে। আমাৰ যিবিলাক Machinery বস্তু দিয়া হয়, Power Pump আদি দিয়া হয়, এইবিলাক আমাৰ Agriculture বিভাগত subsidy একেবাৰে ন্যূনতম। বেলেগ বিভাগত যদি দিছে ৭০ শতাংশ subsidy, আমাৰ কৃষি বিভাগত মাত্ৰ ৪০ শতাংশ subsidy দিয়ে। প্ৰত্যেকজন কৃষকে Hand Spray Machine ব্যৱহাৰ কৰে। এই spray machine ১৫০০ টকা দাম, কিন্তু ৭ শ ৫০ টকাৰে কিনিব লাগে। কৃষি বিভাগে যদি এই spray machine টো ফ্ৰিতে দিয়ে তেতিয়াহ'লে প্ৰত্যেক জন কৃষকৰ ঘৰত এটা এটা spray machine থাকিব। কাৰণ ইমান কষ্ট কৰি কৃষি কৰে যেতিয়া পোকে খাই দিয়ে তেতিয়া বহুত ক্ষতি হয়। গতিকে পোকে নধৰাৰ বাবে spray machine টো প্ৰত্যেক জন কৃষককে বিনামূলীয়াকৈ দিব লাগে। ৰাসায়নিক সাৰ ব্যৱহাৰ কৰে। ৰাসায়নিক সাৰ কেনেকৈ কমকৈ ব্যৱহাৰ কৰিব পৰা যায় তাৰ ব্যৱস্থা চৰকাৰে ল'ব লাগিব। প্ৰত্যেক জন কৃষকক যদি পচন সাৰ উৎপাদনৰ কাৰণে পকাৰ টেংকী এটা বনাই দিয়া হয় চৰকাৰৰ ফালৰ পৰা তেতিয়াহ'লে সেই কৃষকে সেই টেংকিটোত পচন সাৰ উৎপাদন কৰি কৃষি কাৰ্য্যত ব্যৱহাৰ কৰি ফচল উৎপাদন কৰিব পাৰিব। তেতিয়া ৰাসায়নিক সাৰৰ ব্যৱহাৰ কমি আহিব। ৰাসায়নিক সাৰৰ ব্যৱহাৰ আমি কমাব লাগিব। তাৰ কাৰণে কৃষি বিভাগে আগতীয়াকৈ ব্যৱস্থা ল'ব লাগিব। যদি কৃষি বিভাগে মন নিদিয়ে তেতিয়াহ'লে যে আমাৰ লাহে লাহে বেমাৰ আজাৰ বিলাক বাঢ়ি গৈ আছে নতুন নতুন বেমাৰৰ সৃষ্টি হৈ আছে, হৈ থাকিব। গতিকে এইটোত অলপ গুৰুত্ব দিব লাগিব। আৰু আমাৰ যিবিলাক আঁচনি লোৱা হয়, যেনে কিষাণ কিচান বা ধান ক্ৰয় কৰা বা Machinery বস্তুবোৰ দিয়া, এই গোটেইবিলাক online portal ত কাম কৰা হয়, online portal ৰ জৰিয়তে upload কৰা হয়। কিন্তু ক'ত কৰিব? ADO Circleত এটা Computer নাই। এটা Computer Operator নাই, সেই কামখিনি কেনেকৈ কৰে? গতিকে একেবাৰে লেহেম গতিত চলে আৰু সময়মতে কাম বিলাক হৈ নুঠে। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে প্ৰত্যেক ADO Circleত Computer আৰু Computer Operator দি যি বিলাক আমাৰ কাৰ্য্যসূচী সেই কাৰ্য্যসূচীবিলাক যাতে সফল ভাৱে ৰূপায়ণ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা ল'ব লাগে। কৃষিৰ ক্ষেত্ৰত অলপ ভাল যিবিলাক কৃষক আছে, তেওঁলোকক উৎসাহ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ সমষ্টিত এজন ল'ৰা মাইনুল হক নাওৰদোৱা গাঁৱৰ, বি এ পাছ। মই এদিন কভিডৰ সময়ত তেওঁৰ খেতিত গৈ আচৰিত হৈছোঁ। তেওঁৰ সেই খেতি পথাৰৰ পৰা মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত whatsapp ত কল কৰি তেখেতক দেখুৱাইছিলো, Strawberry, Capsicum ৰ

খেতি কৰিছে। ইমান ধুনীয়া খেতি কৰিছে কিন্তু বিক্ৰী কৰিব পৰা নাই। কভিডৰ সময়ত লকডাউন হৈ থাকে। যোৱা সপ্তাহত আকৌ মোক দেখুৱাইছে, নগাঁৱৰ কৃষি বিষয়াই তেওঁক Strawberryৰ গুৰি দিছিল, ধুনীয়াকৈ Strawberry হৈছে। Strawberry, Capsicum, কবি, ব্ৰোকলি সকলো ধৰণৰ শস্য তেওঁ কৰে। ৰাতিপুৱা ৫ বজাত খেতিত যায় আকৌ সন্ধিয়া সময়ত আহে। চাকৰিৰ কাৰণে ঘূৰি নুফুৰে। ভাল কাম কৰি আছে। কিন্তু এই কৃষক সকলৰ যিসকল শিক্ষিত যুৱক ভাল খেতি কৰি আছে সেই সকলে কৃষি বিষয়াৰ পৰা উৎ সাহ পাব লাগে, চৰকাৰৰ ফালৰ পৰা যি উৎসাহ পাব লাগে সেইটো পোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যেনেকৈ শিক্ষিত নিবনুৱা যুৱক যিসকলে ভাল খেতি কৰি আছে তেওঁলোকক উৎসাহ মূলক বটা দিব লাগে। যাতে তেওঁলোকক আদৰ্শগত কৰি আমাৰ সকলো নিবনুৱা যুৱক-যুৱতীয়ে যেন কৃষিত নিয়োজিত হয় তাৰ বাবে উৎসাহ দিবৰ কাৰণে যাতে ব্যৱস্থা কৰে তাৰ বাবে মই অনুৰোধ জনালোঁ। কৃষিয়ে হ'ল আমাৰ প্ৰধান। গতিকে এই কৃষক সকলে আজি এনেকুৱা পৰিশ্ৰম কৰে, আজি গুৰুখুটিত যিমান শস্য কৰি আছিল, আমাৰ চব্জি সেইবিলাকৰ পৰা আহে। মই অনুৰোধ জনাম চৰকাৰক যাতে চৰ অঞ্চলত উচ্ছেদ বন্ধ কৰি চব্জি খেতি কৰাৰ কাৰণে কৃষক সকলক সহায় কৰে। আজি খেতি কৰি যদি কৃষকৰ উন্নয়ন নহয় তেতিয়া হলে অসমৰ অৰ্থনৈতিক বুনিয়াদ কেতিয়াও নিৰ্মাণ নহ'ব। গতিকে অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণৰ কাৰণে কৃষক সকলক বিভিন্ন প্ৰকাৰৰ উপহাৰ দিব লাগিব। বীজৰ যোগান, বীজ কিছুমান দিয়া হয়, বীজ বোৰ দিছে আৰু সেই বিলাক গজালি দিলে।

মাননীয় অধ্যক্ষ মহোদয়, কৃষকসকলে ভাল সঁচৰ ৰূপায়িত কৰি ভাল কৃষি উৎপাদন কৰিব। বীজ বিলাক উৎপাদনৰ ক্ষেত্ৰত দেখা যায় বহিঃৰাজ্যৰ পৰা বীজ বিলাক অনা হয়। বীজ বিলাক আমাৰ অসমতে এনেকুৱা কৃষক আছে যদি তেখেত সকলক উৎসাহ দিয়া হয় তেতিয়া হ'লে আমাৰ ইয়াতে বীজ উৎপাদন কৰিব পাৰিব। কিন্তু সেইখিনি সুবিধা কৃষক সকলক দিয়া নহয়। আজি লাখ লাখ বহিঃৰাজ্যৰ পৰা বীজ ক্ৰয় কৰি আনিছে। গতিকে মই কৃষি বিভাগটোক নিকা হ'ব লাগিব। কৃষি উন্নতী হ'লে আমাৰ অসমখন উন্নতী হ'ব। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো, কৃষিক যাতে অধিক গুৰুত্ব দিয়া হয়। কৃষক সকলৰ ৰাজসাহয্য বৃদ্ধি কৰিব লাগে ৪০ পৰিৱৰ্তে ৮০ শতাংশ কৰিব লাগে। এনেকুৱা কৰিলে কৃষিৰ বিপ্লৱ হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী জিৰণ বসুমতাৰী। আপোনাক ১২ মিনিট দিয়া হৈছে।

**শ্ৰী জিৰণ বসুমতাৰী (গোসাঁইগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো অসম এখন কৃষি প্ৰধান ৰাজ্য। আমি দেখিবলৈ পাইছো যে, বিৰোধী পক্ষৰ সন্মানীয় বিধায়ক সকলে কৈ আছে, আমি কৃষি বিভাগটো যিখিনি আৱন্টন দিয়া হৈছে ইয়াক আমি কৰ্তন কৰিব লাগে। আচলতে আমি যদি ৰাজ্যখনক উন্নয়ন কৰিব বিচাৰো তেনেহ'লে নিশ্চিয়কৈ এখন কৃষি প্ৰধান ৰাজ্য হিচাবে আমি কৃষি ক্ষেত্ৰত কৃষক সকলক কেনেকুৱা কৈ উদগনি দি বা চৰকাৰী ভাবে বিভিন্ন সুযোগ সুবিধা প্ৰদান কৰি কেনেকৈ লৈ যাব পাৰি তাৰ প্ৰতি লক্ষ্য ৰাখি নিশ্চয় কাম কৰিব লাগিব। আমাৰ অসমত কৃষিক গুৰুত্ব দিব লাগিলে জলসিঞ্চন বিভাগৰ লগত ডাঙৰ সম্পৰ্ক আছে। ৰাজ্যৰ বিভিন্ন ঠাইত দৈখিবলৈ পাইছো জলসিঞ্চনৰ অভাৱৰ কাৰণে আমি কৃষি ক্ষেত্ৰত আগবঢ়াব পৰা নাই। মোৰ সমষ্টিৰ কথা সংযোজন কৰিব বিচাৰিছো আমাৰ গোঁহাইগাও সমষ্টিত কৃষক সকলক আগবঢ়াবৰ কাৰণে জলসিঞ্চন যথেষ্ঠ প্ৰয়োজন। ইয়াৰ লগতে ৰাজ্য চৰকাৰে খেতিয়ক সকলক আগবঢ়াই

ল'বলৈ যি বিলাক আঁচনি গ্ৰহণ কৰিছে নিশ্চকৈ আমাৰ কৃষক সকলৰ কাৰণে বহুত ভাল হ'ব। আমাৰ PPC জৰিয়তে আমাৰ কৃষক সকলক যাতে নিজৰ ধানৰ লগতে বিভিন্ন শস্যবোৰক সঠিক মূল্য আমি পাব পাৰো। তাৰ কাৰণে ব্যৱস্থা কৰিছে। PPC জৰিয়তে ধান ক্ৰয়ৰ যিটো প্ৰক্ৰিয়া কৰিছে সঁচাকৈ কৃষক সকলে বহুত লাভৱান হৈছে। PPC কিন্তু আজিৰ তাৰিখত য'ত যেনেকৈ হ'ব লাগিছিল আমি সেই হিচাবত দেখা নাই বা হোৱা নাই। বিভাগীয় মন্ত্ৰীৰ মই দৃষি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ সমষ্টিত আজিলৈকে PPC তাত দিব পৰা নাই। আমি সন্মানীয় মুখ্যমন্ত্ৰীক লৈ পেলায় এই বিষয়টো আলোচনা কৰিছিলো, আৰু আশ্বাস দিছে অতি সোনকালে আমাৰ গোঁহাইগাওঁতো PPC হ'ব। বিভাগৰ লগত কথা পাতিছো আৰু প্ৰস্তাৰ পঠিয়াইছে। কিন্তু আজিলৈকে হৈ উঠা নাই। যাতে এইটো হৈ উঠে। গোঁসাইগাওঁ সমষ্টিত ধানৰ লগতে বহুত খেতি কৰা হয়, কিন্তু বিক্ৰী কেন্দ্ৰ নথকা বাবে আৰু আপোনালোকে জানে যে, আমাৰ ভাৰত, ভূটান সংযোগী আন্তঃৰাষ্ট্ৰীয় পথ আছে। ভাৰত বংগ সংযোগী আন্তঃৰাজ্যিক পথ আছে। আমাৰ বেছি ভাগ শস্য উৎপাদন হয়, তাৰে বেছি ভাবে পশ্চিমবংগলৈ ৰপ্তানি কৰা হয়। কেনেকৈ সুবিধা কৰি আমাৰ ইয়াতে ৰখাৰ ব্যৱস্থা কৰিব পৰা যায় লগতে শীতলীকৃত ভড়াল এইটো আমাৰ গোঁহাইগাওঁত আছিল, এতিয়াও আছে, কথাটো ক'ভিডৰ সময়ত ইয়াৰ বিভিন্ন কাৰণত ক'ভিড চেন্টাৰ কৰিবলগীয়া হ'ল। যিহেতু ক'ভিড এতিয়া শেষ হ'ল গতিকে সেই শীতলীকৃত ভড়ালটো যিটো ক'ভিড চেন্টাৰ হিচপে গ্ৰহণ কৰিছিল সেইটো এতিয়া পুনৰ কৃষিকাৰ্য্যৰ লগতে জড়িত ৰাখিলে ভাল হয়। সেই শীতলীকৃত ভড়ালটোৰ যিখিনি মেৰামতি কৰিবলগীয়া কাম আছে সেই অতি সোনকালে কৰি উক্ত ভড়ালটো বিভাগীয় কৰ্তৃপক্ষলৈ হস্তান্তৰিত কৰিব লাগে আমাৰ PPC অতি সোনকালে যাতে আমাৰ বৃহত্তৰ গোঁহাইগাওঁ মহকুমা অঞ্চলত এটা প্ৰতিষ্ঠা কৰি দিয়ে। ইয়াৰ লগতে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, মাটিৰ নমুনা, কোনটো ঠাইত কি খেতি কৰিলে ভাল এটা শস্য হ'ব, তাৰ কাৰণে আমাৰ ইয়াত বিজ্ঞানসন্মতভাবে চোৰাচিতা কৰিবৰ কাৰণে কৃষি বিভাগৰ এখন প্ৰতিষ্ঠান কেন্দ্ৰ আছে। যি কেন্দ্ৰত আমাৰ কৃষকসকল গৈ মাটি পৰীক্ষা কৰিব পাৰে। গতিকে এইটো আমাৰ কাৰণে এটা সুযোগ। সেয়েহে মই ভাবো আমাৰ এই কৃষক সকলক উদগনি দিবৰ কাৰণে আমাৰ চৰকাৰৰ যিটো আঁচনি এই বিলাক সময়মতে যাতে পাব পাৰে, যিহেতু আমাৰ বহুতো সন্মানীয় বিধায়কসকলে কৈ গৈছে। সেইখিনি কথাকে আকৌ পুনৰবাৰ ক'ব খুজিছো, যে যিটো সময়ত যি শস্য কৰা হয়, সেই সময়ৰ লগত বা বতৰৰ লগত খাপ খুৱাই আমি যিটো সময়ত গুটিবিলাক দিব লাগে, সময়মতে যাতে দিয়ে সেইটো মই অনুৰোধ কৰিছো। কাৰণ বহু গুটি সঠিক সময়ত যিটো শস্য আমি কৰিব লাগে সেইটো সময়ত গৈ নাপায়। এক মাহ দুই মাহৰ পাছত যায়। এক মাহ, দুই মাহ পলম কৈ যোৱাৰ পাছত যিটো সময়ত শস্যটোৰ খেতি কৰিবৰ কাৰণে প্ৰস্তুত হৈ থাকে, সেই সময়ত কৰিব নোৱাৰে, এইখিনিও যাতে সময়মতে চাপ্লাই দিব পাৰে। তাৰ কাৰণে বিভাগীয় বিষয়াসকলক ভাল এটা নিৰ্দেশনা দিবৰ কাৰণে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰাৰ লগতে মই কৰ্তন প্ৰস্তাৱৰ বিৰোধী পক্ষই যিটো বিপক্ষে কথা কৈছিল, সেইটো নাকচ কৰি মই দুষাৰ বক্তব্য কৈ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি এনেকুৱা এটা বিষয়, যিটো বিষয় আমাৰ ৰাজ্যৰ অৰ্থনীতিত আটাইতকৈ গুৰুত্ব ভুমিকা পালন কৰি আহিছে। যিহেতু আমাৰ ৰাজ্যখনে উদ্যোগীকৰণৰ ক্ষেত্ৰত গুৰুত্ব বিশেষ পোৱা নাই। কৃষিৰ ওপৰতে আমি নিৰ্ভৰ

কৰো। এতিয়া ৰাজ্যখনৰ ৭৫ শতাংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল, পৰোক্ষ বা প্ৰত্যক্ষভাৱে। কৰ্ম সংস্থাপনৰ ক্ষেত্ৰত ৫৩ শতাংশ আহে কৃষি আৰু এলাইট চেক্টৰৰ পৰা। এতিয়া দুৰভাগ্যজনক কথাটো হৈছে, কৃষি উৎপাদনৰ বৃদ্ধিৰ হাৰটো কিন্তু যথেষ্ট নগণ্য। ৩ শতাংশৰ তলত আমাৰ কৃষি উৎপাদনৰ হাৰটো আছে। এইটো লক্ষ্য কৰা হৈছে, ৰাজ্যত যিটো জিএচ ডি পি ত কৃষিৰ অৰিহণাটো ২০১১-১২ চনত আছিল ১৯.৮৯ শতাংশ। কিন্তু আমি যিমানে আগবাঢ়ি গৈছো ২০২১-২২ত্ এই হাৰ হৈছে ১৮.৪৮ শতাংশ। সৰ্বভাৰতীয় ক্ষেত্ৰত যদি আমি সাৰৰ ব্যৱহাৰ চাওঁ, এতিয়া ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত কথা বতৰা হৈছে। কিন্তু সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমাৰ অসমত আমি প্ৰতি হেক্টৰত সাৰ ব্যৱহাৰ কৰো ৬৭.৫১ কে জি। কিন্তু সৰ্বভাৰতীয় পৰ্য্যায়ত এই হাৰটো হৈছিল ২০৯ কে জি। এই ক্ষেত্ৰত কথাটো হ'ল, ৰাসায়নিক সাৰক লৈ বা ইউৰিয়াক লৈ কেনেকুৰা কেলেংকাৰী হৈছে। এই বিষয়ে আমি বহুতবাৰ আলোচনা কৰিছো। কিন্তু তাৰ পিছতো অৱস্থাৰ যি উন্নতি ঘটিছে এই কথাটো নহয়। তাৰ ফলত আমাৰ যিটো গড় হিচাপে আমি ব্যৱহাৰ কৰো, প্ৰতি হেক্টৰত এইটো যথেষ্ট কম হৈ আছে সৰ্বভাৰতীয় ক্ষেত্ৰখনৰ লগত। জলসিঞ্চন টো কৃষিৰ অৰ্ন্তভুক্ত বিষয়, এই জলসিঞ্চনটো আওঁতাত আছে কেৱল ২৪.৬৪ শতাংশ। কিন্তু এইটো কাগজে পত্ৰই আছে। কিন্তু বাস্তৱত জলসিঞ্চনে সমষ্টখিনি কভাৰ কৰিব পৰা নাই। এই ২৪.৬৪ শতাংশ টো কভাৰ কৰিব পৰা নাই। কিন্তু পাঞ্জাৱ, হাৰিয়ানাত ৯০ শতাংশৰো বেছি মাটিত জলসিঞ্চন যোগান ধৰা হৈছে। তাৰ ফলত তাত যিটো উৎপাদন হৈছে, সেইটো অভূতপূৰ্ব। আমি সেই ক্ষেত্ৰত আজিলৈকে এচিভ কৰিব কিয় পৰা নাই, এই বিষয়টোত গুৰুত্ব আৰোপ কৰা হোৱা নাই। ঠিক তেনেকৈ উৎপাদনৰ যিটো খৰচ, সেই উৎপাদনৰ খৰচটোৰ ক্ষেত্ৰত আমি ভয়ঙ্কৰ ক্ষতিগ্ৰস্থ হৈ আছো। ধান উৎপাদনৰ খৰচ প্ৰতি হেক্টৰত ৮৬৫৯ টকা খৰচ হয় ১৯৯৬-৯৭ ত, এতিয়া ২০১৬-১৭ চনত যিটো আমি হিচাপ পাইছো, সেইটো হৈছে ৩৬৪৬৪টকা। এইধৰণে যদি ধান উৎপাদনত আমাৰ খৰচটো বাঢ়ি থাকে, প্ৰতি হেক্টৰত তাৰ পিছত আমি চাবচিডিৰ কথা কওঁ এনেকৈ? খৰচটো বঢ়াৰ কাৰণে আমাৰ এই চৰকাৰখনে চাবচিডি উঠাই দিয়াৰ ক্ষেত্ৰত বা কৃষি সঁজুলিত যি চাবচিতি আছিল, যথেষ্ট ধৰণে কমাই দিয়াৰ কথা চিন্তা ভাৱনা কৰিছে। তাৰ ফলত উৎপাদনৰ খৰচটো যেতিয়া বাঢ়ি যায়, তেতিয়া এতিয়া আমি ধানৰ ক্ষেত্ৰত এম এচ পি কৰিছো কিন্তু ধানৰ ক্ষেত্ৰত এম এচ পি কৰি কি সাফল্য লাভ কৰিছো, সেইটো ইতিমধ্যে স্পষ্ট হৈছে, তথ্য দি দেখুৱাই দিছে। কিন্তু অন্যান্য যিবিলাক কৃষি সামগ্ৰী আমি উৎপাদন কৰো খাদ্য, সামগ্ৰী উৎপাদন কৰো, তাত আমাৰ এম এচ পি নাই। ধানৰ ওপৰত এম এচ পি ২০৪০ টকা কৰাৰ কথাটো গৰ্ব কৰি কৈ আছো। কিন্তু ধান আমি কিমান কিনিছো, চৰকাৰে হিচাপ দিছে মাৰ্চ মাহলৈকে ৩১৩২৭৭ মেট্ৰিকটন ধান আমি কিনিছো। যোৱা বছৰ আমি ৫লাখ কিনিছিলো কিন্তু এই কিনাক লৈ বহুত অসুবিধা আছে। যিটো প্ৰকিউৰমেন্ট চেন্টাৰ ক'ত হ'ব এইবিলাক লৈ সমস্যা আছে। তাৰ মাজতো আমি যিটো বিশেষভাৱে লক্ষ্য কৰিবলগা বিষয়টো হৈছে মাটিৰ পট্টাৰ বিষয়টো। কৃষকৰ হাতত যদি মাটি নাথাকে, কৃষিৰ উৎপাদন বৃদ্ধি হ'ব নোৱাৰে। অন্যান্য ক্ষেত্ৰত যিবিলাক ব্যৰ্থতা আছে তাকো কাটি উঠিব পৰা যাব। কিন্তু মাটিৰ পট্টাটো যদি কৃষকক দিব নোৱাৰো তেতিয়া হ'লে নিশ্চয়কৈ সেই ক্ষেত্ৰত সাফল্য নাপাওঁ। আমাৰ গাঁৱত বসবাস কৰা ৫৬.৪০ লাখ কৃষক পৰিয়াল আমাৰ আছে, যি পৰিয়ালৰ ভিতৰত ১১.৫০ লাখ পৰিয়ালৰ পট্টা নাই। ১১.৫০ লাখ পৰিয়ালৰ যেতিয়া মাটিৰ পট্টা নাই, তাৰে ১৯ শতাংশ পৰিয়াল একচনীয়া পট্টা আছে আৰু এতিয়া হয়তো বসুন্ধৰাৰ কথা ক'ব। এইটো আমি একচনীয়া পট্টাটো ম্যাদি কৰাৰ ক্ষেত্ৰত এটা সুন্দৰ পদক্ষেপ

হ'লে ভাল, আৰু ১৪ লাখ পৰিয়ালৰ কোনো মাটি নাই। এই যে ১৪ লাখ পৰিয়ালৰ কোনো মাটি নাই, এই বিষয়টোত যদি গুৰুত্ব আৰোপ কৰা নাযায়, মাটি যদি কৃষকৰ হাতত নাথাকে, পৰিয়াল বিলাকৰ হাতত নাথাকে, কৃষি উৎপাদন নাবাঢ়ে। মই পূৰ্বতে এটা কথা কৈছিলো , সেই কথাটো মই পুনৰ উল্লেখ কৰিব বিচাৰিছো, বজাৰ সৃষ্টি কৰা, মই পুৰ্বতেও কৈছিলো যে দুখন পঞ্চায়তৰ মাজত যদি এখন বজাৰ স্থাপন কৰে, আৰু এই বজাৰলৈ যোগাযোগ যদি ভাল কৰে, ৰাস্তাঘাট যদি বজাৰলৈ উন্নত হয়, তেতিয়া হ'লে আমাৰ কৃষক বজাৰলৈ সেই বস্তুটো আহিব আৰু সেই সামগ্ৰী বিলাকৰ ওপৰত যদি এম এচ পি থাকে, সহজে কৃষকে তাৰ লাভটো পাব। এইক্ষেত্ৰত যদি গুৰুত্ব আৰোপ নকৰে তেতিয়া হ'লে কৃষিৰ ক্ষেত্ৰত, কৃষি বিভাগত আমি বহুত টকা আৱন্টন দিলেই আজি স্বাধীনতাৰ ৭৭ টা বছৰত আমি যিটো এচিভ কৰিব পৰা নাই, সেইটো সম্ভৱ ন'হব। সেই কাৰণে মই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া শ্ৰী জিতু গোস্বামী।

**শ্ৰী জিতু গোস্বামী, (বড়মপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষই উত্থাপন কৰা কৃষি বিভাগৰ কৰ্ত্তন প্ৰস্তাৱক সম্পূৰ্ণভাবে বিৰোধিতা কৰি আজি ইয়াৰ সপক্ষে মই দুটা কথা ক'ব বিচাৰিছো। আজি এই বিষয়ে যি আলোচনা হৈ আছিল, সেই আলোচনাত আমাৰ বহুত কেইজন সন্মানীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন কৰি প্ৰস্তাৱটোত বাজেট বৃদ্ধি কৰাৰ বিষয়ে কৈছে, আৰু যি সকলে আজি ইয়াত ধুনীয়া গঠনমুলক কথা কৈছে, কাৰণ কৃষি বিভাগটো আমাৰ কাৰণে অতিকৈ প্ৰয়োজনীয় বিভাগ। ভাৰতবৰ্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষকৰ আয় দুগুণ হোৱাৰ কাৰণে যিখিনি প্ৰচেষ্টা তেখেতে কৰিছে, প্ৰত্যেকটো বাজেটত তেওঁ কৃষিৰ ওপৰত বেছি গুৰুত্ব দিছে। অসমত কৃষি বিভাগৰ ওপৰত বেছিঁকৈ গুৰুত্ব দিব লাগে। প্ৰথম কথাত প্ৰত্যেকজন সদস্যই যি কৃষি বিভাগৰ গঠনমুলক কথা কৈছে, একেখিনি কথাই আমি দৃষ্টিগোচৰ কৰিছো। প্ৰথম কথা হ'ল আমি অসমক ৬ টা ভাগত ভাগ কৰিছো। ক্লাইমেটিক জ'নত, নৰ্থ বেংক, প্লেইন জ'ন, আপাৰ ব্ৰহ্মপুত্ৰ জ'ন, লৱাৰ ব্ৰহ্মপুত্ৰ ভেলী জ'ন, চেন্ট্ৰেল ব্ৰহ্মপুত্ৰ ভেলী জ'ন, বৰাক ভেলী জ'ন আৰু হিল জ'ন। এই জ'ন কেইটাক আমি ক্লাইমেটিক কনডিশ্যনৰ ওপৰত rainfall, terrain, soil type আৰু ক্লাইমেটিক কনডিশ্যনৰ ওপৰত আমি ভাগ কৰিছো। কিন্তু এই কথাখিনি আমাৰ মানুহে যিহেতু কৃষি কৰে, কৃষি কৰাৰ আগত আমাৰ কৃষকসকল এই বিষয়ে সজাগতাটো আমাৰ বিভাগৰ কম দেখা পাইছো। কোনো মানুহে নাজানে যে ইয়াত ৰেইনফল ডাটাটো কিমান হ'ব, এই ঠাইখিনিত আমাৰ কোনবিধ খেতি কৰিলে ভাল হ'ব। মই আগতেও সদনত এই কথাটো কৈছিলো যে আমাৰ মাজত যিটো কৃষি বিভাগে আমি মেক্সিমাম সময়ত আমি গুৰুত্ব আৰোপ কৰিছো বেনিফিচাৰী সকলৰ চাবচিডি ৰ ওপৰত। আমি টেক্টৰ , পাৱাৰ টিলাৰ দিছো, পাম্প দিছো। কিন্তু আমি এইখিনি কথা বেছিকৈ চিন্তা কৰিব লাগিব যে যিখিনি মাটিত আমি খেতি কৰিব খুজিছো সেই মাটিখিনিৰ soil condition কেনেকুৰা। আমাৰ অসমত বেছিভাগ মাটি acidic soil condition. Acidic soil condition ত আমি প্ৰথমে মাটিখিনি testing কৰি কি কৃষিৰ কাৰণে এইখিনি উপযোগী সেই বিষয়ে আমি অধ্যয়ণ কৰাতো সকলোতকৈ গুৰুত্ব সহকাৰে ল'ব লাগিছিল। দ্বিতীয়তে আমি যিসমূহ awarness Agriculture Department ৰ পৰা কৰিব লাগিছিল, মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে কৃষি বিভাগে চাবচিডি দিয়াতকৈও awarness আৰু সেই ঠাইখিনি কি খেতিৰ বাবে উপযোগী তাৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। দ্বিতীয়তে আৰু এটা কথা আজি প্ৰত্যেকজন

সদস্যই আলোচনা কৰা দেখা পাইছো জলসিঞ্চনৰ বিষয়ে। আমি আগতেও এই কথাষাৰ কৈছিলো যে জলসিঞ্চন, কৃষি আৰু বতৰ বিজ্ঞান এই তিনিটা বিভাগ সদায় এটা গ্ৰুপ জি অ' এম থাকিব লাগে। Group of Minister ৰ মিটিং হ'ব লাগে, তেওঁলোকৰ মাজত coordination থাকিব লাগে। আজি পৰ্য্যন্ত আমি এইবিলাক দেখা নাই। সেইটো হ'লে দুটা কথাৰ কাৰণে ভাল হ'ব। বেলেগ ৰাজ্যতকৈ আমাৰ অসমৰ typical weather condition, অসমৰ যিটো environment policy অসমৰ যিটো ইৰিগেশ্যন চিষ্টেম , আমাৰ ইয়াত high rainfall ৰ state. সেইকাৰণে আমি ইৰিগেশ্যনৰ ওপৰত গুৰুত্ব দিব লাগিব। নহ'লে আমি উন্নত মানৰ কৃষি কেতিয়াও নাপাওঁ। Rawat Mondal Commission 2007 চনত ৰিপোৰ্ট দিছিল আৰু ১৯৮৬ ত Rao and Deshpande কমিটিয়েও দিছিল যে অসমৰ যি চাৰফেজ কনডিশ্যন, মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ ইয়াত ইৰিগেশ্যনৰ ওপৰত গুৰুত্ব দিছো কিন্তু এটা ডাঙৰ কথা আমি চিন্তা কৰা নাই। আজি সদনত প্ৰত্যেকজন সদস্যই এটা কথা চিন্তা কৰিব যে আমি অসমত কেৱল ইৰিগেশ্যনৰ কথা ভাৱিছো কিন্তু একচেচ ৰাটাৰৰ কথা আমি কেতিয়াওঁ ভবা নাই। আমাৰ গাওঁৰ পথাৰ সমূহত আপোনালোকে দেখিব মেক্সিমাম পানী জমা হৈ থাকে। কাৰণ আমাৰ ৰেইনফল বেছি হয়। একচেচ্ ৰাটাৰ জমা হোৱাৰ কাৰণে সেই পানীখিনি ওলাই যাব নোৱাৰাৰ কাৰণে মানুহে তাত কৃষি কৰ্ম কৰিব নোৱাৰে। এই একচেচ ৰাটাৰটো আমাৰ ইৰিগেশ্যন বিভাগে কেনেকৈ ড্ৰেইন আউট কৰিব লাগে সেইটো এটা ডাঙৰ কথা। এই বিষয়ে বহুতো অধ্যয়ণৰ ৰিপোৰ্ট আমি পাইছো। তৃতীয়তে আৰু এটা কথা মই ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই কৈছে যে আমাৰ কৃষি ক্ষেত্ৰত আমি সদায় কওঁ যে আমাৰ উপযুক্ত বজাৰ নাই। আমি বিদেশলৈ ভিজিটেৰল এক্সপোৰ্ট কৰাৰ কথা চিন্তা কৰিব নালাগে। আমি লণ্ডনলৈ ৮ টন নেমু পঠালে এগ্ৰিকালচাৰ বজাৰ ডাঙৰ নহয়। আমি চিন্তা কৰিব লাগিব অৰগেনাইজ ডমেষ্টিক মাৰ্কেটখন আমি কেনেকৈ কৰো। অসমৰ ভেজিটেবল থাইলেণ্ডত নিকিনে। থাইলেণ্ডত তেওঁলোকৰ অপৰ্য্যপ্ত ভিজিটেবল আছে। ভূটানে অৰগেনিক ভেজিটেবল কৰিছে। ম্যানমাৰৰ পৰা ভাৰতলৈ ইমপোৰ্ট হয়। আমি চিন্তা কৰিব লাগিব কেনেকৈ আমি ডমেষ্টিক মাৰ্কেটখন ডিমাণ্ড এণ্ড চাপ্লাই বেচত কৰিব পাৰো। এগ্ৰিকালচাৰ চেক্টৰত সদায় আমি দুটা বস্তুত লোকচান খাওঁ । এটা হ'ল চিজ'নৈল ভিজিটেবলত। মাননীয় অধ্যক্ষ মহোদয়, চিজ'নৈল ভিজিটেবলত দুই-চাৰিজন সদস্যই কৈছে যে আমাৰ ইয়াত কবি হয়, শাক হয় কিন্তু আমি উচিত মূল্যৰ অভাৱৰ বাবে পেলাই দিব লগীয়া হয়। তাৰকাৰণে কৃষি বিভাগে আমি কিহৰ ওপৰত গুৰুত্ব দিব লাগিব। আমাৰ এটা খুব ভাল টেকন'লজি আহিছে, মই থাইলেণ্ডত দেখিছো, ম্যানমাৰত দেখিছো তেওঁলোকে যিটো multi commodity control atmosphere system ত যিসমূহ cold storage কৰো এই cold storage সমূহত গাখীৰ, ভেজিটেবল এইবিলাক commodity ষ্টোৰ কৰিব নোৱাৰে। সেইকাৰণে আমি নতুন টেকন'লজিৰ যিটো control atmosphere চিষ্টেমৰ ওপৰত কৃষি বিভাগে গুৰুত্ব দিব লাগে। এনেকুৰা ধৰণৰ ষ্টোৰেজ আহিলে গাখীৰ, শাক-পাচলি, ফল-মূল আদি সকলো ষ্টোৰ কৰি ৬ মাহৰ পিছতো বিক্ৰী কৰিব পৰা যায়। তেতিয়া আমাৰ কৃষক সকলে উচিত মূল্য পাব, উচিত দৰ পাব। আমি অৰগেনাইজ ষ্টাডী কৰি ডমেষ্টিক মাৰ্কেটখনক বেছি গুৰুত্ব দিব লাগে। প্ৰত্যেকজন খেতিয়ক অসমত লাভান্বিত হ'ব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰনি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো, (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ তৰফৰ পৰা কৰ্তন প্ৰস্তাৱ অনাৰ বিৰোধিতা কৰি মই দুআষাৰ মান ক'বলৈ লৈছো। আমাৰ ৰাজ্যখনৰ অৰ্থনীতি যদি টনকিয়াল কৰিব লগীয়া হয়, তেন্তে আমি গ্ৰাম্য অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিব লাগিব। গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবলৈ হ'লে কৃষি ক্ষেত্ৰখনক উন্নত কৰিব লাগিব। কৃষিৰ ক্ষেত্ৰখনক যদি গুৰুত্ব দিবলৈ যাওঁ তেতিয়াহ'লে নতুন প্ৰজন্মক কৃষিৰ ক্ষেত্ৰখনক আকৰ্ষিত কৰিব পাৰিব লাগিব। আমাৰ ৰাজ্যখনত এতিয়া দেখিবলৈ পাইছো যে গোটেই ৰাজ্যখনৰ সকলো ঠাইতেই একে ধৰণৰ আঁচনি গ্ৰহণ কৰে। কিন্তু আমি ঠাই বিশেষে আমাৰ ৰাজ্যৰ বহু ঠাইত বেলেগ বেলেগ ধৰণৰ খেতি উৎপাদন হয়। আজিৰ যুগত যুৱক-যুৱতীসকলক কৃষিৰ ক্ষেত্ৰত আকৰ্ষিত কৰিবলৈ হ'লে আগৰ দিনত কৰা কৃষি পদ্ধতি বোৰৰ প্ৰতি ইমান আকৰ্ষিত নহয়। আমাৰ বি.টি আৰ অঞ্চলৰ যুৱক-যুৱতী সকলক আমি দেখিবলৈ পাওঁ যে হৰটিকালচাৰ, চাহ খেতি, ৰাবাৰখেতি, ৰাটাৰ মেলন আদি খেতিবোৰৰ ওপৰত তেওঁলোকে অলপ বেছি গুৰুত্ব দিয়া দেখা পাওঁ। কিন্তু এই খেতি বোৰৰ ওপৰত চৰকাৰৰ ফালৰ পৰা বেছি আঁচনি লোৱা দেখিবলৈ পোৱা নাযায়। মোৰ জিলাৰ যুৱক-যুৱতীসকলে তামোলৰ খেতিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা পাইছো আৰু মই গম পাইছো যে তামোলৰ দাম যথেষ্ট বৃদ্ধি হৈছে। সেয়েহে আমাৰ ল'ৰাবোৰে কৈছে যে এবিঘা মাটিত তামোলৰ খেতি কৰি এবছৰত এক লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। গতিকে দুবিঘা মাটিত তামোলৰ খেতি কৰিলে এবছৰত দুই লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হ'ব। গতিকে এনে ধৰণৰ খেতি বোৰত আমি চৰকাৰৰ ফালৰ পৰা যদি অলপ সহায় কৰিব পাৰো তেতিয়া হ'লে আমাৰ যথেষ্ট ভাল হ'ব। আমাৰ অঞ্চলবোৰৰ মানুহৰ মাটি মাত্ৰ ২-৩ বিঘাহে আছে। চাহখেতিৰ ক্ষেত্ৰতো আমাৰ অঞ্চলবোৰত চাহ খেতি কৰি যথেষ্ট লাভবান হ'বলৈ সক্ষম হৈছে। কাৰণ এপ্ৰিল-মে' মাহত প্ৰতিকেজি চাহৰ দাম ৪০-৫০ টকালৈ যায়। ফলত প্ৰতি কুইণ্টল চাহৰ দাম ৪৫০০ টকা পালে ২ বিঘা মাটিত সপ্তাহত ৯০০০ টকা পাব। তেতিয়াহ'লে মাহত ৩৬০০০ টকা হ'ব আৰু খৰছ বাদ দি মাহত ৩০ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হ'ব আৰু এনে কৰিলে গাওঁৰ যুৱক-যুৱতী সকলে যথেষ্ট উপাৰ্জন কৰিব পাৰিব। আমাৰ গাওঁত থকা ৩-৪ বিঘা মাটিত খেতি কৰিলে যথেষ্ট লাভান্বিত হ'ব। আমাৰ অঞ্চলবোৰত ৰাবাৰৰ খেতি হয় আৰু প্ৰতি কেজি ৰাবাৰৰ দাম ২০০-৩০০ টকা উপাৰ্জন কৰিব পাৰে। আমাৰ অঞ্চল বিলাকত দেখিবলৈ পাওঁ যে ৰাটাৰ মেলনৰ খেতি কৰিবৰ কাৰণে ল'ৰা বোৰ যথেষ্ট উৎসাহিত। এতিয়া আমাৰ অঞ্চলবোৰত ৰাটাৰ মেলনৰ খেতিৰ উৎপাদন খুব ধুনীয়া হয়। কিন্তু যোৱা ২-৩ বছৰ ধৰি আমি দেখিবলৈ পাইছো যে ইয়াৰ উৎপাদন খুব বেয়া। কিয়নো ইয়াৰ বজাৰ মূল্য খুব বেয়া হৈছে। বজাৰ মূল্য বেয়া হোৱাৰ কাৰণ আছে। এই কাৰণবোৰ বিচাৰি আমি এতিয়াও শেষ কৰিব পৰা নাই। মই নিজেই দেখা পাইছো কাৰণ মই নিজে এই ক্ষেত্ৰত জড়িত। বজাৰবোৰত যথেষ্ট চিণ্ডিকেট চিষ্টেম ও চলে। আমাৰ অঞ্চলবোৰত বাহিৰৰ পৰা যেতিয়া বেপাৰী সকল আহিব বিচাৰে, তেতিয়া বহুত বাধাৰ সৃষ্টি হয়। আমাৰ মধ্যভোগী বিলাকে ওলাই খুৱ কম দামত সামগ্ৰী কিনি তেওঁলোকে বেছি লাভ খাবলৈ বিচাৰে। আমাৰ অঞ্চল বিলাকত যেতিয়া water melon ৰ দাম ৫ টকা চলি থাকে, আমি গুৱাহাটীত ৩০ টকাত কিনিব লগীয়া হয়। মধ্যভোগীয়ে কিমান টকা লয়, এই বিলাকক যদি আমি নাইকিয়া কৰিব নোৱাৰে, কৃষকসকলৰ কাৰণে বহুত বাধা আহি থাকিব। তাৰ কাৰণে মই অনুৰোধ জনাইছো এই ক্ষেত্ৰত গুৰুত্ব দিব লাগিব

আৰু তামোল, ৰাবাৰ, water melon মই যি দেখিবলৈ পাইছো, আমাৰ চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত কোনো আঁচনি লোৱা দেখিবলৈ পোৱা নাই। যদি এই বিলাকৰ ক্ষেত্ৰত আঁচনি লয়, মই ভাৱো বহুত লাভ হ'ব। আমাৰ নতুন প্ৰজন্মৰ যুৱকসকলে আগবাঢ়ি আহিব। আজিৰ দিনত তেওঁলোকে ধানৰ বা শস্যৰ খেতি কৰিবৰ বাবে আকৰ্ষিত নহয়। Horticulture খেতি কৰিবৰ কাৰণে তেওঁলোকক যথেষ্ট উৎসাহিত। যদি চৰকাৰৰ তৰফৰ পৰা চিন্তা কৰি কিবা আঁচনি লয়, মই ভাৱো খুৱ ভাল হ'ব।

আমি organic ৰ ক্ষেত্ৰত বহুত গুৰুত্ব দি আছো। আজি আমাৰ কৃষক সকলে organic production কৰিছে। কিন্তু তেওঁলোকক আমি চৰকাৰৰ তৰফৰ একো incentive দিব পৰা নাই। আজি তেওঁলোকৰ কাৰণে সুকীয়া এখনো বজাৰ নাই। আমাৰ বজাৰ বিলাকত যিখিনি কেমিকেল দিয়া শস্য আছে, organic শস্যও একে বজাৰত বিক্ৰী কৰিব লগীয়া হয়। এই কৃষক জনে নিজৰ সামগ্ৰীটো organic বুলি কৈ থাকে কিন্তু কোনো মানুহে বিশ্বাস নকৰে। তেওঁলোকৰ কাৰণে যদি এখন সুকীয়া বজাৰ চৰকাৰৰ ফালৰ পৰা কৰি দিব পাৰো, যিহেতু সকলোৱে organic খাদ্য লৈ অলপ সজাগ হৈছে। এই বিলাকৰ ক্ষেত্ৰত চৰকাৰে যদি পদক্ষেপ লয়, খুব ভাল হ'ব বুলি মই ভাৱো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিজেপি দলৰ যিটো ২০১৬ চনৰ vision document ত কৈছিলে যে ২০২৫ চনৰ ভিতৰত অসমৰ প্ৰত্যেকখন পথাৰত তেওঁলোকে পানী যোগানৰ ব্যৱস্থা কৰিব। বিভাগৰ livelyhood mission য়ে কৈছে যে অসমৰ ৫.৪ শতাংশ মাটিহে irrigation আছে। গতিকে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ প্ৰধানমন্ত্ৰী আছে, অসমৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী আছে, কেতিয়া irrigation হ'ব। পাঞ্জাৱত কিন্তু ৯৭.৩ শতাংশ মাটিত irrigation কৰা হ'ল। গতিকে মই ভাৱো চৰকাৰখনে তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে আগবাঢ়ি অহা উচিত।

দ্বিতীয়তে, সেই vision document ত কৈছিল যে ৬৫ বছৰ হোৱাৰ লগে লগে এজন খেতিয়কক তেওঁলোকে পেঞ্চন দিব। কিন্তু এতিয়ালৈ কোনো এজন ৬৫ বছৰ হোৱা খেতিয়কক পেঞ্চন দিয়া কথাটো শুনা নাই। গতিকে আশা কৰো যে চৰকাৰে তেওঁলোকৰ প্ৰতিশ্ৰুতি দুটা ৰক্ষা কৰিব।

তৃতীয়তে, তেওঁলোকে ২০২১ চনত কৈছিল যে ভাৰত চৰকাৰে যিটো PMKISHAN Nidhi দিয়ে, তাৰ লগত অসমৰ পৰা আৰু ২০০০ টকাকৈ extra কৈ দিয়া হ'ব। কিন্তু এতিয়ালৈকে সেই প্ৰতিশ্ৰুতি পালন কৰা হোৱা নাই। গতিকে মই ভাৱো চৰকাৰে যিমান কেইটা প্ৰতিশ্ৰুতি দিছিল কৃষকৰ কাৰণে আটাইকেইটা প্ৰতিশ্ৰুতি পালন কৰাৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। আমি কৃষিৰ কথাটো চাবলৈ যাওঁ, স্বাধীনতাৰ পিছত আমাৰ অসমত চাৰিটা ভাগত উৎপাদন বৃদ্ধি হৈছে।

এটা হ'ল, ক্ষুদ্ৰ চাহ খেতি। এইটোত চৰকাৰৰ কোনো ভূমিকা নাই। বৰং ওলোটাকৈ এনেকৈ কৈছে যে ক্ষুদ্ৰ চাহ খেতিয়কে পাত পেলাই দিব লগীয়া অৱস্থা হৈছে। ক্ষুদ্ৰ চাহ খেতিয়কৰ পাতৰ দাম একেবাৰে নাই। মই চৰকাৰৰ ওচৰত এই মুহুৰ্তত দাবী উত্থাপন কৰিলো যাতে ক্ষুদ্ৰ চাহ খেতিয়কক প্ৰকৃত দাম দিয়াৰ ব্যৱস্থা কৰে।

দ্বিতীয়তে, যিটো ক্ষেত্ৰত অসমৰ উৎপাদন বৃদ্ধি হৈছে, সেইটো হ'ল গোৱালপাৰা আৰু

বঙাইগাঁও জিলাত ৰাবাৰ উৎপাদন।

তৃতীয়তে হ'ল শাক-পাচলিৰ উৎপাদন। যিসকলে শাক-পাচলি উৎপাদন কৰে, সেইসকলক আকৌ এখন চৰকাৰে সহ্য কৰিব নোৱাৰে।

চতুৰ্থ যিটো উৎপাদন, সেইটো হ'ল মাছ উৎপাদন। অসমত অকনমান যদি সঁচাকৈ কৃষি ক্ষেত্ৰত কৰবাত আগবাঢ়িছে, সেইটো হ'ল মাছ। য'ত ভাৰতবৰ্ষৰ ভিতৰত অসমত মাছ উৎপাদনত ১২ নম্বৰ position এতিয়ালৈ পাইছেগৈ। কিন্তু সেই ক্ষেত্ৰতো চৰকাৰৰ বিশেষ ভূমিকা আছে, এনেকুৱা নহয়। যিসকলে মাছ উৎপাদন কৰে, তেওঁলোকৰ লগত চৰকাৰৰ খুব কাজিয়া। গতিকে এই যিটো contradiction, এই contradiction টো যেতিয়ালৈকে আতঁৰ কৰিব নোৱাৰিব, তেতিয়ালৈকে আচলতে চৰকাৰখনে কৃষিৰ উৎপাদন বৃদ্ধি কৰাটো সম্ভৱ নহৱ।

আজি পাঞ্জাৱৰ মাটি কালি ৫০ হাজাৰ বৰ্গ কিলোমিটাৰ। অসমৰ মাটি কালি ৭৮ হাজাৰ বৰ্গ কিলোমিটাৰ। কিন্তু পাঞ্জাৱত খেতি কৰে ৭৮.৩৮ লাখ হেক্টৰ মাটিত আৰু অসমত খেতি কৰা হয় প্ৰায় ৪০ হাজাৰ হেক্টৰ মাটিত।

আমাৰ crop intencity খুব জৰুৰী। কৃষি কাৰ্য্যৰ ঘনত্ব পশ্চিম বংগত ১৯২.৪ শতাংশ, পাঞ্জাৱত ১৮৯.৯ শতাংশ আৰু আমাৰ এতিয়ালৈকে ১৪৭.৩ শতাংশ। কৃষি কাৰ্য্যৰ ঘনত্বটো একেবাৰে নাই আমাৰ। ধানৰ উৎপাদনৰ ক্ষেত্ৰত, মই যদি কওঁ, কোনটো ক্ষেত্ৰত কাৰ অৱস্থা ভাল, তেতিয়া হলে দেখা যায় যে আজি ধানৰ উৎপাদনৰ ক্ষেত্ৰত আমাৰ অৱস্থা বেয়া। মাংস উৎপাদন ক্ষেত্ৰত আমি ভাৰতবৰ্ষৰ ১৭ নম্বৰত। গাখীৰ উৎপাদনৰ ক্ষেত্ৰত ২১ নম্বৰ, কণী উৎপাদনৰ ক্ষেত্ৰত ১৮ নম্বৰ, মাছ উৎপাদনৰ ক্ষেত্ৰত ১২ নম্বৰলৈকে উঠিছো আৰু cold storage capacity ৰ ক্ষেত্ৰত ১৮ নম্বৰত। সকলো ক্ষেত্ৰতে আমাৰ অৱস্থা বেয়া। কিন্তু চৰকাৰে এইবিলাকৰ উন্নয়নৰ কাৰণে যি ব্যৱস্থা ল'ব লাগে, সেইটোত মন দিয়া নাই, কেৱল জাতি আৰু ধৰ্ম লৈ ব্যস্ত হৈ আছে। মই চৰকাৰক এই খিনি কথা কব খুজিছো যে কৃষিৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত মনোনিবেশ কৰিব লাগে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ প্ৰস্তাৱ উত্থাপন কৰিলো আমি উঠাই লোৱা নাই আমি আকৌ সমৰ্থন কৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অছিফ মহম্মদ নজৰ।

**শ্ৰী অছিফ মহম্মদ নজৰ, (লাহৰীঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুঅষাৰ কথা কব বিচাৰিছো। অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু কৃষকসকলৰ যি মুৰৰ ঘাম মাটি পেলাই খেতি বাতি কৰে, তাৰ পৰাই আমি দুৱেলা দুমুঠি খাবলৈ পাওঁ। কিন্তু অতি দূৰ্ভাগ্যৰ কথা যে আমাৰ কৃষক সকল আজি দিশহাৰা। কৃষকসকলে উচিত ফল পোৱা নাই। বহুত শাক-পাচলি বোৰ পেলাই দিব লগীয়া হয়। যদি আমি অসমখনক পাঞ্জাৱৰ লগত তুলনা কৰো, তেতিয়া হলে দেখা যায় যে পাঞ্জাৱৰ খেতিয়কসকলে বিলাসী জীৱন যাপন কৰে। আমাৰ খেতিয়কসকলে মুৰে কপালে হাত দি উৎপাদিত শস্যৰ উচিত দামৰ কাৰণে ঘুৰি ফুৰিব লগীয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, অসমত কৃষকসকলৰ এটা প্ৰধান সমস্যা হৈছে বানপানী। তথাপিও এশ এবুৰি সমস্যা থকাৰ পিছতো পাঞ্জাৱৰ নিচিনা ঠাইত বৈজ্ঞানিক আৰু উন্নয়নমানৰ যি সঁজুলি ব্যৱহাৰ কৰা হয়, আমাৰ অসমত এতিয়ালৈকে এই বস্তু ব্যৱহাৰ হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত মোৰ সমষ্টিত কৃষকৰ সংখ্যা বহুত বেছি। মোৰ সমষ্টিত ২৪ খন পঞ্চায়ত আছে আৰু ২০১১ ৰ লোকপিয়ল মতে মোৰ সমষ্টিত জনসংখ্যা হৈছে ২ লাখ ৫৩ হাজাৰ ৫ শ ৮২ জন। তাৰ ভিতৰত ৯৭.২৯ শতাংশ লোক গাঁৱত থাকে আৰু ২.৮ শ মানুহ চহৰত

থাকে। মোৰ সমষ্টিত উত্তৰে ব্ৰহ্মপুত্ৰ আৰু গোটেই চৰ অঞ্চলত বিভিন্ন ধৰণৰ জাতি-জনগোষ্ঠীৰ মানুহ থাকে আৰু মোৰ সমষ্টিত সকলো সম্প্ৰদায়ৰ লোক কম-বেছি পৰিমাণে থাকে। তাৰে ২৬ শতাংশ লোক চৰত বসবাস কৰে। গতিকে মোৰ সমষ্টিত ৭৭ শতাংশ লোক খেতিৰ ওপৰত নিৰ্ভৰশীল। মাননীয় অধ্যক্ষ মহোদয়, অতি দুৰ্ভাগ্যজনক কথাটো হ'ল খেতিয়ক সকলে চৰকাৰৰ সকলো ধৰণৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে আমাৰ খেতিয়ক সকলে যি পৰিমাণে সাৰ পাব লাগিছিল বা বিভিন্ন fertilizer পাব লাগিছিল, সেইবোৰ পোৱা নাই। এই অভিযোগ আছে যে আমাৰ সাৰ যদি পায় সেইবোৰ বহুতখিনি বাহিৰত কিছুমান দুষ্টচক্ৰই বেছি দিয়ে যাৰ কাৰণে যিসকল খেতিয়ক আছে বা কৃষক আছে, সিহঁতে পৰ্য্যাপ্ত পৰিমাণে সাৰ নাপায়। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এই কথাটো দৃষ্টিগোচৰ কৰিব বিচাৰিছো যিবোৰ দুষ্টচক্ৰই সাৰবোৰ বেছি দামত বিক্ৰী কৰি আছে , সেইবোৰক যাতে অলপ তদন্ত কৰে বা দৃষ্টিগোচৰ কৰে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত শাক-পাচলিৰ খেতি বহুত বেছি হয়। কিন্তু এই শাক পাচলিবোৰৰ উচিত মূল্য নাপায় যাৰ ফলত শাক-পাচলিবোৰ যদি বজাৰত লৈ যায় এদিনতে সেই শাক-পাচলিবোৰ বেচিব নোৱাৰে তাৰ ফলত খেতিয়ক সকলে সেই বস্তুবোৰ ঘৰত লৈ যাবলগীয়া হয় আৰু ঘৰত লৈ গ'লে দ্বিতীয়দিনা শাক-পাচলিবোৰ বেচিব নোৱাৰিলে বেছিভাগে পচি যায় বা যিবোৰ বেঙেনা, বিলাহী থাকে সেইবোৰ গৰু-ছাগলী বা গৰু ম'হক খুৱাবলগীয়া হয়। গতিকে মই আপোনাৰ জৰিয়তে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে যিবোৰ সাপ্তাহিক বজাৰ আছে, সেই বজাৰ বোৰত যাতে কমপক্ষেও দুটাকৈ coal storage ৰ ব্যৱস্থা কৰে যাতে খেতিয়কসকলে এই শাক-পাচলিবোৰ ৰাখি এইবোৰৰ পৰা উচিত মূল্য পায় আৰু সেইবোৰ বেচিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত গোম ধানৰ খেতি বহুত বেছিকৈ হয়। কিন্তু খেতিয়কসকলে এই গোম ধান বেচিব নোৱাৰে আৰু উচিত মুল্য নাপায়। যদি আপোনাৰ জৰিয়তে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে এই গোম ধানৰ গুৰিৰ পৰা অন্য বস্তু উৎপাদন কৰা ক্ষুদ্ৰ উদ্যোগ মোৰ সমষ্টিত বনাই দিয়ে, তেতিয়া এইবোৰৰ পৰা আমাৰ কৃষক সকলে অলপ সকাহ পাব। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বছৰে বছৰে বানপানী হয়। এই বানপানীৰ পৰা যিসকল খেতিয়কে খেতি কৰে, খেতিৰ ফচল বহুত বহুত বানপানীৰ কাৰণে নষ্ট হয়। কিন্তু এই খেতিয়কসকলে এইবোৰৰ ক্ষতিপূৰণ নাপায়। এই ক্ষতিপূৰণ নোপোৱাৰ কাৰণে দ্বিতীয় বছৰ সেই খেতিয়কসকলে খেতি কৰাৰ কাৰণে সাহস নকৰে। গতিকে এইক্ষেত্ৰত আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আৰু এটা কথা ক'ব বিচাৰিছো যে, যিবোৰ বীজ আমাৰ খেতিয়ক সকলক দিয়া হয় এইক্ষেত্ৰতো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে অলপ চকু দিয়া উচিত। কাৰণ যিবোৰ বীজ যায় সেই বীজবোৰ উন্নতমানৰ নহয় আৰু উপযুক্ত সময়ত বীজবোৰ খেতিয়কৰ হাত নাপায়, যাৰ ফলত খেতিয়কসকলে নিজৰ গাঠিৰ ধনৰ পৰা সেই বীজবোৰ কিনিবলগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰো যে খেতিয়কসকলে উন্নয়নৰ কাৰণে আমাৰ অসম চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি দিছে। তাৰ ভিতৰত এটা আঁচনি আছে RKVY ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা। এই যোজনাৰ জৰিয়তে আমাৰ খেতিয়ক সকলে উচিত মূল্য পালে হয়। কিন্তু মই দেখা মতে বা মই শুনামতে মোৰ সমষ্টিত এই আঁচনিটো সম্পূৰ্ণৰূপে ৰূপায়ণ হোৱা নাই আৰু এটা আঁচনি আছে PM কিষাণ নীধি। এই আঁচনিৰ জৰিয়তে কৃষকসকলে ভাল মূল্য পালে হয়, কিন্তু একাংশ বেংক শাখাৰ যেনেকৈ CST. যেনেকৈ CST বোৰত বহুত ভুৱা একাউন্ট খোলা দেখা গৈছে যাৰ কাৰণে প্ৰকৃত কৃষক সকলে ধন নাপায় গতিকে

মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এইটোৰ ওপৰত দৃষ্টি দিবলৈ আপোনাক অনুৰোধ জনালো। দেখা যায় যে বছৰে বছৰে খেতি কৰিবলৈ হ'লে জলসিঞ্চনৰ বহুত ব্যৱস্থা থাকিব লাগে। কাৰণ Irrigation ৰ পৰাহে খেতিবাতিবোৰত পানীৰ যোগান ধৰা হয়। গতিকে আমাৰ ইয়াত জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় আছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীপৰমানন্দ ৰাজবংশী।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এষাৰ কথায়েই ক'ব খুজিছো। এয়া হৈছে কি আমাৰ ইতিমধ্যে কৃষিৰ যিটো এটা জাগৰণ আহিছে, এই জাগৰণ সন্দৰ্ভত আমাৰ বহুকেইজন বক্তাই কৈছে আৰু আজিৰ এই সভাত দ্বিপক্ষই হওঁক বা আমাৰ শাসনাধীস্থ দলৰে হওক, সকলোৱে কৃষিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া মই মন কৰিছো। গতিকে এইখিনিতে মই এটা কথা ক'ব খুজিছো যে সন্মানীয় বিধায়ক সকলে আজি গৰুখুঁটিক লৈ যিটো নেকি আমাৰ আদৰ্শ আমাৰ প্ৰকল্প যিখিনি কথা ক'লে মই যি সমষ্টিৰ ব্যক্তি হিচাপে বিধায়ক হিচাপে দুখ পাইছো। কিন্তু মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে যিসকলে গৰুখুঁটিক লৈ কিছু কথা কৈছে, যিটো কথা সত্য নহয়। সেয়ে মই আপোনালোকক এই বিধান সভাৰ মাজতে হওক বা শেষতে হওক গৰুখুঁটি স্ব-চক্ষুৰে আপোনালোকে চাওক , চাই আপোনালোকে এটা বক্তব্য প্ৰদান কৰক। কাৰণ আপোনালোক একোজনকৈ যিহেতু বিধায়ক আৰু বিধায়ক হিচাপে আপোনালোকৰ যথেষ্ট কৰণীয় কথা আছে যে ইয়াতে কিছুমান কথা ক'ব। সাম্প্ৰদায়িক কথা ক'ব, তাত অন্য প্ৰাসংগিক গৰুখুঁটিৰ দৰে প্ৰকল্প নিৰ্মাণ কৰি আছো য'ত নেকি আপোনালোকে যিটো বিচাৰিছে কোনো ধৰণৰ তেখেতসকলক আমি বে-দখলমুক্ত কৰিবৰ কাৰণে কোনো ধৰণৰ জোৰ জবদস্তি কৰা নাই। আমি তেখেতসকলৰ লগত আলোচনা কৰিছো, বে-দখলকাৰী সকলৰ সৈতে আলোচনা কৰিছো আৰু তেওঁলোকক নিৰ্দিষ্ট ঠাইত পুনৰসংস্থাপন যাতে স্থায়ীভাৱে হয়, তাৰ কাৰণে এইবিলাক কাম আমি কৰি আছো। যিয়ে নেকি সাম্প্ৰদায়িকতাৰ কথা আপোনালোকে ইয়াত যদি কয়, আমাৰ দুখ লাগে। দৰঙত আমাৰ বহুত কেইজন বিধায়ক আছে। দৰঙত তেনেকৈ সাম্প্ৰদায়িকতাৰ বীজ সিঁচা ব্যক্তি তেনেকৈ আমাৰ পৰিলক্ষিত হোৱা নাই আৰু কোনেও সেইধৰণৰ কামবোৰ কৰা নাই আৰু কোনো ধৰণৰ ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি কৰা নাই। সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষেত্ৰত বা কিছুমান বিষয়ৰ ক্ষেত্ৰত।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাটো কৈ যাওক। মোৰ ফালে চাই কওক।

**ড°পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** ইতিমধ্যে আমাৰ ছিপাঝাৰতে হওক বা দৰঙতে হওক, যিবিলাক কৃষিভিত্তিত যিবোৰ কাম হৈ আছে, মই নিজে অভিভূত হৈছো যে আজিৰ পৰা ১০ বছৰ আগতে ৫ বছৰ আগতে বা ২ বছৰ আগতে এই পৰিৱেশৰ সৃষ্টি হোৱা নাছিল। অভূতপূৰ্ব বানপানী হোৱাৰ পিছত সেই বানপানীৰ ঠাইবোৰত যি সুন্দৰ সুন্দৰ আপোনালোকে সকলোৱে দেখিছে যে সৰিয়হয়েই হওঁক বা অন্যান্য যিবিলাক ৰবি শস্যৰ খেতি হৈছে সিয়ে আমাৰ দুখীয়া আৰু সৰ্বস্বান্ত কৃষকসকলৰ মনত এটা আশাৰ সঞ্চাৰ কৰিছে। গতিকে মই ভাৱো যে, যিবিলাক আজি পৰামৰ্শ দিছে আমাৰ বিৰোধী পক্ষই বা আমাৰ সকলে ইমান সুন্দৰ সুন্দৰ পৰামৰ্শ দিছে, বিজ্ঞানসন্মত পৰামৰ্শ দিছে, এই পৰামৰ্শ অনুসৰি আমাৰ সন্মানীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে সেইমতে আমাৰ চৰকাৰখনে যদি কাম-কাজ কৰে, তেতিয়াহ'লে অদূৰ ভৱিষ্যতে পাঞ্জাৱ, হাৰিয়ানা বা অন্যান্য দেশতকৈয়ো আমাৰ কৃষি ক্ষেত্ৰত যিটো আত্মনিৰ্ভৰশীল অসম,

সেই অসমখন যে গঢ়ি তুলিব আৰু এই কথাটোও মই ক'ব খুজিছো যে যিটো কথা নেকি মই কালিৰ পৰাই দুখ পাইছো যে আমাৰ কৃষিৰ ক্ষেত্ৰত আমাৰ এগৰাকী আমাৰ সতীৰ্থই তেখেতে বহুধৰণৰ ৰাজপথত আন্দোলন কৰিছে। আমি সেই আন্দোলন কৰাৰ পিছত কালি আপোনাৰ অধ্যক্ষতাত এইখন সদনতে এষাৰ কথা কোৱাৰ কাৰণে দুখ পাই এই কথাখিনি ক'ব বিচাৰিছো যে আমাৰ জাতীয় স্বাভিমান বিহু আৰু আমাৰ জাতীয় বীৰ লাচিত বৰফুকনক লৈ যিধৰণে আমাৰ শ্ৰীঅখিল গগৈ ডাঙৰীয়াই তাচ্ছিল্যসূচক যিখিনি কথা কৈছে, জনজাগৰণৰ ক্ষেত্ৰত মই দুখ পাইছো আৰু ধিক্কাৰ দিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচৰিছো যে আমাৰ অৱস্থা 'ঢাল নাই, তৰোৱাল নাই, নিধিৰাম সৰ্দাৰ', ৰ নিচিনা হৈছে।

আমাৰ কৰিমগঞ্জত মই তথ্যত দিছো এ. ডি. অ' ১৪ জন লাগে। কিন্তু আমাৰ তাত এজন আছে আৰু এজন এ. ডি. অ' ই আঠখন জিলা চলাই আছে। আমাক ১০৫ জন গ্ৰাম সেৱক লাগে। কিন্তু কেৱল ৯ জন গ্ৰাম সেৱক আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে গুৰুত্ব দিব লাগে। দ্বিতীয় কথাটো হৈছে যে য'ত যি বীজৰ দৰকাৰ সেইটো দিব লাগে। আমাৰ কৰিমগঞ্জ আদি জিলাত ৰাজমাহ, ব্লেক গ্ৰাম আদি নচলে। আপোনালোকে যিবোৰ শস্যৰ বীজ পঠিয়াই তাৰ এটা চাৰ্ভে কৰি দিব লাগে। এইটোৱেই মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ ক'বলগীয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ মাত্ৰ এক মিনিট বাৰ ছেকেণ্ড সময় আছে, চমুকৈ কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ কৃষি বিভাগত ৫ কোটি মান টকা বাজেটত লোৱা হৈছিল যে আমি অফিচবিলাক ডিজিটেলাইজ কৰিম আৰু ই অফিচ লৈ প্ৰৱৰ্তন কৰিম। বিভাগসমূহ চলিবলৈ গ্ৰাউণ্ডত মানুহ লাগিব আৰু অফিচিয়েল কাম-কাজবোৰ ঠিককৈ হ'ব লাগিব। গ্ৰাউণ্ডত গ্ৰাম সেৱক সকলেই অন্যতম। কিন্তু প্ৰায় পোন্ধৰ শ তকৈ অধিক গ্ৰাম সেৱকৰ পদ খালী হৈ আছে। ডাইৰেক্ট ৰিক্ৰুইটমেণ্টৰ কাম চলি আছে কিন্তু কিয় কৃষিবিভাগত গ্ৰাম সেৱক বা গ্ৰাচৰোট লেভেলত মানুহ দিয়া হোৱা নাই। এইটো এটা বিচাৰ্য্য বিষয়। ২৬ হাজাৰ গাওঁত মাত্ৰ ২৮ শ, ২৯ শ গ্ৰাম সেৱকৰে কাম চলিব বুলি মই নাভাৱো। কিন্তু এই বিভাগটো এনেধৰণে চলি আছে। কোৱা হৈছে যে এইবাৰ এই ডি অ' ৰ অফিচ সমূহ বনোৱা হ'ব আৰু এশখন এ ডি অ' ৰ অফিচ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। এতিয়াহে এই বিভাগটোৰে অলপমান establish হ'বলৈ আৰম্ভ কৰিছে। গতিকে এই বিভাগটো যে অতি বেছি হেঁচা প্ৰয়োগ কৰি লাভ হ'ব মোৰ মনে নকয়। কৃষি প্ৰধান ৰাজ্য হিচাপে স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো এই বিভাগে নিজৰ ভৰিত থিয় হৈ আন আন বিভাগৰ লগত co-ordination কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে। সেয়েহে এই বিভাগৰ পৰা এনেধৰণৰ ৰিজাল্ট আহি আছে। আজি কোনো কামেই এই বিভাগত ঠিকমতে চলা নাই। তথাপিতো আসাৰ সঞ্চাৰ এটা আহিছে যে এইবাৰ চৰকাৰে মাকৈৰ বীজ দিছিল আৰু ভালকৈ হৈছে। কিন্তু আলুৰ খেতি ভালকৈ হোৱা নাই। গৰু খুঁটিৰ বিষয়টো আলোচনা খুবকৈ চলি আছে। কিন্তু তাত গুজৰাটী গৰুৱে ৫৫ লাখ টকাৰ দানা খাই গাখীৰ দিছে কেৱল ১৩ লাখ টকাৰ। এইটো এটা বিবেচনাৰ বিষয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপুনি কথাখিনি জনালে। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ

দিয়ক।

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাৰে বাৰে গৰু খুঁটিক লৈ সাম্প্ৰদায়িক কথাটো কোৱা হৈছে। ভাৰতৰ নাগৰিকক উচ্ছেদ কৰি গৰু পোহা হৈছে।

(সদনত হুলস্থূলীয় পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ** ঃ একেখিনি কথাকে বাৰে বাৰে কৈ থাকিব নালাগে। আপোনালোকে উত্তৰটো শুনক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী কৃষি ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ চলিত ২০২৩-২৪ বত্তীয় বৰ্ষৰ আমাৰ বিভাগৰ পৰিপূৰক দাবীত এক কোটি পঁচিশ লাখ টকাৰ ওপৰত কৰ্তন প্ৰস্তাৱ উত্থাপিত হৈছিল। কৰ্তন প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে বোৰেধী দলৰ নেতা সন্মানীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াকে ধৰি বিৰোধী দলৰ বিধায়ক সকলক মই ধন্যবাদ জনাইছো। কাৰণ বিভাগটো যোৱা সময়ছোৱাত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে বিভাগৰ জৰিয়তে কৃষকৰ সুৰক্ষিত ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি যিখিনি কৰিছে, তাৰ বিষয়ে কোৱাৰ সুযোগ আমাৰ সন্মানীয় সদস্যসকলে পালে। মই দেখিছো যে বিৰোধী পক্ষৰ যিসকলে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছিল, তাৰে সন্মানীয় কেইবা গৰাকী বিধায়কে বৰঞ্চ বাজেট বৃদ্ধি কৰিবলৈ কৈছে। মই তাৰ বাবে তেখেতসকলক ধন্যবাদ জনাইছো। যিসকলে কৈছে মই ভাৱো যে তেখেতসকল গভীৰভাৱে কৃষকসকলৰ লগত জড়িত হৈ আছে বা কৃষকসকলৰ স্বাস্থ্য সম্পৰ্কে তেখেত সকল যথেষ্ট সচেতন। আপোনালোকে দেখিছে যে ৰাজ্যখনত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত দ্ৰুত গতিত উন্নতি হৈছে। পূৰ্বতে নোহোৱা বহুত কাম হৈছে আৰু কৃষি বিভাগতো বহুত কাম হৈছে। কাৰণ কৃষি বিভাগটো এটা সময়ত কিছুমান চাপ্লায়াৰ বা এচাম ব্যৱসায়ীৰ বিভাগ হৈ পৰিছিল। কিন্তু এতিয়া তেনেকুৱা পৰিৱেশ নাই। এতিয়া যে সকলোখিনি ঠিক হৈ গ'ল সেই কথাটো মই দাবী নকৰো। কিন্তু একেধৰণৰ পৰামৰ্শ যিখিনি সকলোৰে পৰা আহিছে হয়তো মনত আগৰ ছবিখন আহি যায়। তেখেতসকলে অন্যান্য বেলেগ বেলেগ কামত লাগি থাকোতে ভাৱে যে আগৰ নিচিনাই হৈ আছে। কিন্তু এতিয়া বহুত বেছি পৰিৱৰ্তন আহিছে। আমি আশা কৰিছো যে আপোনালোক আটাইৰে সহযোগত আৰু কৃষি বিভাগলৈ আমি পৰিৱৰ্তন আনিব পাৰিম। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপিয়ান ইউনিয়ন, জাপান, দক্ষিণ কোৰিয়া, নৰ'ৱে বিশ্বৰ এই উন্নত দেশবিলকে ক্ৰমাগতভাৱে যথেষ্টখিনি পুঁজিৰ পৰিমাণ তেওঁলোকে বৃদ্ধি কৰিছে। ইয়াৰ মূল কাৰণ হ'ল আমাৰ দেশতক'ভিডৰ পিছত কৃষি আৰু আনুষাংগিক ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে আৰু শেহতীয়া বাজেটত ইয়াৰ প্ৰতিফলন ঘটিছে। মূল কাৰণেই হৈছে যে বিশ্ব জুৰি কৃষি খণ্ডত সংকটৰ সৃষ্টি হৈছে। জলবায়ু পৰিৱৰ্তন, কৃষিভূমিত উৰ্বৰতা হ্ৰাস, ক্ৰমবৰ্দ্ধমান জনসংখ্যা বৃদ্ধিৰ বিপৰীতে ক্ৰম হ্ৰাসমান কৃষিভূমি, অধিক শস্য উৎপাদনৰ প্ৰত্যাহ্বান আদিৰ দৰে কাৰকে আচলতে কৃষিভূমিলৈ সংকট কঢ়িয়াই আনিছে। যি সংকটৰ মোকাবিলা কৰিবলৈ বৰ্দ্ধিত পুঁজিৰ আবণ্টনৰ কোনো বিকল্প নাই। আমাৰ ৰাজ্যখনত ক্ষুদ্ৰ ৰূপান্তৰিত কৃষক বহুত বেছি। এগৰাকী মাননীয় সদস্যই মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈ গৈছে কিমান শতাংশ কৃষিকৰ নিজা কৃষি ভূমি নাই। এইবাৰ মিশ্যন বসুন্ধৰাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজহ বিভাগে কৃষকৰ এই সমস্যাবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিছে। আপোনালোকে জানে যে পি এম কিষাণত বহুতো কৃষকে তেওঁলোকৰ নিজৰ লেণ্ড ৰেকৰ্ড নোহোৱাৰ কাৰণে পাবলৈ সক্ষম হোৱা নাই। আমাৰ ৰাজ্যখনত বানপানী, গড়াখহনীয়া, খৰাং আদি প্ৰাকৃতিক দুৰ্যোগ হয় আৰু মই ভাৱো যে প্ৰাকৃতিক দুৰ্যোগেৰে জৰ্জৰিত এই ৰাজ্যখনক

কৃষিক্ষেত্ৰত আৰু বেছি বাজেটৰ প্ৰয়োজন আছে। আমাৰ ৰাজ্যখনৰ ৭০ শতাংশতকৈ অধিক লোক কৃষক আৰু জি ডি পিৰ **২০** শতাংশতকৈ অধিক কৃষি আৰু আনুষাংগিক খণ্ডৰ পৰা আহে। গ্ৰাম্য অৰ্থনীতি আপোনালোকে কোৱাৰ দৰে শক্তিশালী কৰিবলৈ হ'লে কৃষি আৰু আনুষাংগিক খণ্ডক আমি গুৰুত্ব দিবই লাগিব। তাৰ কাৰণে সকলোৰে সহযোগিতা লাগিব। মই ভাৱো আমাৰ সন্মানীয় সকলো বিধায়কে ইয়াৰ ওপৰত গুৰুত্ব দিব লাগে। গৰু খুঁটিৰ যি প্ৰকল্প সেয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন আছিল আৰু গৰু খুঁটিৰ দৰে ৰাজ্যখনৰ অন্যানা ঠাইতো সমবায় ভিত্তিত কৰ্ম কৰিবৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ে সকলোকে উদগণি দিছে আৰু তাৰ বাবে যিখিনি সহযোগিতা লাগে তাৰো প্ৰতিশ্ৰুতি দিছে। **২০১১** চনৰ লোকপিয়ঁল অনুসৰি ৰাজ্যখনৰ মুঠ জনসংখ্যা তিনি কোটি বাৰ লাখ আৰু তাৰে **৮৬** শতাংশই গ্ৰাম্যাঞ্চলত বাস কাৰে আৰু **২০১৫-১৬** চনৰ কৃষি পিঁয়ল অনুসৰি ৰাজ্যখনৰ জনসংখ্যা ২৭.৪২ লাখ পৰিয়ালেই হৈছে কৃষিজীৱি পৰিয়াল। ইয়াৰে **৬৮** শতাংশ উৎপান্ত শ্ৰেণীৰ, **১৮** শতাংশ ক্ষুদ্ৰ শ্ৰেণীৰ আৰু ১৩.৬৪ শতাংশ মধ্যম শ্ৰেণীৰ। ৰাজ্যখনৰ মুঠ কৃষিজীৱি পৰিয়ালৰ ভিতৰত ০.১৪ শতাংশহে বৃহৎ শ্ৰেণীৰ কৃষক। **২০২০-২১** চনৰ তথ্য অনুসৰি ৰাজ্যখনৰ Net Cropped area হ'ল ২৭,২৩,৬১০ হেক্টৰ আৰু Gross Cropped area হ'ল ৩৮,৮৮,৩৬৮ হেক্টৰ। ২০২০-২১ বৰ্ষৰ তথ্য অনুসৰি ১৪২.৭৭% Cropping intensity ৰ হাৰেৰে আমাৰ ৰাজ্যখন শস্য নিবিৰতাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড়তকৈ আগবাঢ়ি আছে, যিটো অত্যন্ত আশাব্যঞ্জক দিশ বুলি আমি দাবী কৰিব পাৰো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ মতে ৰাজ্যখনৰ কৃষি খণ্ডৰ বিকাশৰ বাবে কেতবোৰ সংস্কাৰমুখী পদক্ষেপ গ্ৰহণ কৰিছো। মুখ্যমন্ত্ৰী মহোদয়ে এখন Agriculture Commission গঠন কৰি দিছিল, য'ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এগৰাকী কৃষি বিজ্ঞানী Dr. H.S. Gupta ক অধ্যক্ষ হিচাপে লোৱা হৈছে আৰু তাত আমাৰ ৰাজ্যখনৰে কৃষি আৰু আনুসংগিক খণ্ডৰ কেইবাগৰাকী বিজ্ঞানীও অন্তৰ্ভুক্ত হৈছে। ৰাজ্যখনৰ প্ৰতিখন জিলালৈ যোৱাৰ বাবে তেখেতসকলক কোৱা হৈছে আৰু কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকলৰ লগতে কৃষকসকলৰ লগতো আলোচনা কৰাৰ বাবে কোৱা হৈছে। আমাৰ খেতিয়কসকলে কিয় Croppingত নাযায়, কিয় নতুন নতুন খেতি নকৰে, অসুবিধাবোৰ ক'ত, এই কথাবোৰ জানি আমাক recommendation দিয়াৰ বাবে কোৱা হৈছে আৰু আমি সেই মতে ভৱিষ্যত দিনত আগবাঢ়িম। কিছুদিন আগত গুৱাহাটীত আমাৰ বিভাগৰ যিসকল জিলা কৃষি বিষয়া, অভিযন্তা আৰু Agriculture Commission ৰ Chairman কে ধৰি কৃষি বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়া সকলৰ এক কৰ্মশালা অনুষ্ঠিত হৈছিল। এই কৰ্মশালাত কৃষকসকলে সন্মুখীন হোৱা সমস্যাবোৰ আলোচনা কৰা হৈছিল আৰু এই সমস্যাবোৰ দূৰ কৰি কৃষি ক্ষেত্ৰখনক কেনেকৈ আগবঢ়াই লৈ যাব পাৰি তাৰ ওপৰত আলোচনা হৈছিল। আজি পাঞ্জাব, হাৰিয়ানা এই ৰাজ্যবোৰৰ কথা ওলাইছে। হয়, পাঞ্জাৱ, হাৰিয়ানা যথেষ্ট আগবাঢ়ি গৈছে। কিন্তু, পাঞ্জাৱ, হাৰিয়ানা এদিনতে আগবাঢ়ি যোৱা নাই। স্বাধীনতাৰ পিছত দীঘলীয়া সময়ছোৱাত যিবোৰ চৰকাৰ সেই সময়ত ক্ষমতাত আছিল, সেই চৰকাৰে কৃষকসকলৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেতিয়াৰ পৰা বহুখিনি কাম কৰি গৈছিল। Soil Test কৰিছিল। হয়, আজি গোস্বামী ডাঙৰীয়াই কোৱাধৰণে Soil Testing টো অত্যন্ত দৰকাৰী। কিন্তু, আমি দায়িত্বভাৰ লোৱাৰ আগতে ৰাজ্যখনত সীমিত ৫ নে ৬ টা Soil Testing Laboratory আছিল। এতিয়া আমি ২৬ টা Soil Testing Laboratory নিৰ্মাণ কৰি উলিয়াইছো য'ত ইতিমধ্যে প্ৰায় ২৬ লাখ টেষ্ট সম্ভৱ হৈ উঠিছে। ইয়াৰোপৰি কৃষি বিশ্ববিদ্যালয়েও কিছু কাম কৰিছে। শেহতীয়াকৈ এই সংস্কাৰক আমি পদক্ষেপ হিচাপে

গ্ৰহণ কৰি ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনৈতিক বিকাশৰ বাবে আমি Agriculture Mission গ্ৰহণ কৰিছো। Manpower shortage ৰ কথা আমিও স্বীকাৰ কৰো আৰু সেই shortage দূৰ কৰিবলৈ আমি ইতিমধ্যে ব্যৱস্থা লৈছো। ২৫০০ AEA ৰ recruitment process ইতিমধ্যে আৰম্ভ হৈছে। Written Test হৈ গৈছে, বাকী কামখিনি আছে। ADO recruitment ৰ Written Test খিনি হৈছে, পিছৰ কামখিনি বাকী আছে। JE recruitment ৰ process চলি আাছে। ইয়াৰোপৰি, যিখিনি গ্ৰাম সেৱক বুলি কৈছে, Agricultural Extension Assistant, তেওঁলোকৰ কামো ইতিমধ্যে Commission ক দিয়া হৈছে, সেই কামখিনিও আগবাঢ়িছে। আমি আচলতে G.U. ক পৰীক্ষা পতাৰ বাবে দিয়া হৈছিল, তেওঁলোকে বহু দিনৰ পৰা পৰীক্ষা পাতিব বুলি কৈ ৰাখি থলে। তাৰ আগতে এটা কোৰ্ট কেচ লাগি আছিল। এটা চাকৰি লোৱাৰ লগে লগে কিছু ক্ষোভিত, বঞ্চিত প্ৰাৰ্থীয়ে গৈ আদালত পায়। এনেধৰণৰ সমস্যাবোৰ আছেই। তাৰ মাজতে আমাৰ যি manpower ৰ shortage আছে, সেইখিনি আমি অতি সোনকালে পূৰণ কৰিব পাৰিম বুলি আশা কৰিছো। সঁচা অৰ্থত এটা বিভাগ গতিশীল কৰি তুলিবলৈ manpower ৰ প্ৰয়োজন। যিটো কথা আমাৰ সন্মানীয় প্ৰায়বোৰ সদস্যই কৈছে। তেওঁলোকৰ নিজৰ নিজৰ সমষ্ঠিত মানুহ কিমান কম আছে আৰু সেই কম মানুহে আচলতে বহুখিনি কাম কৰাটো সম্ভৱ নোহোৱাৰ বিষয়ে কৈছে। এজন এজন ADO ই বৃহৎ বৃহৎ Circle এটা cover কৰিবলগীয়া হয়। অন্যান্য কেতবোৰ কাম যেতিয়া আহে, যেনে NRC ৰ কাম বা election ৰ কাম, তেতিয়া আমাৰ বিভাগৰ মানুহবোৰ নি কামত লগোৱা দেখা যায়। মানুহবোৰ চোকাও হয়, তেওঁলোকে DC Office ত গৈ ভালদৰে কাম কৰে। কিন্তু, তেওঁলোকে নিজৰ বিভাগত কাম নকৰে। DC Office ত যেতিয়া তেওঁলোকক কামত লগাই তেতিয়া প্ৰত্যেক গৰাকী DCয়ে আমাৰ বিভাগৰ মানুহখিনিক , ই Veterinary য়েই হওঁক বা Agriculture বিভাগৰেই হওঁক, ভাল বুলি কয়। তেওঁলোকে ইমান service দিয়ে যাৰ ফলত তেওঁলোকক সেই কামৰ পৰা ৰিলিজ দিয়া নহয়। কৈ কৈ তেওঁলোকৰ পৰা ৰিলিজ ল'বলগীয়া হয়, কাৰণ আমাৰ মানুহ কম আছে। গতিকে এনেধৰণৰ সমস্যাৰো আমি সন্মুখীন হৈছো। আমি নিশ্চিত যে অনাগত দিনত আপোনালোক সকলোৰে সহযোগত এই বিভাগটো আৰু গতিশীল হ'ব আৰু কৃষকৰ স্বাৰ্থ সুৰক্ষিত হ'ব। সচৰাচৰ দেখা যায় কৃষকসকলক যি ধৰণৰ সন্মান প্ৰদান কৰিব লাগে, সেয়া কৰা নহয়। গতিকে, আমি সকলোৱে যদি কৃষকক সন্মান যাঁচো, কিবা সভা-সমিতি হ'লে তেওঁলোকক যদি স্থান দিওঁ, তেন্তে স্বাভাৱিকতে ভাৰো কৃষি ক্ষেত্ৰখনলৈ মানুহ আৰু অধিক আগবাঢ়ি আহিব। যোৱা সময়ছোৱাত এনে খেলি-মেলি বিলাকৰ মাজত আপোনালোকৰ ডাঙৰ সফলতা কি কওঁকচোন বুলি যদি আমাক সোধে তেন্তে আমি দৃঢ়তাৰে ক'ম যে নতুন প্ৰজন্মৰ বহু শিক্ষিত যুৱক-যুৱতী এতিয়া কৃষি খণ্ডৰ লগত directly বা indirectly জড়িত হৈ আছে। এইটো এটা বৃহৎ সফলতা। যিটো আগতে হোৱা নাছিল। তেনেকুৱা এটা পৰিৱেশ এতিয়া সৃষ্টি হৈছে। নিজে উৎপাদন কৰা বস্তুবোৰ এখন জিলাৰ পৰা আনখন জিলালৈ নিব পৰা পৰিৱেশ নোহোৱা হৈছিল। সেই সময়তে, বহু শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে কৃষি ক্ষেত্ৰৰ লগত জড়িত হৈ পৰিছিল আৰু বহু শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে কৃষি ক্ষেত্ৰৰ লগত জড়িত হৈ পৰিছিল আৰু বহুবোৰ সুবিধাও আছে। বহুবোৰ আঁচনিৰ কথা আমাৰ সন্মানীয় ধুবুৰীৰ বিধায়ক এগৰাকীয়ে নাজানে বুলি কৈছে। RKVY, NFSM, NMOOP, PMKSY, PMKISAN, PMFBY ৰ কথা নাজানে। এইটো হ'ল আমাৰ সন্মানীয় বিধায়কগৰাকীৰ দুৰ্বলতা। ইমানবোৰ আঁচনি চলি আছে,

তেখেতে যদি নাজানে, কৃষকসকলে কেনেকৈ গম পাব? আপোনালোকে কৃষি বিষয়াসকলক মাতি আনি কি আঁচনি আছে সেই আঁচনিৰ কেনেকৈ অংশীদাৰ হ'ব পাৰি সেই বিষয়ে সোধক। গতিকে, মই আশা কৰিম যে আমাৰ সকলো সন্মানীয় বিধায়কে অন্ততঃত্ব আমাৰ বিভাগৰ দায়িত্বত থকা বিষয়াসকল যেনে-ইঞ্জিনীয়াৰ বা কৃষি উন্নয়ন বিষয়া বা মহকুমা কৃষি বিষয়া আদিৰ লগত সঘনাই সম্পৰ্ক ৰাখক। বহুতে কৈছে যে ইয়াৰ বস্তু সময়মতে নাপায়। হয়, সময়মতে নাপাইছিল। কিন্তু, এইবাৰ মই দৃঢ়তাৰে ক'ব পাৰো যে বহুত দিন আগতেই আমি seed দিছো। আগতে seed দিয়ে এটা সময়ত আৰু link component দিয়ে এটা সময়ত। পূৰ্বৰ চৰকাৰে কি link component দিছিল, তাৰ হিচাপ তথ্য মই আগৰ ফাইল বিচাৰি পোৱা নাই। Link component দিয়ে নে নিদিয়ে সেইটো নাজানিলো। কিন্তু, এতিয়া আমি সেইখিনি দিছো আৰু দস্তুৰমত certified seeds দিয়া হয়। আগতে Ashka আছিল, সেইটো এতিয়া Ashoka seeds হৈছে। তাত certification ৰ পিছত এইখিনি দিয়া হয়। Tender তো এই কথা স্পষ্ট ভাৱে উল্লেখ কৰা হয় যে যদি কোনোবাই বেয়া seed দিয়ে তেতিয়াহ'লে তেওঁলোক তাৰ বাবে সম্পূৰ্ণৰূপে জগৰীয়া হ'ব, ক্ষতিপূৰণ দিব লাগিব আৰু আইনমতে যি ব্যৱস্থা ল'ব লাগে, লোৱা হ'ব। মই সদায় বিষয়াবোৰক কওঁ যে supplier বোৰে কেনেবাকৈ short supply কৰে নেকি চাব লাগে। এতিয়া আমি Seed supply ৰ বাবে দুটা এজেন্সিক দিওঁ। NSC ক দিওঁ আৰু Seed Corporation ক দিওঁ। তেওঁলোকে supplier ৰ পৰা লয়। Supplier ৰ কাম হ'ল গুদামত বস্তুখিনি থৈ অহা, বাকী কামখিনি ADO Circle এ কৰে। ADO বিলাকৰ আগতে বস্তু ৰখাৰ কোনো গুদাম নাছিল। সেয়েহে, কোনোবা ADO ই গৈ কাৰোবাৰ ঘৰত ৰাখে। ঘৰত ৰাখোতে কোনোবা মানুহে ধৰি লয় আৰু ADO ই চুৰি কৰি বস্তুবিলাক ইয়াত ৰখা বুলি কয়। সেইকাৰণে আমি ADO Circle, Knowledge Centre প্ৰত্যেক ঠাইতে বনাইছো আৰু যোৱাকালি আমি কেউটা বিভাগে সিদ্ধান্ত লৈছো যে প্ৰতিখন পঞ্চায়তত তেনেধৰণৰ কিছু মাটি সংৰক্ষিত হ'ব আৰু সেই মাটি কৃষি কৰ্মৰ কাৰণে, গুদামেই হওঁক বা অন্য, তেনে কামৰ কাৰণে ব্যৱহৃত হ'ব। গতিকে, এনে ধৰণৰ পৰিকল্পনা, এনেধৰণৰ চিন্তা আমি কৰিছো। আপোনালোকৰ সহযোগিতা আমি কামনা কৰিছো। আপোনালোকে জানে যে এই বৰ্ষটো ৰাষ্ট্ৰ সংঘই 'মিলেট বৰ্ষ' হিচাপে ঘোষণা কৰিছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে ১৫ নৱেম্বৰ তাৰিখে 'Millet Missio' launch কৰিছে। অহাকালি লৈ মই সন্মানীয় সকলো সদস্য, আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াকে ধৰি মাননীয় মুখ্যমন্ত্ৰী, সন্মানীয় বিধায়ক, মন্ত্ৰীসকল, আমাৰ বিষয়াসকল, সাংবাদিক বন্ধু সকল, সকলোৰে বাবে, ৩৫০ জনৰ বাবে মিলেট গ্ৰহণৰ ব্যৱস্থা কৰিছো। ৩৫০ তকৈ অধিক হ'লে আৰু ভাল পাম। গতিকে, এই মিলেট মিছন আমি সফল কৰি তুলিবৰ কাৰণে সকলোৱে চেষ্টা কৰিব লাগে। তাৰকাৰণে আমি মাটি ঠিক কৰিছো, জিলা ঠিক কৰিছো। গতিকে এই কামখিনি আমি কৰিম। এতিয়া জলসিঞ্চনৰ কথাটো কৈছো। মই পাঞ্জাৰ, হাৰিয়ানাৰ কথাটো এৰি আহিলো যে পাঞ্জাৰ, হাৰিয়ানাই জনবিস্ফোৰণৰ কাৰণে অত্যাধিক মাত্ৰাত কীটনাশক প্ৰয়োগ কৰিছিল নিজৰ মাটিত, ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিছিল। এতিয়া আমাৰ মাটি যিমান উৰ্ব্বৰ হৈ আছিল সেই মাটি কিন্তু ইমান উৰ্ব্বৰ হৈ থকা নাই। আমাৰ খেতিয়কসকল উপান্তৰ খেতিয়ক হোৱাৰ কাৰণেই হওক বা সজাগতাৰ অভাৱৰ কাৰণেই হওক বা techinical support নোপোৱাৰ কাৰণেই হওক, জনসংখ্যা বিস্ফোৰণৰ পিছতো আমাৰ খেতিয়কে অত্যাধিক মাত্ৰাত কীটনাশক প্ৰয়োগ বা ৰাসায়নিক সাৰ ব্যৱহাৰ কৰা নাছিল। এতিয়া বৰ্তমান পৰিস্থিতিত যাতে আমি সকলোৱে ঠিকে ঠাকে কামবোৰ

কৰো আৰু guide কৰো, মই ভাৰো যে আমাৰ কৃষকসকলে বহুতখিনি উৎপাদন কৰিবলৈ সক্ষম হ'ব। মিলেট মিশ্যনৰ উপৰিও আমি floriculture মিশ্যন লৈছো, আমাৰ ৰাজ্যখনত প্ৰায় ১৫ কোটি মানৰ ফুল উৎপাদন হয়। কিন্তু আমাক পূজা-পাৰ্বণ, বিয়া আদি পালিবৰ কাৰণে প্ৰায় ১৩৫ কোটি টকা মানৰ ফুল লাগে। আমি বাহিৰৰ পৰা ফুল আনো। যদি ফুলৰ খেতিটো পৰম্পৰাগতভাৱে প্ৰতিটো পৰিয়ালে কৰে, ভৱেন ভৰালী ডাঙৰীয়াই তেখেতৰ বক্তব্যত কৈ গৈছিল যে আমি ধানখেতি কৰো আৰু শাক-পাঁচলি ঘৰত অকনমান কৰো। বিশাল মাটি টুকুৰা ধান খেতি কৰাৰ পাছত খালী থাকে কিন্তু সেই মাটি টকুৰাত আমি কোনো খেতি নকৰো। উজনি অসমত বিশাল মাটিবিলাক চন পৰি ৰয়। কিছুমান ঠাইত এই কথাটো স্বীকাৰ কৰিবই লাগিব যে তেওঁলোকে মাটি চন কৰি নথয়। কিছুমান অত্যন্ত পৰিশ্ৰমী মানুহ আছে, যিসকলে বিভিন্ন ধৰণৰ খেতি কৰে। খেতি কৰিলেতো production বাঢ়িবই, ধনী হ'বই। মাটি চন কৰি থ'লে আমাৰ খেতিয়ক সকলে কিমান আশা কৰিব পাৰে বা GDP আমাৰ ৰাজ্যখনলৈ কিমান আহিব পাৰে। আজি উজনি অসমত দেখা যায় যে এটা খেতি কৰাৰ পাছত সকলোৱে পথাৰত গৰু, ম'হ, ছাগলী এৰি দিয়ে। অকলে কোনোবা এজনে খেতি কৰিম বুলি ভাৱিলেও কৰিব নোৱাৰে। Cluster ভিত্তিত কৰিব লাগিব। আটাইতকৈ ভাল কথা হৈছে বৰ্তমান ৰাজ্যখনত Farmer's Producer Organization গঢ় লৈ উঠিছে। যিসকলে বেলেগ বেলেগ খেতি বিশেষকৈ Horticulture ত involve হৈ পৰিছে আনকি export ত involve হৈ পৰিছে আৰু Domestic Market খন লোৱাৰ কথা আমাৰ দুই এজন সন্মানীয় বিধায়কেও কৈছে সেই দিশটোতো আমি চকু ৰাখিছো আৰু বজাৰ সৃষ্টি কৰাৰ কাৰণে আমি ব্যৱস্থা লৈছো। APART য়ে ৰাজ্যখনৰ বিভিন্ন ঠাইত একোখনকৈ বজাৰ নিৰ্মাণ কৰিবৰ কাৰণে ইতিমধ্যে ধন ধাৰ্য্য কৰিছে। গতিকে বিভিন্ন ঠাইত বজাৰো হ'ব আৰু কিদৰে আমি আৰু বেছি export কৰিব পাৰো, export টো আমি বাদ দিব নালাগে কোনোবা এজনে কৈছে। এটা সময়ত আমাৰ মানুহে কল্পনাই কৰিব পৰাই নাছিল কিন্তু এইবাৰ ৪ হাজাৰ কোটি টকাতকৈও বেছি টকাৰ আমাৰ উৎপাদিত ফচল গৈছে। এইটো সফলতা নহয়জানো? ইয়াত অৱশ্যে চাহপাত টোও আছে। সেইকথা আমি ক'ব লাগিব।

আমাৰ আন কোনোবা এগৰাকী সন্মানীয় সদস্যই কৈছিল, বোধকৰো অখিল গগৈয়ে কৈছিল যে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ক্ষেত্ৰত আমাৰ কোনো অৱদান নাই, এনেকুৱা নহয়। যোৱাবছৰো ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কাৰণে আমাৰ চৰকাৰখনে মাটি আবন্টন দিছে আৰু আমি যিটো ইউৰিয়া দিওঁ তাৰ requirement টো আমি কেন্দ্ৰীয় চৰকাৰক দিওঁ। ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰণে কিমান সাৰৰ প্ৰয়োজন হয় বা বৃহৎ চাহ খেতিয়কৰ কাৰণে কিমান সাৰৰ প্ৰয়োজন হয় বা অন্যান্য খেতিৰ কাৰণে কিমান সাৰৰ প্ৰয়োজন হয়। অধ্যক্ষ মহোদয়, কিন্তু এতিয়া কামটো সহজ হৈছে। ইউৰিয়াৰ ক্ষেত্ৰত আমি বহুখিনি কথা আলোচনা কৰিলো। আমাৰ সন্মানীয় এগৰাকী সদস্যই ITGR সম্পৰ্কতো ক'লে। এইখিনি আমি চাম কেনেদৰে কি কৰিব পাৰো। তেখেতে deactive হৈ আছে বুলি কৈছে আৰু mini cold storage হোৱাৰ কথা কৈছে। মোৰ সমষ্টিত মই নুমলীগড় ৰিফাইনেৰীক কৈ দুটা cold storage লৈছো কাৰণ আমাৰ কাৰ্য্যকালতে মই যোৰহাটত এটা cold storage PPP mode দেখিছিলো কিন্তু চলাব নোৱাৰিলে। সোধোতে তেওঁলোকে ক'লে যে পাৱাৰৰ অসুবিধা আছে। পাৱাৰ ইমান লাগে যে সেইটোৱে আমাৰ নহয়। সেইকাৰণে Solar cold room আমি লৈছো। কম কম বস্তু তাত ৰাখিব পৰা যাব। গতিকে সেই দিশটোৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰিব লাগিব। ছয়গাওঁৰ যিটো cold storage

আছে সেইটো ২৫ কোটি দি বনাইছো। মঙ্গলদৈ জিলাতো আমি এটা বনাইছো। এই দুটা ইতিমধ্যে PPP mode ত চলি আছে। কিন্তু আমি cold room ৰ কথা চিন্তা কৰিব লাগিব। এতিয়া Horticulture বিভাগত এটা scheme আছে HMNES য'ত ৫০ শতাংশ subsidy দিয়া হয়। গতিকে ৫ কোটি টকাৰ যদি এটা সৰু cold storage কৰে তাত ৫০ শতাংশ subsidy পাব। গতিকে তেনেধৰণৰ সুবিধা সমূহ মই ভাৰো কৃষকসকলক ল'বলৈ আমাৰ সতীৰ্থ বিধায়কসকলে ক'ব লাগে।

ইয়াৰ উপৰিও কৃষি বিশ্ববিদ্যালয়কে ধৰি irrigation ৰ এটা coordination ৰ কথা কৈছে। হয়, irrigation ৰ লগত আমাৰ এটা coordination ৰ অত্যন্ত প্ৰয়োজন। কাৰণ আমি নাজানো যে irrigation pump বিলাক কত হৈ আছে? আমাৰ সন্মানীয় মন্ত্ৰী গৰাকী আছে, আমি ভালকৈ কথা পাতিম। আজি কিছুদিন আগতে যেতিয়া বিষয়া পৰ্য্যায়ৰ সভাখন অনুষ্ঠিত হৈছিল তাত মুখ্য অভিযন্তাক মাতি নিয়া হৈছিল। আমি কৈছো যে কৃষি বিভাগৰ লগত আলোচনা কৰি যিবিলাক ডাঙৰ ডাঙৰ জলসিঞ্চনৰ ব্যৱস্থা আছে সেই কামখিনি কৰিব লাগে। কিন্তু আমি কিছু পাম্প দিছো যেনে- চোলাৰ পাম্প, ইলেকট্ৰিকেল পাম্প, ডিজেল পাম্প এইটো ১ লাখকৈয়ে টাৰ্গেট আছিল। এতিয়া বহুতখিনি হৈছে আৰু এইবাৰো আমি তাৰ পৰিমাণ বৃদ্ধি কৰিছো। চোলাৰ পাম্প আৰু ডিজেল পাম্পৰ ডিমাণ্ড আছে, ইলেকট্ৰিকেল পাম্পৰ ডিমাণ্ডটো কম। কিন্তু irrigation ৰ পৰা যিটো দিছে যোৱা বছৰ দিয়া seheme ত কিন্তু ১০০ শতাংশ subsidy আছিল। সেইটো কোৱাৰ পাছত এই যে আমি ৮৫ শতাংশ subsidy দি আছো এইফালে মানুহ আহিব নোখোজে সমস্যা থাকিলেও। এনেকুৱা অসুবিধা কিছুমান আছে। গতিকে subsidy ত আমি যিটো ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিছো সেইবিলাক সুবিধা যাতে আমাৰ কৃষক সকলে ল'বলৈ আগবাঢ়ি আহে। তাৰবাবে যাতে আমাৰ বিধায়ক সকলেও অংশীদাৰ হয়।

মাননীয় অধ্যক্ষ মহোদয়, বিগত সময়ছোৱাত অসমৰ কৃষি খণ্ডত পৰিৱৰ্তন ঘটিছে। ধান উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন স্বাৱলম্বী হৈ উঠাৰ উপৰিও মাহ জাতীয় শস্য, তেল জাতীয় শস্য, বিভিন্ন উদ্যান শস্য আদিৰ উৎপাদন পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পাইছে। মাকৈ উৎপাদনৰ ক্ষেত্ৰতো আমাৰ ৰাজ্যখনে বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৱাকালি পীয়ুষ হাজৰিকা ডাঙৰীয়াই কৈছে যে এটা বৃহৎ অঞ্চলত মাকৈ ইমান ভাল হৈছে যে আমি তাত মাকৈ খেতিয়ে কৰিম। তেনেদৰে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে বিশেষকৈ নদীৰ পাৰে পাৰে থকা মাটিবিলাকত মাকৈ খেতিৰ ওপৰত আমি গুৰুত্ব দিছো, কাৰণ এইবাৰ অসম চৰকাৰৰ কৃষি বিভাগে ফডাৰ মিশ্যন লৈছে। তাৰকাৰণে আমাক মাকৈৰ প্ৰয়োজন হ'ব। গতিকে বাণিজ্যিক দিশৰ পৰা চাবলৈ গ'লেও মাকৈ যথেষ্ট ফলদায়ক হ'ব। ২০১৫-১৬ বৰ্ষত ৮৭,১৭৫ মেট্ৰিকটন মাকৈ উৎপাদন হোৱাৰ বিপৰীতে ২০২১-২২ বৰ্ষত ১লাখ ৭০ হাজাৰ মেট্ৰিকটনতকৈ অধিক মাকৈ উৎপাদন হৈছিল। আমাৰ প্ৰথম আৰু শেষ কথাটো হৈছে কৃষকৰ স্বাৰ্থ আৰু সেই লক্ষ্যৰেই বিভাগটোয়ে কাম কৰি আছে। ২০২২-২৩ বৰ্ষত কৃষি বিভাগে অসম বীজ নিগমৰ জৰিয়তে ৩,৮৩,৫৫৫ কুইন্টল বিভিন্ন শস্যৰ বীজ কৃষক সকলক বিনামূলীয়াকৈ যোগান ধৰিছে। তেনেদৰে APART ৰ অধীনত বিভাগে ২০২২-২৩ বৰ্ষত ৪৩,৫০০ টা প্ৰদৰ্শনমূলক খেতিৰ অধীনত প্ৰায় ২০০০ কুইন্টলতকৈও অধিক পৰিমাণৰ মিলেটকে ধৰি বিভিন্ন শস্যৰ বীজ কৃষকৰ মাজত বিতৰণ কৰিছে। শস্যৰ উৎপাদন আৰু যি মিলেট production হ'ব, মিলেট ক্ৰয় কৰাৰ কাৰণেও মাননীয় মুখ্যমন্ত্ৰীৰ পৰামৰ্শমতে আমি এইখিনি

ব্যৱস্থা লৈছো। আজি MSP ৰ কথা ইয়াত আলোচনা হৈছে যে MSP ৰ অন্যান্য যিবিলাক মাহ জাতীয় শস্য বা অন্যান্য production হয়, সেই production বিলাকত লাগু কৰিব পাৰি নেকি? তাৰবাবে আমি প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু যদি সেইটো হয় স্বাভাৱিকতে আমাৰ কৃষকসকল উপকৃত হ'ব। শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে বিভাগে বিভিন্ন শস্য বীজৰ লগতে শস্য সমূহৰ খেতিৰ বাবে প্ৰয়োজনীয় বিভিন্ন link কিন্তু সময়মতে কৃষকক যোগান ধৰাৰ ওপৰতো অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰি আহিছে। ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষত ৰাষ্ট্ৰীয় কৃষি বিভাগ যোজনাই চাৰি লাখ বিয়াল্লিছ হাজাৰ কুইন্টল বীজ ৰাষ্ট্ৰীয় সুৰক্ষা অভিযানৰ অধীনত ন লাখ আঠত্ৰিশ হাজাৰ কুইন্টল বিভিন্ন শস্যৰ বীজ কৃষকক যোগান ধৰা হৈছে । আপোনালোকে সকলোৱে গম পাইছে যে যোৱাবাৰ দহ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্য স্থিৰ কৰিছিলে । তাৰ পৰিৱৰ্ত্তে ছয় লাখ মেট্ৰিকটন ধান ক্ৰয় কৰা হৈছিল । এই ক্ষেত্ৰত গুদামৰ কিছু অসুবিধা আছে । আজি বৰাক ভেলীৰ লগতে কৰিমগঞ্জ, হাইলাকান্দি আৰু কাছাৰত ৰাইছ মিল নাই । সেই দিশতো চৰকাৰে চিন্তা চৰ্চা কৰিছে যে কি ধৰণে তাত ৰাইচ মিলৰ ব্যৱস্থা কৰিব পৰা যায় ।

২০২২-২৩ বৰ্ষত চৰকাৰে ন দশমিক পয়ষষ্ঠি লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে আৰু এতিয়ালৈকে তিনি দশমিক পয়ত্ৰিশ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিলে । যিহেতু অহা চেপ্টেম্বৰ মাহলৈকে কৃষকৰ পৰা ধান ক্ৰয় কৰাৰ ব্যৱস্থা চলি থাকিব । শেহতীয়াভাবে কেন্দ্ৰীয় চৰকাৰে প্ৰতি কুইন্টল ধানৰ মিম্নতম মুল্য দুই হাজাৰ চল্লিশ টকা ধাৰ্য্য কৰিছে । কৃষকে এই উচ্চমূল্যত ধান বিক্ৰী কৰাৰ বাবে আগ্ৰহ দেখুওৱা পৰিলক্ষিত হৈছে। সেয়েহে এই ন দশমিক পয়ষষ্ঠি লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্যত আপোনালোকৰ সহযোগিতা পালে আমি নিশ্চিতভাবে উপনীত হ'ব পাৰিম। অধ্যক্ষ মহোদয়, বি জেপি মিত্ৰ জোঁটৰ চৰকাৰখনৰ দিনত ৰাজ্যখনত কৃষি খণ্ডত এটা বতাহ বলিবলৈ আৰম্ভ কৰিছে। ২০১৬ চনৰ আগতে ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ আঁচনিৰ প্ৰকৃতাৰ্থত কৃষকৰ কল্যাণৰ বাবে কেনেধৰণে ৰূপায়িত হৈছিল মই আৰু ক'বলৈ নাযাও । ২০১৫- ১৬ চনত এই আঁচনি খনৰ অধীনত অসম চৰকাৰৰ অংশকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা ধনৰ পৰিমাণ চৌৱানব্বৈ কোটি দহ লাখ টকা কিন্তু ইয়াৰ বিপৰীতে২০১৬- ১৭ ৰ পৰা ২০২২- ২৩ বৰ্ষত এই আঁচনিখনৰ অধীনত আমি এক হাজাৰ তিনিশ আঠষষ্ঠি কোটি টকা ব্যয় কৰিবলৈ সক্ষম হৈছো । এই যোজনাসমূহৰ অধীনত ২০২২-২৩ বৰ্ষত প্ৰায় দুশ সাতাইশ কোটি টকা ধন ব্যয় কৰিবলৈ সক্ষম হৈছো । আঁচনিৰ সফল ৰূপায়ণ তথা সময়মতে ধান ক্ৰয় কৰিব পৰা বাবে কেন্দ্ৰীয় চৰকাৰে বিগত বছৰকেইটাত বৃহৎ পৰিমাণৰ ধন আমাৰ ৰাজ্যলৈ আগবঢ়াই দিছে । মাননীয় অধ্যক্ষ মহোদয় ২০২০-২১ বৰ্ষৰ ৰপৰা ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা এই আঁচনি খনৰ জৰিয়তে ছয় লাখ হেক্টৰতকৈ অধিক পৰিমানৰ কৃষি ভূমিৰ নতুন কৃষি, প্ৰযুক্তিৰ সহায়ত খেতি কৰা হৈছে । ইয়াৰ জৰিয়তে ৰাজ্যখনৰ পোন্ধৰ লাখ কৃষক পৰিয়াল উপকৃত হৈছে। সেই সময়ছোৱাত দুই দশমিক চৌধ্য লাখ কুইন্টল বিভিন্ন শস্যৰ বীজ কৃষকৰ মাজত বিতৰণ কৰা হৈছে। তেত্ৰিশ হাজাৰ নশ সত্তুৰ কুইন্টল অধিক উৎপাদন কৰা ধানৰ বীজ কৃষকক যোগান ধৰা হৈছে । ইয়াৰ ওপৰিও তেৰ হাজাৰ চাৰিশ দহ কুইন্টল মাহ জাতীয় শস্যৰ বীজ, ২১,৯৬৩ কুইন্টল তেল জাতীয় শস্যৰ বীজ , তিনি হাজাৰ মৰাপাট , সাতষষ্ঠি হাজাৰ আঠশ উনানব্বৈ কুঁহিয়াৰৰ আগ, চাব্বিশ হাজাৰ আঠশ ছয়ত্ৰিশ কুইন্টল মাকৈৰ বীজ কৃষকক বিনামূলীয়াকৈ আগবঢ়োৱা হৈছে। এই যোজনাৰ অধীনত বিভিন্ন মছলাজাতীয় শস্য আদা, নহৰু , ধনয়া , জিৰা আদিৰ দৰে , জিৰা পিয়াজ আদিৰ দৰে খেতি কৰা হৈছে । এনেকুৱা শস্যৰ

খেতিৰ বাবে প্ৰায় তেইশ হাজাৰ পাচশ ত্ৰিশ হেক্টৰ কৃষি ভূমি সাঙুৰি লোৱা হৈছে । ইয়াৰ জৰিয়তে উনষাঠি গৰাকী উপকৃত হৈছে । ইয়াৰ ওপৰিও সোতৰ হাজাৰ হেক্টৰ কৃষি ভূমিত আলু খেতিও কৰা হৈছে । এই যোজনাৰ অধীনত ২০২২-২৩ বৰ্ষত অসমত প্ৰথমবাৰৰ বাবে প্ৰায় পোন্ধৰ হাজাৰ পাঁচশ কৃষি ভূমি বাইও ফৰ্টিফাইভ মেইজৰ প্ৰদৰ্শনমূলক খেতি কৰা হৈছে । আৰু এই জাতীয় মাকৈত অধিক বেছি পুষ্টি আছে । অধিক পুষ্টিকৰ হোৱা বাবে বিভাগে এই খেতিবিধৰ ওপৰত অধিক গুৰুত্ব দিছে । এই যোজনাৰ অধীনত বিভিন্ন আন্তঃগাঁথনি উন্নয়নতো গুৰুত্ব আৰোপ কৰা হৈছে । বিগত তিনিটা বছৰত কৃষকৰ মাজত চাৰি হাজাৰ লাইট কেট , পাঁচ হাজাৰ চাৰিশ এঘাৰটা চইল মোইশ্যাৰ ইণ্ডিকেটৰকে ধৰি বাৰটা এশ মেট্ৰিকটনৰ ক্ষমতাযুক্ত গুদাম ঘৰ এই যোজনাত নিৰ্মাণ কৰা হৈছে। লগতে তিনি হাজাৰ বাষষ্ঠিখন পাৱাৰটিলাৰ , তিনি হাজাৰ নব্বৈটা ধান কটা যন্ত্ৰ কৃষকৰ মাজত বিতৰণ কৰা হৈছে । কৃষি বিভাগত কেন্দ্ৰীয় চৰকাৰৰ আন এখন আঁচনি হ'ল ৰাষ্ট্ৰীয় সুৰক্ষা অভিযান । ধান , মাহ জাতীয় শস্য, দানা জাতীয় শস্য, মাকৈ আৰু অন্যান্য শস্যৰ কৃষি ভূমিৰ সম্প্ৰসাৰণৰ লগতে উৎপাদন আৰু উৎপাদিকা শক্তিৰ বৃদ্ধি কৰাৰ লগতে মাটিৰ উৰ্ব্বৰতা বৃদ্ধি হোৱাকৈ এই আঁচনিখন নিৰ্মাণ কৰা হৈছে । ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ অধীনত এক লাখ সাতানব্বৈ হাজাৰ পাঁচশ হেক্টৰ কৃষি ভূমি এক হাজাৰ নশ পয়সত্তৰটা প্ৰদৰ্শনমূলক খেতিৰ জৰিয়তে মুঠ তেপন্ন হাজাৰ সাতশ তেপন্ন কুইন্টল বিভিন্নধৰনৰ শস্যৰ বীজ কৃষকৰ মাজত যোগান ধৰা হৈছে । ইয়াৰ জৰিয়তে এক লাখ ছয়ত্ৰিশ হাজাৰ চাৰিশ পয়ত্ৰিশ জন কৃষক উপকৃত হৈছে । ২০১৫- ১৬ বৰ্ষলৈকে এই অভিযানৰ অধীনত ৰাজ্যখনত মাত্ৰ এশ আঠষষ্ঠিখন পাৱাৰ টিলাৰ বিতৰণ কৰাৰ বিপৰীতে ২০১৯ বৰ্ষৰ পৰা ২০২২-২৩ বৰ্ষলৈ আঠ হাজাৰ আঠশ নব্বৈখন পাৱাৰ টিলাৰ , তিনিশ ছয়খন ৰুটাভেটৰ, এশ সাতটা মৰণা মৰা যন্ত্ৰ, তিনি হাজাৰ সাতশ ছাব্বিশটা পাৱাৰ স্প্ৰে, এঘাৰ হাজাৰ পাচশ চাব্বিশটা শস্য স্প্ৰে, তিনিশ সাতষষ্ঠি পালভেৰাইজাৰ, এহাজাৰ নশ সাতষষ্ঠি নিম্ন উত্তোলক পাম্প কৃষকক বিতৰণ কৰা হৈছে । ২০১৫-১৬ চনত অসমৰ ধানৰ উৎপাদিকা শক্তি আছিল প্ৰতি হেক্টৰক মাত্ৰ দুই হাজাৰ উনানব্বৈ কিলোগ্ৰাম ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয় সুৰক্ষা খাদ্য আঁচনিৰ জৰিয়তে ২০২০-২১ বৰ্ষত ধানৰ উৎপাদিকা শক্তি দুই হাজাৰ দুশ ন কিলোগ্ৰামলৈ বৃদ্ধি পালে। মাননীয় অধ্যক্ষ মহোদয় ইয়াত আৰু এটা গুৰুত্ব দিবলগীয়া বিষয় হৈছে প্ৰধান মন্ত্ৰী ফচল বিমা যোজনা । এই আঁচনিখন ২০১৬- চনত অসমত আৰম্ভ হৈছে । অসমত বানপানী খৰাং লগতে শস্যৰ বেমাৰ আদিও যথেষ্ট হয় । প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত দুই শতাংশ ৰবি শস্য, পোন্ধৰ শতাংশ বাণিজ্য উদ্যান শস্যৰ ক্ষেত্ৰত মুঠ বীমা ৰাশিৰ পাঁচ শতাংশ কৃষকে বহন কৰিব লাগে । গতিকে আমাৰ খেতিয়কসকলে কেনেধৰনে উপকৃত হ'ব পাৰে তাৰ কাৰণে আমাৰ সদস্যসকলে যদি আমাৰ কৃষকসকলক অকণমান চাপোৰ্ট দিয়ে তেন্তে আৰু অধিক উপকৃত হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী , এতিয়া দুই বাজিছে গতিকে সদনৰ নিয়ম অনুসৰি আপোনালোকৰ সমৰ্থনত আমাৰ যিমান দাবী মঞ্জুৰী আছে সেইটো আমি গিলোটিনত দিলো । গতিকে ইয়াৰ ওপৰত আৰু আলোচনা নহয়। যিহেতু মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দি আছে মই তেখেতক উত্তৰটো সম্পূৰ্ণ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** আমাৰ চাপোৰ্ট বিচৰা কাৰণে অসুবিধাটো উল্লেখ কৰি দিলে।

**মাননীয় অধ্যক্ষ ঃ** হব, debate আৰু কৰিব নালাগে। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুতে কৈছে যে ধানৰ বীজ উৎপাদনৰ বাবে ধান বিলাক আমি বাহিৰৰ পৰা ক্ৰয় কৰো। কিন্তু ধানৰ ক্ৰমানিট বীজ উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন স্বাৱলম্বী হোৱাৰ পথত আগবাঢ়িছে। বৰ্তমান ৰাজ্যখনত ৩৮ হাজাৰ মেট্ৰিকটন ধানৰ ক্ৰমানিট বীজৰ প্ৰয়োজন হোৱাৰ বিপৰীতে ২০২২-২৩ বৰ্ষত ৯ হাজাৰ ৫০০ হেক্টৰ কৃষি ভূমি ধানৰ ক্ৰমানিট বীজ উৎপাদনৰ বাবে পঞ্জীয়ন কৰা হৈছে। ইয়াৰ পৰা ৩৫ হাজাৰ মেট্ৰিকটন ক্ৰমানিট বীজ উৎপাদন হ'ব বুলি আশা কৰা হৈছে। উল্লেখ যোগ্য যে ৰাজ্য খনত ৩৮ হাজাৰ ক্ৰমানিট বীজৰ প্ৰয়োজন। উল্লেখযোগ্য যে ২০১৬-১৭ বৰ্ষৰ পৰা ২০২০-২১ বৰ্ষলৈ ৰাজ্যখনত ধানৰ মুঠ ৭৯৪৮২ মেট্ৰিকটন ক্ৰমানিট বীজ উৎপাদন কৰা হৈছে। ২০০১ চনৰ ৪ আগষ্ট তাৰিখে প্ৰকাশ পোৱা অসম চৰকাৰ কেবিনেট মেমোৰিণ্ডাম অনুসৰি অসম ৰাজ্যিক বীজ ক্ৰমানিকৰণ এজেন্সি নাম সলনি কৰি নতুনকৈ অসম বীজ আৰু জৈৱিক ক্ৰমানিকৰণ এজেন্সি ৰখা হৈছে। ইয়াৰ ফলত সংস্থাটোৱে বিভিন্ন শস্যৰ জৈৱিক প্ৰমানপত্ৰ দিয়াৰ কৰ্ত্তত্ব লাভ কৰাৰ ফলত ৰাজ্যখনৰ বহুতো শিক্ষিত নিবনুৱা যুৱকে এই ক্ষেত্ৰলৈ আকৰ্ষিত হৈছে। Agriculture Infrastructure Fund নামৰ কেন্দ্ৰীয় চৰকাৰৰ এখন আঁচনিৰ জৰিয়তে ৰাজ্য খনৰ কৃষি আন্তঃগাঁথনিৰ বিকাশত গুৰুত্ব আৰোপ কৰা হৈছে আৰু এই আঁচনি খনৰ জৰিয়তে Management Project Community funding etc ৰ ওপৰত গুৰুত্ব দি প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ বাবে বিত্তীয় সাহাৰ্য্য আগবঢ়োৱা হৈছে। এই আঁচনিখন ২০২০- ২১ বৰ্ষৰ পৰা ২০৩২-৩৩ বৰ্ষলৈ ৰূপায়ণ কৰিবলৈ লোৱা হৈছে আৰু এই আঁচনি খনৰ অধীনত বেংকৰ জৰিয়তে ২ কোটি পৰ্য্যন্ত প্ৰতিবছৰে ৩ শতাংশ সূদৰ হাৰত ৭ বছৰলৈ ঋণৰ সুবিধা আগবঢোৱা হৈছে। এই আঁচনি খনৰ জৰিয়তে কৃষি আন্তঃগাঁথনিৰ সৃষ্টি কৰিবলৈ আগ্ৰহী উদ্যোগীসকলক আকৰ্ষিত কৰিবলৈ ইতিমধ্যে ৰাজ্যিক আৰু জিলা পৰ্য্যায়ত পৰামৰ্শদাতা কমিটী গঠন কৰা হৈছে। আঁচনি খনৰ অধীনত আমাৰ ৰাজ্যখনৰ ২০৫০ কোটি আৱন্টন দিয়া হৈছে। গতিকে ২০৫০ কোটি টকাৰ এতিয়া বেছিভাগে খৰচ নোহোৱাকৈয়ে আছে। ১০০ কোটি খৰচ হৈছে। গতিকে কোনোবা যদি উদ্যোগী আগবাঢ়ি আহে মই ভাৱো Agriculture Infrastructure Fund ৰ জৰিয়তে নিশ্চয় উপকৃত হ'ব। কিন্তু বীজ উৎপাদন কেন্দ্ৰৰ বিকাশৰ বাবেও বহুতখিনি ব্যৱস্থা কৰা হৈছে। এটাৰ জৰিয়তে আমি যথেষ্ট কাম কৰিছোঁ। আমাৰ Horticulture বিভাগৰ জৰিয়তে যথেষ্ট আঁচনি লৈছোঁ। গতিকে এই আঁচনিৰ সুফল যাতে কৃষকে পায়, তাৰ কাৰণে মই সন্মানীয় সকলো সদস্যৰ সহযোগীতা আশা কৰিছোঁ। আশা ৰাখিছো সন্মানীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়া প্ৰমুখ্যে যি সকলে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছিল, বিৰোধীয়েতো বিৰোধীতা কৰিবই, উপায় নাই, আমিও কৰিব লাগিলেহেঁতেনঙ্গ কিন্তু আমি আপোনালোকক কথা দিছো যে মাননীয় মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াৰ যি লক্ষ্য আমাৰ ৰাজ্য ভাৰতৰ ৫ খন ৰাজ্যৰ তালিকাত অন্তৰ্ভূক্ত কৰা, তাৰ কাৰণে আমি কোনো ধৰণৰ আপোচ নকৰো, যিয়েই যিমানেই তুচ্ছ্য তাচ্ছিল্য নকৰক কিয়, যেনেধৰণে সমালোচনা নকৰক কিয়, আমি সেই লক্ষ্যত উপনিত হ'বলৈ আমি দৃঢ়তাৰে আগবাঢ়িম। সকলোকে ধন্যবাদ জনাইছো আৰু বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰিপূৰক দাবী মঞ্জুৰীৰ নং ৪৮ আৰু ১৪ ৰ লগতে ৩, ৬, ৯, ১২, ২৩, ২৫,২৬,২৭, ২৯, ৩৪, ৩৫, ৩৮, ৩৯, ৪২, ৪৫, ৪৯, ৫৪,৫৬, ৫৮,৫৯, ৬২, ৬৪, ৬৫, ৬৭, ৭১,৭৩,৭৪ আৰু ৭৫ সদনৰ অনুমোদনৰ বাবে আগবঢ়ালোঁ। যি সকল মাননীয় সদস্য-সদস্যাই মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যাই মঞ্জুৰী প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ

সপক্ষে, হয়ৰ সপক্ষ, পৰিপূৰক দাবী মঞ্জুৰী নং ৪৮ আৰু ১৪ ৰ লগতে ৩, ৬, ৯, ২১, ২৩, ২৫,২৬,২৭, ২৯, ৩৪, ৩৫, ৩৮, ৩৯, ৪২, ৪৫, ৪৯, ৫৪,৫৬, ৫৮,৫৯, ৬২, ৬৪, ৬৫, ৬৭, ৭১,৭৩,৭৪ আৰু ৭৫ গৃহীত হ'ল।

এতিয়া “The Assam Appropriation (No.I) Bill, 2023” .

ৰাজভৱনৰ পাৰ এটা বাণী আছে বাণীটো হ'ল Under the provision of Article 2071 of the constitution of India I, Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of “The Assam Appropriation (No.I) Bill, 2023” in the Assam Legislative Assembly.

এতিয়া মই বিত্তমন্ত্ৰীৰ হৈ Parliamentary Affairs Minister ডাঙৰীয়াক বিধেয়ক খন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী )ঃ** माननीয় অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্ৰী সন্মানীয় অজন্তা নেওগ ডাঙৰীয়ানীৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “The Assam Appropriation (No.I) Bill, 2023” সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ সদনত সন্মতি আছেনে? যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

ৰাজভৱনৰ পাৰ এটা বাণী আছে বাণীটো হ'ল Under the provision of Article 2073 of the constitution of India I, Shri Gulab Chand Kataria, Governor of Assam recommend that the “The Assam Appropriation (No.I) Bill, 2023” be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মাননীয়া বিত্তমন্ত্ৰীৰ হৈ Parliamentary Affairs Minister ডাঙৰীয়াক বিধেয়ক খন বিবেচনাৰ বাবে সদনত উত্থাপনৰ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্ৰী সন্মানীয় অজন্তা নেওগ ডাঙৰীয়ানীৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “The Assam Appropriation (No.I) Bill, 2023” বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল বিধেয়কখন বিবেচনা কৰিবলৈ সদনত সন্মতি আছেনে? যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক, ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষ , বিধেয়ক ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল। এক নং দফা পৰিষৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব, যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল

মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেতসকলে কওক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে এক নং দফা, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় Parliamentary Affairs Minister ডাঙৰীয়াই বিত্তমন্ত্ৰীৰ হৈ বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্ৰী সন্মানীয়া অজন্তা নেওগ ডাঙৰীয়ানীৰ হৈ "The Assam Appropriation (No.I) Bill, 2023" খন পাৰিত কৰণৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল "The Assam Appropriation (No.I) Bill, 2023" পাৰিত কৰা হওক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া lunchbreak, the House adjourned till 03.00 P.M .

**সদন আজি ইংৰাজী ১৫-০৩-২০২৩ তাৰিখ বুধবাৰে আবেলি ৩.০০ বজাৰ পৰা মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত আৰম্ভ হয়।**

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি প্ৰতিমা পাণ্ডে বৰুৱাৰ নামত যিটো বঁটা সৰু ছোৱালীজনীক প্ৰদান কৰাক লৈ যিটো বিতৰ্ক হৈছিল তাৰ ওপৰত অসম চৰকাৰৰ ফালৰ পৰা এটা স্পষ্টীকৰণ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ এইটো ওপৰত স্পষ্টীকৰণ ইতিমধ্যে দিয়া হৈছে। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল ৰছিদ মণ্ডল। আপোনাক ৫ মিনিট দিয়া হৈছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (গোৱালপাৰা পশ্চিম )** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ৰূপক শৰ্মা ডাঙৰীয়াই ধন্যবাদ সূচক যি প্ৰস্তাৱ আনিছিল, সেই প্ৰস্তাৱক মই বিৰোধীতা কৰিব খুজিছো কাৰণ ৰাজ্যপাল গৰাকীৰ ভাষণত চৰকাৰখনৰ যি লক্ষ্য উদ্দেশ্য কামৰ সঠিক প্ৰতিফলন আমি দেখা পোৱা নাই কাৰণ এই চৰকাৰে ইমান বিলাক ঘোষণা কৰে যে জনসাধৰণেও পাহৰি যায়, আমিও পাহৰি যাওঁ। ঘোষণা কৰিছিল মূল্য বৃদ্ধি ৰোধ কৰিব, হৈছে জানো, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫০ লৈ বৃদ্ধি কৰিব এতিয়ালৈ হোৱা নাই। মাৰ্চ ২০২২ ৰ ভিতৰত ১ লাখ চাকৰি সম্পূৰ্ণ কৰিব, সেইটো নাই হোৱা নাই। ১ হাজাৰ টা Sub-Center ক CHC লৈ উন্নতীকৰণ কৰা হ'ব। শিক্ষাৰ ক্ষেত্ৰত প্ৰতিটো ব্লকতে মডেল স্কুল স্থাপন, সেইটো নাই হোৱা নাই। মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰামোন্নয়ন যোঁজনাৰ অধীনত প্ৰত্যকটো উন্নয়নখণ্ডত দুটাকৈ খেল পথাৰ নিৰ্মাণ কৰা। সেইটো হোৱা নাই। বিজেপি চৰকাৰ অসমত আৰম্ভ হোৱাৰ পিছতে ২০১৭-১৮ চনতে ১ লাখ নিবনুৱা যুৱক-যুৱতীক স্বয়ং আঁচনিৰ অধীনত সংস্থাপিত কৰাত যি ঘোষণা মাত্ৰ ৫ শতাংশ মান হে কাৰ্য্যকাৰী হৈছে। ঘোষণা যথেষ্ট কৰা হয় কিন্তু ৰূপায়নৰ বেলিকা আমি দেখা নাপাওঁ। আৰম্ভণিৰ পৰা যোৱা দিন বিলাকত দেখা পাইছো জেহাদীৰ নামত পুলিচ প্ৰয়োগ কৰি এনে ভাবে এৰেষ্ট কৰা হ'ল তাৰ বহুতে জেহাদী নহয় কিন্তু তেখেত সকলে কোৰ্টৰ পৰা বেইল পালে। পুলিচ এনকাউন্টাৰ কৰি কিমান মানুহ মৰা হ'ল। মানুহৰ মাজত এটা Track ৰচনা কৰা হয়। যাতে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব নোৱাৰে। চৰকাৰে ঘোষণা কৰিছিল যে যি বিলাক ভূমিহীন মানুহ চৰকাৰী পটিত মাটিত বসবাস কৰি আছে, তেখেত সকলক পট্টা দিয়া হ'ব। কিন্তু

যি ধৰণে বুলডাৰ লগাই উচ্ছেদ চলোৱা হ'ল তাৰ দ্বাৰা নতুন নতুন সমস্যা সৃষ্টি কৰা হ'ল। কিছুদিন আগতে দেখা পাইছো যে, SBI ৰ LIC ত জমা থকা পইচা আদানিৰ কোম্পানীত হ্লinvest হোৱাৰ পিছত গোটেইখিনি টকা উদং হোৱাৰ উপক্ৰম হৈছিল এই ঘটনাৰ লগত ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীৰ নাম জড়িত হৈ অসমত এটা আন্দোলন মুখী পৰিবেশৰ সম্ভাৱনা আছিল। অসমৰ মানুহে তেওঁলোকৰ সম্পত্তি তেখেত সকলে ধন ঘূৰাই বিচাৰি ৰাজপথত বিজেপি চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিব নোৱাৰে। সেই আন্দোলন পৰিবেশটো নহোৱা কৰাৰ কাৰণে Child Marriage ৰ আইনৰ অধীনত যথে-মধে গ্ৰেপ্তাৰ কৰা হ'ল। Child Marriage ৰ আইনৰ অধীনত The Gauhati High Court has expressed a strong displeasure over Assam Government decision to convert Matia transit camp in Goalpara district which houses of Foreigners. গুৱাহাটী উচ্ছ ন্যায়ালয়েও অসন্তুষ্টি প্ৰকাশ কৰিছে। যি বিলাক ঠাইত বিদ্যালয় নাই সেই বিলাক ঠাইত বিদ্যালয় স্থাপন কৰিব লাগে। যি মেডিকেল কলেজ বিলাক হৈছে তাত এতিয়ালৈ ডাক্তৰ নাই। অসমৰ ৭ খন জিলাত প্ৰধান মন্ত্ৰী অভিলাখী আঁচনি ৰূপায়নৰ কথা আছিল। গোৱালপাৰাতও এখন আশাব্যঞ্জক জিলা মই দেখা নাই যে তাত কিবা সাংঘাটিক ধৰণৰ কিবা এটা কৰা হৈছে। পুলিচ কিছুমান ঠাইত ইমানে Active দেখা যায় যে, কনোৱাই এটা ফেচবুক পোষ্ট দিয়াৰ লগে লগে আমি এৰেষ্ট কৰিলো। অসমৰ পৰা পুলিচ গৈ জিগনিছ মৰেণীক এৰেষ্ট কৰিব পাৰে, পৱন খেৰক এৰেষ্ট কৰিব পাৰে কিন্তু অসম আৰু অসমীয়াক অপমান কৰা বাচ্ছু কাদুক এৰেষ্ট অসম পুলিচক তৎপৰ হোৱা দেখা নগ'ল। ৰাজ্যপাল ডাঙৰীয়া ভাষণত এই বিলাক কথা উল্লেখ নাই। মই ধন্যবাদ সূচকৰ প্ৰস্তাৱক মুঠেইও সমৰ্থন কৰিব নোৱাৰি।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী হেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই বক্তব্যৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বৰ্তমান চৰকাৰখনে অসমখনক সৰ্বাঙ্গীন উন্নতীৰ দিশে আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সকলো দিশত তাৰ এখন বাস্তৱ ছবি মহামান্য ৰাজ্যপাল মহোদয়ে, পবিত্ৰ বিধান সভাত দাঙি ধৰিছে। আমি কেতিয়াও দেখা নাছিলো অসম চৰকাৰে বাজেটত ১ লাখ কোটি টকা ব্যয় কৰিছে। প্ৰথমবাৰৰ বাবে বাজেটত এক লাখ কোটি টকা ব্যয় হৈছে এইটো এটা ডাঙৰ সফলতা। ২০২২-২৩ বিত্তীয় বৰ্ষত একত্ৰিত পুঁজিৰ বাজেটত মুঠ ১ লাখ ২৭ হাজাৰ ৭৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। তাৰে বৰ্তমান ফেব্ৰুৱাৰী মাহলৈ ইতিমধ্যে ১ লাখ ৩ হাজাৰ কোটি টকা ইতিমধ্যে ব্যয় হৈছে। এই মাহৰ শেষৰ ফাৰে প্ৰায় ১০০ শতাংশ ব্যৱহাৰ হৈছে। পূৰ্বৰ ২০০১ ৰ পৰা ২০১৫ ৰ চৰকাৰ আমি চাওঁ বাজেটৰ ৭০ শতাংশ কাম সম্পূৰ্ণ কৰা নাছিল। আমি আমাৰ চৰকাৰৰ দিনত ১০০ শতাংশ ব্যৱহাৰ কৰিছো। আমাৰ মূলধনী ব্যয় ২০১৩-১৪ বৰ্ষত ২হাজাৰ ৮২১ কোটি টকা আছিল, বৰ্তমান ২০২১-২২ বৰ্ষত ২০ হাজাৰ কোটি টকা হৈছে। কঁভিডৰ সময়ত যি দৰে গোটেই বিশ্বত tax collection ত মাইনাচত আছিল, তেতিয়া অসমৰ ক্ষেত্ৰত ২৩.৫ শতাংশ নিজা tax collection কৰিছিল। অধ্যক্ষ মহোদয়, GDP ৰ ক্ষেত্ৰত অসমে ৫ লাখ কোটি টকা অতিক্ৰম কৰিবলৈ গৈ আছে। আৰু GDP ৰ যিটো গ্ৰোথ আছে; ১০.৬১ শতাংশ হ'বলৈ গৈ আছে। আজি ১৫ বছৰীয়া চৰকাৰৰ শাসনকালৰ বিভিন্ন সময়ত দেখা গৈছে যে চাকৰিয়াল বোৰে দৰমহা পোৱা নাছিল। কিন্তু বৰ্তমান ক'ভিডকো নেওঁচি বৰ্তমান চৰকাৰখনে এতিয়ালৈকে চৰকাৰী চাকৰিয়াল সকলক নিয়মীয়াকৈ দৰমহা দি আছে। অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বৰ্তমান

অসমত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। ইতিমধ্যে নতুন শিক্ষানীতিৰ আধাৰত অসম চৰকাৰখনে আন্তঃগাঠনিকে ধৰি বিভিন্ন বিষয় যথেষ্ট গুৰুত্বসহকাৰে লৈছে। মোৰ নিজৰ সমষ্টিতে ইতিমধ্যে বিভিন্নখন স্কুলত কাম আৰম্ভ হ'বলৈ গৈ আছে। নতুন শিক্ষানীতিৰ অধীনত আমি সকলোৱে জ্ঞাত যে ল'ৰা-ছোৱালী এতিয়া অঙ্গনাবাড়ী কেন্দ্ৰ সমূহত পঢ়াটো মেণ্ডেতৰী হ'ব। সেইটোৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ ১২৬ টা সমষ্টিত নতুনকৈ অঙ্গনবাড়ী কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰ লগে লগে এটা সময়ত অঙ্গনবাড়ী কেন্দ্ৰৰ যি ধাৰণা আছিল এটা সৰু ঘৰ, সেই ধাৰনাটো এতিয়া নাইকীয়া হৈছে। অঙ্গনবাড়ী কেন্দ্ৰ সমূহত infrastructure ভাল কৰা হৈছে। তাত পানী যোগানৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পবিত্ৰ বিধান সভাত আমাৰ বিৰোধী পক্ষৰ বিভিন্ন জন সদস্যই ডাবোল ষ্টেণ্ডাৰ্ড কথা কয়। এফালে যোৱা পৰহি দেখা গৈছে যে এজন মাননীয় সদস্যই কৈছে যে অসমে বিদ্যুৎ উৎপাদন কৰিব নোৱাৰে। ইতিমধ্যে যদি চৰকাৰে বিদ্যুৎ উৎপাদন কৰাৰ কাৰণে natural resources প্ৰয়োগ কৰি বিদ্যুৎ উৎপাদন কৰে, তেওঁলোকে কিন্তু তাৰো বিৰোধীতা কৰে, কেইজনমানে কিন্তু ৰাজপথত আন্দোলনো কৰে। অধ্যক্ষ মহোদয়, এইবোৰক কয় ডাবোল ষ্টেণ্ডাৰ্ড কথা । অধ্যক্ষ মহোদয়, এটা সময়ত আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলক নেগলেক্ট কৰা হৈছিল। সেইটোৰ কাৰণে ৬০-৭০ বছৰ ধৰি যি নেগলেক্ট হৈ আছে, তাৰ কাৰণে বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ অসমত জন্ম হৈছিল। কিন্তু বৰ্তমান দেখা গৈছে, যে যি পৰিস্থিতিত কেন্দ্ৰত যি চৰকাৰ চলি আছে, অসমত যি চৰকাৰ চলি আছে, শান্তিৰ পৰিবেশ এটা ঘুৰি আহিছে। আমাৰ ১২৬ জন বিধায়কে ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ যি সপোন, অসমক শ্ৰেষ্ঠ্য ৫ খন ৰাজ্যত পৰিণত কৰাৰ ক্ষেত্ৰত, ১২৬ জন বিধায়কে সকলোৱে তাত সমভাগ লৈ তেওঁক সহযোগ কৰিব লাগে, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া শ্ৰীভবেন্দ্ৰ নাথ ভড়ালী।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, (ডেৰগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত দুটা পইন্টত কথাখিনি ক'ব বিচাৰিছো। প্ৰথম হ'ল আমাৰ অসমীয়া মানুহখিনি প্ৰচাৰ বিমুখ। সাধাৰণতে নিজৰ ভাল কথাখিনি বাহিৰলৈ নিব নোখোজে। যাৰ ফলত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ ভিতৰতে সীমাবদ্ধ হৈ থাকিল। মহাপুৰুষ মাধৱদেৱো অসমৰ ভিতৰতে সীমাবদ্ধ হৈ থাকিল। কিন্তু আজিৰ দিনটোত আমি অসমত এই নতুন মিত্ৰজোঁটৰ চৰকাৰ, ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰখনে একেবাৰে সৰু কথাটোত উচ্চস্তৰত চিন্তা কৰিছে। চিন্তা কৰি অসমক আহোম ৰাজত্ব কালত মোগলৰ পৰা ৰক্ষা কৰা সেনাপতি লাচিত বৰফুকন, তেখেতৰ বীৰত্বৰ সম্পৰ্কত অকল অসমতেই, আমি বুৰঞ্জীত শিবাজীৰ বিষয়ে পঢ়িবলৈ পাওঁ, বুৰঞ্জীত পঢ়িবলৈ পাওঁ ঝাঞ্চিৰাণীৰ বিষয়ে, কিন্তু লাচিত বৰফুকনৰ বিষয়ে আমি পঢ়িবলৈ নাপাওঁ। এই সম্পৰ্কত আমাৰ মাননীয় গতিশীল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা দেৱে অসমৰ বাহিৰতো ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ লাচিত বৰফুকনক উলিয়াই নিয়াৰ ক্ষেত্ৰত পদক্ষেপ লৈছে। সেই পদক্ষেপ অতি আদৰণীয়। তাত কিমান ধন খৰচ হৈছে, কি হৈছে, সেইটো কথা নহয়, বিৰোধী পক্ষৰ কিছু কিছু সদস্যই কৈছে, ইমান কোটি টকা খৰচ কৰি তাতে সভাখন পাতিলে ইত্যাদি। কিন্তু এই যে সৰু কথাটো, অসমৰ বহুত তেনেকুৱা প্ৰতিভা আছিল, আমি কিন্তু ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত তেওঁলোকক দাঙি ধৰিব পৰা নাই। গতিকে এই প্ৰচেষ্টাক আমি সুন্দৰ ভাবে মাননীয় মুখ্যমন্ত্ৰীক আমি ধন্যবাদ জনাইছো আৰু আশা কৰিছো, অসমৰ যিখিনি প্ৰতিভা আগতে আছিল, বা এতিয়া

আছে, সেইখিনিক যাতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়লৈ নিব পাৰো, তাৰ ব্যৱস্থা লোৱাত আমি আদৰণী জনাইছো। সেই একেদৰে বিহু আমাৰ হিয়াৰ আমঠু। বহাগ বিহুত আমি সকলোৱে ৰং ৰহইচ কৰো। কিন্তু এনেধৰণৰ যিটো আমাৰ জাতীয় উৎসৱ প্ৰত্যেক জাতিৰে আৰু প্ৰত্যেক দেশৰে আছে। কিন্তু বিহুক , এই সংস্কৃতিক আমি বাহিৰলৈ নিয়া নাই বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়লৈ নিবলৈ সক্ষম হোৱা নাই। বৰ্তমান পৰ্য্যায়ত মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্ম্মা দেৱে এটা সুন্দৰ প্ৰচেষ্টাৰে কামখিনি কৰিব খুজিছে, তাৰ জৰিয়তে গ্ৰীনিছ বুকত ৰেৰ্কড হোৱা মানে পৃথিবীৰ জনসাধাৰণে এইটো কি বস্তু আহিল সেইটো চাব, শিকিব। গতিকে সেই সম্পৰ্কত এটা ব্যৱস্থা লৈছে। তাত কিমান ধন খৰচ হৈছে, কি হৈছে সেইটো কথা নহয়। কিন্তু আমাৰ ঐতিহ্যক প্ৰচাৰৰ বাবে আৰু প্ৰসাৰৰ বাবে এই ব্যৱস্থাটো লৈছে। এইটো অতি সুন্দৰ আৰু এই কা ৰণে তেওঁক ধন্যবাদ জনাইছো। ঠিক একেদৰে মই বেছি কথা ক'ব খোজা নাই, দেশখনৰ ভিতৰত প্ৰত্যেকটো স্তৰত মানুহক শিশুৰ পৰা বৃদ্ধজনলৈকে বিধবাৰ পৰা বিবাহ নোহোৱা মহিলালৈকে সকলোকে প্ৰতেকটো স্তৰৰ মানুহৰ ক্ষেত্ৰত এই চৰকাৰখনে আঁচনি লৈছে। যাতে এখন সুস্থ সমাজ , শক্তিশালী সমাজ আমি পাওঁ। তাৰ কাৰণে বিশেষভাৱে আলোচনা কৰি ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত এটা কথা ক'ব লাগিব যে কণ কণ শিশু তিনি বছৰৰ পৰা ৬ বছৰলৈকে তেওঁলোকে এটা বাকচৰ ভিতৰত খেল ধেমালিৰে পঢ়িব লাগে। এটা বাকচৰ ভিতৰত ৰাখি তেওঁলোকক শিকোৱা হয়। কিন্তু এই চৰকাৰে এনেকুৱা এটা ব্যৱস্থা কৰিছে যাৰ জৰিয়তে গোটেইখিনি সুবিধা পোৱাকৈ শিশুটোৰ কোমল মনক আগবঢ়াই লৈ যোৱাৰ বাবে এটা পৰিবেশ তৈয়াৰ কৰি দিছে। তেওঁলোকে নিজক মানুহ হিচাপে গঠন কৰিব পাৰিব। ঠিক সেই একে ধৰণে বিধবা, অবিবাহিত আৰু ডিভৰ্চি আৰু বিভিন্ন স্তৰৰ লোকৰ কাৰণে অৰুনোদয় আঁচনিৰ জৰিয়তে বিকাশৰ এটা সুন্দৰ পদক্ষেপ গ্ৰহণ কৰিছে। আমি আশা কৰিছো, এই চৰকাৰৰ নেতৃত্বত আমি সুন্দৰভাৱে অসমক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত ভাৰতৰ উন্নত ৫ খন ৰাজ্যৰ ভিতৰত এখন হ'বগৈ বুলি আমি আশা কৰি ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সমৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ এতিয়া শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱক আমি বিৰোধিতা কৰি দুষাৰ ক'ব বিচাৰিছো। সাম্প্ৰতিক সময়ত ৰাজ্যত যি আইন শৃঙ্খলাৰ পৰিবেশ, সেই পৰিবেশৰ যে অৱনতি ঘটিছে। সেই কথা সমসাময়িক কালত ঘটি থকা ঘটনা প্ৰবাহে প্ৰমান কৰিছে আৰু বিগত কেইবাটাও দিনৰ কাকত, সংবাদ আদিত চকু ফুৰালে স্পষ্ট হৈ উঠিব । ইয়াৰ উপৰিও আপুনি যদি ৰাজ্যত চাই,এনকাউন্টাৰৰ নামত কিছু বিভিষিকা নমাই অনা হৈছে। আজি মুক্ত ভাৱে এইখিনি কথা আলোচনা কৰাতো এই কাৰণেই প্ৰয়োজন, এনকাউন্টাৰক কোনোবাই সমৰ্থন কৰে, মই ভাবো যে তেনেহ'লে সদনত এটা আইন অনা হওঁক extra judicial killing ক আমি বৈধতা প্ৰদান কৰো। আপোনালোকে পাচ কৰাই লওঁক। আজি এনকাউন্টাৰক কেন্দ্ৰ কৰি ৩ টা এনকুৱেৰি হৈছে, আপুনি যদি নগাওঁৰ কৃতিকমলৰ ঘটনাটো চাই, আপুনি যদি খাৰুপেটীয়াৰ ধৰা মহম্মদ তালাব আলাব, আবুৰ ঘটনাটো যদি চাই, ওদালগুৰিৰ ৰৌতাৰ ডকাইতৰ যদি ঘটনাটো চাই, সেই তিনিওটা ঘটনাৰে এনকাউন্টাৰবোৰ মিছা আছিল, আৰক্ষীয়ে এইটো সজাইছিল, এই কথাটোকে প্ৰমান কৰিছে। ৰাজ্যৰ যদি আৰক্ষীৰ হাততেই গোটেইখিনি তুলি দিয়া হয়, যদি ভাৱে যে আৰক্ষীয়ে বিচাৰ কৰিব আৰক্ষীয়ে অপৰাধী বিচাৰিব আৰু আৰক্ষীয়ে শাস্তি দিব, তেতিয়া হ'লে আমাৰ ক'বলগীয়া নাই । সেই ক্ষেত্ৰত চৰকাৰে এটা আইন পাছ কৰিব

লাগে। আমি বিৰোধীতা কৰিম কিন্তু সেইটো চৰকাৰে বৈধতা পাব। আজি গোটেই অসমে, কেৱল অসমে নহয় গোটেই ভাৰতবৰ্ষই আৰু বিশ্বই লক্ষ্য কৰিব যে অসমত কি হৈ আছে। প্ৰায় ডেৰশৰ ওচৰাওচৰি এনকাউন্টাৰৰ ঘটনা হৈছে। ৰাজ্যত আইন শৃংখলা পৰিস্থিতি কিন্তু সঠিক লগা নাই। আজি ৰাজ্যত বাট পথৰ উন্নয়নৰ কথা আমাৰ শাসকীয় পক্ষই বৰকৈ কৈ আছে, আমি অনুভৱ কৰিছিলো, ৰাজ্যপাল মহোদয়ৰ ভাষনত এই কথাটো উল্লেখ হ'ব বিগত এই চৰকাৰখন গঠন হোৱাৰ পিছত ৰাজ্যত বাট পথ সিমানকৈ নিৰ্মাণ কৰিব পৰা, নাই যাৰ কাৰণে তেখেতে দুখ প্ৰকাশ কৰিব, কৰা নাই। আজি দুটা বিত্তীয়বৰ্ষ সম্পূৰ্ণ ৰূপে পাৰ হৈ যোৱাৰ পাছত বহু সমষ্টিত বাট পথৰ কাম আৰম্ভ হোৱা নাই। এইবাৰ আৰম্ভ হ'ব, কিছুমান অৰ্ডাৰ হ'ব কিন্তু অহাবাৰহে তেওঁলোকে সেই কাম কৰিব পাৰিব। কাৰণ এতিয়া বাৰিষাৰ দিন আহিব। অৰ্থাৎ তিনিটা বিত্তীয়বৰ্ষত এবাৰহে কাম হ'ব আৰু অহা দিনত দুটা বিত্তীয়বৰ্ষ থাকিব, হলেওঁ হ'ব পাৰে নহলেওঁ নহ'ব পাৰে। আপুনি যদি চায় যে বাট-পথৰ ডিষ্ট্ৰিবিউশ্যনটো কেনেকুৱাকৈ হৈছে। ২০১৯ চনৰ কিছু তথ্য আমি এইবাৰ বিধান সভাত চাইছো, ২০২০ চনত চাইছো। কোনোবা কোনোবা সমষ্টিত ১৪০ কিলোমিটাৰ, আমাৰ সমষ্টিত ১২ কিলোমিটাৰ। কাৰোবাৰ সমষ্টিত ১৬০ কিলোমিটাৰ, কোনোবা সমষ্টিত ২ কিলোমিটাৰ। এই ধৰণৰ অ-সম বিভাজন হৈছে আৰু অ-সম উন্নয়ন হৈছে। আজি অসমৰ প্ৰত্যেকটো অঞ্চলৰ মানুহে এই চৰকাৰৰ ওপৰত আশা ব্যক্ত কৰিছে যে আমি উন্নয়ণ পাম, এটা নতুন দিগন্তৰ পিনে আগবাঢ়ি যাম। কিন্তু সেইয়া সম্ভৱ হৈ উঠা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমি আশা কৰিছিলো যে ভূমিপট্টা চৰকাৰে আৰম্ভ কৰিছে, সকলো মানুহে ভূমিৰ পট্টা পাব আৰু এই সমস্যাৰ সমাধান হ'ব। কিন্তু দেখা গ'ল যে এন চি ভিলেজ সমূহৰ ক্ষেত্ৰত এতিয়াও চৰকাৰে কি সিদ্ধান্ত কৰিছে সেই কথাটো সুস্পষ্ট ভাৱে পৰিলক্ষিত হোৱা নাই নাইবা অনুভৱ কৰিব পৰা নাই। আমি আশা কৰিম যে যিসমূহ এন চি ভিলেজ আছে, non cadastral village আছে, ১৯৬৫ চনৰ পৰাই সেই গাওঁ সমূহত আজিলৈকে কোনোধৰণৰ চাৰ্ভে বা স্বাধীনতাৰ পিছৰ পৰাই সেই গাওঁ সমূহত কোনো ধৰণৰ চাৰ্ভে হোৱা নাই। সেই সমূহ গাওঁতো চাৰ্ভে অনুষ্ঠিত কৰি তাৰ বাসিন্দা সকলে যাতে ভূমি পট্টা পায় তাৰ ক্ষেত্ৰত চৰকাৰে দৃষ্টি নিক্ষেপ কৰিব বুলি আমি আশা কৰিলো আৰু এটা বস্তু গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছো যে কেবিনেটত কিছুদিন আগতে এটা সিদ্ধান্ত লোৱা হৈছে যে চৰাঞ্চল সমূহত ইক'লজিকেল কাৰণত তেওঁলোকক ভূমি পট্টা দিব পৰা নাযাব বুলি কোৱা হৈছে। যুগৰ পিছত যুগ, শ বছৰতকৈও অধিক দিন ধৰি যি সমূহ অঞ্চল পাৰমানেণ্ট হৈ আছে সেই সমূহ চৰৰ মানুহে যদি ভূমিপট্টা নাপায়, চৰতটো প্ৰকৃত কৃষক সকলে বসবাস কৰে এই কথা কোনোবাই ভাল পাওঁক বা বেয়া পাওঁক এই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে চৰৰ মানুহ অসমৰ কৃষি অৰ্থনীতিৰ কাৰণে, অসমৰ ৰাজ্যৰ অৰ্থনীতিৰ কাৰণে যিখিনি কাম কৰি আছে এইখিনি ভাল নাপালেও কিন্তু স্বীকাৰ কৰিব লাগিব। গতিকে আমি আশা কৰিম যিখিনি প্ৰান্তীয় কৃষক আছে, সাধাৰণ দুখীয়া-নিচলা মানুহ আছে তেওঁলোকৰ লগত আমাৰ কোনো ৰাজনীতি নাই আৰু আমি জানো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথা এগ্ৰি সহমত দুখীয়া মানুহৰ লগত কোনো ৰাজনীতি নাই। ৰাজনীতি উন্নয়নক লৈ হ'ব, ৰাজনীতি অন্য বিষয়ক লৈ হ'ব। কিন্তু এই কথাটো আমি আশা কৰিম যে চৰ অঞ্চলৰ মানুহকো ভূমি পট্টাৰ ব্যৱস্থা কৰি তেওঁলোকক উপকৃত কৰিব আৰু অহাদিনত এই বিষয়টো যাতে তেওঁলোকে ভূমিপট্টা পায় এই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিশেষভাৱে চাব। শেহতীয়াকৈ প্ৰশ্ন কাকত লিক হৈছে। ইয়াক লৈ বহুতে বহুত ধৰণৰ প্ৰশ্ন উত্থাপন কৰিছে। এটা সময়ত চাকৰিৰ কাৰণে পৰীক্ষাৰ কাৰণে গোটেই অসমত যিবিলাক

পৰীক্ষা কেন্দ্ৰ বনোৱা হৈছিল, তেতিয়া কৈছিল যে বৰপেটা, গোৱালপাৰা ধুবুৰী আদি অঞ্চলত পৰীক্ষা কেন্দ্ৰ বহাব নোৱাৰি কাৰণ এইধৰণৰ দুষ্কাৰ্য্য হ'ব পাৰে। আজি প্ৰশ্ন কাকত দিশপুৰৰ পৰা লিক হৈছে। আজি তিনিচুকীয়াৰ কথা ওলাইছে। কিন্তু আজি বৰপেটা আৰু গোৱালপাৰাত চাকৰিৰ সাক্ষাৎকাৰৰ লিখিত পৰীক্ষাৰ বাবে যিসমূহ কেন্দ্ৰ দিয়া নহ'ল, সেই সমূহ ছেবাৰ নিচিনা এটা ডাঙৰ অনুষ্ঠান থকাৰ পিছতো কেনেকুৱাকৈ গোটেই উজনি অসম বা গুৱাহাটীৰ নিচিনা ঠাইত প্ৰশ্ন কাকত লিক হ'ল। গতিকে আমি আশা কৰিম যে দুষ্কাৰ্য্য বা তেনেকুৱা কাৰ্য্য যিকোনো সুৰুঙা পালে হ'ব পাৰে, সেইকাৰণে চাকৰিৰ কাৰণে যি সমূহ পৰীক্ষা-পাতি অনুষ্ঠিত হ'ব অহা দিনত যাতে সেই সমূহ পৰীক্ষা কেন্দ্ৰ বৰপেটা, গোৱালপাৰা, ধুবুৰী ইত্যাদি ঠাইত হয়। তেওঁলোকে ৩-৪ শ কিলোমিটাৰ দূৰলৈ গৈ পৰীক্ষা দিয়াটো বহুত কষ্টকৰ হৈ পৰে। একে সময়তে চাকৰিৰ কাৰণে যিসমূহ পইচা লৈছিল, যিসকলে চাকৰি নাপাব তেওঁলোকক পইচা ঘূৰাই দিয়াৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথাত কৈছিল, আমি আশা কৰিম যে সেইখিনি পইচা যিসকলে পোৱা নাই তেওঁলোকক ঘূৰাই দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ।

**Sherman Ali Ahmed :** Hon'ble Speaker Sir, at the very outset, I would like to move by amendment in page 32 after the word, the Hon'ble Members, the following shall be added before Sl. No. 105, shall be renumbered as 106, Sl. No. 105. My Government has latently flowed at the fundamental right protection of life and personal liberty guaranteed under Article 21 of our constitution by indiscriminate eviction of landless people during the last two years. Further, my government has also discriminated against different reasons of the state in matters of developmental works. I, therefore, take this opportunity to request my government to uphold the constitution values at any cost and observed Raj Dharma, Royal Administering the state in future. মাননীয় অধ্যক্ষ মহোদয়, সময় কম। দুটা পইণ্ট মেনশ্যন কৰিছিলো যদিও মাত্ৰ এটা পইণ্টৰ ওপৰতহে মই কম। যিটো protection of life and personal liberty আমাৰ সংবিধানৰ মৌলিক অধিকাৰ under Article 21. এই protection of life and personal liberty চুপ্ৰিম কোৰ্টে জাষ্টিছ ভাগৱতী এই foundamental right টোক আৰু অলপ বহলাই বিস্তৃত ভাৱে বাখ্যা কৰিছে।This is case law, not established case law. So, Bhagwati J. held: We think that the right to life includes the right to live with human dignity and all that goes along with it, namely the bare necessaries of life such as adequate nutrition, clothing and shelter over the head and facilities for reading, writing and expressing oneself in diverse forms, freely moving about and mixing and commingle with fellow human beings.

The Judge conceded that “the magnitude and content of the components of this right would depend upon the extent of the economic development of the country”, but emphasized that “It must, in any view of the matter, include the right to the basic necessities of life and also the right to carry on such functions and activities as constitute the bare minimum expression of the human-self”.

মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুবছৰ আমি যি উচ্ছেদৰ প্ৰক্ৰিয়া লক্ষ্য কৰিলো, হ'ব পাৰে চৰকাৰী কাম-কাজৰ বাবে বা বিভিন্ন উন্নয়নমূলক কামৰ কাৰণে চৰকাৰক মাটিৰ প্ৰয়োজন। নাইবা হয়তো চৰকাৰী মাটি নহয় বা ব্যক্তিগত ম্যাদী পট্টাৰ মাটিও প্ৰয়োজন হ'ব পাৰে। তেনে ক্ষেত্ৰত নিশ্চিত ভাৱে চৰকাৰে উচ্ছেদ কৰি উন্নয়নমূলক কাম কৰিব পাৰে। কিন্তু যোৱা দুটা বছৰত যিধৰণে উচ্ছেদ বোৰ চলোৱা হ'ল মাননীয় অধ্যক্ষ মহোদয়, কোনো ধৰণৰ বাচ-বিচাৰ নকৰাকৈ যিসকল চৰকাৰী মাটিত আছে কিন্তু বেলেগ ঠাইতো মাটি আছে, ঘৰো আছে সেইবোৰক উচ্ছেদ কৰা হওঁক। We do not have of a sympathy of these people. কিন্তু যদিহে সেই মানুহখিনিৰ বেলেগ ঠাইত ঘৰ বা মাটি নাই আমাৰ চৰকাৰী তথ্য মতে স্বাধীনতাৰ পিছৰ পৰা ৪ লাখ ২৭ হাজাৰ হেক্টৰ মাটি অৰ্থাৎ প্ৰায় ৩০ লাখ বিঘা মাটি নদীত জাঁহ গৈছে। আমাৰ চৰকাৰী তথ্য মতে ২৫ হাজাৰ ৰাজহ গাওঁ বিচ্ছিন্ন হৈ গৈছে। এই মানুহখিনি ক'ত গ'ল। এই মানুহখিনি মানুহ হিচাপে জীয়াই থাকিব লাগিব। যদি আমি সেই মানুহখিনিক ক'ৰবাত খেদি দিব পাৰো, তেতিয়া কথাটো বেলেগ আছিল। যিহেতু খেদি দিব নোৱাৰো এই মানুহখিনিৰ জীৱন-জীৱিকা বিশেষকৈ protection of there foundamental right guaranteed under Article 29,21 are of paramount importance for any welfare state. মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহুবাৰ কোৱা শুনিছো যে আমাৰ ৰাজ্যখন তেখেতে ভাৰতৰ প্ৰথম পাঁচখন ৰাজ্যৰ ভিতৰত লৈ যাব। আমাৰ কথাবোৰ শুনি খুব ভাল লাগে। কিন্তু আমাৰ দেশত একাংশ নাগৰিকক যদি এই ধৰণে ভেটি-মাটিৰ পৰা উচ্ছেদ কৰি তেওঁলোকৰ সকলো সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰা হয়, তেওঁলোকৰ মানৱ অধিকাৰ বঞ্চিত কৰা হয় where has do the right of children, where has right of the children education ? গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই ধৰণৰ প্ৰক্ৰিয়াবোৰ চলি থাকিলে আমাৰ ৰাজ্যখন আজি আই.এম.আৰ, এম.এম.আৰ বহুত বেছি কিয় ? beacause in some pockets there are the developmental is lacking for behind. গতিকে সেইবোৰৰ কাৰণে গোটেই অসমখন বদনামী হৈ পৰিছে। উচ্ছেদৰ ক্ষেত্ৰত এই কথাবোৰৰ ওপৰত গুৰুত্ব দিব লাগে। otherwise, we Assam of a state has remained always backward.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে উত্তৰদান। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত অসমৰ মহামান্য ৰাজ্যপাল বিশেষকৈ নতুন ৰাজ্যপালৰ দায়িত্ব গ্ৰহণ কৰি আমাৰ সদনত তেখেতে
শ্ৰী গোলাপ চান্দ কাটাৰিয়া ডাঙৰীয়াই ভাষণ দিবলৈ আহে আৰু ভাষণ দিয়াৰ সময়ত বিৰোধী দলে আগবঢ়োৱা সহযোগিতাৰ বাবে মই বিৰোধী দলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত ভাগ লৈ মাননীয় সদস্য শ্ৰীদেবব্ৰত শইকীয়া ডাঙৰীয়া, শ্ৰী চক্ৰধৰ গগৈ ডাঙৰীয়া,

আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়া, শ্ৰী গনেশ লিম্বু ডাঙৰীয়া, শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া, শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, শ্ৰী নুৰুল হুদা ডাঙৰীয়া, শ্ৰীমতী শিৰামণি বৰা ডাঙৰীয়াণী, ৰফিকুল ইছলাম ডাঙৰীয়া, শ্ৰী পৰমানন্দ ৰাজবংশী ডাঙৰীয়া, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, দিগন্ত বৰ্মণ ডাঙৰীয়া, শ্ৰী অখিল গগৈ ডাঙৰীয়া, কৰিমউদ্দিন বৰভূঞা ডাঙৰীয়া, আমিনুল ইছলাম(কণিষ্ঠ) ডাঙৰীয়া, দূৰ্গা দাস বড়ো ডাঙৰীয়া, কৌশিক ৰায় ডাঙৰীয়া, ৰমাকান্ত দেউৰী ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়া আৰু আজি সদনত হেমাঙ্গ ঠাকুৰীয়া, ৰছিদ মণ্ডল ডাঙৰীয়া, ভৰেন ভৰালী ডাঙৰীয়া, আশ্ৰাফুল হুছেইন ডাঙৰীয়া, শ্বেৰমান আলী ডাঙৰীয়াক মই ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া বিভিন্ন কথা বতৰা বা বক্তব্য, এই গোটেইখিনিৰ প্ৰশ্ন উত্তৰ দিবলৈ যাওঁতে দুটা কথা অনুৰোধ কৰিম বা বিবেচনা কৰিম যে আমাৰ দৃষ্টি কেনেকুৱা হ'ব। আমি যদি দেশখন ইতিবাচক দৃষ্টিৰে চাওঁ আমি সকলো কথা ভাল দেখিম। কিন্তু যদি আমি ভাবি লওঁ যে চৰকাৰখনে ভাল কাম কৰিলেও ৰাইজে মোক চৰকাৰখনৰ বিৰোধীতা কৰিব পঠিয়াইছে, মই বিৰোধীতাই কৰিম। তেতিয়া হ'লে তাৰ সন্মুখত কোনো ৰাস্তা নাথাকে। কিন্তু যদি আমি ভাৱো যে আমি বিধান সভাত আহিছো সম্যক বিশ্লেষণৰ কাৰণে, তেতিয়াহলে মই ভাৱো আমি এটা মঞ্চ পাওঁ। আজি দুটা বছৰ অসমখনত সদনত ভাষণ শুনিলে এনেকুৱা লাগে যেন গোটেই অসমখনত এটা অশান্তিৰ পৰিবেশৰ মাজত আমি বাস কৰি আছো। কিন্তু যেতিয়া সদনৰ বাহিৰত যাওঁ, আমি ধৰ্ণা, ধৰ্মঘট, আন্দোলন আদিবোৰ নেদেখো, মানুহে কোনোবাই বিহুৰ কাৰণে নিজকে সাজু কৰিছে, কোনোবাই চাকৰিৰ ইন্টাৰভিউৰ কাৰণে নিজকে সাজু কৰিছে, কোনোবাই টেট পৰীক্ষাৰ কাৰণে নিজক সাজু কৰিছে। এটা সম্পূৰ্ণ বিপৰীত দৃশ্য আমি দেখো। এইখন সদনত এটা সময় আছিল আমি হত্যা আলোচনা কৰিছিলো, বোমা বিস্ফোৰণৰ আলোচনা কৰিছিলো, tribal insurgency ৰ আলোচনা কৰিছিলো। আজি দুটা বছৰত অশান্ত বড়ো ভূমিত এতিয়া কোনেও বন্দুকৰ গুলিৰ শব্দ নুশুনে। আমি সেই কথা সদনত আলোচনা কৰিম নে নাই, অশান্ত কাৰ্বি ভূমিত আজি শান্তিৰ মলয়া বতাহ, আদিবাসী যুৱকসকলৰ মাজত বন্দুক লোৱাৰ প্ৰৱণতাৰ পৰিবৰ্তে বন্দুক জমা দিয়াৰ প্ৰতিযোগিতা চলিছে যে কোন সংগঠনে কিমান বন্দুক আনি গতাই দিব পাৰে। ডিমাছা যুৱকসকলে হত্যা সন্ত্ৰাসৰ পথৰ পৰিবৰ্তে আজি শান্তিৰ পথত আগবাঢ়িছে। কেএলও নেতা সকলে আজি এটা পৰিবেশ বাদ দি ম্যানমাৰৰ জংঘলৰ পৰা খোজ কাঢ়ি আহি শান্তিৰ পথলৈ উভতি অহাৰ বাবে গুৱাহাটীত আহি উপস্থিত হৈছে। এতিয়া আমি চাব লাগিব যে আমি কোনখন অসমক প্ৰতিনিধিত্ব কৰো, শান্তিৰ অসমখনক, আশাৰ অসমখনক, নৱজাগ্ৰত অসমখনক নে আমি প্ৰতিনিধিত্ব কৰো এখন নিৰাশাৰ অসমক। আজি আমি ইয়াতে কৈছো যে আমাৰ নিবনুৱা যুৱক-যুৱতী আছে। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ কোনখন প্ৰদেশত নিবনুৱা যুৱক-যুৱতী নাই। এতিয়া প্ৰশ্ন হৈছে নিবনুৱা যুৱক-যুৱতী কংগ্ৰেছৰ দিনতো আছিল, এজিপিৰ দিনতো আছিল আৰু বিজেপি দিনতো থাকিব। কিন্তু প্ৰয়াস আৰু প্ৰচেষ্টা কেতিয়া চলিব, ১ লাখ চাকৰি আমাৰ দৰে দুখীয়া ৰাজ্য এখনে দিব এই সদনত কোনোবা ব্যক্তিয়ে কেতিয়াবা কল্পনা কৰিছিল নেকি। মোৰ মনত আছে এজন বিধায়কে মানুহৰ আগত কৈছিল যে ১ লাখ চাকৰি কেতিয়াও দিব নোৱাৰে। এই issue টো আমি জীয়াই ৰাখিব লাগিব। press conference কৰিলে যে ১ লাখ চাকৰি কেতিয়া দিব।

মাননীয় অধ্যক্ষ মহোদয়, আজি মই গৌৰৱেৰে ইয়াতে উত্তৰ দিছো যে মে' মাহৰ ভিতৰত আমি ১ লাখ চাকৰি দিয়াৰ কাম শেষ কৰি দিম। আজি আমি সদনত কৈছো অসমত ২২ লাখ

নিবনুৱা যুৱক-যুৱতী আছে। মই অত্যন্ত দায়িত্ব সহকাৰে কব পাৰো যে অসমত ১২ লাখ নিবনুৱা যুৱক-যুৱতী আছে। ২২ লাখৰ পৰিসংখ্যা আমি পাৰ হ'লো। অসমত আজি আমাৰ বিভাগৰ সুত্ৰ মতে নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা ২২ লাখ নহয়, কমি আহি ১২, ৩৬,২৯৯ জন আছে।

মাননীয় অধ্যক্ষ মহোদয়, তেলেঙ্গনাত কৈছো যে অসমে ১ লাখ চৰকাৰী চাকৰি দিব। সিহঁতে কলে how is it possible. উত্তৰ প্ৰদেশৰ দৰে বিশাল ৰাজ্যত প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত ১০ হাজাৰ চাকৰিৰ পত্ৰ বিতৰণ কৰিছে। মই দিল্লীত তেওঁলোকৰ advertise দেখিছো যে ২ লাখ চৰকাৰী চাকৰি ৫ বছৰত দিয়া হৈছে। এইখন অসমে আজি ১ লাখ চাকৰি দিয়াৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে without a single court case। স্বচ্ছতাৰ ইয়াতকৈ ডাঙৰ নিৰ্দশন কতো একো নাই, এটা কোৰ্ট কেছ যোৱা নাই। কোনো বাতৰি কাকতত কোনো নিবনুৱা যুৱক-যুৱতীয়ে কোৱা নাই যে চৰকাৰী পক্ষৰ বিধায়ক কোনোবাই চাকৰি দিয়াৰ কাৰণে টকা লৈছে। বৰঞ্চ মোৰ পাৰ্টি মিটিঙত মই সমালোচনাৰ সন্মুখীন হওঁ যে আমি দুই এটা চাকৰি কিয় দিব নোৱাৰো। মই কৈছো নহয়, এই চাকৰিৰ অধিকাৰ অসমৰ নিবনুৱা যুৱক-যুৱতীৰ আৰু মানদণ্ড মেধা হ'ব আৰু কোনো মাণদণ্ড হ'ব নোৱাৰে। আজি অসমত প্ৰথমবাৰৰ বাবে টিভিত বাগিছাৰ যুৱকেও কয় মই চাকৰি পাইছো, টকা দিয়া নাই, সংখ্যালঘু লৰা-ছোৱালীয়েও কয় মই চাকৰি পাইছো টকা দিয়া নাই। আগতে অসমত আছিলে ১২ লাখ, ১৮ লাখ দিলো, এসময়ত এটা ACS, APS ৰ দাম ১ কোটি টকালৈ উঠিছিল। সেইখন অসমৰ পৰা আজিৰ অসমত যি পৰিবৰ্তন সেয়া নৱজাগ্ৰত অসম। আজি কোনখন ৰাজ্যই বুকু ডাঠ কৰি ক'ব পাৰে যে মোৰ ৰাজ্যত চৰকাৰী চাকৰিত এটাও ঘোচ লোৱা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, ওচৰতে পশ্চিম বংগত শিক্ষক নিযুক্তিৰ কেলেংকাৰীত কোটি কোটি টকা মন্ত্ৰী, বিধায়কৰ আৰু মন্ত্ৰীৰ লগৰ ঘৰৰ পৰা উদ্ধাৰ কৰিছে। হাইকোৰ্টত মনিটৰিং কেছ আৰু সেই চৰকাৰক প্ৰশংসা কৰিবলৈ আমাৰ অসমৰ বিধায়ক কলিকতা গৈ পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, এইখন অসমত ১ লাখ চৰকাৰী চাকৰি আমি দিম আৰু কোনো নিবনুৱা যুৱক-যুৱতীয়ে ক'ব নোৱাৰে যে মুখ্যমন্ত্ৰীৰ লগত কথা পাতিছো, মুখ্যমন্ত্ৰীয়ে চাকৰি দিছে, টকা লোৱাতো বাদ দিয়ক।

মাননীয় অধ্যক্ষ মহোদয়, নিৰ্বাচনী প্ৰচাৰৰ সময়ত আমি প্ৰতিশ্ৰুতি দিছিলো যে ১ লাখ চৰকাৰী চাকৰি দিম, ২ লাখ আত্ম সংস্থাপনৰ ব্যৱস্থা কৰিম। যাতে সেই ২ লাখ যুৱকে আৰু ৫ জনক নিযুক্তি দিব পাৰে। মই বিত্তমন্ত্ৰী ডাঙৰীয়ানিক অনুৰোধ কৰিম যে তেখেতে যেতিয়া নতুন বিত্তীয় বৰ্ষৰ বাজেট দিব, আমাৰ সৰ্বকালৰ সৰ্বদিশত আত্ম সংস্থাপনৰ আঁচনি সদনত প্ৰস্তাৱিত কৰিবলৈ।

মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা যুৱক-যুৱতীক স্বচ্ছতাৰে আমি এখন নতুন পৃথিৱীলৈ লৈ গৈছো। আজি চাৰিওফালে অসমত আশ্বাস পৰিবেশ। আজি লাচিত বৰফুকনৰ জন্ম জয়ন্তীত টকা তোলা আঁচনিৰে জুখিব চেষ্টা কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, লাচিত বৰফুকন আমাৰ বাবে গৌৰৱৰ গাথাঁ। অসমে অসমৰ ইতিহাস কেতিয়া কব, আজি Chatrapati Shivaji ৰ কথা কবৰ কাৰণে মহাৰাষ্ট্ৰৰ চৰকাৰে কিমান টকা খৰছ কৰে। Sardar Ballav Bhai Patel ৰ কথা কবৰ কাৰণে গুজৰাট চৰকাৰে কিমান টকা খৰছ কৰে। আজি বিশ্বৰ ভিতৰতে সৰ্বোচ্চ প্ৰতিমা Sardar Ballav Bhai Patel ৰ নিৰ্মাণ কৰা হৈছে। Chatrapati Shivaji ৰ প্ৰতিমা মহাৰাষ্ট্ৰত নিৰ্মাণ কৰা হৈছে আৰু লাচিত বৰফুকনৰ কথা কওঁতে তাক টকাৰে যুঁজ কৰা হয়। টকাৰ প্ৰতিযে কিমান টকা খৰছ কৰিলে, অধ্যক্ষ মহোদয় লাচিত বৰফুকনৰ ওচৰত ই এক কৃতজ্ঞ অসমীয়া জাতি

আৰু এই কৃতজ্ঞ অসমীয়া জাতিয়ে নিজৰ ঘামৰ টকাৰে বিশ্বৰ চুকে কোণলৈ যাব লাচিতৰ কৃতিত্ব পাবলৈ আৰু তাত যদি কোনোবাই আপত্তি কৰে মই কম তেওঁৰ জাতীয় চেতনা অকল মাত্ৰ টিভিৰ বোমত ভাষণ দিয়াত নহয়। জাতীয় চেতনা হৃদয়ৰ পৰা নিগৰিত হ'ব লাগিব। অধ্যক্ষ মহোদয় আমি ইজিপ্তৰ ৰজা সকলৰ সেই সমাধিৰ কথা জানো যে মমৰ মাজত তেওঁলোকক কেনেকৈ জীৱন্ত কৰি ৰখা হৈছে। আজি আহোম স্বৰ্গদেউ সকলৰ সেই স্থাপত্যৰ কথা বিশ্বৰ বুকুত ক'বৰ বাবে স্বাধীনতাৰ ৭৫ টা বছৰ আমি অপেক্ষা কৰিবলগীয়া হ'ল। When we are going to tell our story আমাৰ কথা আমি কেতিয়া বিশ্বক ক'বলৈ যাম। আজি আমাৰ বহাগ বিহুৰ কথা আমি বিশ্বক কেতিয়া ক'বলৈ যাম। মই ভাবো, এইয়া নৱজাগ্ৰত অসমৰ দায়িত্ব। লাচিতৰ বিষয়ে কোৱাৰ দায়িত্ব আমাৰ। স্বৰ্গদেউ সকলৰ সেই archelogical এক পৰকাস্থা আছিল, উত্তৰসত্বা আছিল তাৰ বিষয়ে কোৱাৰ সময় এইয়া। সদনত বিৰোধী দলৰ বক্তব্য শুনিলো। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰতৰ একমাত্ৰ world heritage ৰ nomination হিচাপে আজি চৰাইদেউ মৈদামত মনোনীত কৰিছে। এযাৰৰ ব্যাবেও কৃতজ্ঞতাৰ কথা কাৰো মুখৰ পৰা শুনিব নাপালো। চৰাইদেউৰ ওচৰ পাজৰতে বিৰোধী দলৰ দলপতি থাকে। তেখেতৰ ভাষণত এটা শব্দ হলেও প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ বাবে কৃতজ্ঞতাৰে নিগৰিত হ'ব বুলি আশা কৰিছিলো। মোৰ চৰকাৰৰ দিনত মই কৰিব নোৱাৰিলো মই মানি লৈছো। আজি অসমৰ কেইবা গৰাকীও মুখ্যমন্ত্ৰী সেই অঞ্চলৰ পৰা আহিছিল। কিবা কাৰণত ন'হল। তাকো আমি মানি লৈছো। কিন্তু আজি প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সেই চৰাইদেউ মৈদামক UNESCO ত world heritage ৰ কাৰণে পঠালে। তাত দলৰ কথা নাই। এইয়া জাতীয় চেতনাৰ কথা। বিৰোধীৰ কথা নাই। চৰকাৰী পক্ষৰ কথা নাই। আজি UNESCO ৰ world heritage ত চৰাইদেউৱে স্থান পাওক। তাক আমি সকলো অসমীয়াই আজি মনে প্ৰাণে কামনা কৰো। তাৰ কাৰণে আমি কেনেকৈ পাৰো contribution কৰিম। আজি ১৪ এপ্ৰিলত বহাগ বিহুৱে সমগ্ৰ ভাৰতক আকৰ্ষিত কৰিব। কিন্তু তাৰ পাছত প্ৰত্যেক বছৰে বিহু চাবৰ কাৰণে পৰ্য্যটনৰ সংখ্যা বৃদ্ধি পাব। অসমৰ বিহু জগত সভালৈ যাব। এইয়া আমাৰ জাতিটোৰ বাবে কৃতজ্ঞতাৰ সময়। এইয়া আমাৰ জাতিৰ কথা কোৱাৰ সময়, বিশ্বৰ দৰবাৰত আৰু এইখন চৰকাৰে দায়িত্ব লৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জন্মভূমি বটদ্ৰৱাৰ পৰা নীলাচল পৰ্বতৰ কামাখ্যাৰ পৰা শিৱসাগৰৰ ৰংঘৰৰ পৰা অসমত সাহসী ঐতিহ্যময় ইতিহাসত আমি বিশ্বক কম আৰু সেই দায়িত্ব আমাৰ। অধ্যক্ষ মহোদয়, বাগৰুম্বাৰ মাতৰ পৰা সত্ৰিয়া নৃত্য লৈকে অসমৰ পৰম্পৰাক আমি বিশ্বৰ বুকুলৈ আগবঢ়াই লৈ যাম। এইয়া আমাৰ সংকল্প মহোদয় আৰু এই সংকল্পৰ পথত কোনেও আমাক ৰুধিব নোৱাৰে, বাধা দিব নোৱাৰে কাৰণ আই অসমীৰ সমৰ্থন, আই অসমীৰ সম্পূৰ্ণ মৰম আৰু চেনেহ আমাৰ লগত আছে। আজি মই এই সদনত থিয় হৈ অত্যন্ত গৌৰবেৰে সৈতে কম যে আজি আমাৰ ৰাজ্যখন কোনফালে আগবাঢ়িছে। আজি অসমৰ GDP এই বছৰ আমি ৪ লাখ ৯৩ হাজাৰ কোটি টকা স্পৰ্শ কৰিলো। অহাবছৰ আমাৰ GDP ৰ projection চাৰে পাঁচলাখ কোটি টকা। আজি ইয়াত per capita ৰ কথা কোৱা হৈছে। ৭৫ বছৰৰ ভাৰত আৰু অসমৰ দূৰত্ব ২ বছৰত হিমন্ত বিশ্ব শমাই মাৰিব নোৱাৰে। কিন্তু যোৱা বছৰ ভাৰতৰ per capita develop হৈছে by14% and Assam has grown by 17%. আজি সেই প্ৰতিযোগিতাত মই বছৰৰ প্ৰতিযোগিতা কৰিব পাৰো। ৭৫ বছৰৰ প্ৰতিযোগিতা কৰিবৰ বাবে মই মোদীজিক ক'ব লাগিব যে মোদীজি কেইটামান দিন আপুনি থমকি ৰওঁক, মই যাতে আগুৱাই যাব পাৰো। সেই পৰিবেশ আমি কেতিয়াও নাপাম কিন্তু তাৰ

মাজতো আজি আমি যুঁজিছো। ৰাজ্যখনক ওপৰলৈ লৈ যোৱাৰ বাবে যুঁজিছো। চাৰে পাঁচ লাখ টকাৰ GDP. আমাৰ বাজেট খৰছ হৈছিল ১ লাখ ৬ হাজাৰ কোটি টকা। এই বছৰ বাজেটত আমি ব্যয় কৰিম ১ লাখ ২২ হাজাৰ কোটি টকা। যোৱা বছৰলৈকে চৰকাৰী কৰ্মচাৰীক দৰমহা দিবলৈ আমি কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল আছিলো। এতিয়া আমাৰ পুঁজিৰে আমি ১২ টা মাহেই চৰকাৰী কৰ্মচাৰীক ১ তাৰিখে দৰমহা দিব পাৰো। অসমৰ DA কেন্দ্ৰীয় চৰকাৰৰ লগত সমান। পশ্চিম বংগই এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ সম কক্ষত DA দিব পৰা নাই আমি যিমানে কলিকতা নাযাওঁ কিয় অসমে মানুহক আজি সোৰ্য্য আৰু বীৰ্জৰ কথা ক'ব। অসমে সফলতাৰ কথা ক'ব কাৰণ মই নিশ্চিত অহা ১০ বছৰ, অসমৰ ১০ বছৰ আৰু অসমে অষ্টলক্ষ্মীৰ দায়িত্ব পূৰণ কৰিব। আজি মই গৌৰৱেৰে সৈতে আপোনালোকক ক'ব খোজো যে যোৱা বছৰ ২০২১ আৰু ২০২২ চনত আমাৰ অসমৰ per capita growth আছিল 18.26% আৰু ভাৰতবৰ্ষৰ per capita growth আছিল 14.24% মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াতে কোৱা হয় যে চৰকাৰে ধাৰ লৈছে। ধাৰ কাক দিব? যিয়ে ঘূৰাই দিব পাৰে তাকেতো ধাৰ দিব। আজি হৰি, যদু, মধুক মাতি আন মানুহে ধাৰ দিব নেকি যে আপুনি ধাৰ লওক বুলি। ধাৰ লোৱাৰ আগতে বেঙ্কে assessment কৰে যে এওঁ ঘূৰাই দিব পাৰিব নে নাই। অধ্যক্ষ মহোদয়, আমি সদনৰ সদস্য। এইখন সদনে অসম চৰকাৰক দায়িত্ব দিছে যে আপোনালোকে ধাৰ ল'ব। কিন্তু ধাৰ এনেকে দিব যাতে GDP, debt GDP ratio 32% cross নকৰে। আজি আমি ধাৰ লৈছো। We are maintaing debt GDP ratio just at 23%. 32% ৰ ঠাইত 23%. এইবাৰ ভাৰত চৰকাৰ Reserve Bank য়ে আমাক কৈছে তোমালোকে ২২ হাজাৰ কোটি টকা ধাৰ লোৱা। আমি কৈছো যে আমাৰ ১৯ হাজাৰতে চলি যাব। ২২ হাজাৰ ল'ব নালাগে। অধ্যক্ষ মহোদয়, ঋণ লোৱাটোৱে দুৰ্বলতা নুবুযায়। ঋণ লোৱা এজন সফল ব্যক্তিক বুজায় যিজনে ঋণ ঘূৰাব পাৰে যাক ঋণ দিয়াৰ বাবে মানুহে বিশ্বাসত ল'ব পাৰে। ঋণ কি এনেই দিব নেকি? আজি যদি কোনোবা এজন ব্যক্তিয়ে বেংকত গৈ কয় মোক এক হাজাৰ কোটি টকা লোন লাগে, লোন তেওঁক state ৰ কাৰণে দিব নেকি? আজি লোনৰ ক্ষেত্ৰত যদি আমি চাওঁ, গোটেইবোৰ কংগ্ৰেছ শাসিত ৰাজ্যতকৈ আমি লোনৰ ক্ষেত্ৰত আটাইতকৈ ভাল ৰিজাল্ট কৰি আছো। আমি লোন ঘূৰাই দিয়াতো আগত আছো আৰু লোন লোৱাতো আমি কমত আছো। এইটো factual status. এই factual status টোত মানুহৰ আগত গৈ ক'লে ন'হব যে ইমান টকা লোণ লৈছে। লোণ লোৱাৰ আগতে কওঁক যে মোৰ এখন চৰকাৰ, মোৰ নিজৰ চৰকাৰ এখন হিমাচল প্ৰদেশত আছে। সেইখন চৰকাৰে ইমান লোন লৈছে। যোৱাকালিলৈ মোৰ এখন চৰকাৰ পাঞ্জাৱত আছিল। তেওঁ ইমান লোন লৈছিল। মোৰ চৰকাৰ এখন পশ্চিম বংগত আছে। মই তেওঁক চাব গৈছিলো তেওঁৰ লোন ইমান টকা আছিল। কিন্তু আটাইতকৈ আজি অসমৰ লোনো কম আৰু 32% debt GDP ratio ৰ পৰিৱৰ্ত্তে আমি 23% debt GDP ratio ত আছো we are riding a solid economy. আমাৰ কোনো সমস্যা নাই। ১ তাৰিখে আমি দৰমহা দিব পাৰো। Casual employee ক চৰকাৰী কৰ্মচাৰীৰ দৰে দৰমহা দিব পাৰো। Home gurd ৰ দৰমহা আমি ২৩ হাজাৰ টকালৈকে কৰিব পাৰো। চৰকাৰী কৰ্মচাৰীৰ DA আমি কেন্দ্ৰীয় চৰকাৰৰ সমান আমি দিব পাৰো। এইখনেই হৈছে অসম। অধ্যক্ষ মহোদয়, আজি অৰুণোদয়ৰ কথা কোৱা হৈছে। মধ্যপ্ৰদেশ চৰকাৰে আমাৰ চৰকাৰৰ প্ৰতিনিধিক মাতি লৈ গৈছে। Presentation লৈছে যে অৰুণোদয় কেনেকৈ দিব পৰা যায়। এইবাৰ মধ্যপ্ৰদেশ বাজেটত দুটাকৈ অসমৰ স্কীম তেওঁলোকে কিবা নহয় কিবা ধৰণে অনুকৰণ

কৰিছে অৰুণোদয় আচঁনিৰ দিশটো তেওঁলোকে মধ্যপ্ৰদেশত ৰূপায়ণ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, হাইয়াৰ চেকেণ্ডাৰীত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰীক স্কুটাৰ দিয়া same to same তেওঁলোকে ৰূপায়ণ কৰিছে। অসমে মধ্যপ্ৰদেশৰ পৰা শিকিছিল আৰু আজিও আমি মধ্যপ্ৰধেশৰ পৰা শিকিম। এতিয়া কৰ'বাত নহয়, কৰ'বাত ভাৰতৰ শক্তিশালী ৰাজ্যসমূহে অকনমান অসমৰ পৰা শিকিবলৈ আৰম্ভ কৰিছে। ভৰত নৰহ ডাঙৰীয়াই তেওঁৰ ভাষণত ভাৰতক পাঞ্জাৰকপাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত বুলি কৈছে। মোক তিনি বছৰ দিয়ক, মই পাঞ্জাৰক G.D.P ত পিচ পেলাই আছো। I just need three years .পাঞ্জাৰৰ G.D.P আজিৰ দিনত ইণ্ডিয়ান ৰেংকিঙত অসমৰ G.D.P আছে ১৭ আৰু পাঞ্জাৰ আছে ১৬ ত। আমি এতিয়া পাঞ্জাৰক অনুসৰণ কৰি আছো। ইতিমধ্যে আমি ছত্তিশগড় আৰু চণ্ডিগড়ক পিচ পেলালো। Now we are chasing Punjab.তিনি বছৰত অসমৰ সৰ্বমুঠ ঘৰুৱা উৎপাদনে পাঞ্জাৰক চেৰ পেলাব। সেই কথা মই দায়িত্ব সহকাৰে এই সদনত ক'ব পাৰো। আমাৰ সদনত maternal mortality ৰ কথা যথেষ্ট গুৰুত্বসহকাৰে কোৱা হৈছে। এইটো অসমৰ গৌৰৱৰ কথা। আমি যেতিয়া N H M আৰম্ভ কৰিছিলো আমাৰ maternal mortality 480 আছিল এতিয়া আমাৰ 195 .আজি যদি আমি চাব যাওঁ ভাৰত আৰু অসমৰ মাজত আমি লাহে লাহে গেপটো কমাই কমাই আনি আছো। মই বাৰে বাৰে কৈছো যেতিয়ালৈকে বাল্যবিবাহ থাকিব তেতিয়ালৈকে maternal mortality and infant mortality কমিব নোৱাৰে। সদনে ঠিক লওঁক যে চৰকাৰক আমি এম এম আৰ আৰু আই এম আৰৰ কথা কম কিন্তু indirectly বাল্য বিবাহৰ ওপৰত কিয় পদক্ষেপ লৈছে তাৰ প্ৰশ্ন কৰিম। কোনে তথ্য দিছে নাজানো বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই কৈছে যে হাই কোৰ্টে বোলে আমাক POSCO Act ব্যৱহাৰ কৰা কাৰণে বেয়া পাইছে।I totally deny. Guwahati High Court has not passed any such judgement, with authority I am saying .

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জাজমেণ্টত নহয়, Oral remarksত। কোৰ্টৰ ৰিমাৰ্কচত আছে লাইভত ৰিপোৰ্টিং হৈছে, বাৰ এণ্ড বেঞ্চত হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমক ডিফেম কৰাৰ কাৰণে কোনোবাই লাইভ লৈ ৰিপোৰ্ট কৰক মোৰ কোনো সমস্যা নাই। But my Advocate General has clarified me that no negative comment has been made.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিও Law টো লগালে কালিলৈ POSCO ৪-৫ শতাংশ হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কালিৰ কথা। মই গৃহ মন্ত্ৰী হোৱা দুবছৰহে হ'ল। সন্তান এটা জন্ম হ'বলৈ দহ মাহ দহ দিন লাগিবই। তাৰ আগতে কেনেকৈ জন্ম হ'ব ? আপোনালোকে যদি কয় দুমাহ আগতে আপুনি বাল্যবিবাহৰ বিৰুদ্ধে কাম আৰম্ভ কৰিছে আৰু কনভিকশ্যন ৰেট এটা উলিয়াই দিয়ক, মই ক'ৰ পৰা উলিয়াই দিম। কিন্তু মই আপোনাক As a Chief Minister of Assam, with all command and responsibility ক'ব খোজো যে Guwahati High Court has not passed any negative comments against Assam Govt. মই হিন্দু বাতৰি কাকত আৰু টাইমচ ইণ্ডিয়াকো কৈছো যে আপোনালোকে বাতৰিটো দিছে কোনে দিছে চাই লওঁক। Please do not defame Assam

আমাৰ ওপৰত কোনো নিগেটিভ কমেণ্ট হোৱা নাই। ওলোটা ৰাজ্যচৰকাৰে কোৰ্টক কৈছে যে আজিলৈকে কাৰোবাক বেল দিলে আমাৰ আপত্তি নাই।   আজিলৈকে এক হাজাৰ একিউজে বেল পোৱা নাই আৰু জেলৰ ভিতৰত আছে। পুলিচেও কৈছে যে এতিয়া বেল দিলে তেওঁলোকৰ আপত্তি নাই। তেওঁলোকেও এটা মেচেজ দিবলগীয়া আছিল আৰু দিলে। কিন্তু তথাপিতো কোৰ্টে কৈছে যে These are serious offences..আজি আমাৰ ইয়াত কোৱা হৈছে যেCrime against woman are increasing.ক'ৰ পৰা আমি এই তথ্যটো পাম। এই কথাটো আমি জানিব লাগিব যে অসমক বেয়া পোৱা অসমৰ বিৰুদ্ধে এই কাগজসমূহ কোনে বিতৰণ কৰিছে? আমি যদি চাবলৈ যাওঁ ২০১৯ ত ত্ৰিশ হাজাৰ মহিলাৰ বিৰুদ্ধে অপৰাধ হৈছে। ২০২০ ত ছাব্বিশ হাজাৰ মহিলাৰ বিৰুদ্ধে অপৰাধ হৈছিল। ২০২১ ত উনত্ৰিশ হাজাৰ মহিলাৰ বিৰুদ্ধে অপৰাধ হৈছিল। কিন্তু ২০২২ ত  Crime against woman has drastically declined to 12000। কোনে সেই ডাটাসমূহ সদনত দিছে মই নাজানো। কিন্তু এইখিনি অফিচিয়েল ৰেকৰ্ড। এই বছৰ আমাৰ ক্ৰাইম আটাইতকৈ বেছি কমিছে। এই পৱিত্ৰ সদনত মই এটা উত্তৰ দিছিলো সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল তাৰ উত্তৰ দিছিলো। মাননীয় অধ্যক্ষ মহোদয় আপুনি জানি ভাল পাব যে ২০১৬ চনত ক্ৰাইম আছিল ৪ লাখ, ৬০ হাজাৰ আৰু ২০২২ চনত তিনি লাখ চৈধ্য হাজাৰলৈ নামিলগৈ। পোন্ধৰ শতাংশতকৈ  কমি গৈছে। নেশ্যনেল গড় মতে ২০২১ ত ক্ৰাইম আছিল ৪৪৫ আৰু অসমত ক্ৰাইম আছে ৩৮৪।  এই বছৰ  ২০২২ ত নেশ্যনেল গড়ৰ ৰিপোৰ্ট অহা নাই। যোৱা বছৰৰ ৩৮৪   অপৰাধ নামি আহি প্ৰতি লাখ জনসংখ্যাত এইবাৰ হৈছে, ১,৯৮,০০০।  ২০২২ চনৰ ডাটা জুনত ওলাব আৰু আপোনালোকে চাই ভাল পাব যে এই ধৰণে অসমত অপৰাধ কমিছে। যোৱা তিনি মাহত মাত্ৰ এক হাজাৰ হৈছে। এইখিনি তথ্য মই সদনত দাখিল কৰিছো আৰু ইয়াত মই কোনো কথা লুকুৱাব  বিচৰা নাই। এই সদনত যিবোৰ ডাটা দিয়া হৈছে। ইয়াত যিবোৰ কোৱা হৈছিল যে অপৰাধ বাঢ়িছে সেইবোৰ সত্যৰ আধাৰত নাছিল। বিৰোধী দলৰ নেতা সকলক কোনে দিছে, কিয় দিছে মই নাজানো। বাইশ লাখ নিবনুৱা বুলি কোৱা হৈছে, আমাৰ মতে বাৰ লাখ ছয় হাজাৰ। এই সকলোখিনি ডাটা শুদ্ধ কৰাৰ প্ৰয়োজন আছে আৰু কাৰোবাৰ যদি কিবা সন্দেহ আছে, এটা সদনত consolidated question কৰক, মই আৰু এটা consolidated উত্তৰ দিম। যিটোৱে মোক প্ৰিভিলেজত বান্ধি ৰাখিব আৰু মই ভুল ক'ব নোৱাৰিম আৰু মোৰ পৰা উত্তৰ ল'ব পাৰে। আজিৰ দিনটোত আৰু এটা ভাল খবৰ মই সদনক দিব খোজো যে আজি অলপ  আগতে আমাক নেশ্যনেল মেডিকেল কাউঞ্চিলে জনাইছে যে Nalbari Medical College has been recognized as a 12th Medical College of India. এতিয়া আপোনালোকে চিন্তা কৰক যে স্বাধীনতাৰ ছয়টা দশকত অসমত তিনিখন মেডিকেল কলেজ ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত আছিল।  এইবছৰ আমি একেলগে নলবাৰী, কোকৰাঝাৰ, ধুবুৰী আৰু নগাওঁ এই চাৰি খন মেডিকেল কলেজৰ স্বীকৃতি ল'লো। ষাঠি বছৰৰ ৰেকৰ্ড আমি এক বছৰতে ভাঙিবলৈ সক্ষম হ'লো। আমি এতিয়া ক'ত গৈ থিয় হৈ আছো। আমাৰ ভাল লাগে, আমি ৰেকৰ্ড কৰা বুলি ক'ব পাৰো। বৰ্তমান অন্ধ্ৰপ্ৰদেশত চৰকাৰী মেডিকেল কলেজ বাৰ খন আছে, মধ্যপ্ৰদেশত চৰকাৰী মেডিকেল কলেজ চৈধ্য খন আছে। আমি যদি চাব যাওঁ তেতিয়া দেখিম যে অসমে অন্ধ্ৰপ্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আদি  ডাঙৰ ডাঙৰ ৰাজ্যৰ লগত চৰকাৰী  মেডিকেল কলেজৰ ক্ষেত্ৰত সমান হ'বলৈ গৈ আছে। এইবাৰ অসমতো চৰকাৰী মেডিকেল কলেজ বাৰ খন হ'ল আৰু বিহাৰতো বাৰ খন আছে। ছত্তিশগড়ত চৰকাৰী মেডিকেল কলেজ

এঘাৰ খন। কেৰেলাৰ কথা কোৱা হৈছিল যে কেৰেলা এখন বৰ ডাঙৰ ৰাজ্য। কিন্তু তাত চৰকাৰী মেডিকেল কলেজ বাৰ খন আছে। অসমে এক প্ৰকাৰে চেৰ পেলালে। কাৰণ অহা বছৰ আমাৰ তিনিচুকীয়াতো খুলি যাব। আজি চিন্তা কৰক অন্ধ্ৰপ্ৰদেশ আৰু অসম। প্ৰাইভেট মেডিকেল কলেজ ক'ৰবাত হ'ব পাৰে। কিন্তু কেৰেলাত ১৩ খন চৰকাৰী মেডিকেল কলেজৰ বিপৰীতে অসমত ১২ খন, ছত্তিশগড়ত ১১ খনৰ বিপৰীতে অসমত ১২খন হৈছে। মানুহে শুনি আচৰিত হয় যে এটা বছৰত ৩-৪ খন মেডিকেল কলেজৰ জন্ম হ'ব পাৰে নেকি? কিন্তু, এইয়া অসমৰ গৌৰৱৰ গাঁথা। এইয়া আমাৰ কৃতিত্ব। আমাৰ পূৰ্ব পুৰুষসকলে যিখিনি কৰিব পৰা নাছিল, আমি সেইয়া আমাৰ উত্তৰ পুৰুষৰ বাবে জ্ঞান প্ৰজ্ঞানৰ দৌল নিৰ্মাণ কৰিছো। অধ্যক্ষ মহোদয়, আমাক accuse কৰা হয় যে আমি হেনো ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস কৰিছো। যেতিয়া পৰিসংখ্যা নাথাকে বা আমি যেতিয়া তথ্যৰ ওপৰত ক'ব নিবিচাৰো তেতিয়া এনেকুৱা প্ৰশ্নৰ উদয় হয়। মই শিক্ষা মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছত মই আটাইতকৈ যদি কিবা কাম কৰিছো, শিক্ষা বিভাগৰ কাৰণেই কৰিছো। অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী হৈ থকাৰ সময়ত অসমত নতুনকৈ ১০,৬০৭ খন Elementary Education, ২১০০ খন Secondary Education, ১৬৬ খন কলেজ provincilized কৰিছিলো। একেলগে কেতিয়াও হোৱা নাছিল। মই কংগ্ৰেছ দলত থাকোতেও শিক্ষাৰ বাবে কাম কৰিছিলো আৰু আজিও কৰি আছো। এই বছৰ অসমত নতুনকৈ ২৫খন কলেজ আৰম্ভ কৰাৰ কথা মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক কৈছো আৰু বাজেটত ইয়াৰ বাবে টকা ৰখাৰ বাবেও কৈছো। প্ৰত্যেক সমষ্টিত আমি নতুন modern technologyৰে একো একোখন নতুন হাইস্কুল খুলিব লাগিব। অসমৰ প্ৰত্যেকখন হায়াৰ ছেকেণ্ডাৰী আৰু ছেকেণ্ডাৰী স্কুলত 0-12, top of the line ত আমি কৰিব লাগিব। মই ভাৱো আমি যদি আটাইতকৈ বেছি investment কৰি আছো সেইটো শিক্ষা ক্ষেত্ৰত কৰি আছো। আমি কোনদিনা কল্পনা কৰিছিলো যে চাহ-বাগিচাত ১০০ খন হাইস্কুল হ'ব। ১০০খন হাইস্কুল বনোৱাৰ পিছত আৰু ১০০খনৰ কাম আৰম্ভ হ'ব। আজি ইয়াত কোৱা হৈছে যে চৰকাৰী স্কুল বন্ধ হৈছে, কিন্তু এখনো চৰকাৰী স্কুল বন্ধ হোৱা নাই, amalgamate কৰা হৈছে। ১ কিঃমিঃ ত দুখন স্কুলত দুজন দুজন শিক্ষক আৰু ২০ জনকৈ ছাত্ৰ থকাতকৈ ৪ জন শিক্ষকেৰে ৪০ জন ছাত্ৰক পঢ়োৱাটো বুদ্ধিমত্তাৰ কাম আৰু সেইমতে আমি কাম কৰিব লৈছো। কোনোবা সমষ্টিত যদি ভৱেন্দ্ৰ নাথ শইকীয়া ডাঙৰীয়াই পঢ়া স্কুলখন বন্ধ হৈছে সেই সমষ্টিৰ ৰাইজে সিদ্ধান্ত ল'ব লাগিব । চৰকাৰৰ কোনো আপত্তি নাই। আজি কোনোবা এজন বিধায়কে দায়িত্ব লয় যে সেই স্কুলখন তেওঁলোকে দুবছৰৰ ভিতৰত ধুনীয়া কৰিব আৰু তাৰ বাবে চৰকাৰে স্কুলখন খুলি দিব লাগে, তেন্তে আমি পাঁচ মিনিটত স্কুলখন খুলি দিম। গতিকে, কোনোবাইতো দায়িত্ব ল'ব লাগিব। শিক্ষকক দৰমহা দিয়াৰ বাবে স্কুল হ'ব নোৱাৰে। স্কুল হ'ব লাগিব ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ বাবে। যদি ছাত্ৰ-ছাত্ৰীয়েই নাথাকে শিক্ষকক মই কেনেকৈ দৰমহা দিম? আমি যদি বাওঁপন্থী মতবাদ পঢ়ো, তেন্তে কাৰোবাৰ toothpaste, soap ৰ পৰা লোৱা GSTৰে ছাত্ৰ নোহোৱা স্কুলৰ শিক্ষকক দৰমহা দিব পাৰো নেকি? Mao, Karl Marx ৰ কোনটো philosophy য়ে আমাক এইটো অনুমতি দিয়ে? আমাৰ কোনো philosophy য়েই ইয়াৰ অনুমতি নিদিয়ে। অধ্যক্ষ মহোদয়, ছাত্ৰসকলৰ স্বাৰ্থত স্কুলৰ জন্ম হ'ব, স্কুল খোলা হ'ব। মই সদায় কৈ আহিছো যে Education has to be student centric, Education cannot be teacher centric. য'ত ছাত্ৰ থাকিব তাত খেদি খেদি স্কুল যাব লাগিব। বাঘবৰ, চেঙা, দলগাওঁ, কলাইগাওঁ কলেজত ছাত্ৰ-ছাত্ৰী আছে বাবে আমি সেই ঠাইত খেদি খেদি গৈ

কলেজ স্থাপন কৰিছো। আমাক ছাত্ৰ-ছাত্ৰী দিয়ক, যদি ১০,০০০ স্কুল খুলিব লাগে, তেন্তে মই খুলি দিম। Its an open offer. যিকোনো বিধায়কে মোক আহি কওঁক যে এইখন স্কুলত ১০০ জন ছাত্ৰ-ছাত্ৰী থাকিব, গতিকে, চৰকাৰে এখন স্কুল sanction কৰিব লাগে তেন্তে এই ক্ষেত্ৰত ১ ঘন্টাতকৈ বেছি সময় নোলোৱাকৈ এখন স্কুল খোলাৰ বাবে মই শিক্ষা মন্ত্ৰীক আজিয়েই সদনত authorize কৰিছো। ..... interruption......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ১৪৫ খন স্কুলত পানী পৰে ........interruption......

**মাননীয় অধ্যক্ষঃ** আপুনি বহক।.....interruption......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** পানী নপৰা ব্যৱস্থাটো কৰি দিব লাগে। ...

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এখনো স্কুলত পানী নপৰে। এইটো বিধায়কৰ দুৰ্বলতা। মই এটা কথা সদনত ক'ব খোজো যে Public education ত আমি আটাইতকৈ বেছি কাম কৰিব লাগিব। আজিৰ সময়ত সকলো ৰাজ্যত চাৰ্ভে কৰক যে অসমৰ দৰে ৩ কোটি জনসংখ্যাৰ ৰাজ্যৰ নিচিনা কোনখন ৰাজ্যত ৮ খন নতুন বিশ্ববিদ্যালয়ৰ কাম, ২৪ খন মেডিকেল কলেজৰ কাম, ১২ খন ইঞ্জিনীয়াৰীং কলেজৰ কাম চলি আছে। কোনখন ৰাজ্যৰ বিত্ত মন্ত্ৰীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে যে এখন স্কুলত ৫ কোটি টকা খৰচ কৰি নতুনকৈ স্কুল বনোৱা কাম আৰম্ভ কৰক। কোনখন ৰাজ্যত উদাহৰণ আছে যে অংগনবাদী কেন্দ্ৰত ২৫ লাখকৈ টকা দি নতুনকৈ নিৰ্মাণ কৰিছে। কোনখন ৰাজ্যৰ উদাহৰণ আছে? আজি অসমৰ দৰে ৩ কোটি জনসংখ্যাৰ এখন প্ৰদেশ য'ত আমাৰ কোনো ৰাজহৰ সুবিধা নাই, কোনো ৰাজহ বঢ়াব নোৱাৰো, তেলৰ উৎপাদন static, আজি অসমত কোনো mineral deposit নাই। অসমত কোনো প্ৰকাৰে আজি আমি নতুনকৈ tax বঢ়াব নোৱাৰো। তাৰ মাজতো আজি আমি কাম কৰিছো। আজি কোনোবাই কৈছে যে অসমে বিদ্যুৎ উৎপাদন কৰিব নোৱাৰে। বিদ্যুৎ উৎপাদন কিয় কৰিব নোৱাৰে, যদি মাৰ্ঘেৰিটাত মোক কোৱা হয় যে মাৰ্ঘেৰিটাত কয়লা আছে ১০০০ মেগাৱাটৰ এটা ইণ্ডাষ্ট্ৰী স্থাপন কৰক। Who will stop me? টকাতো অসুবিধা নহয়। অসুবিধা হৈছে পৰিৱেশ আৰু জলবায়ু । আমি অসমে consciously সিদ্ধান্ত লৈছো যে অসমৰ ভিতৰত মাৰ্ঘেৰিটাত গৈ কয়লা উৎপাদন কৰি বিদ্যুৎ উৎপাদন নকৰো। What is the alternative? আজি আমি কয়লা বিচাৰি গৈছো যে যি ৰাজ্যত কয়লা আছে সেই ৰাজ্যৰ power plant ত আমি ভাগ ল'ম আৰু তাৰ পৰা অসমলৈ বিদ্যুৎ লৈ আহিম যাতে অসমৰ পৰিৱেশ বেয়া নহয়। ১২০০ মেগাৱাট বিদ্যুতৰ বাবে আজি Coal India ৰ লগত আমি agreement কৰিছো। Ghatampur ত গৈ U.P. ৰ লগত agreement কৰিছো যে ৫০০ মেগাৱাট বিদ্যুৎ দিব। অসমৰ বিদ্যুতৰ বৰ্ধিত চাহিদা যিকোনো প্ৰকাৰে মোকাবিলা কৰাৰ কাৰণে আমি সামৰ্থ্য। আপোনালোকে গৈ চাই আহক, আমাৰ last option আছিল যে উত্তৰ কাছাৰত এটা Hydel project কৰিব পাৰো। তীব্ৰ গতিত কাম চলি আছে। ১২০ মেগাৱাটৰ কপিলী প্ৰকল্প আমি অহা বছৰ আৰম্ভ কৰিম। মাত্ৰ তিনি বছৰত নিৰ্মাণ শেষ কৰিম। অসমৰ বিদ্যুৎ উৎপাদন নকৰাটো আমাৰ conscious decision , এইটো কোনো apologetic decision নহয় যে আমি মাৰ্ঘেৰিটাৰ পাহাৰত গৈ কয়লা process কৰি power plant নবনাওঁ। This is a conscious decision of people of Assam. যদি কোনোবাই decision টো ভাঙি কয় যে মাৰ্ঘেৰিটাত গৈ ২০০০ মেগাৱাটৰ এটা power plant আৰম্ভ কৰক, আমি কৰিব পাৰো। কিন্তু, অসমৰ মানুহৰ যি সিদ্ধান্ত, তাৰ

বিপৰীতে গৈ চৰকাৰে কাম কৰিব খোজা নাই। অধ্যক্ষ মহোদয়, যোৱাবাৰ এই সদনত যেতিয়া ধান কিমান কিনা হৈছে বুলি সোধা হৈছিল, তেতিয়া মই কৈছিলো যে এতিয়ালৈকে আমি ৬০ হাজাৰ পাইছো। ইয়াত হঁহা হৈছিল যে মাত্ৰ ৬০ হাজাৰ হে হ'ল। আজি মই ৰিপোৰ্ট কৰিছো চাৰে তিনি লাখ কিনি দিলো এই মূহুৰ্তলৈকে। We procured 3.5 lakh matric ton . যোৱাবছৰ আজিৰ দিনটোত আছিল ৬০-৭০ হাজাৰ মেট্ৰিকটন। আজি আমি কৰিছো ৩.৫ লাখ মেট্ৰিকটন। এইবছৰ আমি ১০ লাখৰ ওচৰা -ওচৰি ভৰি দিম। কোনখন ৰাজ্যত চৰকাৰে কৈছে যে আপোনালোকে গামোছা বনাওক আমি কিনিম বা কোনখন ৰাজ্যত কৈছে যে মেখেলা চাদৰ handloom sector ত হ'ব লাগিব বা গামোছা handloom sector ত হ'ব লাগিব। কোনখন ৰাজ্যত আজি handloom sector ৰ বাবে ইমান strong stand লোৱা গৈছে। আজি আমি strong stand লৈছো। এই বছৰ আমি কৈছো যে চৰকাৰে ৰাইজৰ পৰা mastard seed ও কিনিব আৰু মিলেটো কিনিব। অৰ্থ্যাৎ procurement আমি এটা এটাকৈ বঢ়াই লৈ গৈ আছো। ধানেৰে আমি আৰম্ভ কৰি গামোছালৈকে গলো আৰু এইবছৰ আমি mastard seed আৰু মিলেটো কিনিবলৈ সংকল্প লৈছো।

আজি অসমৰ কৃষিখণ্ডত প্ৰথমবাৰৰ বাবে শিক্ষিত নিৰনুৱা যুৱক-যুৱতীসকলে পুনৰ এবাৰ কৃষি কৰ্মত ঘূৰি যোৱাৰ বাবে সপোন দেখিছে। কিছু সময় আগতে পদ্ম হাজাৰিকা ডাঙৰীয়াই গৰু খুটিৰ প্ৰকল্পৰ কথা কৈছে। দৈনিক অসম বাতৰি কাকতত প্ৰতিদিনে কোনোবা এজন যুৱকৰ সাহসৰ কথা ওলায় যে এই যুৱকজনে এইধৰণে কাম কৰিছে। আগতে বঁটা আছিল privilege মানুহৰ কাৰণে। প্ৰথমবাৰৰ কাৰণে অসম গৌৰৱ বঁটা, অসম বৈভৱ বঁটা আমি কাক দিছো-কণী উৎপাদন কৰা যুৱকজনক দিছো, মাছ উৎপাদন কৰা যুৱকজনক দিছো। আমি অসমৰ মানুহে কোনোবা এটা সামগ্ৰী বা কোনোবা এটা development ৰ বিষয়ে চোৱাৰ যি পৰিৱেশ আছিল সেয়া আমি সলনি কৰিছো। প্ৰথম দিনা যেতিয়া অসম গৌৰৱ বঁটা, অসম বৈভৱ বঁটা দিব বুলি কেবিনেটে আৰম্ভ কৰিলে এজন ব্যক্তিয়ে লিখিছিল যে পোৱা মানুহবিলাকেই তো পাব। এতিয়া তাক আমি এটা নতুন ঘটনা কৰিলো। মানুহে অপেক্ষা কৰে যে অসম ৰৈভৱ বঁটা বা অসম গৌৰৱ বঁটা এতিযা কাক দিব? কাৰণ আমি কাক দিছো, যিসকলে মানুহৰ জীৱনত ক'ৰবাত নহয় ক'ৰবাত কিবা এটা difference কৰিব পাৰিছে। আজি অসমৰ প্ৰতি চোৱাৰ মানসিকতা মানুহৰ সলনি হৈছে। আজি ধান উৎপাদনৰ ক্ষেত্ৰত বা বিক্ৰীৰ ক্ষেত্ৰত যি ধৰণে আমাৰ Procurement centre বিলাকে কাম কৰিছে আৰু FCI কো beat কৰি আমাৰ Food & Civil Supply Corporation য়ে বেছিকৈ ধান কিনিবলৈ সক্ষম হৈছে।

মোক কোৱা হৈছিল যে মুখ্যমন্ত্ৰীৰ যি গ্ৰামোন্নয়ন আঁচনি আহিছিল তাৰ ফলাফল কি? আজি সেই টকাৰে আমি ধান কিনি আছো। সেই টকা প্ৰতিখন গাওঁত গৈছে। যেতিয়ালৈকে ভাৰত চৰকাৰে টকা ঘূৰাই নিদিয়ে তেতিয়ালৈকে আমি CMGSY ৰ পৰা ধান কিনি আছো। ২০১৬ চনত যেতিয়া মই বিত্ত মন্ত্ৰী হিচাপে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ কথা কৈছিলো, ইয়াত হঁহা হৈছিল। কিন্তু আজি আমি তাৰ টকাৰে কৃষকৰ পৰা ধান কিনিছো। গাঁৱে গাঁৱে তাৰ টকা মানুহে হাতত পাইছে আ ৰু তেওঁলোকক আমি এটা নিশ্চিত উপাৰ্জনৰ পথ দেখুৱাইছো।

অধ্যক্ষ মহোদয়, যোৱা কেইদিনমান আগতে মই DC সকলৰ এখন video conference লৈছিলো। মোক কোনোবা এজনে ক'লে যে ধেমাজিত বোলে ২.৫ লাখ SC/ST student য়ে cast certificate বিচাৰিছে, তিনিচুকীয়াত ১.৫ লাখ student য়ে cast cer-

tificate বিচাৰিছে। কেতিয়াবা চৰকাৰৰ প্ৰতি ইমান বিশ্বাস আছিল জানো? আজি মিশ্যন ভূমি পুত্ৰ আৰম্ভ কৰাৰ পাছত প্ৰথমবাৰ SC/ST/OBC লৰা-ছোৱালী সকলে বুজি পালে যে আমি cast certificate ল'ব পাৰো, চৰকাৰে আমাক সুবিধা কৰি দিছে। ধেমাজীত ২.৫ লাখতকৈও অধিক লৰা-ছোৱালীয়ে যোৱা ৯ মাহত cast certificate লাভ কৰিবলৈ সক্ষম হৈছে। স্কুলে স্কুলে গৈ প্ৰশাসনে cast certificate দিছে। আজি EODP ৰ ওপৰত কোৱা হৈছে যে অসমৰ rank বেয়া। অধ্যক্ষ মহোদয়, এইটো পুৰণা কথা আছিল। আমি এতিয়া aspirational category লৈকে উঠি আহিছো যিটো 3rd category আৰু এইবছৰ মই নিশ্চিত যে 2nd category লৈকে গৈ পাম আৰু যেতিয়া মোৰ ৫ বছৰ সম্পূৰ্ণ হ'ব অসম top ত থাকিব। কাৰণ আমি যেনেকৈ কাম কৰিছো তাৰ ওপৰত মোৰ বিশ্বাস আছে। আজি সেই কাৰণে আমি কাম কৰি গৈ থাকিব পাৰিছো।

ইয়াত institutional birth ৰ কথা কোৱা হৈছে। ২০০৫-০৬ চনত কংগ্ৰেছ চৰকাৰ আছিল, মইও স্বাস্থ্য মন্ত্ৰী আছিলো। সেই সময়ত অসমৰ institutional birth আছিল only 22%. ভৰত নৰহ ডাঙৰীয়াই ইয়াত কৈছে যে আমাৰ institutional birth নাই। অধ্যক্ষ মহোদয়, আজি অসমত institutional birth হৈছে ৮৪ শতাংশ, ভাৰতৰ হৈছে ৮৮ শতাংশ। We are closing in. Every year we are improving. ২০০৫ -০৬ চনৰ পৰা irrespective of any Government, Health sector ত আজি অসমে এটা নতুন মৰ্য্যাদা পাইছে। অধ্যক্ষ মহোদয়, মই এটা ডাঙৰ data দিব খুজিছো - Government Sector ত institutitional delivery হৈছে 61% আৰু অসমৰ Government Sector ত institutitional delivery হৈছে 74%. Our Government hospiatl is doing much better than the Government hospital of entire India. মোক আপোনালোকে প্ৰশ্ন সোধক, ভাষণত যি আছে থাকক, খুব ভালদৰে বিধানসভাত উত্তৰ দিম যাতে অহা বছৰ আমাৰ ভাষণবিলাকে অসমৰ গৌৰৱৰ গাঁথা প্ৰতিনিধিত্ব কৰে।

অধ্যক্ষ মহোদয়, মিশ্যন বসুন্ধৰা। কোনে চিন্তা কৰিছিলে যে এনেকৈ মানুহক বিচাৰি বিচাৰি মাটি দিব পাৰি। প্ৰথমবাৰ ৭ লাখ মানুহ, এইবছৰ ১০ লাখ মানুহে মিশ্যন বসুন্ধৰাত আবেদন কৰাৰ পথত গৈ আছে। আজি আবেদনৰ অন্তিম দিন আছিল, কিন্তু সদনে বিচৰা বাবে ৩১ মাৰ্চলৈকে সময়টো বঢ়াই দিলো। ১ মিলিয়ন application,অৰ্থ্যাৎ ১০মানুহে মিশ্যন বসুন্ধৰাত application কৰিছে। যদি তাৰে ৫ লাখ মানুহৰ হাততো মাটিৰ পট্টা দিব পাৰো এইটো কিমান ডাঙৰ কথা হ'ব। ভূমিহীন পৰিয়ালক দিলে কিমান দিনৰ ন্যায় বিচাৰি পাব। বি জে পি য়ে তো কাকো বাধা দি থৈ যোৱা নাছিল যে আপোনালোকে নকৰিব, আমি কেতিয়াবা শাসনত আহিম, তেতিয়া আমি কৰিম বুলি। আমাৰ প্ৰচেষ্টা আছে। ভূমিহীন মানুহখিনিৰ প্ৰতি আমাৰ দায়বদ্ধতা আছে আৰু সেইকাৰণে আমি ইয়াত কাম কৰি আছো।

এইবাৰ বিৰোধী পক্ষই NPS,OPS ৰ প্ৰশ্নৰে একেবাৰে বোমা ফুটাই দিছে। NPS কোনে আনিছিল, পি চিদাম্বৰমে আনিছিলে। NPS অসমত কোনে প্ৰৱৰ্তন কৰিছিল, মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ দিনত হৈছিল। ঘড়ীৰ কাটা বদলাই দিবলৈ ক'লে বদলি কৰিব নোৱাৰি, কৰাৰ সময়ত চিন্তা কৰিব লাগিছিল যে আমি কিয় এই কাম কৰিবলৈ গৈ আছো?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া OPS কৰিলে আমি ভাল পাম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপোনাক ভাল পাবৰ কাৰণে মই ইয়াত অহা নাই।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অসমৰ ৰাইজে ভাল পাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অসমৰ ৰাইজক আমি প্ৰতিনিধিত্ব কৰো। ----হুলস্থুল--------অধ্যক্ষ মহোদয়, NPS আৰু OPS ৰ ওপৰত প্ৰশ্ন কৰাৰ আগতে কংগ্ৰেছ দলৰ বিধায়কসকলে বটদ্ৰৱা, কামাখ্যাত গৈ ক্ষমা খুজি আহক। তাৰ পিছত ইয়াত প্ৰশ্ন কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ বেয়া কাম বিলাক ভাল কৰিবলৈ মই ইয়াত আছো নেকি? মই মোৰ দৰে কৰিম। মই কৰ্মচাৰী সকলৰ লগত কথা পাতিম। -----interruption-----

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** এইটো বাজপেয়ী চৰকাৰৰ দিনৰ decision হয় ২০০৩ চনৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি অহাকালি বিধান সভাত আৰু এটা প্ৰশ্ন কৰক যে NPS কাৰ দিনত প্ৰৱৰ্তণ হৈছিল, মই আকৌ উত্তৰ দিম। -----হুলস্থুল----------

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** উত্তৰ প্ৰদেশ চৰকাৰেও OPS ঘোষণা কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ঘোষণা সবেই কৰিছে কিন্তু ফলটো কোনেও পোৱা নাই। সেইকাৰণে যেতিয়া ফল পাম তেতিয়া আমি চাম। অধ্যক্ষ মহোদয়, চৰকাৰী কৰ্মচাৰীৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰে -----

মই আগতে কৈছো যে, বেংগলে ডি এ দিব পৰা নাই । অসমৰ দৰে দুখীয়া ৰাজ্য এখনে আমি সময়ত কৰ্মচাৰীক ডি এ দিছো। এক লাখ চৰকাৰী চাকৰি দিয়াৰ ফালে আমি আগবাঢ়িছো। 'আপোন ঘৰৰ' দৰে আমি লোন দিছো। এইবাৰ মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাইছো এইবাৰ যিবিলাক ল'ৰা ছোৱালীৰ চাকৰি হ'ব তেওঁলোকৰ বাবে আপুনি এটা নতুন স্কীম আৰম্ভ কৰক। চাকৰি পোৱাৰ লগে লগে যাতে এখন বাইক বা স্কুটি বা গাড়ী এখন কিনিব পাৰে । আগতে 'আপোন ঘৰ' আছিল , এইবাৰ 'আপোন বাহন' আৰম্ভ কৰক। আজি কৰ্মচাৰীসকলৰ বাবে হেল্‌থ ইঞ্চুৰেঞ্চ , লোকসেৱা যিটো বীমা যোজনা- তিনিমাহৰ ভিতৰত তাক আমি ইমপ্লিমেন্ট কৰিম। এটা এটাকৈ আমি কৰ্মচাৰীসকলৰ ভালৰ বাবে কাম কৰি আছো । যিসকলৰ মাজত এন পি এচ - অ পি এচ ইচ্যু আছে তেওঁলোকৰ লগতো আমি সময়ত কথা বতৰা পাতিম । উই উইল কাম উইথ দ্য ডেফিনিট চোলিউশ্যন কাৰণ আমি মানবতাৰ লগত আছো। কিন্তু ছয়- সাত বছৰ কাম কৰি অৱসৰ পোৱা মানুহ এজনৰ লগত অপিএছৰ সফলতা বিফলতা কোনেও জুখিব নালাগে ।

....হুলস্থুল....

**মাননীয় অধ্যক্ষ ঃ** প্লিজ..... ৰিপ্লাই দিবলৈ দিয়ক । অনাৰেবল মেম্বাৰসকল বহক আপোনালোকে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই হাউচৰ পৰম্পৰা আছে যে মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত যেতিয়া বিতৰ্ক দিয়ে প্ৰশ্ন নকৰে । মাজত নুঠে। বিত্ত মন্ত্ৰী যেতিয়া বাজেট দিয়ে তেতিয়া নকৰে। আমিতো ইয়াত ডেমোক্ৰেচী বনাব আহিছো। - উই কেননট বি ইনফ্লুয়েন্সড বাই এনাৰ্কীজিম। এনাৰ্কীজিমটোতো আমি গ্ৰহণ কৰিব নোৱাৰো । মোৰ ভাষণৰ পিচত কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই সময় পাব, দেবব্ৰত শইকীয়া ডাঙৰীয়াই সময় পাব । - দে উইল ৰিপ্লাই - । ইয়াতে আমিতো অসমত আন্দোলন বৰ্জিত পৰিবেশ এটা বিচাৰি আছো । ইয়াত কেনেকৈ এইটো এলাও কৰিম । মই ভাবো অসমৰ গৌৰৱগাঁথা শুনাৰ বাবে আমি চেষ্টা কৰিব লাগে । মইতো এটাও শব্দ অসমৰ এগেইনষ্টে কোৱা নাই । না মই কংগ্ৰেছৰ বেয়া কথা কৈছো - মই

মাত্র কৈছো যে, অসমৰ জিডিপি বাঢ়িছে । অসমৰ বাজেট বাঢ়িছে । মই কৈছো অসম মেডিকেল কলেজ বাঢ়িছে । ইয়াত কিয় বেয়া পাব লাগে - মইতো এটাও বেয়া শব্দ কোৱা নাই । মই এবাৰো কোৱা নাই যে মাননীয় তৰুণ গগৈৰ দিনত এয়া হৈছিল মাননীয় শৰৎ সিংহৰ দিনত এনেকুৰা হৈছিল । মইতো এটাও কম্পাৰিজন অনা নাই । মই একো কোৱাই নাই - মই কেৱল কৈ আছো যে অসমৰ কৃষি উৎপাদন বাঢ়িছে, ধান কিনিছে , অসমৰ ৰাস্তা ভাল হৈছে , দলং ভাল হৈছে । মই ভালখিনিহে কৈছো- আপোনালোকে বেয়াখিনি ক'লে - কোনোবাই যদি ভালখিনি নকয় - মানুহে ইম্প্রেশ্যন পাব যে অসমখন বেয়া বুলি। গতিকে কোনোবাইতো অসমৰ ভালখিনি ক'ব লাগিব। গতিকে অসমৰ ভাল কথাখিনি শুনাৰ বাবে আমাৰ ধৈৰ্য আৰু সাহস লাগিব যদি আমি বিধান সভাত আহো। বেয়া কথাখিনিওতো আমি শুনিছো। গতিকে বেয়া খিনি শুনাৰ পিচত ভালখিনি শুনিব লাগে। ভাত খোৱাৰ পিচততো চুইট ডিছ দিয়ে সকলোতে । গতিকে ভাল কথাখিনি শুনাত কি আপত্তি আছে । অধ্যক্ষ মহোদয়, দৰিদ্ৰ লোকৰ বাবে আমাৰ চৰকাৰ কেনেদৰে আগবাঢ়িব বিচাৰিছে । আজি ইয়াতে এজনে কৈছে যে অৰুণোদয় আঁচনি নালাগে । অধ্যক্ষ মহোদয় অৰুণোদয় আঁচনি আমাক লাগে - নালাগে এইটো কথা নহয়। আমাক যিসকলে বিধান সভালৈ পঠিয়াইছে তেওঁলোকে অপেক্ষা কৰি আছে যে আমাক অৰুণোদয় আঁচনি লাগে বুলি। আমি মাষ্টাৰ নহয়, আমি সেৱক। আমাক যিসকলে এই হাউচত পঠিয়াইছে- অন্তত মোক যিসকলে নিৰ্বাচন কৰি পঠিয়াইছে , অৰুণোদয় ৰ কথা কওঁতে হাত চাপৰি বজোৱা কাৰণেহে ভোট পাইছো । গতিকে অৰুণোদয়টো আমি ইমপ্লিমেন্ট কৰিবই লাগিব। এইবাৰ অধ্যক্ষ মহোদয়, সোতৰ লাখৰ পৰা আমি সাতাইশ লাখ অৰুণোদয় দিম । আৰু লাহেকৈ সাতাইশ লাখৰ পৰা আমি পয়ত্ৰিশ লাখলৈকে যাম । আজি আমি অসমৰ below peverty লাইন- অসমৰ সকলো ফেমিলিক আমি এই পাঁচ বছৰত অৰুণোদয়ত আমি আনিব লাগে । আপোনালোকে কৈছে মুল্যবৃদ্ধি হৈছে , মুল্যবৃদ্ধি হৈ গেছৰ দাম বঢ়া বুলি কৈছে। হাতত যদি দুই হাজাৰ টকা থাকে দুশ টকা চিলিণ্ডাৰৰ দাম বাঢ়িলেও তেওঁ কিনিবলৈ সক্ষম। ৰাছিয়া- ইউক্ৰেনৰ যুদ্ধৰ ফলত গেছৰ দাম বাঢ়িলেও দুখীয়াজনে চৰকাৰৰ টকা দিব । অৰুণোদয় যেতিয়া আমি এক হাজাৰৰ পৰা বাৰশ পঞ্চাশ টকা কৰিলো আমি ক'লো দুশ পঞ্চাশ টকা আপোনালোকে ইলেকট্ৰিচিটিৰ বাবে দিব। আজি অন্ততঃ মানুহখিনিয়ে তো সকাহ পাইছে । এইবাৰ আমি চেষ্ট কৰিছো- সেইটো হ'ল আমি চাৰিটা ধাৰা বনাব খুজিছো - মানুহজনৰ হাতত অৰুণোদয় থাকক , মানুহজনৰ হাতত ৰেশ্যন কাৰ্ড থাকক । মানুহজনৰ হাতত হেলথ ইঞ্চুৰেঞ্চ থাকক আৰু মানুহজনে এটা থকা ঘৰ পাওঁক । এইখিনিক আমি চেচুৰেশ্যনত লৈ যাব লগিব। আমি চতুৰ্দিশৰ পৰা দৰিদ্ৰতাক আক্ৰমণ কৰিব বিচাৰিছো। অহা কালি যেতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট দিব আমি চাৰিটা দিশৰ পৰা দৰিদ্ৰতাক আক্ৰমণ কৰিব খুজিছো । দৰিদ্ৰতা নিবাৰণৰ বাবে আমাৰ হাতত থকা আটাইতকৈ ডাঙৰ অস্ত্ৰটো হ'ল অৰুণোদয়। এই হাউচত আপোনালোকে কৈছিল- আপোনালোকৰ কামবিলাকেই মই কৰি আছো যে ৰেশ্যন কাৰ্ড নাই এতিয়া আমি সমষ্টিয়ে সমষ্টিয়ে নতুন ৰেশ্যন কাৰ্ড দিছো । ৰেশ্যন কাৰ্ড দিয়াৰ পিচত আমি কৈছো যে ৰেশ্যন কাৰ্ড দিয়া মানুহখিনিক আমি হেল্থ ইঞ্চুৰেঞ্চ দিম । লাহেকৈ আমাৰ চেষ্টা থাকিব যে প্ৰধান মন্ত্ৰী আৱাস যোজনাই হওক ষ্টেটৰ পৰা কিবা কৰি হওঁক প্ৰত্যেকটো ফেমিলিকে একোটাকৈ থকা ঘৰ দিম । নৰেন্দ্ৰ মোদী ডাঙৰীয়াই বিদ্যুতৰ কানেকশ্যন দিছে । লাহে লাহে এ পি ডি চি এলয়ে ভাল কৰিব, বিদ্যুতৰ ভাৰাও কমিব । বিদ্যুতৰ দামো কমিব । নকমিলে অৰুণোদয় বঢ়াই দিব । উই আৰ ৱৰ্কিং- দৰিদ্ৰতা নিমূৰ্লৰ কৰণৰ বাবে আমি চাৰিওফালৰ পৰা কাম কৰি আছো । অহা

কালি বাজেটত আমি তাৰ ৰিফ্লেকশ্যন পাম । কাৰণ এইখন চৰকাৰে এক লাখ চৰকাৰী চাকৰিয়েই হওঁক , মাইক্ৰ' ফাইনেন্সেই হওঁক , অৰুণোদয়েই হওঁক, আয়ুস্মান অসমেই হওঁক , ৰেশ্যন কাৰ্ডেই হওক আমি প্ৰতিটো ক্ষেত্ৰতে ৰাইজক দিয়া প্ৰতিশ্ৰুতি কযটি শীলত থিয় হ'বৰ কাৰণে আমি প্ৰচেষ্টা চলাইছো । আৰু মাত্ৰ দুটা বছৰতে আমি আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহ পালন কৰাৰ বাবে চেষ্টা কৰিছো। অধ্যক্ষ মহোদয়, ইয়াত উচ্ছেদৰ কথা কোৱা হৈছে - অধ্যক্ষ মহোদয় ফাণ্ডামেন্টেল ৰাইটৰ কথা কোৱা হৈছে । হু চিকিউৰড এণ্ড গেৰেন্টেড ফৰ ফাণ্ডামেন্টেল ৰাইটচ ফৰ এ চিটিজেন - ডেফিনিটলী জুডিচিয়েৰী । জুডিচিয়েৰীৰ ওপৰত ফাণ্ডামেন্টেল ৰাইটচৰ কাৰণে কোনেও তাতকৈ বেছি কাম নকৰে । আজি গোৱালপাৰাত এভিকশ্যন কৰিব লাগে বুলি চৰকাৰক কোনে নিৰ্দেশ দিছে- কোৰ্টে অৰ্ডাৰ দিছে । আপোনালোকে এভিকশ্যন কৰিব লাগিব। কাৰণ এখন ৰাজ্যত যদি কোএগজিষ্ট কৰিব লাগে তাৰ পৰিবেশৰ লগত কৰিব লাগিব। পাৰিপাৰ্শ্বিকতাৰ লগত কৰিব লাগিব। আজি গুৱাহাটীৰ এয়াৰ পলিউশ্যনে চাৰিশ স্পৰ্শ কৰে একো একোজন মানুহৰ আয়ুস দহ বছৰ কমি আহিব। আমাক মানুহে হত্যাকাৰী বুলি নক'বনেকি যে আপোনালোকৰ কাৰণে মানুহজন মৰিল । গতিকে পৰিবেশৰ সন্তুলন ৰক্ষা ক্ষেত্ৰত কাম কৰাটোক এভিকশ্যন বুলি নকয়। এভিকশ্যন কাক কয় , যদি আপোনাৰ মাটিৰ পৰা মই আপোনাক উঠাইছো তাক এভিকশ্যন বুলি কয় । ফৰেষ্টৰ পৰা যদি মানুহঘৰক আঁতৰাই অনা হৈছে তাক এভিকশ্যন বুলি নকয় । দিছ ল' ৱাজ পাছড বাই কংগ্ৰেছ পাৰ্টি- ২০০৫ হৈছে । ২০০৫ ৰ আগত কোনোবা ট্ৰাইবেল মানুহ যদি আছিলে পাব। আৰু জেনেৰেল কাষ্টৰ মানুহ যদি দুই তিনিটা জেনেৰেশ্যন আগৰে পৰা ফৰেষ্টত আছিলে ফৰেষ্টত অধিকাৰ পাব । বাকী কোনো মানুহ ফৰেষ্টত থাকিব নোৱাৰে । আপোনালোকেই আইন পাছ কৰিব আৰু আপোনালোই দুই ধৰণে মানুহক ক'ব - এবাৰ ক্লিয়েৰ কৰি দিয়ক যে এই আইনখন কংগ্ৰেছে পাছড কৰা নাছিলে বুলি, কিয় কংগ্ৰেছে আইন নকৰিলে যে ট্ৰাইবেল মানুহখিনি যেনেকৈ পট্টা পাব আমাৰ মাইনোৰিটি মানুহখিনিও পট্টা পাব। ইউ হেড দা মেজৰিটি ।- আপোনালোকৰ মেজৰিটি আছিলে। অসমৰ সংখ্যালঘুৰ কাৰণে ঘৰিয়ালৰ চকু পানী টোকাটো বাদ দিব লাগিব। শাসনত থকা সময়ত সংখ্যালঘু লোককলৈ আমাৰ কিয় মনত নপৰে ? ভাৰতৰ প্ৰধান মন্ত্ৰী যেতিয়া মনমোহন সিং ডাঙৰীয়া আছিল তেতিয়া তেওঁ আইন কৰিলে যে ২০০৫ চনৰ আগত যদি জনজাতীয় লোক ফৰেষ্টত আছে চৰকাৰে পট্টা দিব পাৰিব। কিন্তু মুছলমান মানুহৰ বাবেতো আপোনালোকে আইন নকৰিলে? আজি সংখ্যালঘু মানুহসকলে যদি কষ্ট পাইছে - পোৱাটো নোপোৱাটোলৈ মই পিচত আহিম - কিন্তু যদি কষ্ট পাইছে তাৰ বাবে উত্তৰৰ দায়িত্ব মোৰ নহয় । উত্তৰ দায়িত্ব সেই সময়ত সংসদত কোনে এই আইন পাছ কৰিছিল? কিয় নক'লে যে নদীয়ে ভঙা মানুহৰ কাৰণে দিয়া হ'ব, কিয় নক'লৈ পাৰ ভঙা মানুহৰ কাৰণে দিয়া হ'ব, তেতিয়াতো একো নকৰিলে। আজি শাসনত থকা সময়ত আজি মোক কোৱা হয় সংখ্যালঘু মানুহক অত্যাচাৰ হৈছে, ওডালগুৰিত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে, বি টি আৰ ত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে, কোক্ৰাঝাৰত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে, কতো হোৱা নাই। আজিৰ দিনত অসমৰ মুছলমান মানুহে যিমান শান্তিত আছে কোনো দিনে অসমৰ ইতিহাসত নাই। আটাইতকৈ বেছি কলেজ হৈছে, আটাইতকৈ বেছি স্কুল হৈছে, আটাইতকৈ বেছি ঘৰ পাইছে মোডী ডাঙৰীয়াৰ দিনত। আজিতো মানুহে আমাৰ accused কৰি আছে যে প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়া আৱাস যোজনাৰ ৬০ শতাংশ ঘৰ মুছলমান মানুহে পাইছে। আমাক প্ৰশ্ন কৰি আছে, যে আপোনালোকক ভোট নাইদিয়া, আপোনালোকে ঘৰৰ পিছত ঘৰ বনাই আছে। তেতিয়া মোডী ডাঙৰীয়াই কৈছে Sabka Sath Sabka Vikas।

চলি আছে। আজিৰ দিনত যিমান মুছলমান গাঁৱত ৰাস্তা হৈছে কেতিয়াও হোৱা নাছিল। আগতে ইয়াত আছিল অজন্তা নেওগ বাইদেউ কংগ্ৰেছৰ মন্ত্ৰী আছিল, মই কংগ্ৰেছৰ মন্ত্ৰী আছিলো। একোটা একোটা সংখ্যালঘু সমষ্টিত এক কোটি টকা দিয়া হৈছিল, অলপমান চামগুৰি, জালুকবাৰী জিলাত কেতিয়াবা বেছি গৈছিল সেইটো বেলেগ কথা, but otherwise 1.5 কোটি টকা। আজি অলপ আগতে এজন বিধায়ক ভ ৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই আহি মোক কৈছে যে মোৰ সমষ্টিত ৪২ কি.মিটাৰ ৰাস্তা হৈছে, ৰাস্তাখিনি ভালকৈ হ'ব লাগে। ৪২ কি.মিটাৰ। যদি কোৱা নাই মই উঠাই লৈছো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈছা) ঃ** ছাৰ, কোৱাটো হয়, লাইনটো আপুনি মিছ কৰিছে। মোৰ ৪২ কি.মিটাৰ ৰাস্তা নাওঁবৈচাত দিছে কিন্তু selection কৰিবৰ কাৰণে আমি কৈছো power দিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই বুজিছো যে ৪২ কি.মিটাৰ ৰাস্তা এটা বিৰোধী দলৰ সমষ্টিত দিয়া অসমত কোনো ইতিহাসতে নাই। অসমত কোনো parliamentary ইতিহাসতে নাই। আপোনালোকে আমাক accused কৰিব পাৰে মই ইয়াত অজন্তা বাইদেউকো কম, যে বাইদেউ আপুনিও memory টো fresh কৰক, যে কেতিয়াবা ইভেন আমাৰ কংগ্ৰেছৰ বিধায়কেও ইমান নাপাইছিল আমি যিমান পাইছিলো। সেই লৈ বিতৰ্ক হৈছিল। কিন্তু আজি আমি সকলোকে ১০ কি.মিটাৰ আপোনালোকেও ৰাস্তা পাইছে, আমিও ৰাস্তা পাইছো। এতিয়া quality যদি ক'ৰবাত ভাল হয়, ক'ৰবাত বেয়া হয়, মানুহে যদি ক'ৰবাত ৰাস্তা দেখে, ক'ৰবাত নেদেখে তাৰ দায়িত্বতো মই লব নোৱাৰো, বিধায়ক সকলে দায়িত্ব ল'ব লাগিব। আজি নুৰুল হুদা ডাঙৰীয়াই আহি মোক কৈছে যে ছাৰ, ৰূপহীলৈকে ১৭ কি.মিটাৰ ৰাস্তা লাগে। মইটো এবাৰো চোৱা নাই তাত minority আছেনে majority আছে। এইটো sanction কৰি দিছোঁ। আমাৰ এইটো দৃষ্টিয়ে নহয়, আজি মই কেইদিন মান আগতে কৈছো যে অসমৰ minority মানুহে অংগনবাড়ী কেন্দ্ৰত চাকৰি কৰিবলৈ ৪ লাখ টকা ঘোচ দিছিল। আৰু আজি অসমৰ minority মানুহে পুলিচৰ এচ আই চাকৰি পাইছে। আচৰিত হৈছে বিজেপিৰ দিনতো চাকৰি পাইছো। আজি কোনোবাই যদি হৃদয়ৰ পৰা সোধে যে কেইজন মুছলমান মানুহ communal attack ত মৃত্যু হ'ল, আপোনালোকে বাৰে বাৰে encounter ৰ কথা কৈ থাকে। এনকাউন্টাৰটো কি ভাৰি চিন্তি কৰা বস্তু নেকি, communal clash টো ভাৰি চিন্তি কৰা বস্তু নেকি, পুলিচৰ ফাইৰিং কেতিয়াবা কেতিয়াবা ইচ্ছা মতে হৈ যায় অনিচ্ছাকৃতৰ লগত , কিন্তু encounter টো ভাৰি চিন্তি কৰা বস্তু নহয় নহয়, revolver টো কোনোবাই ওলালেহে পুলিছে ওলাব। নহলে কিয় ওলাব। এতিয়া আপোনালোকে অপৰাধ খিনিক আহ্বান কৰিব লাগিব যে চা, অসম পুলিচ সলনি হ'ল, পিষ্টল উলিয়ালে কিন্তু পিষ্টল উলিয়াব। আমি কাক sensitized কৰিব লাগিব যে যি সকলে ড্ৰাগচৰ ব্যৱসায় কৰে আমি কব লাগিব যে বাবা heroin খিনি ধৰাৰ লগে লগে হাত উঠাই দিব, সেইটো আমি sensitized কৰিব লাগিব। এই যে কিবা হাতে হাত জোৰো পৰ্য্যায়ত, এনেকুৱা এটা programme ল'ব লাগিব। যে ভাই যেতিয়া drugs ধৰা পৰে তেতিয়া revolver উলিয়ালে নহ'ব, এই অসম পুলিচ সলনি হৈছে। ইয়াত তুষ্টি কৰণৰ ৰাজনীতি নাই। ইয়াত appeasement ৰ politics নাই, ধাৰা ধাৰ ফুটিব। সেই কাৰণে বুজাব লাগিব যে চাওক 2 kg heroin আছে, ইতিমধ্যে ১৪ বছৰ জেল বাধ্য, আকৌ যদি তাত পুলিচলৈ revolver উলিয়াই লয় কেনেকৈ সহায় হ'ব। হাতটো উঠাব লাগিব ন। সেই কাৰণে আজি House ৰ পৰাই মই সকলো criminal ক অনুৰোধ কৰিম যে there will be no

encounter কেৱল হাত উঠাই দিব police দেখিলে। নহলে বগাৰুমাল জোকাৰি দিব, যদি বগাৰুমাল নোজোকাৰে, হাত নুঠাই তেতিয়া পুলিচক কি কম যে তই গুলি খাই লবি একো নকৰিবি। এইটোতো ভাই কোনে কব। এইটোতো মই কব নোৱাৰো। গতিকে আপোনালোকে হাউচত এনেকুৱা encounter বুলি কিবা এটা provision আছে। এনকাউন্টাৰ there has to be 2 party. 2 party থাকিবই লাগিব ন? গতিকে এই কথাটো হৈছে যে আপোনালোকে encounter লৈ মই কোনো দুখী নহয়, যে এনকাউন্টাৰ হৈছে হিমন্ত বিশ্ব শৰ্মাক গালি দিছো image বেয়া হ'ব। মইতো ভালেই পাও যে খুবকমেও মোৰ police খিনিয়ে গুলিৰ জবাব গুলিৰে দি আছে। তাতটো কোনো বেয়া পাব লগীয়া কথা নাই। নহলে আজি ক্ৰাইম ক'ত কমিলহেতেনঙ্গ against women crime has come down to 12,000 yes but every action has to be as per law. নগাঁৱত lawful action হোৱা নাছিল, আমি একচন লৈছো। ওডালগুৰিত lawful action হোৱা নাছিল we have ordered enquiry য'তে য'তে lawful action নহয়, আমি এক্চন ল'ম। কিন্তু lawful action হ'ব, তাত পুলিচৰ SP ক arrest কৰিছোঁ। চাহ বাগিচাৰ ছোৱালীৰ মৃতদেহ মাটিৰ তলৰ পৰা উঠাই আনিও আমি পুলিচক শাস্তি দিছোঁ। আজি পুলিচক গটাই দিয়া নাই। আজি যদি আটাইতকৈ ভয়ত আছে পুলিচ আছে, যে এচ পি কো নেৰে। মই গৌৰৱ কৰা নাই মোৰ দায়িত্ব আজি কোন মুখ্যমন্ত্ৰীয়ে paper cut পঢ়ি গৈ ধিংত হাজিৰ হৈছে, victim মুছলমান হিন্দু নাছিল, কোন মুখ্যমন্ত্ৰীয়ে গোসাইগাঁৱত উপস্থিত হৈছে victim ট্ৰাইবেল, কোন মুখ্যমন্ত্ৰীয়ে ঢেকীয়াজুলিত গৈ উপস্থিত হৈছে victim আদিবাসী ছোৱালী। গাতৰ পৰা ওলাই case কৰ, SP কো ৰেহাই দিয়া হোৱা নাই। আপোনালোকে কৈছে পুলিচক ল নিদিব, পুলিচ বিলাকে ওলোটাই মোক কৈছে ছাৰ আগত আৰামত আছিলো, এইবোৰ আপুনি কি আইন আনি দিলে, এতিয়া এচ পিও jail ত যাব লাগে। আগতেতো এনেকুৱা কোনো কথা নাছিল। সেই কাৰণে encounter লৈ মোক একো নক'ব। এনকাউন্টাৰ বিশেষ সময়ত বিশেষ ভাৱে হোৱা ঘটনা। যেতিয়া হ'ব লাগে তেতিয়া হ'ব যেতিয়া নহ'ব লাগে তেতিয়া নহ'ব। কোনোবাই যদি drugs ৰ বেপাৰ নকৰে, rape কৰা বন্ধ কৰে encounter ক'ৰ পৰা হ'ব? আমি ক'ব লাগে যে আমি হাউচৰ পৰা আহ্বান জনাব লাগে যে ভাই drugs ৰ বেপাৰ বন্ধ কৰক, ভাই আপোনালোকে ছোৱালী, আমাৰ জীয়ৰী-বোৱাৰীৰ ফালে চোৱা বাদ দিয়ক। ভাই আপোনালোকে কেতিয়াও দুখীয়া মানুহক অত্যাচাৰ কৰা বন্ধ কৰক। কিন্তু আপোনালোকে কৈছে এনকাউন্টাৰ কিয়? হাৰে পুলিচ খিনিৰ মাক-দেউতাক নাই? তেওঁলোকে গুলি খালে তেওঁলোকৰ বিধবা মহিলা গৰাকীৰ কি হ'ব? আপোনালোকে বিচাৰে নেকি যে drugs বেপাৰী এজনৰ হাতত সৎ পুলিচ বিষয়া এজনৰ মৃত্যু হওঁক। বিৰোধী পক্ষই দুয়োফালে কওঁক হয়তো, যে ভাই পুলিচ আপোনালোকেও ইমান harsh নহ'ব, আৰু ডকাইত খিনিকো আহ্বান জনাওক যে বেয়া কাম নকৰিব বুলি। এইটোতো Act ৰ ফালৰি চলাই লৈ গৈ আছে আপোনালোকে দুয়োফালে নকয়। মই দুয়োফালে কৈ আছো। যে ভাই আজিৰ পৰা যদি অসমত এনকাউন্টাৰ হ'ব নালাগে revolver নাৰখিব, পুলিচে arrest কৰাৰ লগে লগে বগা ৰুমাল ওপৰত উঠাই দিব, লেঠাই শেষ। আমি court ত লৈ যাম, কোৰ্টে শাস্তি দিব। আজি আমি maximum কোৰ্টত লৈ গৈছোঁ, বিৰোধী দলপতিয়ে কৈছে যে conviction হোৱা নাই। মানে চৰকাৰে ইমান মৰম কৰি আছে একপ্ৰকাৰ কব গলে আজিৰ দিনত conviction য়ে হোৱা নাই। কিমান দয়ালু। কিন্তু আজি আমি conviction rate টো বঢ়াই আছোঁ fake encounter বুলি without judgement আমি কব নোৱাৰো। এনকাউন্টাৰটো fake বুলি কৰি দিয়াটো এইটো

নতুন adjective আহি গ'ল, বিশেষণীয় বিশেষণ আহি গ'ল।

মাননীয় অধ্যক্ষ মহোদয়, কিন্তু আজি আমি হুConviction rate টো বঢ়াই আছো। fake encounter বুলি without judgement ক'ব নোৱাৰিম। এনকাউন্টাৰটো fake কৰি দিয়াটো নতুন বিশেষণীয় বিশেষণ আহি গ'ল। ইমান দিন যুজ চলি আছিল এনকাউন্টাৰক লৈ। অসম চৰকাৰৰ হাতত কোনো ধৰণৰ fake এনকাউন্টাৰৰ কথা নাই। fake এনকাউন্টাৰ নকৰে। পিষ্টল উলিয়ালে নিজৰ আত্ম ৰক্ষাৰ বাবে কিন্তু As per the mendate of CrPC আমি একশ্যন ল'ব লাগিব। তাত কোনো বাধা নাই, আমি লব'ই লাগিব। উচ্ছেদৰ ক্ষেত্ৰত মইও সঁচাই চিন্তা কৰো। দৰিদ্ৰ দুখীয়া মানুহ এজনৰ যেতিয়া উচ্ছেদ কৰা হয় মানুহজন ক'ত থাকিব। এটা সময়ত চৰকাৰে যদি কঠোৰ পদক্ষেপ নলয় সদায়ে মানুহ আহি থাকিব দখল কৰি থাকিব, দশল কৰাৰ লগে লগে মানৱীয় চিন্তা আহি থাকিব। কৰোৱাত নহয় কৰোৱাত বন্ধ হ'বই লাগিব। বিষয়টো কনোৱা এজন মুখ্যমন্ত্ৰীয়ে খাব লাগিব অমৃত খালেইটো নহ'ব। গতিকে মই সিদ্ধান্ত কৰিছো অসমত বন বিভাগৰ মাটি উচ্ছেদ কৰিবই লাগিব কেতিয়াবা উচ্চতম ন্যায়ালয়ে এই ক্ষেত্ৰত আদেশ দিব। যিমান বন বিভাগৰ মাটি আছে বুঢ়াচাপৰিয়ে তেখেত সকলৰ নাচিলে, গড, বাঘ আৰু সিংহৰ আছিল। আমিহে তাত অনাধিকাৰ সোঁমাইছো। এটা দিনত বুঢ়াচাপৰিত ৩০ টা গড় হত্যা হৈছে। কিন্তু বুঢ়াচাপৰিত উচ্ছেদ হোৱাৰ লগে লগে তাত থকা বাঘ, গড় ঘূৰি আহিলে, প্ৰাকৃতিক পৰিবেশ নতুনকৈ সৃষ্টি হ'ল। এতিয়া বিধায়ক সকলে কাম কৰক যি উচ্ছেদিত মানুহখিনিক কোন ঠাইত আমি বহাব পাৰো। If, they are true Indian citizens. যদি তেওঁলোক প্ৰকৃত ভাৰতীয় হয়, আপোনালোকে যদি খালী মাটি দেখাই দিয়ে চৰকাৰে কিয় সহায় নকৰিব। মই বন বিভাগৰ ভিতৰত থাকিব দিব নোৱাৰো। আজি কাজিৰঙাত এই বছৰ এটাও গড় হত্যা হোৱা নাই, চিন্তা কৰক। বনমন্ত্ৰী ৰকিবুল ডাঙৰীয়া এই দায়িত্বত আছিল, এটোৱা মুণ্ডা ডাঙৰীয়া আছিলে আমাৰ চৰকাৰৰ দিনটো পৰিমল শুক্লবৈদ্য ডাঙৰীয়া দায়িত্বত আছে। এটাও এবছৰত হত্যা হোৱা নাই। মই বিধায়ক সকলক কম যে, আপোনালোকে নিজে উৎসাহিত কৰক যে যিবিলাক বন বিভাগৰ ভিতৰত আছে তেখেত সকলে ওলাই আহিব লাগিব। উচ্চতম ন্যায়ালয়ে কনোৱা নহয় কনোৱা দিনা জাজমেন্ট দিবই বন খালী কৰক। যেতিয়া Global Warming যেতিয়া বাঢ়িব বন বিভাগ খালী কৰা অৰ্ডাৰ আজি নহয় কালি আহিবই। আজি আমাৰ হাতত শাসন থাকোতে আমাক বিধায়ক পাতি দিছে, দুখীয়া মানুহ এজনক সহায় কৰিব পাৰো। আমাৰ শিলসাঁকোত উচ্ছেদ হৈছে, ইমান দিনে কোৱা হৈছিল আমি মুছলমান মানুহক উচ্ছেদ কৰো, এতিয়াটো হিন্দু মানুহহো উচ্ছেদ হৈছে। আমি যদি শিলসাঁকোখন যদি মুকলি কৰিব নোৱাৰো তেতিয়া হ'লে গোটেই মহানগৰীৰ সমগ্ৰ মানুহে এদিন কষ্ট পাব। যেতিয়া ১৫ লাখ মানুহৰ লগত ৭০০ মানুহৰ তুলনা কৰো Justic and fair play কাৰ লগত থাকিব ১৫ লাখ মানুহৰ লগত থাকিব। কেইটামান ভোটৰ বাবে আমি Anarchy সৃষ্টি কৰিব নোৱাৰো। আমি ক'ব পাৰো তেখেত সকল ইয়াত আছে, য'ৰ মানুহ তাতে থকাৰ কাৰণে মাটি দি দিয়ক। মই যদি সোমোৱাটে বিনা পইচাত সোমোৱালো কিন্তু আজি যদি কনোৱাই কয় ৫০ বিঘা মাটি আছিল, শিলশাকোত ২০ লাখ, ৩০, ৫০ লাখ বিক্ৰী আছো কিন্তু ইয়াৰে কমিশ্যনটো কোনো পালে। যি সকলে কিবা কিবি কৰি নেতা হৈ থাকে তেখেত সকলৰ হাততে সেই পইচা বিলাক আহে। ২০০৮ চনত চেটেলাইট ফটো ক'ব লাগিছিল আজিৰ পৰা আইন পাছ হ'ল। ২০০৮ ৰ আগৰ বিলাক ৰেগুলাৰাইজ কৰক। কংগ্ৰেছে ২০০৫ চনতে জনজাতীয় মানুহখিনিক ৰেগুলাইজ কৰিলে। আমিও ব্যৱস্থা ল'ব পাৰো। মানবীয় ডেফিনেশ্যন হ'ল বহুজনত

হিতায়ক, বহুজন চুখাই। আজি গড়টোৰে কথা পাতিব নোৱাৰে কাৰণে তাৰ কি মানৱীয়তা নাই নেকি। লামডিংত আজি হাঁতীখিনি পাহাৰলৈ উভতি যোৱাৰ কাৰণে আজি হাঁতীয়ে এটা মানুহকো মৰা নাই। সেই মানুহখিনিৰ জীৱন বচোৱাত অলপ হ'লেও সহায় কৰিছো। Human-Elephant Conflict ত মানুহ বিলাক তল মৰি আছিল। হয় হাঁতী মৰিব নহয় মানুহ মৰিব। জংঘল বাদ দি ক'ত যাব। মই বিধায়ক সকলক অনুৰোধ কৰিম You raise to the occasition চৰকাৰে কিয় যাব লাগে। একোজন মাতবৰে ৫০০ বিঘা ১০০ বিঘা মাটি লৈ আছে। সেই টিভিত অলপ সময়ৰ কাৰণে উঠা ফটোখন বাদ দিয়ক। আজিৰ দিনত আমাৰ কাম হ'ল বনাঞ্চলৰ পৰা উচ্ছেদ কৰা। এতিয়া ওৰাংত উচ্ছেদ হবই। মই ৰখাব নোৱাৰো সেই ওৰাংৰ বিধায়কৰ দায়িত্ব। চাৰ আমাক ৩ মাহ দিয়ক আমি ক'ত বহাব পাৰো। আপোনালোকে আলোচনা নকৰিব সয়ত গৈ ক'ব চৰকাৰে কিয় উচ্ছেদ কৰিব। বটদ্ৰৱাত ২৭ গৰাকী পৰিয়ালে ১০ শ বিঘা মাটি লৈ থাকিব খুজে উচ্ছেদটো হ'ব। মই কৈছো ১০ পৰা ১৫ ঘৰ মানুহক যাৰ মাটি নাই তাক কৰোৱাত বহাই দিয়ক সেইটো মইয়ে কৈছে কিন্তু তাৰ কাৰণে মোক সমোলোচনা কৰিছে। উচ্ছেদ কৰা মানুহক মাটি দিছে। মইও এজন মানুহ, তেখেতৰ ঘৰটো পৰিয়াল আছে, মোৰ ঘৰটো পৰিয়াল আছে মুকলি আকাশৰ তলত থকাটো কথা নাই। যদি ভাৰতীয় নাগৰিক হয় মাটি পাব। ভাৰতীয় নাগৰিক এজন মাটি দিয়াৰ ক্ষেত্ৰত কোনো সহায় কৰিব এজন বিধায়কে কৰিব লাগিব। আপোনালোকে মানুহক বুজোৱাৰ পৰিৱৰ্তে মানুহখিনিক যদি উৎসাহিত কৰে কেতিয়াবা মানুহ আৰু পুলিচৰ মাজত সংঘাত হ'ব। সেইটো আমাৰ দায়িত্ব নহয়। আটাইতকৈ ডাঙৰ কথা হ'ল নামনি অসমত জনসংখ্যা ৰখাব নোৱাৰালৈকে মাটি নহোৱা হৈ যাব। এই জেনেৰেশ্যনক আমি মাটি দিম, চেকেণ্ড জেনেৰেশ্যনে কোনখন বনাঞ্চল ল'ব, তৃতীয় জেনেৰেশ্যনে কোনখন বনাঞ্চল ল'ব। গতিকে কৰোৱাত কৰোৱাত আচল সমস্যাটোত অলপ দৃষ্টি নিক্ষেপ কৰক। উচ্ছেদ আছল সমস্যা নহয়। আচল সমস্যা হৈছে জন বিস্ফোৰণ। You have to identify the original problem. সদাই সদনত আহো বাস্তৱ কথাটো কনোও নকয়, উচ্ছেদ কথাটো হে কয়। আজি উচ্ছেদ নকৰিলো অহাকালি ক'ত থাকিব মানুহ এটা পৰিয়ালৰ যদি ৮ লৰা-ছোৱালী জন্ম হয়। Child Marriage ৰ কথা কৈছে ১১ বছৰীয়া মুছলাম ছোৱালী মাতৃ হৈছে আপোনালোকৰ অন্তৰ নাকান্দিব। এজন ছোৱালীৰ জীৱনটো ধংস কৰি দিলে এতিয়া ২০ দিন জেলত নাথাকিব। এই আইনখন কোনো পাছ কৰিছে কংগ্ৰেছৰ দিনতে পাছ হৈছিল। Population Control Act. খন ১৯ বছৰ ২১ বছৰ। আমাৰ চৰকাৰে চেষ্টা কৰি আছে যে, ১৮ পৰা ২১ কৰিম। ১৮ লৈকেটো কংগ্ৰেছে পাছ কৰিছিল। আপোনালোকে সমলোচনা কৰে। Child Marriage ৰ পক্ষত মাত মতাটো এই সদনৰ দায়িত্ব। অপৰাধীক ৰক্ষনা-বেক্ষন নিদিব। মানৱতা মই কেনেকৈ দেখুৱাম, মুখ্যমন্ত্ৰীৰ আইনত প্ৰভিজনটো থাকিব লাগিব, মুখ্যমন্ত্ৰীয়ে মানৱতা দেখাব পাৰে বুলি। যদি প্ৰভিজন আছে, I will implement that. আপোনালোকে আইন বনাইছে মুখ্যমন্ত্ৰীৰ কাৰণে পাৱাৰে ৰখা নাই। যদি পাৱাৰ নাই মইটো এৰেষ্ট কৰিব লাগিব। সেই কাৰণে আজিয়ে কৈছো প্ৰতি ৬ মাহৰ মূৰে মূৰে বাছে বাছে লৈ আহিম। অসমত বাল্য বিবাহ বন্ধ হ'বই লাগিব। হয়টো ৰাইজে মোক মুখ্যমন্ত্ৰী পদৰ পৰা নমাই দিয়ক নহ'লে বাল্য বিবাহ বন্ধ কৰক। আৰু এইটো লৈ আজি আপোনালোকে হাউচৰ ভিতৰত কৈ দিব পাৰে, এই চি এমক উৰাব লাগিব নহ'লে ই এইটো কৰিবই। অপশ্যন দুটাই। হয়তো মোক ইয়াৰ পৰা খেদক নহলে বাল্য বিবাহ বন্ধ। দুটাৰ এটা হ'ব। ৩ নং অপশ্যন ইয়াত নাই। সমৰ্থন কৰিব লাগিব, অপৰাধীক ধৰাটোত সমৰ্থন কৰিব লাগিব। অপৰাধীৰ সপক্ষে বিধায়কে মাত

মাতাটোোত কৈ দুখৰ কথা একো থাকিব নোৱাৰে। যি মুহূৰ্ততে ১৮ বছৰৰ তলৰ ছোৱালী বিয়া কৰালো , I am a criminal in the eye of law. I am accused in the eye of law. মইটো অসমতে প্ৰথমবাৰ পাইছো, যে বিধায়কে অপৰাধীৰ হৈ মাত মাতি আছে। ১০ বছৰ আগত বিয়া কৰালে, ১৫ বছৰ আগত বিয়া কৰালে, আইনত লিখি দিব লাগিছিল, যে১০ বছৰ আগত বিয়া কৰালে শাস্তি নহয় বুলি, ১৫ বছৰ আগত বিয়া কৰালে শাস্তি নহয় বুলি, সেই কাৰণে মই নিগেটিভলি কোৱা নাই। মই খুব পজিটিবলি কৈছো, তাৰ সমকক্ষ শব্দ এটা বিচাৰি পোৱা নাই কাৰণে। মই অত্যন্ত বিনম্ৰতাৰে কৈছো যে বাল্য বিবাহ কৰা মানুহৰ ওপৰত ডেম'ক্ৰেচিৰ ৰুলাৰ চলিবই, গণতন্ত্ৰৰ ৰুলাৰ চলিবই। পি ডব্লিউ ডি ৰুলাৰ নহয়, গণতন্ত্ৰৰ ৰুলাৰ। আইনৰ শাসন চলিবই। ২০২৬ চনৰ ভিতৰত অসমত আমি এক্ট এখন আনিবলৈ চেষ্টা কৰি আছো। ভাৰত চৰকাৰে ২ বছৰ ২ বছৰ জেইল ৰাখিছে, আমি আলোচনা কৰি আছো, ১০ বছৰ জেইল ৰাখিব পাৰো নেকি? বাল্য বিবাহ বন্ধ হ'বই লাগিব। That is the minimum we can do for our daughter.যিদিনাখন আমাৰ daughters day হয়, কেৱল whatsapp ত greetings দিলেই daughters ৰ প্ৰতি দায়িত্ব পালন নহয়। আমাৰ সকলোৰে ছোৱালী আছে। নাই যদিওঁ মোৰ ভাইৰ আছে, দাদাৰ আছে। চাওঁক ১১ বছৰত মাক হ'বলগীয়াকৈ ইমান শান্তি তেওঁলোকক পৃথিৱীত আনি দিব নালাগে। ১১ বছৰত মাতৃ হৈছে। আমাৰ অন্তৰে নাকান্দে নেকি? আমি কাৰ কাৰণে কান্দি আছো, অপৰাধী কেইজনৰ কাৰণে। ছোৱালীকেইজনীৰ কাৰণে কান্দা নাই। মই বিধায়ক সকলক আহ্বান কৰিম হৃদয় ডাঠ কৰি লওঁক। কিছুমান কাম চৰকাৰ হ'লে ডাঠ হৃদয় কৰিবই লাগিব। কোমল থাকিব, শিক্ষা লাগে, হস্পিতাল লাগে, you will have a soft heart, কিন্তু কোনোবাই যেতিয়া গড় মাৰিব, কোনোবাই ফৰেষ্ট দখল কৰিব, বাল্য বিবাহ কৰিব, ড্ৰাগছৰ ব্যৱসায় কৰিব, ছোৱালীক ৰেপ কৰিব, তেতিয়া হৃদয়টো কঠোৰ হ'ব লাগিব। চৰকাৰ কঠোৰ হৃদয় নহয়, অকল আপুনি তুলাৰ দৰে হৃদয় হৈ থাকিলে ন'হব। it has to be a combination of both. এফালে চালে ন'হব। আৰু আপোনালোকে ভুলতে শুনিলে যে কোনোবাই মুছলমান মানুহক টাৰ্গেট কৰিছে। এবাৰটো এটা প্ৰশ্ন কৰক বাল্যবিবাহত এৰেষ্ট কৰা মানুহৰ হিন্দু কিমান মুছলমান কিমান? আজি হিন্দু আৰু মুছলমানৰ অনুপাত উলিয়াওক ৫০ঃ৫০, ফিল্ডত ৫০-৫০ নাই, আপোনালোকে বেয়া পাবৰ কাৰণে মই অলপ আমাৰ মানুহখিনিক বেছিকৈ উঠাই দিলো। মই এচ পি সকলক কলো, তেওঁলোকে কালি পৰহি কমিনিয়েলাইজ কৰি থাকিব কাৰণ এন এফ এচ এচ ৫ ডাটাই কৈছে আটাইতকৈ প্ৰব্লেম হৈছে ধুবুৰী আৰু চাউথ শালমাৰাত। ডিব্ৰুগড় তিনিচুকীয়াত নাই। কিন্তু আপোনালোকে প্ৰত্যেক কথাতেই Communal কৰে কাৰণে মই ডিব্ৰুগড়ৰ এচ পি ক কলো, ২-৪ টা ইয়াৰ পৰা উঠাওক। বিশ্বনাথত কলো, ২-৪ টা ইয়াৰ পৰাও উঠাওক। তেওঁলোকে কলে যে ছাৰ ১৯ বছৰ । ঠিক আছে, ১ বছৰ কৰক । হিমন্ত বিশ্ব শৰ্মাৰ কাৰণে কৰিছো, পিছত গৈ ক্ষমা খুজি আহিবি। তথাপিটো এওঁলোকক কমিনিয়েলাইজ কৰাৰ সুযোগটো দিব নালাগে। এন এফ এচ এচ ডাটা আছে, বৰপেটা, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ এন এফ এচ এচ ৪ ডাটা আছে কংগ্ৰেছৰ দিনত হোৱা ডাটা। আটাইতকৈ কম বয়সত বিয়া হোৱা আৰু শিশু জন্ম দিয়া জিলা হৈছে, নামনি অসমৰ জিলাখিনি। কাম কৰক, আহক এই ৩ বছৰ ৰাস্তাও বনাওঁ, স্কুলো বনাওঁ, হস্পিতালো কৰো, বাল্যবিবাহো বন্ধ কৰো, জনসংখ্যা নিয়ন্ত্ৰন কৰো, এই আমাৰ অসমখন সোণত সুৰগা হওঁক। আমাৰ অসমখন ভাল হ'ব। এইখন আমাৰ সকলোৰে অসম আৰু সেই কাৰণে এখন ভাল অসমৰ কাৰনে আমি কাম কৰো। মই বিধায়ক

সকলক আজি কৈছো যে গোৱালপাৰাত ইভিকশ্যন হ'ব। High court has given us a order.ওৰাংত eviction হ'ব। আপোনালোকে কি কৰিব লাগে, বিকল্পৰ কাৰণে মোৰ লগত আলোচনা কৰক। মই যেতিয়া গোৱালপাৰাৰ সৈনিক স্কুলত গৈছিলো, গোৱালপাৰাৰ চাৰিওজন বিধায়কে একে লগ কৰি মই কৈ আহিছো । eviction হ'ব ক'ত মাটিবাৰী আছে, চাই উলিয়াওক আৰু তাতে দি দিয়ক। যদি ইমানখিনি কোৱাৰ পিছতো আপোনালোকে যদি সচাঁ কথাখিনি সদনক নকয়, তেনেহলে হিমন্ত বিশ্ব শৰ্মা কঠোৰ, কঠোৰ নহয়, ৬ মাহ আগৰ পৰা মই ওৱাৰনিং দি থাকো। আজি ৬ মাহ আগৰ পৰাই গোৱালপাৰাৰ প্ৰত্যেকজন এম এল এ ক কৈছো, যে eviction হ'ব, কোৰ্টৰ অৰ্ডাৰক মুখ্যমন্ত্ৰীয়ে না ক'ব নোৱাৰে। বিকল্প ব্যৱস্থা কোনে কৰিব লাগিব। কোনে অৰুনোদয় দিছে, কোনে জলজীৱন দিছে, সেইটোৰ পৰা ওপৰত উঠিব লাগে। সেইটোৰ ওপৰত উঠিলেহে হ'ব। দুখীয়া মানুহখিনিৰ কাৰণে কাম কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই বহুত দীঘলীয়া নকৰো, অসম বহুত আগবাঢ়িছে, অসমত potential create হৈছে। ৭৫ বছৰটো মই একেলগে নোহোৱা কৰিব নোৱাৰিম। কিন্তু ৫ বছৰৰ শেষত মই যিদিনা ভাষণ দিম, বহুত বেছি মই ইন্দিকেটৰ কম with full sense of confidence and conviction যে এই ৫ বছৰত অসমখনক ১০ ৰ ভিতৰতটো আমি লৈ আনিলো। পিছৰ ৫ বছৰত ৫ ৰ ভিতৰত লৈ আনিম। চাৰে ৫ লাখ কোটি টকা জি ডি পি, না তেল নতুনকৈ আৱিস্কাৰ হৈছে, নে গেছ নতুনকৈ আৱিস্কাৰ হৈছে? ১লাখ ২২ হাজাৰ কোটি টকা annual expenditure. মই কোনো কংগ্ৰেছ, বিজেপিক কোৱা নাই, ২০১৫ ত ৪২ হাজাৰ। 42 thousand has become one lakh 22 thousand ৫ বছৰত ৩ শ শতাংশ বাজেট expenditure. বঢ়া এখন ৰাজ্য আপোনালোকে দেখাই দিয়ক। এইখন মোৰ অসম, এইখন মোৰ মাতৃভূমি অসম, আৰু এইখনক আমি আগুৱাই লৈ যাম ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে ইয়াক প্ৰতিস্থা কৰিম, সদনৰ মই সহযোগিতা বিচাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, (দক্ষিণ গোৱালপাৰা)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, গোৱালপাৰা জিলাৰ eviction ৰ ক্ষেত্ৰত যিটো কথা কৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, তেখেতৰ সৈনিক স্কুল ভিজিট কৰাৰ সময়ত তেখেতক অৱগত কৰা হৈছিল, যে গোৱালপাৰা জিলাত যেতিয়া ১৯৫৯ ত পি আৰ এফ নটিফাই কৰা হয়, সেই সময়ত ডি চি ক District forest settlement officer হিচাপে দায়িত্ব দি তেখেতক তাৰে ফৰেষ্ট পি আৰ এফ এৰিয়াৰ Claims and Objection এইটো প্ৰকাশ কৰিবলৈ দায়িত্ব দিয়া হৈছিল। কিন্তু ২০১৬ চনত ডি চি অফিচৰ ৰেকৰ্ড মতে দেখা যায় যে এই কামখিনি এতিয়ালৈকে কৰা হোৱা নাই। ৰিৰ্জাভ ফৰেষ্ট হলে আমাৰ ক'বলগা নাই। কিন্তু পি আৰ এফ ৰ সীমালৈ এটা সমস্যা আছে যে ডি চি আৰু ফৰেষ্টৰ মাজত পি আৰ এফ ৰ সীমাটো সুনিৰ্দিষ্ট নহয়। ডি চি য়ে . Claims and Objection টো প্ৰকাশ কৰাৰ পাছত যিটো সীমা নিৰ্দিষ্ট হ'ব তাৰ পিছত সেইখিনি eviction হওঁক, সেইটো লৈ আপত্তি নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে,

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আমি ৰাজ্যপালৰ ভাষণৰ প্ৰত্যুত্তৰত দুটামান কথা যি তেওঁ কলে, তাৰ ওপৰত আমি বক্তব্য ৰাখিব বিচাৰিছো। দুটামান কথা self contradictory যেন লাগিছে। ইয়াত আছিল প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া। প্ৰথম যেতিয়া আমাৰ কংগ্ৰেছৰ চৰকাৰ গ'ল, তেতিয়া আজিৰ মুখ্যমন্ত্ৰী

ডাঙৰীয়াই তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনক সমালোচনা কৰিছিল যে অসমখন শেষ কৰি গ'ল। এইটো প্ৰমাণ আছে। সেইসময়ত টিভিত talk show হৈছিল যে খাৰুৱা কৰি থৈ গ'ল। ১০ হাজাৰ কোটি টকা ধাৰ। আমি কেতিয়াওঁ ধাৰ নলওঁ। যদি লাগে সেই কথাখিনি মই আপোনাক দিম। তেতিয়া তেওঁ জাষ্টিফাই কৰিছে যে ধাৰ ল'বই লাগিব। অমুক ৰাজ্যই লৈছে আমি কিয় নলওঁ আৰু এটা কৈছে যে ধাৰ কিমান লৈছে সেই কথাটোত হ'ল যে ১ কোটি ৩২ হাজাৰ কোটি টকাৰ ঋণৰ বোজা। ইয়াত লিখিছে যে ধাৰৰ বোজাত জৰ্জৰিত অসম। এই কথাটো সেই সময়ত ধাৰ লোৱাতো সমালোচনা কৰিছিল, আজিও কৰিছে। এইটো বাস্তৱ ধাৰ লবই লাগিব। সেই কথাটো সময়ত ভবা নাছিল এতিয়া ভাবিছে। দ্বিতীয় কথা এটা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে ধাৰ ঘূৰাই দিব পৰা জনক হে ধাৰ দিয়ে। বেংকে বিভিন্ন ধৰণে চায়। কিন্তু মাহুল সাক্সি আৰু নীৰৱ মোডী তেওঁলোককো এইটো চায়েই দিছিল যে ধাৰ উভটাই দিব পাৰে। কিন্তু তেওঁলোকটো ঘূৰাই নিদিলে, ইয়াৰ পৰা গুছি গ'ল। শ্ৰীলংকাৰ অৱস্থাটো দেখিহে কেতিয়াবা লাগে যে ধাৰটো বিভিন্ন দেশৰ পৰা লৈছিল। আকৌ এটা কথা কৈছিল যে ঘূৰাই দিয়াৰ সকলোতকৈ আগত অসম আছে। আমি নাজানো যে তথ্যই কি কৈছে। ইয়াত আকৌ কৈছে ধাৰটো ঘূৰাই দিছে। আমাৰ চৰকাৰী তথ্য নাই। আমি বিভিন্ন কাগজ-পত্ৰত যিবিলাক তথ্য পাইছো যে ঋণৰ ফুটাকড়ি এটাও ধাৰ চৰকাৰে পৰিশোধ কৰা নাই। মূলধনৰ ফুটাকড়ি ও যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াই দি দিয়ে তেতিয়া ও ভাল হ'ব কাৰণ আমি তথ্যৰ ওপৰত কৈছো। যাৰ বাবে অসমত জনমূৰি ঋণৰ পৰিমাণ হৈছেগৈ ৩৭ হাজাৰ টকা। প্ৰত্যেকজন মানুহৰ মূৰত। ধাৰ লোৱাৰ পিছত মূলধনটো দিয়াই নাই, ইণ্টাৰেষ্ট দিছে ৩৪,২৭৪.৫৯ কোটি টকা। এই কথাখিনিৰ অলপ ক্লিয়াৰিফিকেশ্যনৰ কাৰণে লগত মেডিকেল কলেজৰ হিচাপটো দিছে, ঠিকেই আছে। ইয়াৰ দুই-এখন কলেজ বোধহয় স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ দিনত তেখেত স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে হৈছিল। এইখিনি এটা বোধহয় ৰিক'গনেশ্যন পাইছে। এমালগেমেশ্যনৰ কথাটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৈছে, মই সেইটো ৰেল কাম কৰিছো। যদি ১০০ ষ্টুডেণ্ট থাকে, তেতিয়া বোধহয় তেওঁ ক'লে যে মই শিক্ষামন্ত্ৰী মহোদয়ক কৈছো। সেই কথাটোত আমি চেষ্টা কৰিম। কিন্তু গাওঁৰ স্কুল বিলাক বন্ধ কৰি দিছে। মই ভাবো এই কথাটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰিলে ভাল হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** চাপ'জ মই ক'লো যে এখন স্কুলত ষ্টুডেণ্ট নাই, খুলি ৰাখিম নেকি? এইটো কৈ দিয়ক। পৰামৰ্শটো এটলিষ্ট ৰেকৰ্ড হ'ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** স্কুলত ষ্টুডেণ্ট যে নাই সেইটো কাৰণে দোষটো কাৰ। ষ্টুডেণ্ট থকা ও বন্ধ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ক্লিয়াৰিফিকেশ্যন খিনি বিচাৰক।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মই সেইটোৱে বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দোষতো মোৰ হয়। যেতিয়া হাউচত আমি প্ৰভিঞ্চিয়েলাইজেশ্যন বিল আনিছিলো, তেতিয়া আমি কৈছিলো যে ২৮ গৰাকী ষ্টুডেণ্ট মিনিমাম থাকিব লাগে। মাননীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াৰো মনত আছে মানৱতাৰ খাতিৰত সংখ্যাটো কমাই কমাই ১২ গৰাকীলৈ লৈ আহিল। দোষ মোৰ। শিক্ষক এজনক চাকৰি দিবৰ কাৰণে ১২ জন ষ্টুডেণ্ট থকা স্কুলখনো আমি প্ৰাদেশিকীকৰণ কৰিলো। কিন্তু তেতিয়াই মই কৈ থৈছিলো যে মানৱীয়তাটো কৰিলো। কিন্তু সদায় মানৱীয়তাটো নহয়। গতিকে দোষটো মোৰ যে যদি এক্টখন চায় যে কম ষ্টুডেণ্ট থকা স্কুল, ক'ৰ অৰিজিনেল চৰকাৰী স্কুল খুব কম বন্ধ হৈছে।

শিৰসাগৰ, ডিব্ৰুগড়ত জনসংখ্যা কমিছে, সেইকাৰণে মানুহ কমিছে স্কুল নাই এতিয়া। তাতে আৰু ইংলিশ মিডিয়ামত গুছি গৈছে। অকনমান তেনেকুৱা ধৰণে কমিছে। কিন্তু যিবিলাক স্কুল বন্ধ হৈছে সেই বিলাক স্কুল হৈছে মানৱীয়তাৰ খাতিৰত কৰা স্কুল বিলাক। আমিনুল ইছলাম ডাঙৰীয়াই ভালকৈ জানে। সদায় কয় যে মানৱীয়তা কমাই দিয়ক । গতিকে দোষটো মোৰ। নহ'লে এইবোৰ স্কুলেই নহ'ল হেতেন। গতিকে এই স্কুল বিলাক যে বন্ধ হ'ল বা চৰকাৰী বুলি যে আজি আমি আলোচনা কৰিলো দোষতো মোৰ। কাৰণ মই হয়তো তেতিয়াই ১২ জন, ১২ জন ষ্টুডেণ্টক লৈ প্ৰাদেশিকীকৰণ কৰিব নালাগিছিল।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মই কোনো দোষাৰোপ কৰা নাই। মই কৈছো যে বহুত পুৰণা স্কুল বন্ধ হৈ গৈছে সেইবিলাক অলপ চাব। যদি আইনে নকয়, তেওঁ বিবেচনাই নকৰে নালাগে। মই এইটোৰে কৈছো যে তেতিয়া ৰিক'গনেশ্যন দিলে। একেবাৰে পুৰণি স্কুল কিছুমান থাকে যিবিলাক স্কুল বন্ধ কৰি দিছে, গাওঁত যাওঁতে কেতিয়াবা কয়। সেইকাৰণে আমি পৰামৰ্শটো দিছো, সেইটো চৰকাৰে কৰিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ মাননীয় দলপতি ডাঙৰীয়া আৰু আমি গৈছিলো। ওদালগুৰিত কেনাৰাম বুলি এজনক মাৰিছিল। যিজনৰ ঘৰত মাৰিলে ইয়াত আপুনি যেনেকৈ বহু কথা সদনত কৈছে আমি ক'ব পাৰো যে সেইটো এনকাউণ্টাৰ নহয়য়েই। এজনৰ ঘৰত সোমাই গৈছে, সোমাই গৈ তহঁত ইয়াৰ পৰা যা বুলি কৈ পুলিচে এজনক গুলিয়াই দিছে। পিছত ক'লে যে সেইজন দুধৰ্ষ ডকাইত কেনাৰাম। তাৰ পিছত পৰিয়ালক দি দিয়াৰ পিছত তেখেতক ৰীতি মতে অন্তেষ্টিক্ৰিয়া কৰিলে। টিভিত দেখি বাক্সা জিলাৰ ডিম্বেশ্বৰ মুছাহাৰীৰ পত্নী আহি দেখিলে যে সেইটো তেওঁৰ স্বামীৰ মৃতদেহ। বিচাৰি বিচাৰি চাৰি-পাঁচদিন ঘূৰিলে। তাৰপিছত যেতিয়া দেখিলে তেতিয়া ডি এন এ টেষ্ট বুলি তেওঁ হাবাথুৰি খাই গ'ল। আমি বাক্সালৈ গ'লো। কেতিয়াবা মুখ্যমন্ত্ৰী ডাঙৰীয়াক ভুল ৰিপোৰ্টো দিয়ে। কেনাৰামক মাৰি পেলাই দিলে, কিন্তু সেই মৃত দেহটো হ'ল ডিম্বেশ্বৰ মুছাহাৰীৰ। গড় হত্যাৰ কথাটোত এটাও হোৱা নাই। মই কোনো কথা পিছ নোহোহোকো। মই ধন্যবাদ দিছো। মোৰ তথ্য আছে মই দিম। তেতিয়াই মই বহুতৰ সহায় বিচাৰিছিলো। মই ব্লেক এণ্ড হোৱাইট আপোনলোকেক দিম। তেতিয়াই মই জানো যে কিছুমান কাম কিছু লোকে কৰিব পাৰিব আমি পৰা নাছিলো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি মই পঢ়িছো আৰু কিছু কথা আছে মই নকওঁ একেবাৰে একাডেমিক। কাকো দোষ নিদিয়াকৈ। এই কথাখিনি কৈছো কোনো ক্লিয়াৰিফিকেশ্যনো নালাগে। মই বিনম্ৰতাৰে এই কথাখিনি উপস্থাপন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই লোনৰ ওপৰত তিনিটা কথা কৈ দিছো। এখন ৰাজ্যত যিমানখিনি জি ডি পি এটা বছৰত হয়, তাৰ ৩.৫ শতাংশ এখন ৰাজ্যই লোন ল'ব পাৰে। This is the mandate of FRBM Act. অসম বিধান সভাত এই FRBM Act খন স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থকাৰ সময়ত পাচ হৈছিল। তাত চেকেণ্ড কনডিশ্যনটো হ'ল যে টেক্স জি ডি পি ৰেচিঅ' ৩২ শতাংশ ক্ৰচ কৰিব নালাগে। এই দুটা কনডিশ্যন যেতিয়া পুৰা হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে এখন ৰাজ্যক অথ'ৰাইজ কৰে যে, এই বছৰত আপুনি ইমানখিনি লোন ল'ব পাৰিব। এতিয়া লোন ঘুৰাই দিয়াতো আপোনাৰ অপশ্যন নহয়। প্ৰতি ১০ বছৰত ইয়াক বুলেট পেমেণ্ট বুলি কয় যে ১০ বছৰ হোৱাৰ দিনাখনেই লোনটো ৰিৰ্জাভ বেংকে নিজে নিজে কাটি ল'ব। সেইকাৰণে এই বছৰ আমি ২০০০ কোটি টকা ঘুৰাই দিছো। ২৭ মাৰ্চত আমি ঘুৰাই দিম। এই ২০০০ কোটি টকা কোন তাৰিখে ধাৰ লৈছিল, এই ২০০০ কোটি টকা ধাৰ

লৈছিল আজিৰ পৰা ১০ বছৰ আগত। তাৰমানে ২০১৩ চনত। ২০১৩ চনত তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থাকোতে এই বছৰত ২০০০ কোটি টকা ধাৰ লৈছিল। ২০২৩ চনত আমি ঘুৰাই দিম। কিন্তু ইণ্টাৰেষ্টটো বছৰে বছৰে দিব লাগিব। এইটো হ'ল ৰিজাৰ্ভ বেংকৰ নিয়ম। কোনোবা ৰাজ্যই যদি এদিনৰ কাৰণেও মূল ঘুৰাই নিদিয়ে ষ্টেটৰ যিটো টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে তাৰ পৰা চোৰ্চত তেওঁলোকে কাটি ল'ব। এতিয়া ইয়াৰ ওপৰত এটা fiscal discipline নিৰ্মাণ কৰা হয়। এতিয়া বাজেট হৈ যাব, আমি কেন্দ্ৰীয় চৰকাৰক আৱেদন কৰিম যে এই বছৰ আমি কিমান লোন পাম। কেন্দ্ৰীয় চৰকাৰে হিচাপ কৰিব এওঁলোকৰ GDP হ'ব ৫.৫০ লাখ কোটি টকা। গতিকে তাৰ বিপৰীতে লোন ল'ব পাৰিব ৩.৫ শতাংশ। যোৱা বছৰ কিবা পোৱা লোন যদি লোৱা নাই that will be carry forward. ২০১৫ চনত যিখিনি সমালোচনা কৰিছিল যে কিয় লোন লৈছিল, ২০১৫ চনৰ লোন মই বিত্তমন্ত্ৰী হিচাপে লোৱাখিনি ২০২৫ চনত মই মুখ্যমন্ত্ৰী হিচাপে ঘুৰাই দিব লাগিব। তাত কোনো ধৰণৰ ব্যৱস্থা নাই, ১০ বছৰৰ মূৰে মূৰে বুলেট পেমেন্ট বুলি কয়, এইটো ঘুৰাই দিব লাগিব। নাবাৰ্ডৰ পৰা লোৱা লোনখিনি ২ বছৰ holiday থাকে, ৩ নম্বৰ বছৰ interest & principal দুয়োখিনি ঘুৰাই দিব লাগিব। সেই কাৰণে এই বছৰত আমি ২০০০ টকা মূল ঘুৰাই দিম, অহা বছৰত আমি ৩৫০০ টকা মূল ঘুৰাব লাগিব। ২০২৫ চনলৈ এনেকৈ বাঢ়ি গৈ থাকিব। মুল ঘুৰাই নিদিয়াকৈ কোনো চৰকাৰে থাকিব নোৱাৰে।

তৃতীয়তে হ'ল, অসমত আজি যিমান টকা লোন ল'ব পাৰো, তাতকৈ আমি বহুত কমত লৈ আছো। লোন লোৱাত তেতিয়া সমালোচনা কৰা হয়, যেতিয়া ৰিজাৰ্ভ বেংকৰ পৰা বাহিৰত গৈ লোন লোৱাৰ কাৰণে চেষ্টা কৰা হয়। অসমত একমাত্ৰ উদাহৰণ বাহিৰত গৈ লোন লোৱাৰ চেষ্টা কৰা Peerless ৰ পৰা লোন লোৱা আছে। যি ৰিজাৰ্ভ বেংকৰ বাহিৰত গৈ লোণ লৈছিলে। ৰিজাৰ্ভ বেংকৰ ভিতৰত গৈ লোন লোৱাটোৰ কাৰণে কোনেও সমালোচনা কৰিব নোৱাৰে। কাৰণ কেন্দ্ৰীয় চৰকাৰে break লগাই দিব ৩.৫ শতাংশ পাৰ হৈ গ'লে। It is unevent full discussion। কাৰণ বাজেটিঙত এই বস্তুটো লিখা থাকে যে ইমান টকা borrow কৰিব আৰু ৫ বছৰৰ মুৰে মুৰে Finance Commission য়ে কেতিয়াবা কিবা লোন wave কৰি দিয়ে যে ঠিক আছে, এইখিনি লোন ঘুৰাই দিব নালাগে।

সেই কাৰণে মোৰ মতে লোনৰ বিতৰ্কৰ কোনো মান্যতা নাই। কাৰণ এই সদনে আইনখন পাছ কৰিছে। কোনো সংশোধনী নাছিল কংগ্ৰেছৰ ফালৰ পৰা যে ৩.৫ শতাংশ নালাগে, ২.৫ শতাংশ লওঁক। গতিকে কংগ্ৰেছে FRBM আইন পাছ কৰিছে যে ইমান টকা লোন ল'ব পাৰে। ছত্তিশগড়ত ১০০ শতাংশ লোন লৈ আছে। তাৰ মানে যিমান allow সিমানলৈকে গৈ আছে। আমি যিমান allow তাতকৈ আমি ২০, ৩০ শতাংশ কমত আছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল মাননীয় মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী ভাষণত কৈছিলে যে ৩১ মাৰ্চ ২০২২ চনৰ ভিতৰত ১ লাখ নিবনুৱাৰ নিযুক্তি দিব। তাৰ পিছত তেওঁলোকে নিৰ্বাচনী হস্তাহাৰতো এই কথাখিনিয়ে কৈছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি কি জানিব বিচাৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, নিৰ্বাচনৰ ভাষণৰ ওপৰত তৰ্ক হ'ব নোৱাৰে। এবছৰ যে কভি'ড হৈ এনে যাব মইতো জনা নাছিলে। এতিয়া কভি'ডৰ সময়ত মই ২ লাখ ৫ লাখ মানুহক পৰীক্ষা দিবলৈ লৈ গৈ কভি'ড টেষ্ট কৰাই পেলাই এজন হত্যাকাৰীৰ পুৰস্কাৰ

ললো হেতেন নেকি? এবছৰত কৈছিলো দুই বছৰত দিয়া হ'ব, ইমানে কথা।

(.... সদনত হুলুস্থুল)

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য সকল ইতিমধ্যে ৰাজ্যপালৰ ভাষণৰ ওপৰত reply দিলে আৰু reply ত যদি কাৰোৱাৰ কিবা clarification থাকে, সেইখিনি আপুনি specific বিচাৰিব পাৰে। election campaign ৰ কথা আনিব নালাগে, তৰ্ক হ'ব নালাগে।

(.... সদনত হুলুস্থুল)

এতিয়া মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসুচক প্ৰস্তাৱৰ সম্পৰ্কত চাৰিখন সংশোধনী প্ৰস্তাৱৰ জাননী আমি পাইছো। প্ৰথম জাননীখন মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেওঁৰ সতীৰ্থ সদস্যসকলৰ নামত আছে। গতিকে আপোনালোকে এইটো উঠাই ল'ব নে move কৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি withdraw কৰিম, কিন্তু বহুতখিনি তথ্য বিভ্ৰান্তি মাননীয় সদনৰ দলপতি মহোদয়ে দিছে, গতিকে আমি অলপ খেদো প্ৰকাশ কৰিছো এই ক্ষেত্ৰত।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

এতিয়া দ্বিতীয়তো আছে, মাননীয় সদস্য হাফিছ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ, আপোনালোকে withdraw কৰিবনে?

**শ্ৰী আমিনুল ইছলাম, (ধিং)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আমিও মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা স্পষ্টীকৰণ লৈ পেলাই উঠাই ল'ব বিচাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে যথেষ্ট ভাল কথা কৈছে, কিছুমান সামাজিক ব্যধি নিৰ্মূল হ'ব লাগে। বাল্য বিবাহ বন্ধ হ'ব লাগে, আমিও এক মত। ঠিক সেইদৰে মানুহক যে চৰকাৰী ভূমিৰ পৰা উচ্ছেদ কৰা কথা কৈছে। বনাঞ্চলখিনি খালী কৰিব লাগে, বা জন্ম নিয়ন্ত্ৰণ হ'ব লাগে। কেইটামান সমস্যা যিবিলাক আছে, মানুহৰ দৰিদ্ৰতা আৰু শিক্ষাৰ অভাৱৰ কাৰণে বেছিকৈ হয়। গতিকে চৰকাৰৰ policy এটাত এনেকুৱা কথা আহিব লাগে যাতে শিক্ষাতো সেই এলেকাত য'ত বাল্য বিবাহ বেছি বা জন্ম নিয়ন্ত্ৰন বেছি। তাত শিক্ষাৰ প্ৰসাৰ বেছি হয়। মানুহ বেছিকৈ সচেতন হয় আৰু বিশেষকৈ চৰকাৰে এটা সিদ্ধান্ত লৈছে EWS যিটো reservation আছিল। Economically weaker section আৰু এই reservation ৰ ফলত সেই পিছপৰা এলেকাৰ সেই মানুহ সকল উচ্চ শিক্ষাৰ সুবিধা পাইছিল। এই কথাটো মাননীয় মুখ্যমন্ত্ৰীৰ পৰা স্পষ্টিকৰণ বিচাৰিছো। EWS টো বাহাল থাকিব লাগে। Economically weaker section টো deprive কৰা হয় তেনেহ'লে আঢ্যৱন্ত পৰিয়াল বিলাকে সুবিধা পাব আৰু এই section টো পিছ পৰি থাকিব। যিমানে পিছ পৰিব জন্ম বেছি হ'ব, শিক্ষাৰ পৰা বঞ্চিত হ'ব, বাল্য বিবাহ বেছি হ'ব।

**মাননীয় অধ্যক্ষঃ** Withdraw কৰিছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** সেইটোৰ কাৰণে ধন্যবাদ জনাইছো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক

EWS বাহাল ৰাখিব বুলি যিটো প্ৰতিশ্ৰুতি দিছে।

**মাননীয় অধ্যক্ষ** ঃশ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনীৰ প্ৰস্তাৱ আছে। আপুনি withdraw কৰিব নে move কৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ clearification খিনি আপুনি মোক অথনি দিব দিছিল। মই কৈ থাকোতে আকৌ বন্ধ হ'ল। এতিয়া যিটো মোৰ সংশোধনী প্ৰস্তাৱ আনিছো, সেই প্ৰস্তাৱটো মই withdraw নকৰো।

**মাননীয় অধ্যক্ষ** ঃঠিক আছে। মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে থকা সকলে কওক হয়। সংশোধনী প্ৰস্তাৱটোৰ বিপক্ষে থকা সকলে কওঁক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। এতিয়া শ্ৰী শ্বেৰমান আলি।

**শ্ৰী শ্বেৰমান আলি, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, withdraw কৰিম। কেৱল তাৰ লগতে এটা বাক্য ক'ব খুজিছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক। তেখেতে যিখিনি সংস্কাৰৰ কথা ক'লে বাল্য বিবাহ আদি। এশ শতাংশ আমি একমত আৰু মই এজন জন প্ৰতিনিধি হিচাপেও আজি এই সদনত ঘোষণা কৰিছো যে আপোনাৰ এই যাত্ৰাৰ লগত বাল্য বিবাহ ৰোধ, শিক্ষাৰ প্ৰসাৰৰ কাৰণে যিমানখিনি নিজকে আত্মনিয়োগ কৰিব লাগে আমি কৰিম। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই সংস্কাৰৰ লগতে অনুৰোধ জনাব খুজিছো যে য'ত য'ত শিক্ষাৰ প্ৰয়োজন তাত যাতে গুৰুত্ব দিয়া হয়। আপুনি নিজে এটা প্ৰতিশ্ৰুতি দিছিল এই সদনত, মন্দিয়া কলেজত Science Stream Introduction কৰিব। মন্দিয়া Girls High School খনক Higher Secondary কৰিব। আজিলৈ কৰা ন'হল। আট্টা বাজি জি. পিত, ২৪ হাজাৰ মানুহ তাত এখনো হাইস্কুল নাই। বৰপেটাত এখন কেন্দ্ৰীয় বিশ্ব বিদ্যালয় অতিকৈ প্ৰয়োজন বা State University. এই কথাবোৰ যাতে মুখ্যমন্ত্ৰী মহোদয়ে শিক্ষাৰ ক্ষেত্ৰত equally importance দিয়ে। তেতিয়া আমাৰ initiative খিনি Success হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Withdraw কৰি ল'লে। মই এতিয়া মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মাই ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱলৈ আহিছো। প্ৰস্তাৱটো হৈছে, যে এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য/সদস্যা সকলে ১০ মাৰ্চ ২০২৩ তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত ধন্যবাদ জ্ঞাপন কৰে। প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওক হয়, প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিতকৰণ কৰা হ'ল। প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

এতিয়া সদন ১৬ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।